UG PS S2-01
(DSC / DSE)

চাৰি বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্রম

(চি.বি.চি.এচ; এন. ই.পি ২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

ৰাজনৈতিক তত্ত্ব ঃ 'খ' ভাগ

ৰাজনীতি বিজ্ঞান



সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়
ড° **শান্তণু চক্রৱর্তী**, অৱসৰ প্রাপ্ত কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড°অভিজিৎ ভূঞা আৰু ড°জাহ্নবী দেৰী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২, ৩, ৪, ৫	ড°অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গীতাঞ্জলী মেধি , কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
	আৰু	আৰু
	ড°বর্ণালী চৌধুৰী, আইডল, গুৱাহাটী বিশ্ববিদ্যালয়	ড°বর্ণালী চৌধুৰী, আইডল, গুৱাহাটী বিশ্ববিদ্যালয়
৬	দীপক শর্মা, ঢকুৱাখানা মহাবিদ্যালয়	দীপাঞ্জলী শর্মা, গুৱাহাটী
৭	ড°নৱনীতা মেধি, জে বি আইন মহাবিদ্যালয়, গুৱাহাটী	জোনালী ৰাভা, গুৱাহাটী
৮, ৯	ড°অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ৰশ্মিৰেখা শর্মা, গুৱাহাটী উচ্চ ন্যায়ালয়
১০, ১১	ড° বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	দিগন্ত লাল ঠাকুৰীয়া
১২, ১৩	পংকজ কুমাৰ শর্মা কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়	গীতাঞ্জলী মেধি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১৪	ড°অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	দিগন্ত লাল ঠাকুৰীয়া

সম্পাদনা ঃ

মূল বিষয়ৱস্তু সম্পাদনা	ঃ	অধ্যাপিকা সন্ধ্যা গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯)
		ড° শান্তণু চক্রৱর্তী, কটন বিশ্ববিদ্যালয় (অধ্যায় ১০, ১১, ১২, ১৩, ১৪)
ভাষা সম্পাদনা	ঃ	ড°নিভাৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯)
		ড°অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১০,১১,১২,১৩,১৪)
গাঁথনিক সম্পাদনা	ঃ	ড°অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

এপ্রিল, ২০২৪

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২ Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা

অধ্যায় ১ঃ ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গী (দার্শনিক আৰু ঐতিহাসিক দৃষ্টিভঙ্গী) ৭-১৭

ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গী; দার্শনিক দৃষ্টিভঙ্গী; ঐতিহাসিক দৃষ্টিভঙ্গী।

অধ্যায় ২ঃ ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গী (আনুষ্ঠানিক দৃষ্টিভঙ্গী আৰু আইনগত দৃষ্টিভঙ্গী) ১৮-২৫

আনুষ্ঠানিক দৃষ্টিভংঙ্গী ; আইনগত দৃষ্টিভংঙ্গী ।

অধ্যায় ৩ঃ ৰাজনৈতিক বিশ্লেষণৰ আধুনিক দৃষ্টিভঙ্গী (আচৰণবাদী দৃষ্টিভঙ্গী আৰু পৰৱর্তী আচৰণবাদী দৃষ্টিভঙ্গী) ২৬-৩৯

আধুনিক দৃষ্টিভঙ্গীৰ অর্থ, আধুনিক দৃষ্টিভঙ্গীৰ বৈশিষ্ট্যসমূহ; আচৰণবাদী দৃষ্টিভঙ্গী (Behaviouralism) ঃ আচৰণবাদী দৃষ্টিভঙ্গীৰ উৎপত্তি আৰু অর্থ, আচৰণবাদী দৃষ্টিভঙ্গীৰ মূল বৈশিষ্ট্যসমূহ, আচৰণবাদী দৃষ্টিভঙ্গীৰ গুণসমূহ আৰু আচৰণবাদী দৃষ্টিভঙ্গীৰ সমালোচনাসমূহ; পৰৱর্তী আচৰণবাদী দৃষ্টিভঙ্গী (Post-Behaviouralism) ঃ উৎপত্তি আৰু অর্থ।

অধ্যায় ৪ঃ ব্যৱস্থাপক দৃষ্টিভঙ্গী তথা গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গী ৪০-৪৯

ব্যৱস্থাপক দৃষ্টিভঙ্গী (Systems Approach); গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গী (Structural-Functional Approach).

অধ্যায় ৫ঃ যোগাযোগ তত্ত্ব দৃষ্টিভংগী আৰু সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভঙ্গী ৫০-৫৯

যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গী (Communication Theory) ; সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভঙ্গী (Decision-Making Theory).

অধ্যায় ৬ঃ গণতন্ত্রৰ সমসাময়িক ধাৰাণাসমূহঃ উদাৰনৈতিক গণতন্ত্র আৰু মার্ক্সীয় গণতন্ত্র ৬০-৭৩

উদাৰনৈতিক গণতন্ত্র ঃ উদাৰনৈতিক গণতন্ত্রৰ বৈশিষ্ট্যসমূহ, প্রতিনিধিত্বমূলক চৰকাৰ আৰু উদাৰনৈতিক গণতন্ত্র; মার্ক্সীয় গণতন্ত্র ঃ মার্ক্সীয় গণতন্ত্রৰ বৈশিষ্ট্যসমূহ, কমিউনিষ্ট একদলীয় আর্হি; উদাৰনৈতিক গণতন্ত্র আৰু মার্ক্সীয় গণতন্ত্রৰ তুলনা ঃ উন্নয়নশীল দেশত গণতন্ত্র।

অধ্যায় ৭ঃ চৰকাৰৰ অঙ্গসমূহ ঃ কার্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকা; মণ্টেস্কুৰ ক্ষমতাৰ পৃথকীকৰণ তত্ত্ব ৭৪-৮৮

কার্যপালিকা ঃ কার্যপালিকাৰ বিভিন্ন প্রকাৰ, কার্যপালিকাৰ কার্যাৱলী; বিধানমণ্ডল ঃ বিধানমণ্ডলৰ প্রকাৰ, বিধানমণ্ডলৰ কার্যাৱলী; ন্যায়পালিকা ঃ ন্যায়পালিকাৰ স্বাধীনতা, ন্যায়পালিকাৰ কার্যাৱলী; মণ্টেস্কুৰ ক্ষমতাৰ পৃথকীকৰণ তত্ত্ব।

অধ্যায় ৮ঃ চৰকাৰৰ প্ৰকাৰ— এককেন্দ্ৰীক আৰু যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ ৮৯-৯৮

এককেন্দ্ৰীক পদ্ধতিৰ চৰকাৰ ঃ এককেন্দ্ৰীক চৰকাৰ, অৰ্থ এককেন্দ্ৰীক চৰকাৰৰ বৈশিষ্ট্যসমূহ, এককেন্দ্ৰীক চৰকাৰৰ গুণ আৰু দোষসমূহ, যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ ছ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ অৰ্থ যুক্ত ৰাষ্ট্ৰীয় চৰকাৰৰ বৈশিষ্ট্যসমূহ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ গুণ আৰু দোষসমূহ।

অধ্যায় ৯ঃ চৰকাৰৰ প্ৰকাৰ— সংসদীয় আৰু ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ ৯৯-১০৮

সংসদীয় আৰু ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ ঃ সংসদীয় পদ্ধতিৰ চৰকাৰ, ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ।

অধ্যায় ১০ঃ ৰাজনৈতিক দল ১০৯-১২৩

ৰাজনৈতিক দলৰ অৰ্থ আৰু বৈশিষ্ট্য ঃ ৰাজনৈতিক দলৰ অৰ্থ, ৰাজনৈতিক দলৰ বৈশিষ্ট্য ৰাজনৈতিক দলৰ প্ৰকাৰ; ৰাজনৈতিক দলৰ কাৰ্য্যাৱলী; ৰাজনৈতিক দলৰ গুৰুত্ব।

অধ্যায় ১১ঃ প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থ গোষ্ঠী ১২৪-১৩৮

প্ৰভাৱ গোষ্ঠী ঃ প্ৰভাৱ গোষ্ঠীৰ অৰ্থ আৰু সংজ্ঞা, প্ৰভাৱগোষ্ঠীৰ প্ৰকাৰসমূহ , প্ৰভাৱ গোষ্ঠীৰ গুৰুত্ব ; স্বাৰ্থ গোষ্ঠী ঃ স্বাৰ্থ গোষ্ঠীৰ অৰ্থ আৰু সংজ্ঞা, স্বাৰ্থ গোষ্ঠীসমূহৰ প্ৰকাৰ, স্বাৰ্থ গোষ্ঠীসমূহৰ গুৰুত্ব ; প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থ গোষ্ঠীৰ মাজত থকা পাৰ্থক্যসমূহ।

অধ্যায় ১২ঃ ৰাজনৈতিক সামাজিকীকৰণ ১৩৯-১৪৯

ৰাজনৈতিক সামাজিকীকৰণৰ অৰ্থ আৰু সংজ্ঞা, ৰাজনৈতিক সামাজিকীকৰণৰ বাহক, ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব।

অধ্যায় ১৩ঃ ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্ৰহণ ১৫০-১৬৩

ৰাজনৈতিক সংস্কৃতি ঃ ৰাজনৈতিক সংস্কৃতিৰ অৰ্থ আৰু সংজ্ঞা, ৰাজনৈতিক সংস্কৃতিৰ প্ৰকাৰ, ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ গুৰুত্ব; ৰাজনৈতিক অংশগ্ৰহণঃ ৰাজনৈতিক অংশগ্ৰহণৰ অৰ্থ, ৰাজনৈতিক অংশগ্ৰহণৰ নিৰ্ণায়ক।

অধ্যায় ১৪ঃ ৰাজনৈতিক আধুনিকীকৰণ আৰু ৰাজনৈতিক উন্নয়ন ১৬৪-১৭৪

ৰাজনৈতিক আধুনিকীকৰণ; ৰাজনৈতিক আধুনিকীকৰণৰ বাহকসমূহ ; ৰাজনৈতিক উন্নয়ন।

প্ৰসংগ পুথি ১৭৫

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্রমৰ দ্বিতীয় যান্মাসিকৰ ৰাজনীতি বিজ্ঞান বিভাগৰ এই পাঠ্যবিষয়টোৰ নাম হ'ল 'ৰাজনৈতিক তত্ত্ব'- 'খ' ভাগ। শিক্ষার্থী সকলক ৰাজনীতি বিজ্ঞান অধ্যয়নৰ সৈতে জড়িত মৌলিক তাত্ত্বিক উপাদানবোৰ বুজাত সহায় কৰিব পৰাকৈ এই পাঠ্যবিষয়টো যুগুত কৰা হৈছে।

ৰাজনীতি আৰু বিভিন্ন পর্যায়ত ৰাজনৈতিক ঘটনাৱলীৰ প্রণালীৱদ্ধ অধ্যয়নৰ বাবে ৰাজনীতি বিজ্ঞানীসকলে বিভিন্ন দৃষ্টিভংগী গ্রহণ কৰি আহিছে। ৰাজনৈতিক বিশ্লেষণৰ এই দৃষ্টিভংগীবোৰক বহলভাৱে দুটা ভাগত ভগাব পাৰি- পৰম্পৰাগত দৃষ্টিভংগী (দার্শনিক, ঐতিহাসিক, আনুষ্ঠানিক আৰু ন্যায়িক দৃষ্টিভংগী) আৰু আধুনিক দৃষ্টিভংগী (আচৰণবাদী আৰু পৰৱর্তী আচৰণবাদী দৃষ্টিভংগী, ব্যৱস্থাপক দৃষ্টিভংগী, গঠন আৰু কার্যবিষয়ক দৃষ্টিভংগী, যোগাযোগ তত্ত্ব দৃষ্টিভংগী আৰু সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভংগী)। 'ৰাজনৈতিক তত্ত্ব' - 'খ' ভাগ শীর্ষক পাঠ্যবিষয়ৰ প্রথম অধ্যায়টোত দুটা অতি গুৰুত্বপূর্ণ পৰম্পৰাগত দৃষ্টিভংগী আলোচনা কৰা হৈছে। এই দৃষ্টিভংগী দুটা হ'ল দার্শনিক আৰু ঐতিহাসিক দৃষ্টিভংগী। দ্বিতীয় অধ্যায়ত আন দুটা গুৰুত্বপূর্ণ পৰম্পৰাগত দৃষ্টিভংগী আনুষ্ঠানিক আৰু ন্যায়িক দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা হৈছে। পাঠ্যবিষয়ৰ তৃতীয় অধ্যায়টোৰ আলোচ্য বিষয় হ'ল দুটা যুগান্তকাৰী আধুনিক দৃষ্টিভংগী ক্রমে আচৰণবাদী আৰু পৰৱর্তী আচৰণবাদী দৃষ্টিভংগী। চতুর্থ অধ্যায়ত শিক্ষার্থীয়ে আন দুটা প্রধান আধুনিক দৃষ্টিভংগী পঢ়িবলৈ পাব। ইয়াৰে এটা হ'ল ব্যৱস্থাপক দৃষ্টিভংগী আৰু আনটো হ'ল গঠন আৰু কার্যবিষয়ক দৃষ্টিভংগী। পঞ্চম অধ্যায়ত আন দুটা আধুনিক দৃষ্টিভংগী, ক্রমে যোগাযোগ তত্ত্ব দৃষ্টিভংগী আৰু সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা হৈছে। ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞানৰ যিকোনো আলোচনা গণতন্ত্রৰ আলোচনা অবিহনে আধৰুৱা হৈ ৰ'ব। ষষ্ঠ অধ্যায়ৰ আলোচ্য বিষয় হ'ল গণতন্ত্রৰ বিভিন্ন সমসাময়িক দিশৰ আলোচনা। এই আলোচনাত উদাৰ নৈতিক গণতন্ত্র আৰু মার্ক্সবাদী গণতন্ত্রৰ চর্চা সামৰি লোৱা হৈছে। একে সময়তে অধ্যায়টিৰ পৰা শিক্ষার্থীসকলে উন্নয়নশীল বিশ্বত গণতন্ত্রৰ প্রকৃতি সম্পর্কেও জানিব পাৰিব। পাঠ্যবিষয়ৰ সপ্তম অধ্যায়ত চৰকাৰৰ তিনিটা মৌলিক অংশ, যেনে- কার্যপালিকা, বিধান মণ্ডল আৰু ন্যায়পালিকাৰ বিষয়ে আলোচনা কৰা হৈছে। যিকোনো আধুনিক ৰাষ্ট্রতে এই তিনিওটা অংগই নিজ নিজ ক্ষমতা ফলপ্রসূভাৱে প্রয়োগ কৰি যাব লাগিব। তেতিয়াহে চৰকাৰ এখনে সামগ্রিকভাৱে সুচাৰুৰূপত আগবাঢ়ি যাব পাৰিব। একে সময়তে আকৌ এই তিনিওটা অংগৰ মাজত ক্ষমতাৰ বিভাজন থাকিব লাগিব। গণতন্ত্রত মাত্র এটা অংগৰ অধীনত ক্ষমতা কেন্দ্রীভূত হ'ব নোৱাৰে। ইয়াৰ উপৰি তিনিওটা অংগই নাগৰিকক স্বাধীনতা উপভোগ কৰাৰ সুযোগ দিব লাগিব। সেয়েহে অধ্যায়টোত মণ্টেস্কুৰ ক্ষমতাৰ পৃথকীকৰণ তত্ত্বটোও আলোচনা কৰা হৈছে। এই অধ্যায়টিৰ অনুসিদ্ধান্তৰূপে পাঠ্যবিষয়ৰ পৰৱর্তী অধ্যায়বোৰত বর্তমান বিশ্বত প্রচলিত গণতান্ত্রিক চৰকাৰৰ বিভিন্ন ৰূপ আলোচনা কৰা হৈছে। অষ্টম অধ্যায়ৰ আলোচ্য বিষয় হ'ল এককেন্দ্রীক আৰু যুক্তৰাষ্ট্রীয় পদ্ধতিৰ চৰকাৰ । তাৰ পাচত, সংসদীয় আৰু ৰাষ্ট্রপতীয় পদ্ধতিৰ চৰকাৰ হ'ল নৱম অধ্যায়টোৰ আলোচনাৰ বিষয়। গণতান্ত্রিক বিশ্বত প্রতিটো ৰাজনৈতিক ব্যৱস্থাৰেই কার্য সম্পাদন প্রক্রিয়া অধ্যয়ন কৰিলে আমি গম পাম যে ৰাজনৈতিক দলবোৰে ৰাজনৈতিক ক্ষেত্রত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। দলবোৰে প্রায়েই জনসাধাৰণ আৰু শাসকৰ মাজৰ যোগসূত্র ৰক্ষাকাৰী হিচাপে কাম কৰে। পাঠ্যবিষয়ৰ দশম অধ্যায়ত ৰাজনৈতিক দলসমূহৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে। সকলো গণতান্ত্রিক ৰাজনৈতিক ব্যৱস্থাৰ কার্য সম্পাদন প্রক্রিয়াত প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীসমূহেও প্রভাৱ বিস্তাৰ কৰে । এই গোষ্ঠীসমূহে আনুষ্ঠানিক চৰকাৰ অথবা দলীয় ব্যৱস্থাৰ বাহিৰত থাকি কাম কৰে। প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীসমূহে চৰকাৰৰ সিদ্ধান্ত গ্রহণ প্রক্রিয়াটোত সক্রিয় প্রভাৱ বিস্তাৰ কৰি নিজৰ স্বার্থ সুৰক্ষিত ৰখাৰ বাবে কাম কৰি যায়। একাদশ অধ্যায়ৰ আলোচনাৰ বিষয়বস্তু হ'ল প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীসমূহৰ সৈতে জড়িত বিভিন্ন দিশ বহলাই আলোচনা কৰা। যিকোনো ৰাজনৈতিক ব্যৱস্থাৰেই মুখ্য উদ্দেশ্য হ'ল ব্যৱস্থাটোৰ অবিৰত ৰূপ সুনিশ্চিত কৰা আৰু বর্তাই ৰখা । এই পটভূমিত

নাগৰিকৰ জীৱনত ৰাজনৈতিক প্ৰমূল্য, মনোভাৱ আৰু বিশ্বাস গঢ় লোৱা প্ৰক্ৰিয়াই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ ৰাজনৈতিক প্ৰমূল্যই এইদৰে গতি কৰা প্ৰক্ৰিয়াটোক ৰাজনৈতিক সামাজিকীকৰণ বোলে। ইয়াৰ বিষয়ে পাঠ্যবিষয়ৰ দ্বাদশ অধ্যায়ত আলোচনা কৰা হৈছে। ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ সৈতে জড়িত আন দুটা গুৰুত্বপূৰ্ণ হৈছে। ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ সৈতে জড়িত আন দুটা গুৰুত্বপূৰ্ণ ধাৰণা হ'ল ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্ৰহণ। যিকোনো এখন দেশৰ ৰাজনৈতিক ব্যৱস্থা এটাৰ কাৰ্য সম্পাদন পদ্ধতি গভীৰভাৱে বুজিবলৈ দেশখনৰ নাগৰিকৰ মাজত প্ৰচলিত ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্ৰহণৰ প্ৰকৃতি বুজিব লাগিব। সেয়েহে, পাঠ্যবিষয়ৰ ত্ৰয়োদশ অধ্যায়টোত ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্ৰহণৰ ধাৰণা দুটা আলোচনা কৰা হৈছে। চতুৰ্দশ অধ্যায়ৰ আলোচ্য বিষয় হ'ল ৰাজনৈতিক আধুনিকীকৰণ আৰু ৰাজনৈতিক উন্নয়নৰ ধাৰণা। ৰাজনৈতিক আধুনিকীকৰণে সমাজৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু মনোস্তাত্বিক দিশত হোৱা পৰিৱৰ্তনবোৰ সামৰি লয়। ৰাজনৈতিক উন্নয়নৰ অন্তৰ্গত উপাদানবোৰ হ'ল ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়া আৰু বিস্তৃত ৰাজনৈতিক অংশগ্ৰহণ আৰু এইসমূহৰ আলোচনাৰে পাঠ্যবিষয়টো সামৰণি হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গী (দার্শনিক আৰু ঐতিহাসিক দৃষ্টিভঙ্গী)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গী

১.৪ দার্শনিক দৃষ্টিভঙ্গী

১.৫ ঐতিহাসিক দৃষ্টিভঙ্গী

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গী ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক বিশ্লেষণৰ দার্শনিক দৃষ্টিভঙ্গী আলোচনা কৰিব পাৰিব
- ৰাজনৈতিক বিশ্লেষণৰ ঐতিহাসিক দৃষ্টিভঙ্গী আলোচনা কৰিব পাৰিব
- দার্শনিক আৰু ঐতিহাসিক দৃষ্টিভঙ্গীৰ সীমাবদ্ধতাসমূহ ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টোৰে ৰাজনৈতিক বিশ্লেষণৰ প্রধান দৃষ্টিভঙ্গীসমূহৰ লগত আমাক পৰিচয় কৰাই দিব। ৰাজনৈতিক বিশ্লেষণৰ বিভিন্ন দৃষ্টিভঙ্গীসমূহে ৰাজনীতি আৰু ৰাজনৈতিক ঘটনাসমূহৰ অধ্যয়নৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে । ৰাজনৈতিক বিশ্লেষণৰ বিভিন্ন দৃষ্টিভঙ্গীসমূহক বহলভাৱে পৰম্পৰাগত আৰু আধুনিক এই দুটা ভাগত শ্রেণীবিভাগ কৰা হৈছে। পৰম্পৰাগত দৃষ্টিভঙ্গীৰ ভিতৰত পৰিব দার্শনিক, ঐতিহাসিক, আইনগত আৰু আনুষ্ঠানিক দৃষ্টিভঙ্গী। আনহাতে আধুনিক দৃষ্টিভঙ্গীৰ ভিতৰত পৰিব আচৰণবাদ, পৰৱর্তী আচৰণবাদী দৃষ্টিভঙ্গী, ব্যৱস্থাপক দৃষ্টিভঙ্গী, গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গী আৰু যোগাযোগ দৃষ্টিভঙ্গী। এই অধ্যায়টোত আমি দুটা পৰম্পৰাগত দৃষ্টিভঙ্গী যেনে দার্শনিক দৃষ্টিভঙ্গী আৰু ঐতিহাসিক দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰিম।

১.৩ ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গী

দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিলৈকে ৰাজনীতি বিজ্ঞানক পৰম্পৰাগত দৃষ্টিভঙ্গী (Traditional Approaches) ৰে বিচাৰ কৰা হৈছিল। এই পৰম্পৰাগত দৃষ্টিভঙ্গীয়ে প্ৰধানতঃ ৰাষ্ট্ৰ আৰু চৰকাৰ অধ্যয়নত অধিক গুৰুত্ব দিয়ে। সেয়েহে ৰাষ্ট্ৰ এখনৰ সংগঠন, কার্য, নীতি , আদর্শ, ধাৰণা আদি অধ্যয়নৰ ক্ষেত্ৰত বিভিন্ন পৰম্পৰাগত দৃষ্টিভঙ্গীৰ সমাবেশ ঘটিছে। এই দৃষ্টিভঙ্গীসমূহ আদর্শবাদী আৰু ভাৱবাদী। যিসকল ৰাজনৈতিক চিন্তাবিদে এই দৃষ্টিভঙ্গীৰ পৃষ্ঠপোষকতা কৰিছে তেওঁলোকে প্ৰশ্ন কৰিছে -"আদর্শ ৰাষ্ট্ৰ কি হোৱা উচিত?" তেওঁলোকৰ মতে ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন চৰকাৰ এখনৰ আনুষ্ঠানিক গঠন, আইন, নীতি-নিয়ম আদিতেই সীমাবদ্ধ থকা উচিত। সেয়েহে এই দৃষ্টিভঙ্গীৰ উদ্যোক্তাসকলে 'কি হয়'ত কৈ 'কি হোৱা উচিত' আদি বিভিন্ন আদর্শৰ ওপৰত গুৰুত্ব দিছে।

- **পৰম্পৰাগত দৃষ্টিভঙ্গীৰ বৈশিষ্ট্যসমূহ ঃ**
  - পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহ মূলতঃ মূল্য যুক্ত আৰু ৰাজনীতিৰ মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
  - বিভিন্ন ধৰণৰ ৰাজনৈতিক গাঁথনিৰ অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়া হয়।
  - পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহে তত্ত্ব আৰু গৱেষণাৰ মাজত সম্পর্ক স্থাপন কৰিবলৈ চেষ্টা চলোৱা নাছিল।
  - যিহেতু তথ্য আৰু মূল্যবোধ পৰস্পৰ সম্বন্ধযুক্ত, সেয়েহে এই দৃষ্টিভঙ্গীসমূহৰ মতে ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন কেতিয়াও বৈজ্ঞানিক ভিত্তিক হ'ব নোৱাৰে।
- **পৰম্পৰাগত দৃষ্টিভঙ্গীৰ বিভিন্ন প্ৰকাৰসমূহ ঃ**

  পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহক তলত দিয়া ধৰণে বিভক্ত কৰিব পাৰি ----
  - দার্শনিক দৃষ্টিভঙ্গী
  - ঐতিহাসিক দৃষ্টিভঙ্গী
  - আনুষ্ঠানিক দৃষ্টিভঙ্গী
  - আইনগত দৃষ্টিভঙ্গী



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ যিকোনো দুটাপৰম্পৰাগত দৃষ্টিভঙ্গী উল্লেখ কৰক।

.....

প্ৰশ্ন নং ২ ঃ পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহ মূলতঃ মূল্য যুক্ত। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ পৰম্পৰাগত দৃষ্টিভঙ্গীৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

১.৪ দার্শনিক দৃষ্টিভঙ্গী

এতিয়া আমি ৰাজনৈতিক বিশ্লেষণৰ দার্শনিক দৃষ্টিভঙ্গী(Philosophical Approach)ৰ বিষয়ে আলোচনা কৰোঁ আহক -----

● **দার্শনিক দৃষ্টিভঙ্গী ঃ** দার্শনিক দৃষ্টিভঙ্গীটো ৰাজনীতি বিজ্ঞান অধ্যয়নৰ আটাইতকৈ প্ৰাচীন দৃষ্টিভঙ্গী বুলি বিবেচিত হৈছে। দার্শনিক দৃষ্টিভঙ্গীৰ উদ্ভৱ গ্ৰীক দার্শনিক প্লেটো আৰু এৰিষ্টটলৰ দিনত হোৱা বুলি বিবেচনা কৰা হৈছে। এই দৃষ্টিভঙ্গীৰ মূল পৃষ্ঠপোষকসকলৰ ভিতৰত জার্মান-আমেৰিকান ৰাজনৈতিক দার্শনিক লিও ষ্ট্ৰছ (Leo Strauss) অন্যতম আছিল। তেওঁ বিশ্বাস কৰিছিল যে দর্শন জ্ঞানৰ অন্বেষণ আৰু ৰাজনৈতিক দর্শনে ৰাজনৈতিক কথাবোৰ সত্যৰূপত জানিবলৈ আৰু শুদ্ধ আৰু ভাল ৰাজনৈতিক ব্যৱস্থা সম্পর্কে জানিবলৈ প্ৰচেষ্টা চলায়। লিও ষ্ট্ৰছে এই মতামত ব্যক্ত কৰিছিল যে আৰম্ভণিতে ৰাজনীতি দর্শন ৰাজনীতি বিজ্ঞানৰ পৰা পৃথক নাছিল। তেতিয়া ই মানব সমাজৰ সকলো কার্য আৰু ক্ৰিয়া-কাণ্ডৰ সর্বাত্মক অধ্যয়ন কৰিছিল। সেই অনুসৰি অ-দার্শনিক ৰাজনীতি বিজ্ঞান বা অ-বৈজ্ঞানিক ৰাজনৈতিক দর্শন থাকিব নোৱাৰে।

এই দৃষ্টিভঙ্গীৰ সমর্থকসকলে অতি নিষ্ঠাৰে বিশ্বাস কৰে যে ৰাজনৈতিক অধ্যয়নৰ ক্ষেত্ৰত প্ৰকৃত মূল্যবোধক পৃথক কৰিব নোৱাৰি। সেয়েহে ইয়াৰ মূল লক্ষ্য হ'ল ৰাজনৈতিক সমাজত কোনটো ভাল আৰু কোনটো বেয়া তাক নিৰূপণ কৰা। এই দৃষ্টিভঙ্গীটো প্ৰধানতঃ নৈতিক আৰু আদর্শ স্থাপনকাৰী অধ্যয়নৰ ওপৰত প্ৰতিষ্ঠিত আৰু সেই কাৰণে ই আদর্শবাদী। ই প্ৰধানকৈ সমস্যাসমূহৰ প্ৰকৃতি আৰু ৰাষ্ট্ৰৰ কর্ম্ম পদ্ধতি আৰু নাগৰিকত্ব, কর্তব্য আৰু অধিকাৰসমূহৰ পর্যালোচনা কৰে। এই দৃষ্টিভঙ্গীৰ পৃষ্ঠপোষকসকলে বিশ্বাস কৰে যে ৰাজনৈতিক দর্শন ওতঃপ্ৰোতভাৱে ৰাজনৈতিক আদর্শৰ লগত জড়িত। ৰাজনীতি তত্ত্ববিদসকলৰ সৎ জীৱন আৰু ভাল সমাজ সম্পর্কে নিশ্চিত জ্ঞান থকাৰ প্ৰয়োজন। ভাল ৰাজনৈতিক ব্যৱস্থা এটা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ৰাজনৈতিক দর্শনে বিশেষ ভাৱে সহায় কৰে। বেছিভাগ প্ৰাচীন ৰাজনৈতিক তত্ত্বতে দার্শনিক দৃষ্টিভংগীয়ে মুখ্য স্থান অধিকাৰ কৰিছিল। নৈতিক যুক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল।

লিও ষ্ট্ৰছৰ মতে, 'দর্শন হৈছে জ্ঞানৰ অন্বেষণ আৰু ৰাজনৈতিক দর্শন হৈছে ৰাজনৈতিক বিষয়বোৰৰ প্ৰকৃতি জনাৰ আৰু শুদ্ধ ৰাজনৈতিক বিন্যাসৰ বিষয়ে জনাৰ এক প্ৰচেষ্টা"। তেওঁ বিশ্বাস কৰিছিল যে ৰাজনৈতিক দর্শনৰ এক অবিচ্ছেদ্য অংশ হৈছে নীতি, যাক ৰাজনীতি অধ্যয়নৰ পৰা পৃথক কৰিব নোৱাৰি। অর্থাৎ দার্শনিক দৃষ্টিভংগীয়ে শুদ্ধ আৰু অশুদ্ধ মান নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এগৰাকী ৰাজনীতি বিজ্ঞানীৰ বাবে শুদ্ধ জীৱন আৰু শুদ্ধ সমাজৰ জ্ঞান থকাটো প্ৰয়োজনীয়।

ব্যক্তিগত অধিকাৰ, স্বাধীনতা, সমতা, ন্যায় আৰু নাগৰিকৰ জীৱনত চৰকাৰৰ হস্তক্ষেপৰ পৰিস্থিতি সম্বন্ধীয় প্ৰাচীন ধাৰণাবোৰে নীতিগত ভেটিতে গঢ় লৈ উঠিছিল। জে এছ মিল, টি এইছ গ্ৰীণ, হবহাউছ, লাস্কী, বার্কাৰ আৰু অন্যান্য লিখকসকলৰ ৰাজনৈতিক মতামতৰ মাজত দার্শনিক দৃষ্টিভংগীৰ প্ৰতিফলন ঘটিছে।



জানিথোৱা ভাল

গ্ৰীক দার্শনিক প্লেটোৱে ৰাজনীতি বিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত দার্শনিক দৃষ্টিভঙ্গী প্ৰয়োগ কৰিছিল। তেওঁ দার্শনিক ৰজা (Philosopher King), আদর্শ ৰাষ্ট্ৰ আদিৰ ক্ষেত্ৰত সেই সময়ৰ সমাজত বিদ্যমান বাস্তৱ সত্যতকৈ 'কি হোৱাতো উচিত' (What ought to be) তাৰ প্ৰতিহে বেছি সচেতন আছিল। অর্থাৎ যিটো বাঞ্ছনীয় (What is desirable) সেইটোৰ প্ৰতিহে অধিক গুৰুত্ব দিছিল। তেওঁ তেওঁৰ কল্পনাৰ দার্শনিক ৰজা আৰু আদর্শ ৰাষ্ট্ৰৰ বাবে ভালেমান যোগ্যতাও নির্দ্ধাৰণ কৰিছিল।

- **দার্শনিক দৃষ্টিভঙ্গীৰ সীমাবদ্ধতাসমূহ**

  দার্শনিক দৃষ্টিভঙ্গীৰ কিছুমান সীমাবদ্ধতা আছে -

  - দার্শনিক দৃষ্টিভঙ্গীটোক স্বভাৱতে আদর্শগত দৃষ্টিভঙ্গী হিচাপে গণ্য কৰা হয় । ই ৰাজনৈতিক সত্যতাসমূহ আওকাণ কৰে।
  - পৰিস্থিতিভেদে নৈতিক আৰু অনৈতিকতাৰ ধাৰণাটো ভিন্ ভিন্ হ'ব পাৰে।
  - দার্শনিক দৃষ্টিভঙ্গীটোক আদর্শগত দৃষ্টিভঙ্গী হিচাপে গণ্য কৰা হয়।
  - কেৱল আগমণ আৰু নিগমণ পদ্ধতিত গুৰুত্ব দিয়া হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ দার্শনিক দৃষ্টিভঙ্গীৰ দুজন সমর্থকৰ নাম লিখক।

.....

প্ৰশ্ন নং ৫ ঃ দার্শনিক দৃষ্টিভঙ্গীৰ পৃষ্ঠপোষকসকলে বিশ্বাস কৰে যে ৰাজনৈতিক অধ্যয়নৰ ক্ষেত্ৰত প্ৰকৃত মূল্যবোধক পৃথক কৰিব নোৱাৰি। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৬ ঃ দার্শনিক দৃষ্টিভঙ্গীৰ বিষয়ে ব্যাখ্যা কৰক। (৭৫ শব্দৰ ভিতৰত)

.....

.....

.....

.....

১.৫ ঐতিহাসিক দৃষ্টিভঙ্গী

এতিয়া আমি ৰাজনৈতিক বিশ্লেষণৰ ঐতিহাসিক দৃষ্টিভঙ্গী(Historical Approach)ৰ বিষয়ে আলোচনা কৰোঁ আহক -----

- **ঐতিহাসিক দৃষ্টিভঙ্গী ঃ** এই দৃষ্টিভঙ্গীৰ পৃষ্ঠপোষকসকলে মত পোষণ কৰে যে

ৰাজনৈতিক তত্ত্ব ভালকৈ বুজিবলৈ হ'লে বুৰঞ্জীমূলক সমলসমূহ যেনে - কাল বা সময়, স্থান আৰু কি অৱস্থাত ই গঢ় লৈছিল তাক বিশেষ গুৰুত্ব সহকাৰে অধ্যয়ন কৰা দৰকাৰ। এই দৃষ্টিভঙ্গীটো ইতিহাসৰ লগত জড়িত হোৱাৰ বাবে প্ৰতিটো বাস্তৱ ৰাজনৈতিক কথাৰ ঐতিহাসিক অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মেকিয়াভেলি, চেবিন আৰু দানিঙৰ নিচিনা ৰাজনৈতিক চিন্তাবিদসকলে বিশ্বাস কৰে যে দৰ্শন আৰু ইতিহাসৰ মাজৰ সম্পৰ্ক অতি ঘনিষ্ঠ। সেয়েহে ৰাজনীতি অধ্যয়নৰ ক্ষেত্ৰত ইতিহাসক গুৰুত্ব দিব লাগে। চেবিনে মত পোষণ কৰিছে যে প্লেটোৰ দিনৰে পৰা বিভিন্ন ৰাজনৈতিক চিন্তাবিদে যিবিলাক বিষয়ৰ ওপৰত তেওঁলোকৰ লিখনিৰে আলোচনা কৰিছে সেই সকলোবোৰকে ৰাজনীতি বিজ্ঞানৰ পৰিসীমাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব লাগে। এই দৃষ্টিভঙ্গীয়ে বিশ্বাস কৰে যে প্ৰতিজন ৰাজনৈতিক চিন্তাবিদৰ চিন্তাধাৰা বা আদৰ্শক চাৰিওফালৰ পৰিবেশে প্ৰভাৱিত কৰে। তদুপৰি এই দৃষ্টিভঙ্গীয়ে বিশ্বাস কৰে যে ইতিহাসে কেৱল অতীতৰ ঘটনাসমূহক বৰ্ণনা নকৰে, ই বৰ্তমানৰ ঘটনাসমূহৰ লগতো সংযোগ সাধন কৰে। ইতিহাসে প্ৰতিটো ৰাজনৈতিক ঘটনাৰ ক্ৰম অনুসাৰে সময় নিৰূপণ কৰি দিয়াৰ ফলত ভৱিষ্যতৰ ঘটনাসমূহ বিবেচনা কৰা বা গণনা কৰাত সহায় কৰে। গতিকে অতীতৰ ৰাজনৈতিক ঘটনা, প্ৰতিষ্ঠান আৰু ৰাজনৈতিক পৰিবেশ অধ্যয়ন নকৰাকৈ বৰ্তমানৰ ৰাজনৈতিক দৃশ্যপট ঘটনাৰ বিশ্লেষণ কৰাটো ভুল হ'ব।

ঐতিহাসিক দৃষ্টিভংগীয়ে ৰাজনীতিক পূৰ্বৰ এক ঐতিহাসিক দস্তাবেজৰ মাজেৰে বুজিবলৈ প্ৰয়াস কৰে। ইতিহাসৰ কোনো এক বিশেষ সময়চোৱাত পালন কৰা ভূমিকাৰ সম্পৰ্কে জানিবলৈ প্ৰাচীন ৰাজনৈতিক অনুষ্ঠানসমূহ অধ্যয়ন কৰাৰ প্ৰয়োজনৰ ওপৰিও মানৱ ইতিহাসৰ বিভিন্ন স্তৰত সমাজৰ ৰাজনৈতিক প্ৰকৃতিৰ ওপৰত এই অনুষ্ঠানসমূহে কেনেদৰে অৰিহণা যোগাইছিল, তাক পৰীক্ষা কৰিবলৈও এইসমূহৰ অধ্যয়নৰ প্ৰয়োজন আছে। ঐতিহাসিক দৃষ্টিভংগীৰ প্ৰভাৱ পৰিলক্ষিত হোৱা কিছুমান গুৰুত্বপূৰ্ণ লিখনী হৈছে চাৰ হেনৰী মেইনৰ "এনচিয়েণ্ট ল" ("Ancient Law", 1861), "আৰ্লি হিষ্টৰী অফ্ ইন্‌ষ্টিটিউশ্যনছ" ("Early History of Institutions", 1874) ; চাৰ জন চিলীৰ " ইণ্ট্ৰোডাক্‌শ্বন্ টু পলিটিকেল চাইন্স " ("Introduction to Political Science, 1896") ; দ্যা ষ্টেট্ এণ্ড দ্যা নেশ্বন্' (The State and the Nation) ইত্যাদি।



চিন্তা-চৰ্চা কৰক ১.১

ৰাজনীতি বিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত ঐতিহাসিক আৰু আনুষ্ঠানিক দৃষ্টিভঙ্গীৰ এক তুলনা আগবঢ়াওক।

.....

.....

.....

.....



জানি থোৱা ভাল

ভাৰতীয় প্ৰেক্ষাপটত ঐতিহাসিক দৃষ্টিভঙ্গীটো প্ৰয়োগ কৰিলে এইটো দেখিবলৈ পোৱা যাব যে ভাৰতত প্ৰশাসন ব্যৱস্থাৰ মূল দলিলখন অৰ্থাৎ ভাৰতৰ সংবিধানখনৰ শিপা কেইডাল ভাৰতৰ স্বাধীনতা সংগ্ৰামত নিহিত হৈ আছে। ভাৰতৰ সংবিধানত প্ৰতিফলিত হোৱা স্বাধীনতাৰ আদৰ্শ, সমতা, বৈষম্যৰ নিৰ্মূলকৰণ, সামাজিক ন্যায়, ধৰ্মনিৰপেক্ষতা, মৌলিক অধিকাৰ, জন সাৰ্বভৌমত্ব, সংসদীয় গণতন্ত্ৰ, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা, ৰাষ্ট্ৰীয় একতা ইত্যাদি স্বাধীনতা আন্দোলনৰ মূল বিষয়বস্তু আছিল। এই সমূহে আন্দোলনৰ সময়ত সৰ্বসাধাৰণ জনতাক উৎপীড়ণ আৰু শোষণৰ বিৰুদ্ধে থিয় হ'বলৈ অনুপ্ৰাণিত কৰিছিল। আজিৰ সময়ত ভাৰতত এটা আধুনিক নীতি প্ৰতিষ্ঠিত হৈছে। অৱশ্যে ভাৰতৰ আধুনিক প্ৰজাতন্ত্ৰৰ মূল ভিত্তিক মহাত্মা গান্ধী আৰু অন্যান্য ৰাষ্ট্ৰীয় নেতাই নেতৃত্ব দিয়া পূৰ্বৰ স্বাধীনতা সংগ্ৰামৰ সময়লৈকে ঘূৰি চাব পাৰি।

- **ঐতিহাসিক দৃষ্টিভঙ্গীৰ সীমাবদ্ধতাসমূহ**

  ঐতিহাসিক দৃষ্টিভঙ্গীৰ কিছুমান সীমাবদ্ধতা আছে —

  - লৰ্ড ব্ৰাইচে কৈছে যে যদিও ইতিহাসৰ তুলনামূলক অধ্যয়ন দৃষ্টান্ত স্বৰূপ, তথাপিতো কেতিয়াবা সেইবিলাক বিভ্ৰান্তকাৰীও হ'ব পাৰে। কেতিয়াবা ঐতিহাসিক তথ্যসমূহ উদ্দেশ্য বিষয়ক তথ্যৰে ভাৰাক্ৰান্ত হ'ব পাৰে আৰু সেই ঐতিহাসিক তথ্যসমূহ লিপিবদ্ধ কৰা ব্যক্তিসকল সামাজিক-সাংস্কৃতিক বিন্যাসৰ (social-cultural orientation) দ্বাৰা প্ৰাভাৱিত হ'ব পাৰে।
  - সমালোচকসকলে এইটোও আঙুলিয়াই দিছে যে প্ৰাচীন আদৰ্শ বা নীতিসমূহ সাম্প্ৰতিক সময়ৰ বাবে উপযুক্ত নহ'ব পাৰে আৰু ঐতিহাসিক ঘটনাসমূহে আমাক সাম্প্ৰতিক কালত সহায় নকৰিবও পাৰে, কাৰণ ৰাজনৈতিক জীৱনৰ বাস্তৱিকতাসমূহলৈ ব্যাপক পৰিবৰ্তন নামি আহিছে। আধুনিক ৰাজনৈতিক জীৱনৰ কিছুমান বৈশিষ্ট্য আৰু সমস্যা আছে আৰু এনে বৈশিষ্ট্যসমূহৰ ক্ষেত্ৰত ঐতিহাসিক ঘটনাসমূহ অপ্ৰাসংগিক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ "আৰ্লি হিষ্টৰী অফ্ ইন্‌ষ্টিটিউশ্যনছ" গ্ৰন্থখনৰ ৰচক কোন?

.....

প্রশ্ন নং ৮ ঃ দর্শন আৰু ইতিহাসৰ মাজৰ সম্পর্ক অতি ঘনিষ্ঠ বুলি বিশ্বাস কৰা দুজন ৰাজনৈতিক চিন্তাবিদৰ নাম লিখক।

.....

প্রশ্ন নং ৯ ঃ ঐতিহাসিক দৃষ্টিভঙ্গীৰ বিষয়ে ব্যাখ্যা কৰক। (৭৫ শব্দৰ ভিতৰত)

.....

.....

.....

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিলৈকে ৰাজনীতি বিজ্ঞানক পৰম্পৰাগত দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হৈছিল। এই পৰম্পৰাগত দৃষ্টিভঙ্গীয়ে প্রধানতঃ ৰাষ্ট্র আৰু চৰকাৰৰ অধ্যয়নত অধিক গুৰুত্ব দিয়ে।
- ৰাষ্ট্র এখনৰ সংগঠন, কার্য, নীতি , আদর্শ, ধাৰণা আদি অধ্যয়নৰ ক্ষেত্রত বিভিন্ন পৰম্পৰাগত দৃষ্টিভঙ্গীৰ সমাবেশ ঘটিছে। এই দৃষ্টিভঙ্গীসমূহ আদর্শবাদী আৰু ভাৱবাদী।
- পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহ মূলতঃ মূল্য যুক্ত আৰু ৰাজনীতিৰ মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰে। যিসকল ৰাজনৈতিক চিন্তাবিদে এই দৃষ্টিভঙ্গীৰ পৃষ্ঠপোষকতা কৰিছে তেওঁলোকে প্রশ্ন কৰিছে -"আদর্শ ৰাষ্ট্র কি হোৱা উচিত?" তেওঁলোকৰ মতে ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন চৰকাৰ এখনৰ আনুষ্ঠানিক গঠন, আইন, নীতি-নিয়ম আদিতেই সীমাবদ্ধ থকা উচিত। সেয়েহে এই দৃষ্টিভঙ্গীৰ উদ্যোক্তাসকলে 'কি হয়'ত কৈ 'কি হোৱা উচিত' আদি বিভিন্ন আদর্শৰ ওপৰত গুৰুত্ব দিছে।
- পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহক দার্শনিক, ঐতিহাসিক, আনুষ্ঠানিক , আইনগত দৃষ্টিভঙ্গীত বিভক্ত কৰিব পাৰি।
- দার্শনিক দৃষ্টিভঙ্গীটো ৰাজনীতি বিজ্ঞান অধ্যয়নৰ আটাইতকৈ প্রাচীন দৃষ্টিভঙ্গী বুলি বিবেচিত হৈছে। দার্শনিক দৃষ্টিভঙ্গীৰ উদ্ভৱ গ্রীক দার্শনিক প্লেটো আৰু এৰিষ্টটলৰ দিনত হোৱা বুলি বিবেচনা কৰা হৈছে।
- দার্শনিক দৃষ্টিভঙ্গীৰ মূল পৃষ্ঠপোষকসকলৰ ভিতৰত জার্মান-আমেৰিকান ৰাজনৈতিক দার্শনিক লিও ষ্ট্রছ (LeoStrauss)অন্যতম আছিল। তেওঁ বিশ্বাস কৰিছিল যে দর্শন জ্ঞানৰ অন্বেষণ আৰু ৰাজনৈতিক দর্শনে ৰাজনৈতিক কথাবোৰ সত্যৰূপত জানিবলৈ আৰু শুদ্ধ আৰু ভাল ৰাজনৈতিক ব্যৱস্থা সম্পর্কে জানিবলৈ প্রচেষ্টা চলায়। লিও' ষ্ট্রছে

এই মতামত ব্যক্ত কৰিছিল যে আৰম্ভণিতে ৰাজনীতি দৰ্শন ৰাজনীতি বিজ্ঞানৰ পৰা পৃথক নাছিল। তেতিয়া ই মানব সমাজৰ সকলো কার্য আৰু ক্রিয়া-কাণ্ডৰ সর্বাত্মক অধ্যয়ন কৰিছিল।

- দার্শনিক দৃষ্টিভঙ্গীৰ সমর্থকসকলে অতি নিষ্ঠাৰে বিশ্বাস কৰে যে ৰাজনৈতিক অধ্যয়নৰ ক্ষেত্রত প্রকৃত মূল্যবোধক পৃথক কৰিব নোৱাৰি। সেয়েহে ইয়াৰ মূল লক্ষ্য হ'ল ৰাজনৈতিক সমাজত কোনটো ভাল আৰু কোনটো বেয়া তাক নিৰূপণ কৰা। এই দৃষ্টিভঙ্গীটো প্রধানতঃ নৈতিক আৰু আদর্শ স্থাপনকাৰী অধ্যয়নৰ ওপৰত প্রতিষ্ঠিত আৰু সেই কাৰণে ই আদর্শবাদী।
- ব্যক্তিগত অধিকাৰ, স্বাধীনতা, সমতা, ন্যায় আৰু নাগৰিকৰ জীৱনত চৰকাৰৰ হস্তক্ষেপৰ পৰিস্থিতি সম্বন্ধীয় প্রাচীন ধাৰণাবোৰ নীতিগত ভেটিতে গঢ় লৈ উঠিছিল। জে এছ মিল, টি এইছ গ্রীণ, হবহাউছ, লাস্কী, বার্কাৰ আৰু অন্যান্য লিখকসকলৰ ৰাজনৈতিক মতামতৰ মাজত দার্শনিক দৃষ্টিভংগীৰ প্রতিফলন ঘটিছে।
- ঐতিহাসিক দৃষ্টিভঙ্গীৰ পৃষ্ঠপোষকসকলে মত পোষণ কৰে যে ৰাজনৈতিক তত্ত্ব ভালকৈ বুজিবলৈ হ'লে বুৰঞ্জীমূলক সমলসমূহ, যেনে— কাল বা সময়, স্থান আৰু কি অৱস্থাত ই গঢ় লৈছিল তাক বিশেষ গুৰুত্ব সহকাৰে অধ্যয়ন কৰা দৰকাৰ।
- মেকিয়াভেলি, চেবিন আৰু দানিঙৰ নিচিনা ৰাজনৈতিক চিন্তাবিদসকলে বিশ্বাস কৰে যে দর্শন আৰু ইতিহাসৰ মাজৰ সম্পর্ক অতি ঘনিষ্ঠ। সেয়েহে ৰাজনীতি অধ্যয়নৰ ক্ষেত্রত ইতিহাসক গুৰুত্ব দিব লাগে। চেবিনে মত পোষণ কৰিছে প্লেটোৰ দিনৰে পৰা বিভিন্ন ৰাজনৈতিক চিন্তাবিদে যিবিলাক বিষয়ৰ ওপৰত তেওঁলোকৰ লিখনিৰ আলোচনা কৰিছে সেই সকলোবোৰকে ৰাজনীতি বিজ্ঞানৰ পৰিসীমাৰ ভিতৰত অন্তর্ভুক্ত কৰিব লাগে।
- ঐতিহাসিক দৃষ্টিভঙ্গীয়ে বিশ্বাস কৰে যে প্রতিজন ৰাজনৈতিক চিন্তাবিদৰ চিন্তাধাৰা বা আদর্শক চাৰিওফালৰ পৰিবেশে প্রভাৱিত কৰে। তদুপৰি ইতিহাসে কেৱল অতীতৰ ঘটনাসমূহক বর্ণনা নকৰে, ই বর্তমানৰ ঘটনাসমূহৰ লগতো সংযোগ সাধন কৰে। ইতিহাসে প্রতিটো ৰাজনৈতিক ঘটনাৰ ক্রম অনুসাৰে সময় নিৰূপণ কৰি দিয়াৰ ফলত ভৱিষ্যতৰ ঘটনাসমূহ বিবেচনা কৰা বা গণনা কৰাত সহায় কৰে। গতিকে অতীতৰ ৰাজনৈতিক ঘটনা, প্রতিষ্ঠান আৰু ৰাজনৈতিক পৰিবেশ অধ্যয়ন নকৰাকৈ বর্তমানৰ ৰাজনৈতিক দৃশ্যপট ঘটনাৰ বিশ্লেষণ কৰাটো ভুল হ'ব।
- ঐতিহাসিক দৃষ্টিভংগীয়ে ৰাজনীতিক পূর্বৰ এক ঐতিহাসিক দস্তাবেজৰ মাজেৰে বুজিবলৈ প্রয়াস কৰে। ইতিহাসৰ কোনো এক বিশেষ সময়চোৱাত পালন কৰাৰ ভূমিকা সম্পর্কে জানিবলৈ প্রাচীন ৰাজনৈতিক অনুষ্ঠানসমূহ অধ্যয়ন কৰাৰ প্রয়োজনৰ ওপৰিও মানৱ ইতিহাসৰ বিভিন্ন স্তৰত সমাজৰ ৰাজনৈতিক প্রকৃতিৰ ওপৰত এই অনুষ্ঠানসমূহে কেনেদৰে অৰিহণা যোগাইছিল, তাক পৰীক্ষা কৰিবলৈও এইসমূহৰ অধ্যয়নৰ প্রয়োজন আছে।
- ঐতিহাসিক দৃষ্টিভংগীৰ প্রভাৱ পৰিলক্ষিত হোৱা কিছুমান গুৰুত্বপূর্ণ লিখনী হৈছে চাৰ

হেনৰী মেইন ৰচিত এনচিয়েন্ট ল (Ancient Law, 1861), আৰ্লি হিষ্টৰী অফ্ ইন্‌ষ্টিটিউশ্যনছ (Early History of Institutions, 1874), চাৰ জন চিলী ৰচিত ইন্ট্রোডাক্‌শ্যন্ টু পলিটিকেল চাইন্স (Introduction to Political Science, 1896), দ্যা ষ্টেট্ এণ্ড দ্যা নেশ্যন্ (The State and the Nation) ইত্যাদি।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । যোৰহাটঃ ইউনিকা প্রকাশন।

৩) চক্রবর্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্রকাশন।

৪) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Gauba, O.P. (2007). *An Introduction to Political Theory (Fourth Edition)*. New Delhi: Macmillan India Ltd.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ দার্শনিক দৃষ্টিভঙ্গী আৰু ঐতিহাসিক দৃষ্টিভঙ্গী

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্রশ্নৰ উত্তৰ ঃ ক) পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহ মূলতঃ মূল্যযুক্ত আৰু ৰাজনীতিৰ মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

খ) বিভিন্ন ধৰণৰ ৰাজনৈতিক গাঁথনিৰ অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়া হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ লিও ষ্ট্ৰচ আৰু টি এইছ গ্ৰীণ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দার্শনিক দৃষ্টিভঙ্গীটো ৰাজনীতি বিজ্ঞান অধ্যয়নৰ আটাইতকৈ প্ৰাচীন দৃষ্টিভঙ্গী বুলি বিবেচিত হৈছে। এই দৃষ্টিভঙ্গীৰ সমৰ্থকসকলে অতি নিষ্ঠাৰে বিশ্বাস কৰে যে ৰাজনৈতিক অধ্যয়নৰ ক্ষেত্ৰত প্ৰকৃত মূল্যবোধক পৃথক কৰিব নোৱাৰি। সেয়েহে ইয়াৰ মূল লক্ষ্য হ'ল ৰাজনৈতিক সমাজত কোনটো ভাল আৰু কোনটো বেয়া তাক নিৰূপণ কৰা। দার্শনিক দৃষ্টিভঙ্গীটো প্ৰধানতঃ নৈতিক আৰু আদর্শ স্থাপনকাৰী অধ্যয়নৰ ওপৰত প্ৰতিষ্ঠিত আৰু সেই কাৰণে ই আদর্শবাদী।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ চাৰ হেনৰী মেইন

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মেকিয়াভেলি আৰু চেবিন

৯ নং প্ৰশ্নৰ উত্তৰ ঃ এই দৃষ্টিভঙ্গীৰ পৃষ্ঠপোষকসকলে মত পোষণ কৰে যে ৰাজনৈতিক তত্ত্ব ভালকৈ বুজিবলৈ হ'লে বুৰঞ্জীমূলক সমলসমূহ যেনে - কাল বা সময়, স্থান আৰু কি অৱস্থাত ই গঢ় লৈছিল তাক বিশেষ গুৰুত্ব সহকাৰে অধ্যয়ন কৰা দৰকাৰ। এই দৃষ্টিভঙ্গীটো ইতিহাসৰ লগত জড়িত হোৱাৰ বাবে প্ৰতিটো বাস্তৱ ৰাজনৈতিক কথাৰ ঐতিহাসিক অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ঐতিহাসিক দৃষ্টিভংগীয়ে ৰাজনীতিক পূৰ্বৰ এক ঐতিহাসিক দস্তাবেজৰ মাজেৰে বুজিবলৈ প্ৰয়াস কৰে।



১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰাজনৈতিক বিশ্লেষণৰ আটাইতকৈ প্ৰাচীন দৃষ্টিভঙ্গী কোনটো ?

প্ৰশ্ন ২ ঃ ৰাজনৈতিক বিশ্লেষণৰ দার্শনিক দৃষ্টিভঙ্গীৰ এজন পৃষ্ঠপোষক আৰু ঐতিহাসিক দৃষ্টিভঙ্গীৰ এজন পৃষ্ঠপোষকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ কোনটো দৃষ্টিভংগীয়ে শুদ্ধ আৰু অশুদ্ধ মান নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে?

প্ৰশ্ন ৪ ঃ চাৰ জন চিলী ৰচিত "ইন্ট্ৰোডাক্শ্ন্ টু পলিটিকেল চাইন্স" ("Introduction to Political Science") কোনটো দৃষ্টিভঙ্গীৰ সৈতে জড়িত?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ৰাজনৈতিক বিশ্লেষণৰ ঐতিহাসিক দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰক।

গ) **ৰচনাধর্মী প্রশ্ন** (৩০০ -৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ পৰম্পৰাগত দৃষ্টিভঙ্গীৰ অর্থ ব্যাখ্যা কৰক। ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ ৰাজনৈতিক বিশ্লেষণৰ ঐতিহাসিক দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰক। ঐতিহাসিক দৃষ্টিভঙ্গীৰ সীমাবদ্ধতাসমূহ লিখক।

*** ***** ***

অধ্যায় ২ ঃ ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গী (আনুষ্ঠানিক দৃষ্টিভঙ্গী আৰু আইনগত দৃষ্টিভঙ্গী)

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ আনুষ্ঠানিক দৃষ্টিভংগী

২.৪ আইনগত দৃষ্টিভংগী

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্রগতিৰ খতিয়ান

২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাজনৈতিক বিশ্লেষণৰ আনুষ্ঠানিক দৃষ্টিভংগীটো ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক বিশ্লেষণৰ আইনগত দৃষ্টিভংগীটো আলোচনা কৰিব পাৰিব
- আনুষ্ঠানিক দৃষ্টিভংগীটোৰ সীমাৱদ্ধতাবোৰ ব্যাখ্যা কৰিব পাৰিব
- আইনগত দৃষ্টিভংগীটোৰ সীমাৱদ্ধতাবোৰ ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি পৰম্পৰাগত দৃষ্টিভংগীবোৰৰ অর্থ আৰু ৰূপ আলোচনা কৰ্য্যিয়টো আমি দুটা গুৰুত্বপূর্ণ পৰম্পৰাগত দৃষ্টিভংগীৰ বিষয়ে জনাৰ প্রয়াস কৰিম। এই দৃষ্টিভংগী দুটা হ'ল- আনুষ্ঠানিক দৃষ্টিভংগী আৰু আইনগত দৃষ্টিভংগী। দুয়োটা দৃষ্টিভংগীয়েই প্রধানকৈ ৰাজনৈতিক পৰিঘটনাৰ আনুষ্ঠানিক তথা ন্যায়িক সংৰচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। যিকোনো ৰাষ্ট্রৰে গাঁথনিবোৰে চৰকাৰ, ৰাজনৈতিক দল আদিৰ বিভিন্ন শাখাক সামৰি লয়। একে সময়তে বিভিন্ন ৰাজনৈতিক অনুষ্ঠান-প্রতিষ্ঠানৰ আইনগত দিশ তথা সংবিধানৰ দৰে আইনগত নথি-পত্রৰ অধ্যয়নো অতি প্রয়োজনীয় বিষয়। ৰাজনৈতিক বিশ্লেষণৰ আনুষ্ঠানিক আৰু আইনগত দৃষ্টিভংগীৰ সহায়ত আনুষ্ঠানিক প্রতিষ্ঠানগত গাঁথনি আৰু সেইবোৰৰ আইনগত সংৰচনাৰ কার্য সম্পাদন পদ্ধতি অধ্যয়ন কৰিব পৰা যায়।

২.৩ আনুষ্ঠানিক দৃষ্টিভঙ্গী (INSTITUTIONAL APPROACH)

আনুষ্ঠানিক দৃষ্টিভঙ্গীটো ৰাজনীতি বিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত অতি প্ৰাচীন আৰু অতি আৱশ্যকীয় দৃষ্টিভঙ্গী। এই দৃষ্টিভঙ্গীয়ে প্ৰধানতঃ চৰকাৰ আৰু ৰাজনীতিৰ বিধিগত উপাদানসমূহ পৰ্যালোচনা কৰে আৰু ৰাজনৈতিক অনুষ্ঠানসমূহৰ অধ্যয়নৰ ওপৰত অধিক গুৰুত্ব দিয়ে। সেয়েহে এই দৃষ্টিভঙ্গীয়ে আনুষ্ঠানিক আহিলাসমূহ যেনে বিধানমণ্ডল, কাৰ্যপালিকা, ন্যায়পালিকা, ৰাজনৈতিক দল আদিৰ অধ্যয়নৰ ওপৰত বিশেষভাৱে মনোনিবেশ কৰিছে।

এই দৃষ্টিভঙ্গী আগবঢ়োৱা পণ্ডিতসকল আধুনিক আৰু পৌৰাণিক উভয় সময়ৰে ৰাজনৈতিক চিন্তাবিদ। পৌৰাণিক চিন্তাবিদসকলৰ ভিতৰত এৰিষ্ট'টলে এই দৃষ্টিভঙ্গীলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছে। সেইদৰে যিসকল আধুনিক যুগৰ চিন্তাবিদে এই দৃষ্টিভঙ্গীৰ প্ৰতি উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে তাৰ ভিতৰত জেমচ্ ব্ৰাইচ, বেণ্টলে, ওৱাল্টাৰ বেগহট, হেৰল্ড লাস্কি আদি প্ৰধান।


একেদৰে আনুষ্ঠানিক দৃষ্টিভংগীয়ে চৰকাৰ আৰু ইয়াৰ বিভিন্ন যন্ত্ৰৰ গঠন আৰু কাৰ্যৰ লগতে ৰাজনীতি আৰু ৰাজনৈতিক পদ্ধতিক প্ৰভাৱিত কৰা ৰাজনৈতিক দল আৰু অন্যান্য অনুষ্ঠান সম্পৰ্কে অধ্যয়ন কৰে। আনুষ্ঠানিক দৃষ্টিভংগীৰ বিষয়বস্তুৰ ভিতৰত আছে — এৰিষ্ট'টলে কৰা চৰকাৰ শ্ৰেণীবিভাগ (ৰাজতন্ত্ৰ, একনায়কত্ব, অভিজাততন্ত্ৰ, স্বল্পতন্ত্ৰ, প্ৰজাতন্ত্ৰ আৰু গণতন্ত্ৰ), আধুনিক শ্ৰেণীবিভাজন (প্ৰজাতন্ত্ৰ আৰু একনায়কত্ব, সংসদীয় আৰু ৰাষ্ট্ৰপতীয়, এককেন্দ্ৰীক আৰু যুক্তৰাষ্ট্ৰীয়), চৰকাৰৰ বিভিন্ন স্তৰ (যুক্তৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু আঞ্চলিক), লগতে চৰকাৰৰ শাখাসমূহ (কাৰ্যপালিকা, বিধান মণ্ডল, ন্যায়পালিকা) আৰু এইসমূহৰ গঠন আৰু ক্ষমতা ইত্যাদি। অনুষ্ঠানবাদীসকলে (the institutionalists) অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সেইবোৰৰ সংৰচনা, সংবিধান, নীতি-নিয়ম তথা অন্য ন্যায়িক নথি পত্ৰৰ অধ্যয়নত জোৰ দিয়ে। অৰ্থাৎ, এই দৃষ্টিভংগী অনুসৰি ৰাজনীতি হ'ল ৰাজনৈতিক কাৰ্য-কলাপৰ সংৰচনা আৰু সংগঠনৰ অধ্যয়ন।

- **আনুষ্ঠানিক দৃষ্টিভংগীৰ সীমাৱদ্ধতা**

  এই দৃষ্টিভংগীৰ সীমাৱদ্ধতাসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

  - আনুষ্ঠানিক দৃষ্টিভংগীটোক এটা সংকীৰ্ণ দৃষ্টিভংগী বুলি কোৱা হয়। কাৰণ, এই দৃষ্টিভংগীটো কেৱল আনুষ্ঠানিক সংৰচনা তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ অধ্যয়নতে সীমাৱদ্ধ হৈ থাকে।
  - আনুষ্ঠানিক দৃষ্টিভংগীটোৱে সমাজতাত্বিক, মনোবৈজ্ঞানিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতিৰ অধ্যয়ন নকৰে। ই আনকি আনুষ্ঠানিক প্ৰতিষ্ঠানবোৰৰ প্ৰকৃত কাৰ্য্য-সম্পাদন প্ৰক্ৰিয়াটোত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা কাৰকবোৰৰ অধ্যয়নকো সামৰি নলয়।
  - আধুনিক চৰকাৰ সম্পৰ্কে ড° ষ্টিফেন লীক'কে আগবঢ়োৱা শ্ৰেণীবিভাজনবোৰকেই সবাতোকৈ গ্ৰহণযোগ্য বুলি বিবেচনা কৰা হয়। চৰকাৰত সংসদীয় আৰু ৰাষ্ট্ৰপতি

তথা এককেন্দ্রীক আৰু যুক্তৰাষ্ট্রীয় ৰূপবোৰ হ'ল গণতান্ত্রিক চৰকাৰৰে শাখা। কথাটো ড° লীক'কে এখন তালিকাৰ সহায়ত বুজাই দিছে।



ড° ষ্টিফেন লীক'কে আগবঢ়োৱা চৰকাৰৰ শ্রেণীবিভাজন



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোনে চৰকাৰক ৰাজতন্ত্র, একনায়কত্ব, অভিজাততন্ত্র, স্বল্পতন্ত্র, প্রজাতন্ত্র আৰু গণতন্ত্রত শ্রেণীবিভক্ত কৰিছিল ?

.....

প্রশ্ন নং ২ ঃ আনুষ্ঠানিক দৃষ্টিভঙ্গী আগবঢ়োৱা পণ্ডিতসকল আধুনিক আৰু পৌৰাণিক উভয় সময়ৰে ৰাজনৈতিক চিন্তাবিদ। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৩ ঃ আনুষ্ঠানিক দৃষ্টিভংগীটোৰ সীমাৱদ্ধতাবোৰ কি ?

.....

.....

প্ৰশ্ন নং ৪ ঃ ৰাজনৈতিক বিশ্লেষণৰ আনুষ্ঠানিক দৃষ্টিভংগী সম্পৰ্কে বৰ্ণনা কৰক।
(৭৫ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

২.৪ আইনগত দৃষ্টিভঙ্গী (LEGAL APPROACH)

আইনগত দৃষ্টিভঙ্গীয়ে ৰাষ্ট্ৰক আইন প্ৰণয়ন আৰু আইন প্ৰয়োগৰ মৌলিক অনুষ্ঠান বুলি বিবেচনা কৰে। সেয়েহে এই দৃষ্টিভঙ্গীৰ প্ৰবক্তাসকলে আইনগত বিধি ব্যৱস্থা, আইনগত অনুষ্ঠান, বিচাৰ আৰু ন্যায়পালিকাৰ স্বাধীনতা বিচাৰে। এই দৃষ্টিভঙ্গীৰ সপক্ষে যুক্তি আগবঢ়োৱা ৰাজনৈতিক চিন্তাবিদসকল হ'ল - চিচাৰো, জ্যা বদিন, থমাচ হবচ্, জেৰেমি বেন্থাম, জন অষ্টিন, দাইচি আৰু চাৰ হেনৰি মেইন।

আইনগত দৃষ্টিভংগীৰ অধ্যয়নৰ মূল বিষয়বস্তু হৈছে বিভিন্ন ৰাষ্ট্ৰৰ আনুষ্ঠানিক আৰু আইনগত গাঁথনি। আইনগত দৃষ্টিভংগীয়ে বিভিন্ন চৰকাৰী অংগৰ ক্ষমতা, কার্যাৱলী আৰু আইনগত স্থিতিকে ধৰি বিভিন্ন কার্য সম্পাদন প্ৰক্ৰিয়াৰ আইনগত আৰু সাংবিধানিক ৰূপৰেখা নির্ধাৰণৰ ওপৰত আলোকপাত কৰে। বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে গণতান্ত্ৰিক দেশবোৰৰ ৰাজনৈতিক গাঁথনি অধ্যয়নৰ লগে লগে আইনগত দৃষ্টিভংগীৰে চলোৱা অধ্যয়নৰ পৰম্পৰা আৰম্ভ হৈছিল। উদাহৰণ স্বৰূপে, ইংলেণ্ডৰ ৰজাৰ সাংবিধানিক অথবা আইনী স্থিতি, বৃটিছ কেবিনেট, কমনছ্ সদন (House of Commons), লর্ডছ্ সদন (House of Lords), বৃটিছ ন্যায় ব্যৱস্থা, ইত্যাদিৰ বিষয়ে বিস্তৃত অধ্যয়ন কৰা হৈছিল।

ভাৰতৰ পটভূমিত ভাৰতীয় ৰাজনীতিৰ ন্যায়িক দৃষ্টিভংগীৰে কৰা অধ্যয়নত ভাৰতীয় সংবিধানৰ ন্যায়িক সা-সুবিধা আৰু এইবোৰৰ প্ৰয়োগক সামৰি লোৱা হয়। ইয়াৰ উপৰি ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তবোৰ; আইনসংগত কার্যপদ্ধতি; দুয়োখন সংসদীয় সদন তথা ৰাজ্যিক বিধানসভাবোৰৰ স্থিতি, ক্ষমতা আৰু কার্যসম্পাদন পদ্ধতি; ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, ৰাজ্যপাল, মুখ্যমন্ত্ৰী তথা অন্য সাংবিধানিক কর্তৃপক্ষৰ ক্ষমতা আৰু কার্যাৱলী আৰু বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ লগতে বিভিন্ন কর্তৃপক্ষৰ নির্বাচন প্ৰক্ৰিয়াবোৰো এই অধ্যয়নৰ ভিতৰুৱা বিষয়।

- **আইনগত দৃষ্টিভংগীৰ সীমাৱদ্ধতা**

  এই দৃষ্টিভংগীৰ সীমাৱদ্ধতাসমূহ তলত উল্লেখ কৰা হ'ল—

  - আইনগত দৃষ্টিভঙ্গীয়ে সাধাৰণতে আনুষ্ঠানিক সংৰচনা আৰু প্ৰক্ৰিয়াবোৰ অধ্যয়ন কৰে। ই জটিল পৰিৱেশজনিত কাৰকবোৰ আৰু এইবোৰৰ প্ৰকৃত কার্য-সম্পাদন প্ৰক্ৰিয়াক প্ৰভাৱিত কৰা সামাজিক, সাংস্কৃতিক, অর্থনৈতিক আৰু ৰাজনৈতিক পৰিৱেশৰ দৰে পৰিৱেশবোৰৰ অধ্যয়ন আওকাণ কৰে।

➢ আইনগত দৃষ্টিভঙ্গীৰ প্ৰকৃতি অতি সীমাৱদ্ধ। কাৰণ, ই কেৱল ৰাজনৈতিক পৰিঘটনাৰ ন্যায়িক প্ৰকৃতি তথা প্ৰয়োগ সম্পৰ্কেহে অধ্যয়ন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ আইনগত দৃষ্টিভঙ্গীৰ যিকোনো দুগৰাকী সমৰ্থকৰ নাম লিখক।

.....

প্ৰশ্ন নং ৬ ঃ বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে গণতান্ত্ৰিক দেশবোৰৰ ৰাজনৈতিক গাঁথনি অধ্যয়নৰ লগে লগে আইনগত দৃষ্টিভংগীৰে চলোৱা অধ্যয়নৰ পৰম্পৰা আৰম্ভ হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৭ ঃ আইনগত দৃষ্টিভংগীটোৰ সীমাৱদ্ধতাবোৰ কি?

.....

.....

প্ৰশ্ন নং ৮ ঃ আইনগত দৃষ্টিভংগীটো বৰ্ণনা কৰক। (৭৫ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আনুষ্ঠানিক দৃষ্টিভঙ্গীটো ৰাজনীতি বিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত অতি প্ৰাচীন আৰু অতি আৱশ্যকীয় দৃষ্টিভঙ্গী। এই দৃষ্টিভঙ্গীয়ে প্ৰধানতঃ চৰকাৰ আৰু ৰাজনীতিৰ বিধিগত উপাদানসমূহ পৰ্যালোচনা কৰে আৰু ৰাজনৈতিক অনুষ্ঠানসমূহৰ অধ্যয়নৰ ওপৰত অধিক গুৰুত্ব দিয়ে।
- আনুষ্ঠানিক দৃষ্টিভঙ্গীয়ে আনুষ্ঠানিক আহিলাসমূহ যেনে বিধানমণ্ডল, কাৰ্যপালিকা, ন্যায়পালিকা, ৰাজনৈতিক দল আদিৰ অধ্যয়নৰ ওপৰত বিশেষভাৱে মনোনিৱেশ কৰিছে।
- একেদৰে আনুষ্ঠানিক দৃষ্টিভংগীয়ে চৰকাৰ আৰু ইয়াৰ বিভিন্ন যন্ত্ৰৰ গঠন আৰু কাৰ্য্যৰ লগতে ৰাজনীতি আৰু ৰাজনৈতিক পদ্ধতিক প্ৰভাৱিত কৰা ৰাজনৈতিক দল আৰু অন্যান্য অনুষ্ঠান সম্পৰ্কে অধ্যয়ন কৰে।
- এৰিষ্টটলে কৰা চৰকাৰ শ্ৰেণীবিভাগ (ৰাজতন্ত্ৰ, একনায়কত্ব, অভিজাততন্ত্ৰ, জোঁটশাসন,

প্রশাসন ব্যৱস্থা আৰু প্রজাতন্ত্র), আধুনিক শ্রেণীবিভাজন (প্রজাতন্ত্র আৰু একনায়কত্ব, সংসদীয় আৰু ৰাষ্ট্রপতীয়, এককেন্দ্রীক আৰু যুক্তৰাষ্ট্রীয়), চৰকাৰৰ বিভিন্ন স্তৰ (যুক্তৰাষ্ট্রীয়, ৰাজ্যিক আৰু আঞ্চলিক), লগতে চৰকাৰৰ শাখাসমূহ (কার্যপালিকা, বিধান মণ্ডল, ন্যায়পালিকা) আৰু এইসমূহৰ গঠন আৰু ক্ষমতা ইত্যাদি আনুষ্ঠানিক দৃষ্টিভংগীৰ বিষয়বস্তু।

- আনুষ্ঠানিক দৃষ্টিভংগী আগবঢ়োৱা পণ্ডিতসকল আধুনিক আৰু পৌৰাণিক উভয় সময়ৰে ৰাজনৈতিক চিন্তাবিদ। পৌৰাণিক চিন্তাবিদসকলৰ ভিতৰত এৰিষ্টট'লে এই দৃষ্টিভঙ্গীলৈ গুৰুত্বপূর্ণ বৰঙণি আগবঢ়াইছে। সেইদৰে যিসকল আধুনিক যুগৰ চিন্তাবিদে এই দৃষ্টিভঙ্গীৰ প্রতি উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে তাৰ ভিতৰত জেমচ্ ব্রাইচ, বেণ্টলে, ওৱাল্টাৰ বেগহট, হেৰল্ড লাস্কি আদি প্রধান।
- আনুষ্ঠানিক দৃষ্টিভংগীটোৰ সীমাৱদ্ধতাবোৰ হ'ল- আনুষ্ঠানিক দৃষ্টিভংগীটোক এটা সংকীর্ণ দৃষ্টিভংগী বুলি কোৱা হয়। কাৰণ, এই দৃষ্টিভংগীটো কেৱল আনুষ্ঠানিক সংৰচনা তথা অনুষ্ঠান-প্রতিষ্ঠানৰ অধ্যয়নতে সীমাৱদ্ধ হৈ থাকে ; আনুষ্ঠানিক পন্থাটোৱে সমাজতাত্বিক, মনোবৈজ্ঞানিক, ৰাজনৈতিক আৰু অর্থনৈতিক পৰিস্থিতিৰ অধ্যায়ন নকৰে। ই আনকি আনুষ্ঠানিক প্রতিষ্ঠানবোৰৰ প্রকৃত কার্য-সম্পাদন প্রক্রিয়াটোত গুৰুত্বপূর্ণ ভূমিকা লোৱা কাৰকবোৰৰ অধ্যয়নকো সামৰি নলয়।
- আইনগত দৃষ্টিভঙ্গীয়ে ৰাষ্ট্রক আইন প্রণয়ন আৰু আইন প্রয়োগৰ মৌলিক অনুষ্ঠান বুলি বিবেচনা কৰে। সেয়েহে এই দৃষ্টিভঙ্গীৰ প্রবক্তাসকলে আইনগত বিধি ব্যৱস্থা, আইনগত অনুষ্ঠান, বিচাৰ আৰু ন্যায়পালিকাৰ স্বাধীনতা বিচাৰে।
- আইনগত দৃষ্টিভঙ্গীৰ সপক্ষে যুক্তি আগবঢ়োৱা ৰাজনৈতিক চিন্তাবিদসকল হ'ল - চিচাৰো, জ্যা বদিন, থমাচ হবচ্, জেৰেমি বেঠাম, জন অষ্টিন, দাইচি আৰু চাৰ হেনৰি মেইন।
- আইনগত দৃষ্টিভংগীটোৰ সীমাৱদ্ধতাবোৰ হ'ল- আইনগত দৃষ্টিভঙ্গীয়ে সাধাৰণতে আনুষ্ঠানিক সংৰচনা আৰু প্রক্রিয়াবোৰ অধ্যয়ন কৰে। ই জটিল পৰিৱেশজনিত কাৰকবোৰ আৰু এইবোৰৰ প্রকৃত কার্য-সম্পাদন প্রক্রিয়াক প্রভাৱিত কৰা সামাজিক, সাংস্কৃতিক, অর্থনৈতিক আৰু ৰাজনৈতিক পৰিৱেশৰ দৰে পৰিৱেশবোৰৰ অধ্যয়ন আওকাণ কৰে ; আইনগত দৃষ্টিভঙ্গীৰ প্রকৃতি অতি সীমাৱদ্ধ। কাৰণ, ই কেৱল ৰাজনৈতিক পৰিঘটনাৰ ন্যায়িক প্রকৃতি তথা প্রয়োগ সম্পর্কেহে অধ্যয়ন কৰে।



২.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । যোৰহাট ঃ ইউনিকা প্রকাশন।

৩) চক্রবর্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্রকাশন।

৪) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006) *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.

২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ এৰিষ্টটলে

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) আনুষ্ঠানিক দৃষ্টিভংগীটোক এটা সংকীর্ণ দৃষ্টিভংগী বুলি কোৱা হয়। কাৰণ, এই দৃষ্টিভংগীটো কেৱল আনুষ্ঠানিক সংৰচনা তথা অনুষ্ঠান-প্রতিষ্ঠানৰ অধ্যয়নতে সীমাৱদ্ধ হৈ থাকে।

(খ) আনুষ্ঠানিক পন্থাটোৱে সমাজতাত্বিক, মনোবৈজ্ঞানিক, ৰাজনৈতিক আৰু অর্থনৈতিক পৰিস্থিতিৰ অধ্যয়ন নকৰে। ই আনকি আনুষ্ঠানিক প্রতিষ্ঠানবোৰৰ প্রকৃত কার্য-সম্পাদন প্রক্রিয়াটোত গুৰুত্বপূর্ণ ভূমিকা লোৱা কাৰকবোৰৰ অধ্যয়নকো সামৰি নলয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ আনুষ্ঠানিক দৃষ্টিভঙ্গীটো ৰাজনীতি বিজ্ঞান অধ্যয়নৰ ক্ষেত্রত অতি প্রাচীন আৰু অতি আৱশ্যকীয় দৃষ্টিভঙ্গী। এই দৃষ্টিভঙ্গীয়ে প্রধানতঃ চৰকাৰ আৰু ৰাজনীতিৰ বিধিগত উপাদানসমূহ পর্যালোচনা কৰে আৰু ৰাজনৈতিক অনুষ্ঠানসমূহৰ অধ্যয়নৰ ওপৰত অধিক গুৰুত্ব দিয়ে। সেয়েহে এই দৃষ্টিভঙ্গীয়ে আনুষ্ঠানিক আহিলাসমূহ যেনে বিধানমণ্ডল, কার্যপালিকা, ন্যায়পালিকা, ৰাজনৈতিক দল আদিৰ অধ্যয়নৰ ওপৰত বিশেষভাৱে মনোনিবেশ কৰিছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ জ্যা বদিন আৰু থমাচ হবচ্

৬ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) আইনগত দৃষ্টিভংগীয়ে সাধাৰণতে আনুষ্ঠানিক সংৰচনা আৰু প্ৰক্ৰিয়াবোৰ অধ্যয়ন কৰে। ই জটিল পৰিৱেশ জনিত কাৰকবোৰ আৰু এইবোৰৰ প্ৰকৃত কাৰ্য্য সম্পাদন প্ৰক্ৰিয়াক প্ৰভাৱিত কৰা সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিৱেশৰ দৰে পৰিবেশবোৰৰ অধ্যয়ন আওকাণ কৰে।

(খ) আইনগত দৃষ্টিভংগীৰ প্ৰকৃতি অতি সীমাৱদ্ধ। কাৰণ ই কেৱল ৰাজনৈতিক পৰিঘটনাৰ ন্যায়িক প্ৰকৃতি তথা প্ৰয়োগ সম্পৰ্কেহে অধ্যয়ন কৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ আইনগত দৃষ্টিভঙ্গীয়ে ৰাষ্ট্ৰক আইন প্ৰণয়ন আৰু আইন প্ৰয়োগৰ মৌলিক অনুষ্ঠান বুলি বিবেচনা কৰে। সেয়েহে এই দৃষ্টিভঙ্গীৰ প্ৰবক্তাসকলে আইনগত বিধি ব্যৱস্থা, আইনগত অনুষ্ঠান, বিচাৰ আৰু ন্যায়পালিকাৰ স্বাধীনতা বিচাৰে । এই দৃষ্টিভংগীৰ অধ্যয়নৰ মূল বিষয়বস্তু হৈছে বিভিন্ন ৰাষ্ট্ৰৰ আনুষ্ঠানিক আৰু আইনগত গাঁথনি।



২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ কোনটো দৃষ্টিভংগীয়ে আইনৰ সৃষ্টি আৰু বলবৎকৰণৰ বাবে ৰাষ্ট্ৰক মৌলিক সংগঠন বুলি বিবেচনা কৰে?

প্ৰশ্ন নং ২ ঃ আনুষ্ঠানিক দৃষ্টিভংগীৰ এগৰাকী প্ৰাচীন সমৰ্থকৰ নাম লিখক ।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ আনুষ্ঠানিক দৃষ্টিভংগীৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন নং ২ ঃ আইনগত দৃষ্টিভংগীৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ আনুষ্ঠানিক দৃষ্টিভংগীৰ বিষয়ে চমুকৈ লিখক। দৃষ্টিভংগীটোৰ সীমাৱদ্ধতাবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন নং ২ ঃ আইনগত দৃষ্টিভংগীৰ বিষয়ে চমুকৈ লিখক। দৃষ্টিভংগীটোৰ সীমাৱদ্ধতাবোৰ বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ৰাজনৈতিক বিশ্লেষণৰ আধুনিক দৃষ্টিভঙ্গী (আচৰণবাদী দৃষ্টিভঙ্গী আৰু পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গী)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ৰাজনৈতিক বিশ্লেষণৰ আধুনিক দৃষ্টিভঙ্গী

৩.৩.১ আধুনিক দৃষ্টিভঙ্গীৰ অর্থ

৩.৩.২ আধুনিক দৃষ্টিভঙ্গীৰ বৈশিষ্ট্যসমূহ

৩.৪ আচৰণবাদী দৃষ্টিভঙ্গী (Behaviouralism)

৩.৪.১ আচৰণবাদী দৃষ্টিভঙ্গীৰ উৎপত্তি আৰু অর্থ

৩.৪.২ আচৰণবাদী দৃষ্টিভঙ্গীৰ মূল বৈশিষ্ট্যসমূহ

৩.৪.৩ আচৰণবাদী দৃষ্টিভঙ্গীৰ গুণসমূহ আৰু আচৰণবাদী দৃষ্টিভঙ্গীৰ সমালোচনাসমূহ

৩.৫ পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গী (Post-Behaviouralism) ঃ উৎপত্তি আৰু অর্থ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাজনৈতিক বিশ্লেষণৰ আধুনিক দৃষ্টিভঙ্গীৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- ৰাজনৈতিক বিশ্লেষণৰ আধুনিক দৃষ্টিভঙ্গীৰ বৈশিষ্ট্য সমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- ৰাজনীতি বিজ্ঞান অধ্যয়নৰ আচৰণবাদী দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ৰাজনীতি বিজ্ঞান অধ্যয়নৰ পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

আমি ইয়াৰ আগৰ অধ্যায়কেইটাত ৰাজনৈতিক বিশ্লেষণৰ পৰম্পৰাগত দৃষ্টিভঙ্গীসমূহৰ বিষয়ে পঢ়িলোঁ। এই অধ্যায়টোত আমি ৰাজনৈতিক বিশ্লেষণৰ আধুনিক দৃষ্টিভঙ্গী সমূহৰ বিষয়ে

পঢ়িম। পৰম্পৰাগত দৃষ্টি ভঙ্গীসমূহৰ বিপৰীতে আধুনিক দৃষ্টি ভঙ্গীসমূহে তথ্যৰ অধ্যয়ন আৰু বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আধুনিক দৃষ্টি ভঙ্গীসমূহ হ'ল-আচৰণবাদী দৃষ্টিভঙ্গী আৰু পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গী, ব্যৱস্থাপক দৃষ্টিভঙ্গী, গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গী, যোগাযোগ দৃষ্টিভঙ্গী আৰু সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভঙ্গী।

এই অধ্যায়টোত আমি দুটা প্রধান আধুনিক দৃষ্টিভঙ্গী যেনে- আচৰণবাদী দৃষ্টিভঙ্গী আৰু পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীৰ বিষয়ে পঢ়িম।

৩.৩ ৰাজনৈতিক বিশ্লেষণৰ আধুনিক দৃষ্টিভঙ্গী

৩.৩.১ আধুনিক দৃষ্টিভঙ্গীৰ অর্থ

পৰম্পৰাগত দৃষ্টিভঙ্গীৰে ৰাজনীতি অধ্যয়ন কৰি পিছৰকালৰ ৰাজনৈতিক চিন্তাবিদসকলে অনুভৱ কৰিছিল যে এক নতুন দিশেৰে ৰাজনৈতিক অধ্যয়ন কৰাৰ প্রয়োজন আছে। সেয়েহে পৰম্পৰাগত দৃষ্টিভঙ্গীৰ দোষত্রুটিসমূহ একেবাৰে কম কৰাৰ বাবে ৰাজনৈতিক চিন্তাবিদসকলে নতুন নতুন কেবাটাও দৃষ্টিভঙ্গী আগবঢ়াইছে। এই নতুন দৃষ্টিভঙ্গীসমূহক ৰাজনীতি বিজ্ঞান অধ্যয়নৰ আধুনিক দৃষ্টিভঙ্গী বুলি কোৱা হৈছে। ভালেকেইজন চিন্তাবিদে এই নতুন দৃষ্টিভঙ্গীক পৰম্পৰাগত দৃষ্টিভঙ্গীৰ বিপক্ষে এক প্রতিক্রিয়া বুলি বিবেচনা কৰিছে। এই নতুন দৃষ্টিভঙ্গীয়ে প্রধানতঃ ৰাজনীতি অধ্যয়ন বিজ্ঞানসন্মত হোৱাত গুৰুত্ব দিছে। ৰাজনীতি বিজ্ঞানত আচৰণবাদী আন্দোলনৰ প্রৱেশে পোন প্রথমে এক আমূল পৰিৱর্তন সাধন কৰিছে। আধুনিক দৃষ্টিভঙ্গীসমূহ হ'ল-আচৰণবাদী দৃষ্টিভঙ্গী,পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গী, ব্যৱস্থাপক দৃষ্টিভঙ্গী, গঠন আৰু কার্য্যবিষয়ক দৃষ্টিভঙ্গী, যোগাযোগ দৃষ্টিভঙ্গী আৰু সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভঙ্গী।

৩.৩.২ আধুনিক দৃষ্টিভঙ্গীৰ বৈশিষ্ট্যসমূহ

- আধুনিক দৃষ্টিভঙ্গীসমূহে অভিজ্ঞতাবাদী তথ্যৰ (empirical data) পৰা মীমাংসাত উপনীত হ'ব বিচাৰে।
- আধুনিকদৃষ্টিভঙ্গীসমূহে ৰাজনীতিক গাঁথনিৰ অধ্যয়ন আৰু ঐতিহাসিক বিশ্লেষণৰ সীমা অতিক্রম কৰি ৰাজনৈতিক পৰিঘটনা সমূহৰ এক তথ্য ভিত্তিক বিশ্লেষণ আগবঢ়ায়।
- আধুনিক দৃষ্টিভঙ্গীসমূহে আন্তঃবিভাগীয় অধ্যয়নত বিশ্বাস কৰে।
- আধুনিক দৃষ্টিভঙ্গীসমূহে অধ্যয়ন প্রণালীৰ ওপৰত বেচি গুৰুত্ব প্রদান কৰে।
- আধুনিক দৃষ্টিভঙ্গীসমূহে ৰাজনীতি বিজ্ঞানৰ এক বৈজ্ঞানিক নিষ্পত্তি আনিবলৈ প্রচেষ্টা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যিকোনো দুটা আধুনিক দৃষ্টিভঙ্গী উল্লেখ কৰক।

.....

প্রশ্ন নং ২ ঃ আধুনিক দৃষ্টিভঙ্গীসমূহৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৩ ঃ আধুনিক দৃষ্টিভঙ্গীসমূহে আন্তঃবিভাগীয় অধ্যয়নত বিশ্বাস কৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৪ ঃ ৰাজনীতি বিজ্ঞানত কোনটো আন্দোলনৰ প্ৰৱেশে পোন প্ৰথমে এক আমূল পৰিৱৰ্তন সাধন কৰিছিল ?

.....

৩.৪ আচৰণবাদী দৃষ্টিভঙ্গী (BEHAVIOURALISM)

৩.৪.১ আচৰণবাদী দৃষ্টিভঙ্গীৰ উৎপত্তি আৰু অর্থ

বিংশ শতাব্দীত হোৱা বৌদ্ধিক বিকাশৰ লগত আচৰণবাদৰ উৎপত্তিৰ যোগসূত্ৰ স্থাপন কৰিব পাৰি। এই দৃষ্টিভঙ্গীয়ে ৰাজনৈতিক সমাজৰ সদস্য হিচাপে মানুহৰ দৈনন্দিন জীৱনৰ আচৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। প্ৰথম বিশ্বযুদ্ধৰ পিছত অভিজ্ঞতাবাদী (empirical) আৰু পৰিমাণ নিৰূপণ পদ্ধতি (quantitative) ব্যৱহাৰ কৰাৰ বাবে এক আন্দোলন উদ্ভৱ হৈছিল। সেয়েহে বিংশ শতাব্দীৰ আদি ভাগতে মানুহে ৰাজনৈতিক আচৰণবাদৰ ওপৰত গুৰুত্ব দিয়াৰ ফলশ্ৰুতি হিচাপে পিছৰ কালচোৱাত ৰাজনীতি বিজ্ঞানত আচৰণবাদৰ প্ৰবেশ ঘটিছিল। ১৯২৮ খৃঃ ত আমেৰিকাৰ চিন্তাবিদ ফ্ৰেঙ্ক কেণ্টে (Frank Kent) প্ৰকাশ কৰা "পলিটিকেল বিহেভিয়াৰ" (*Political Behaviour*) নামৰ কিতাপখনে এই দৃষ্টিভঙ্গীৰ এক যুগান্তকাৰী পদক্ষেপ আগবঢ়াইছিল। এই দৃষ্টিভঙ্গীয়ে এখন সমাজত ব্যক্তি আৰু ব্যক্তি সমষ্টিৰ আচৰণ বিবেচনা কৰে। কিন্তু অনুষ্ঠান, আন্তঃ গাঁথনি বা আদর্শৰ কথা বিবেচনা নকৰে। সেয়েহে এই দৃষ্টিভঙ্গীয়ে এটা গোটৰ সদস্য হিচাপে কোনো ব্যক্তিৰ বিষয়ে অধ্যয়নৰ ওপৰত অধিক গুৰুত্ব দিয়ে।

দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰে পৰা এই আন্দোলন আমেৰিকা আৰু কিছুমান ইউৰোপীয় দেশৰ ৰাজনৈতিক চিন্তাবিদৰ মাজত বৰ জনপ্ৰিয় হৈ পৰিছিল। চিকাগো বিশ্ববিদ্যালয়ৰ ৰাজনীতিবিজ্ঞানৰ অধ্যাপকচার্লচ ই মেৰিয়ামক (Charies E. Merriam)

আচৰণবাদ আন্দোলনৰ পিতৃ বুলি আখ্যা দিয়া হৈছে। আচৰণবাদৰ সমর্থকসকলে ৰাজনৈতিক বিশ্লেষণত পৰিমাণৰ হিচাপ (quantitative data) আৰু পৰিসাংখ্যিক চিত্র (statistical tables) ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। আমেৰিকাৰ বহুকেইজন ৰাজনীতি বিজ্ঞানীয়ে বিশেষকৈ গেব্রিয়েল আলমণ্ড (Gabriel Almond), ৰবার্ট ডাল (Robert Dahl), ডেভিড ইষ্টন (David Easton), হেৰল্ড লাচৱেল (Harold Lasswel) আৰু কার্ল ডয়েটচ (Karl Deutsch) আদি ৰাজনৈতিক লেখকে কিছুমান তাত্ত্বিক (theoretical frameworks) আৰু গৱেষণা পদ্ধতিৰ (research design) উদ্ভাৱন কৰিছে যাৰ দ্বাৰা কোনোৱে বিজ্ঞানসন্মত আৰু প্রণালীবদ্ধভাৱে ৰাজনীতি বিজ্ঞানৰ গৱেষণা কৰিব পাৰে। এই সকলোবোৰ কামে আচৰণবাদ আন্দোলনটো শক্তিশালী কৰাত অৰিহণা যোগাইছে।

আচৰণবাদৰ সূত্র বিভিন্ন ধৰণে আগবঢ়োৱা হৈছে। ৰবার্ট ডাল (Robert Dahl) ৰ আচৰণবাদ সম্পর্কে ধাৰণা এনে ধৰণৰ - "ই ৰাজনীতি বিজ্ঞানৰ অভ্যন্তৰীণ ক্ষেত্রত এক প্রতিবাদী আন্দোলন যাৰ লগত ভালেকেইজন ৰাজনীতি বিজ্ঞানী, বিশেষকৈ আমেৰিকান ৰাজনীতি তত্ত্ববিদ জড়িত আছিল। তেওঁলোকে প্রচলিত ৰাজনীতি বিজ্ঞানৰ কাম-কাজ বিশেষকৈ ঐতিহাসিক, দার্শনিক আৰু বর্ণনাত্মক আনুষ্ঠানিক দৃষ্টিভঙ্গীক লৈ অসন্তুষ্ট হৈছিল।" ইয়াৰ বাহিৰেও ৰবার্ট ডালে মত পোষণ কৰে যে ৰাজনীতিক সমাজৰ অভিজ্ঞতাবাদী (empirical) উপাদানসমূহৰ লগত সংযোগ ঘটাই আচৰণবাদ দৃষ্টিভঙ্গীয়ে ৰাজনীতি বিজ্ঞানক অধিক বিজ্ঞানসন্মত, উদ্দেশ্যধর্মী আৰু মূল্য নিৰপেক্ষ (value free) কৰাৰ এটা প্রচেষ্টা আগবঢ়াইছে।

ডেভিড ইষ্টন (David Easton) ৰ মতে আচৰণবাদী দৃষ্টিভঙ্গীয়ে ৰাজনৈতিক ব্যৱস্থাত অংশগ্রহণকাৰী লোকৰ অনুভূতি, কুসংস্কাৰ বা পূর্বধাৰণাসমূহক মানবীয় দৃষ্টিৰে বিবেচনা কৰিব লাগে। হেৰল্ড লাচৱেল (Harold Lasswel), চার্লচ ই মেৰিয়াম (Charles E Merriam) ৰ নিচিনা পণ্ডিতসকলেও বিশ্বাস কৰে যে ৰাজনৈতিক অনুসন্ধান অসম্পূর্ণ হৈ থাকিব যদিহে মনস্তাত্বিক আৰু সামাজিক বিষয়সমূহক গুৰুত্ব দিয়া নহয়। সেয়েহে আচৰণবাদী আন্দোলনে চৰকাৰৰ উৎপত্তি, গঠন আৰু ৰাজ্যৰ বিভিন্ন অনুষ্ঠানতকৈ ব্যক্তিৰ অধ্যয়নৰ ওপৰত মন দিছে। যি ব্যক্তি সমূহে ৰাজ্যৰ ৰাজনৈতিক ব্যৱস্থাটো গঠন কৰিছে তেওঁলোকৰ ওপৰত অধ্যয়নত গুৰুত্ব দিছে। ব্যক্তিৰ দৈনন্দিন সমস্যাসমূহ অধ্যয়নৰ বাবে আচৰণবাদীসকলে নতুন পদ্ধতি আৰু গৱেষণাৰ কৌশল উদ্ভাৱনৰ ওপৰত গুৰুত্ব দিছে। আচৰণবাদীসকলে তেওঁলোকৰ অধ্যয়নৰ ক্ষেত্রত পর্যৱেক্ষণৰ কৌশল, সাক্ষাৎকাৰ, জৰীপ, গৱেষণা, ঘটনা অধ্যয়ন (case studies), পৰিসংখ্যা সংগ্রহ, জনসাধাৰণৰ অৱস্থাৰ বিশ্লেষণ, পৰিমাণ নিৰ্দ্ধপণ (quantitative) আদিৰ প্রধানকৈ ব্যৱহাৰ কৰে।



জানি থোৱা ভাল

ৰাজনীতি বিজ্ঞানৰ গণ্ডীৰ ভিতৰতে আচৰণবাদীৰ এটা অতি আৱশ্যকীয় বিষয় হ'ল ৰাজনৈতিক আচৰণ সম্বন্ধে অধ্যয়ন কৰা। এজন ব্যক্তিৰ ওপৰত ভোটাৰ, নেতা, বিপ্লৱী, দলৰ সদস্য আদি ৰূপত ৰেখাপাত কৰে। লগতে এজন ব্যক্তিৰ আচৰণৰ ওপৰত দল বা সমষ্টিৰ বা ৰাজনৈতিক ব্যৱস্থাৰ কি প্ৰভাৱ তাৰ ওপৰতো ৰেখাপাত কৰে।

৩.৪.২ আচৰণবাদী দৃষ্টিভংগীৰ বৈশিষ্ট্যসমূহ

ডেভিড ইষ্টনে (David Easton) আচৰণবাদৰ কেইটামান মূল বৈশিষ্ট্য দাঙি ধৰিছে। সেইবোৰ হ'ল -

- ***নিয়মানুৱর্তিতা (Regularities) ঃ*** এই দৃষ্টিভঙ্গীয়ে বিশ্বাস কৰে যে ৰাজনৈতিক আচৰণত কিছুমান সমস্যা আছে যি বিলাকৰ সহায়ত ৰাজনৈতিক ঘটনাৰ আগজাননী বা সূত্ৰ (theories) সমূহক সার্বজনীন কৰা হয়। বিশেষ পৰিস্থিতিত মানুহৰ ৰাজনৈতিক আচৰণে গৱেষকক কোনো এক ৰাজনৈতিক পৰিস্থিতিৰ লগতে ভৱিষ্যতে হ'ব পৰা ৰাজনৈতিক ঘটনাৰো আগজাননী দিব পাৰে। এনেকুৱা নিয়মানুৱর্তিতা অধ্যয়নৰ ফলত ৰাজনীতি বিজ্ঞান বেচি বিজ্ঞানসন্মত হৈছে আৰু ইয়াৰ ভৱিষ্যৎ আগজাননী দিব পৰা ক্ষমতা বৃদ্ধি হৈছে।
- ***সত্যপ্ৰতিষ্ঠাকৰণ (Verification) ঃ*** আচৰণবাদীসকলে সকলো কথাকে একেবাৰে সত্য বুলি গ্ৰহণ নকৰে। সেইকাৰণে তেওঁলোকে পৰীক্ষা কৰা, সত্যতা নিৰূপণ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁলোকৰ মতে যিটো পৰীক্ষাৰ দ্বাৰা সত্য ৰূপে প্ৰতিষ্ঠা কৰিব নোৱাৰি সেইটো বিজ্ঞানভিত্তিক নহয়।
- ***কৌশল (Technique) ঃ*** আচৰণবাদীসকলে এনেকুৱা গৱেষণাৰ আহিলা আৰু পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়ে যিয়ে প্ৰকৃত, বিশ্বাসযোগ্য আৰু তুলনামূলক পৰিসংখ্যা (সৃষ্টি) প্ৰতিষ্ঠা কৰিব পাৰে। এজন গৱেষকে নমুনা (sample), জৰীপ (surveys), গাণিতিক আৰ্হি (Mathematical Models), চিমুলেশ্বন (Simulation) আদিৰ নিচিনা জটিল আহিলাৰ ব্যৱহাৰ কৰিব লাগে।
- ***পৰিমাণ নিৰূপণ (Quantification) ঃ*** সমলসমূহ সংগ্ৰহ কৰাৰ পিচত এজন গৱেষকে সংগৃহীত সমলসমূহৰ পৰিমাপ আৰু পৰিসংখ্যা নিৰূপণ কৰা উচিত।
- ***মূল্যবোধ মুক্ত (Value-free) ঃ*** আচৰণবাদীসকলে সত্য ঘটনা আৰু মূল্যবোধৰ পৃথকীকৰণৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰে। তেওঁলোকে বিশ্বাস কৰে যে উদ্দেশ্যধৰ্ম্মী গৱেষণা কৰাৰ ক্ষেত্ৰত গৱেষকসকল মূল্য নিৰপেক্ষ হ'ব লাগে। ইয়াৰ অর্থ হ'ল যে গৱেষক এজন পক্ষপাতমূলক দৃষ্টিভংগী আৰু পূৰ্বৰ বিশ্বাসৰ

পৰা দূৰত থাকিব লাগে।

- ***শৃংখলাৱদ্ধতা (Systematization) ঃ*** ৰাজনীতি বিজ্ঞানৰ গৱেষণা শৃংখলাবদ্ধতাৰে হোৱাটো আচৰণবাদীসকলে বিচাৰে। তত্ত্ব আৰু গৱেষণা একেলগে আগবঢ়াতো তেওঁলোকে বিচাৰে।
- ***বিশুদ্ধ বিজ্ঞান (Pure Science) ঃ*** আচৰণবাদৰ অন্য এক বৈশিষ্ট্য হ'ল এই যে ই ৰাজনীতি বিজ্ঞানক এক প্ৰকৃত বিজ্ঞানলৈ (Pure Science) ৰূপান্তৰিত কৰিব বিচাৰে। এই দৃষ্টিভংগীৰ প্ৰৱর্তকসকলে বিশ্বাস কৰে যে ৰাজনীতি বিজ্ঞান অধ্যয়ন উপযুক্ত প্ৰমাণৰ দ্বাৰা সঁচা বুলি প্ৰতিষ্ঠা কৰা উচিত।
- ***অখণ্ডতা (Integration) ঃ*** আচৰণবাদীসকলৰ মতে ৰাজনীতি বিজ্ঞানক অন্যান্য সমাজ বিদ্যা যেনে - ইতিহাস, সমাজ শাস্ত্ৰ, অৰ্থনীতি আদি বিষয়ৰ পৰা সম্পূৰ্ণ পৃথক কৰা উচিত নহয়। এই দৃষ্টিভংগীৰ প্ৰৱর্তকসকলে বিশ্বাস কৰে যে সমাজত ৰাজনৈতিক ঘটনাসমূহ যিহেতু অন্যান্য বহুতো কাৰণত এটা ৰূপ ধাৰণ কৰে, সেই হেতুকে ৰাজনীতি বিজ্ঞানক অন্যান্য বিষয়সমূহৰ পৰা পৃথক কৰাটো উচিত নহ'ব।

এইদৰে আচৰণবাদৰ আৱির্ভাবে ৰাজনীতি বিজ্ঞানৰ ক্ষেত্ৰত এক নতুন চিন্তাধাৰা আৰু অধ্যয়নৰ পদ্ধতিৰ উদ্ভাৱন কৰিছে।

৩.৪.৩ আচৰণবাদী দৃষ্টিভঙ্গীৰ গুণসমূহ আৰু আচৰণবাদী দৃষ্টিভঙ্গীৰ সমালোচনাসমূহ

- **আচৰণবাদী দৃষ্টিভঙ্গীৰ গুণসমূহ**

আচৰণবাদী দৃষ্টিভংগীৰ *গুণসমূহ* তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি ঃ

- এই দৃষ্টিভংগীয়ে ৰাজনীতি বিজ্ঞানক বিজ্ঞানসন্মত কৰিছে আৰু ইয়াক ব্যক্তিৰ দৈনন্দিন জীৱনৰ ওচৰ চপাই অনাৰ প্ৰচেষ্টা চলাইছে।
- এই দৃষ্টিভংগীয়ে পোন প্ৰথমে জনসাধাৰণৰ আচৰণসমূহ ৰাজনীতি বিজ্ঞানৰ পৰিসৰৰ অর্ন্তভূক্ত কৰাৰ প্ৰচেষ্টা চলায় আৰু সমাজৰ বাবে ইয়াৰ অধ্যয়ন অধিক গ্ৰহণযোগ্য কৰি তুলিছে।
- এই দৃষ্টিভংগীয়ে ভৱিষ্যৎ ৰাজনৈতিক ঘটনাৰ আগজাননী দিয়াত সহায় কৰে। ৰাজনৈতিক পৰিঘটনাসমূহৰ এক তথ্য ভিত্তিক বিশ্লেষণ আগবঢায়।

- **আচৰণবাদী দৃষ্টিভঙ্গীৰ সমালোচনাসমূহ**

ওপৰত উল্লেখ কৰা গুণাগুণবোৰৰ বাবে বিভিন্ন ৰাজনৈতিক চিন্তাবিদসকলে আচৰণবাদী দৃষ্টিভংগীক প্ৰশংসা কৰিছে। কিন্তু এই দৃষ্টিভংগীৰ বিজ্ঞানবাদৰ প্ৰতি থকা অস্বাভাৱিক আসক্তিৰ বাবে ইয়াক সমালোচনা কৰা হৈছে। ইয়াৰ মুখ্য *সমালোচনাসমূহ* তলত দিয়া ধৰণৰ -

- কৌশল আৰু পদ্ধতিৰ ওপৰত অধিক নির্ভৰশীল হৈ বিষয়বস্তুক অৱজ্ঞাৰ দৃষ্টিৰে চোৱা বাবে ই সমালোচনাৰ সন্মুখীন হৈছে।
- এই দৃষ্টিভংগীৰ সমর্থকসকলে কৈছে যে একে পৰিস্থিতিত মানুহে একে ধৰণৰ আচৰণ কৰে যিটো সমালোচনাকাৰীসকলৰ মতে অশুদ্ধ।
- তদুপৰি, মানুহৰ আচৰণ অধ্যয়ন কৰা আৰু ইয়াৰ পৰা এটা নির্দিষ্ট ফলাফল লাভ কৰাটো অতি জটিল।
- বেছিভাগ ৰাজনৈতিক পৰিঘটনা পৰিমাণ নিৰূপক নহয়। সেয়েহে ৰাজনীতি বিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত সকলো সময়তে বৈজ্ঞানিক দৃষ্টিভংগী প্ৰয়োগ কৰাটো কঠিন।
- তদুপৰি গৱেষকসকল মানুহহে, আচৰণবাদীসকলে বিশ্বাস কৰাৰ দৰে তেওঁলোক সকলো অৱস্থাতে মূল্য নিৰপেক্ষ নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ তিনিজন আচৰণবাদীৰ নাম উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ আচৰণবাদী বিপ্লৱৰ পিতৃ কাক কোৱা হয়?

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ আচৰণবাদৰ চাৰিটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ আচৰণবাদৰ দুটা সমালোচনা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৯ ঃ ১৯২৮ খৃঃ ত ফ্ৰেঙ্ক কেণ্টে (Frank Kent) প্ৰকাশ কৰা ..... নামৰ কিতাপখনে আচৰণবাদী দৃষ্টিভংগীৰ এক যুগান্তকাৰী পদক্ষেপ আগবঢ়াইছিল। (খালী ঠাই পূৰণ কৰক)

৩.৫ পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গী (POST-BEHAVIOURALISM) ঃ উৎপত্তি আৰু অর্থ

ৰাজনীতি বিজ্ঞানৰ ইতিহাসত আচৰণবাদ আন্দোলনৰ বিকাশ এক বিশেষ উল্লেখযোগ্য ঘটনা। আচৰণবাদৰ অগ্রগতিয়ে পৰম্পৰাগত চিন্তাধাৰাৰ পৰা আধুনিক চিন্তাধাৰাক স্পষ্টভাৱে আতৰাই আনিছে আৰু কিছু বৈজ্ঞানিক উপক্রমণিকাৰ সংযোগেৰে সামজিক সমস্যাসমূহৰ লগত প্রাসঙ্গিকতা স্থাপন কৰিছে। কিন্তু পিছলৈ ভালেমান ক্ষেত্রত এইটো উপলব্ধি কৰা হৈছিল যে আচৰণবাদে বিজ্ঞানৰ প্রতি থকা অত্যুৎসাহিতাৰ কাৰণে অধ্যয়নৰ মূল বিষয়বস্তুকে পাহৰি গৈছে। এইটোও উপলব্ধি কৰা হৈছিল যে প্রাকৃতিক বিজ্ঞানক যিদৰে সার্বজনীনকৰণ কৰা হৈছে সেইদৰে সমাজ বিজ্ঞানৰ ক্ষেত্রত প্রয়োগ কৰিব নোৱাৰি। সেয়েহে আচৰণবাদক ৰূপান্তৰিত কৰাৰ কাৰণে আচৰণবাদীসকলৰ মাজত এক নতুন চিন্তাৰ উদ্ভৱ হৈছিল। ইয়াৰ ফলত পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীৰ উত্থান হয়।

ডেভিড ইষ্টন প্রথম অৱস্থাত আচৰণবাদৰ এজন ঘোৰ সমর্থক আছিল ; কিন্তু পিছলৈ এই দৃষ্টিভঙ্গীৰ এজন প্রধান সমালোচক হৈ পৰিছিল। ১৯৬৯ খৃঃত অনুষ্ঠিত আমেৰিকাৰ ৰাজনীতি বিজ্ঞান সম্মিলনৰ বার্ষিক অধিবেশনৰ সভাপতি ভাষণত তেওঁ ব্যক্ত কৰিছিল যে আচৰণবাদৰ হেঁচাত সমর্পণ কৰা ৰাজনৈতিক গৱেষণা আৰু শিক্ষাত তেওঁ অসন্তুষ্ট আৰু অভিমত দিছিল যে অত্যাধিক গণিতৰ ব্যৱহাৰ ৰাজনীতি বিজ্ঞানক সমাজ বিজ্ঞানতকৈ অধিক গণিতমুখী কৰিছিল যাৰ ফলত প্রচলিত আৰু সমসাময়িক জগতৰ পৰা ই সংযোগবিহীন হৈছে। আচৰণবাদে ভালেমান সামাজিক আৰু ৰাজনৈতিক সমস্যাৰ সমাধান কৰিবলৈ অক্ষম হোৱা বাবে ভালেমান মানুহক অসন্তুষ্ট কৰি তুলিছিল। মানুহৰ মাজত এনেকুৱা অসন্তুষ্টিৰ বাবেই পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীৰ উদ্ভৱ হৈছিল। এই নতুন দৃষ্টিভঙ্গীয়ে বিশ্বাস কৰে যে অস্বাভাৱিক কৌশল আৰু গৱেষণাৰ আহিলাই পৃথিৱীত সামাজিক আৰু ৰাজনৈতিক সমস্যাসমূহ আঁতৰ কৰিব নোৱাৰে। সেই গতিকে আচৰণবাদীসকলে ৰাজনীতি বিজ্ঞানক অন্যান্য প্রকৃতি বিজ্ঞানৰ (natural science) নিচিনাকৈ মূল্যবোধ মুক্ত (value-free) বিজ্ঞান কৰিবলৈ চলোৱা প্রচেষ্টাক পৰৱৰ্তী আচৰণবাদীসকলে বিৰোধ কৰিছে। এই কাৰণে পৰৱৰ্তী আচৰণবাদীসকলে ৰাজনীতি বিজ্ঞানক সমাজৰ লগত প্রাসঙ্গিক কৰি ৰাখিবলৈ মূল্যবোধৰ ওপৰত পুনৰবাৰ পৰিচয় কৰাই দিয়াৰ প্রচেষ্টা চলাইছিল। কিন্তু এটা কথা মনত ৰাখিব লাগিব যে পৰৱৰ্তী আচৰণবাদীসকলক আচৰণবাদীসকলৰ পৰা পৃথক কৰিব পৰা নাযায় যিহেতু আচৰণবাদীৰ পৰাই ফৈদটো উপজিছে। বিভিন্ন ধৰণৰ কৌশল আৰু উপায় অৱলম্বন কৰি পৰৱৰ্তী আচৰণবাদীসকলে আচৰণবাদৰ দোষ-ত্রুটিসমূহ আঁতৰ কৰি ৰাজনীতি বিজ্ঞানক বেছি প্রাসঙ্গিক কৰিবলৈ চেষ্টা চলাইছে। পৰৱৰ্তী আচৰণবাদীসকলে তথ্য আৰু মূল্যবোধৰ ওপৰত সমানে গুৰুত্ব আৰোপ কৰে।



জানি থোৱা ভাল

ডেভিড ইষ্টনে প্রথমতে আচৰণবাদৰ কেইটামান মূল বৈশিষ্ট্য আঙুলিয়াই দিছিল, যি কেইটাক আচৰণবাদৰ আধাৰশিলা বুলি জনা যায়। পিচত তেওঁ আন কেইটামান প্রধান বৈশিষ্ট্যৰ তালিকা এখন প্রস্তুত কৰিছিল যিখনক পৰৱৰ্তী আচৰণবাদীৰ "Credo of Relevance" বুলি কোৱা হয়।

পৰৱৰ্তী আচৰণবাদীসকলে বিশ্বাস কৰে যে বৈজ্ঞানিক আহিলা পাতি ব্যৱহাৰ কৰাটো লাভজনক হ'ব যদিহে সমাজৰ বিভিন্ন সমস্যা আঁতৰ কৰিব পাৰে। আচৰণবাদীয়ে কৌশল (techniques) আৰু পদ্ধতিৰ (methods) ওপৰত অধিক গুৰুত্ব দিয়ে আৰু বিশ্বাস কৰে যে অস্পষ্ট হোৱাতকৈ অশুদ্ধ বেচি ভাল। আনহাতে আচৰণবাদোত্তৰীসকলে বিশ্বাস কৰে যে অপ্রাসঙ্গিকতাক নিশ্চিত কৰাতকৈ অস্পষ্ট হোৱাই ভাল । পৰৱৰ্তী আচৰণবাদীসকলে আচৰণবাদীসকলক সমালোচনা কৰি কয় যে এওঁলোকে কৌশলৰ (technique) ওপৰত অধিক গুৰুত্ব দি সমাজৰ বাস্তৱতাৰ পৰা বিচ্ছিন্ন হৈ পৰিছে। এইদৰে পৰৱৰ্তী আচৰণবাদক আচৰণবাদৰ ভিতৰতে এক সংস্কাৰ আন্দোলন বুলি বিবেচনা কৰিব পাৰি। এই নতুন ভাবধাৰাই ৰাজনৈতিক আৰু সামাজিক জীৱনৰ প্রধান সমস্যাসমূহ চিনাক্ত কৰি তাৰ সমাধান উলিওৱাত অধিক গুৰুত্ব দিছে। পৰৱৰ্তী আচৰণবাদীসকলৰ মতে ৰাজনৈতিক বিজ্ঞানীসকলে সামাজিক সমস্যাসমূহ আঁতৰ কৰিবলৈ বিকল্প ব্যৱস্থা আৰু নতুন নতুন উপায় উদ্ভাৱন কৰা উচিত। গতিকে পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীয়ে ৰাজনীতি বিজ্ঞানক সমাজৰ উপযোগী কৰিবলৈ আগ্রহী। এই ক্ষেত্রত এইটোও মনত ৰাখিব লাগিব যে এই প্রচেষ্টা আচৰণবাদেই প্রচলন কৰিছে। এই দৃষ্টিভঙ্গীয়ে আচৰণবাদৰ ধাৰণাক সম্পূর্ণভাৱে নাকচ কৰা নাই।পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীয়ে আচৰণবাদৰ কৃতিত্বসমূহ স্বীকাৰ কৰিছে আৰু ৰাজনীতি বিজ্ঞানৰ উদ্দেশ্যধর্ম্মী গৱেষণা কার্যৰ প্রশংসা কৰিছে। আচৰণবাদে ৰাজনীতি বিজ্ঞানৰ গৱেষণাক অধিক বাস্তৱমুখী কৰি বিষয়টো সমাজৰ কামত বেচি প্রাসঙ্গিক কৰিবলৈ প্রচেষ্টা চলাইছে। আচৰণবাদীসকলে ৰাজনীতি বিজ্ঞানক মূল্য নিৰপেক্ষ বিজ্ঞান ৰূপে স্থাপন কৰিবলৈ লোৱা পদক্ষেপক পৰৱৰ্তী আচৰণবাদীসকলে বিৰোধ কৰিছে।পৰৱৰ্তী আচৰণবাদী সকলে যুক্তি দর্শাইছে যে ৰাজনীতি বিজ্ঞান সমাজৰ লগত বেচি প্রাসঙ্গিক হ'বলৈ হ'লে সমাজৰ কিছুমান মুখ্য কথা যেনে ন্যায়, স্বাধীনতা, সমতা, গণতন্ত্র আদিৰ কথা বিবেচনা কৰিব লাগে। পৰৱৰ্তী আচৰণবাদীসকলে আচৰণবাদীসকলক বৈজ্ঞানিক পদ্ধতিৰ প্রতি অতিপাত স্পৃহা থকা বুলি বর্ণনা কৰিছে ("mad craze for scienticism")। এইদৰে "পৰৱৰ্তী আচৰণবাদ" আচৰণবাদৰ এক সংস্কাৰিত ৰূপ যিহেতু ইয়াৰ দৃষ্টি অভিজ্ঞতা সুলভ গৱেষণাৰ পৰা আতৰি আহি সমাজে সন্মুখীন হোৱা সমস্যাসমূহ আতৰ কৰাৰ বাবে গৱেষণা কার্যত লিপ্ত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ পৰৱৰ্তী আচৰণবাদী দৃষ্টিভংগীয়ে ৰাজনীতি বিজ্ঞানক সমাজৰ লগত প্রাসংগিক কৰি ৰাখিবলৈ প্রচেষ্টা চলাইছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ১১ ঃ এনে এজন আচৰণবাদীৰ নাম উল্লেখ কৰক যিজন পিচত আচৰণ বাদোত্তৰৰ ওকালতি কৰিছিল।

.....

প্রশ্ন নং ১২ ঃ পৰৱৰ্তী আচৰণবাদৰ বর্ণনা দিয়ক। (৭৫ শব্দৰ ভিতৰত)

.....

.....

.....



চিন্তা-চর্চা কৰক ৩.১

আচৰণবাদ আৰু পৰৱৰ্তী আচৰণবাদৰ মাজৰ প্রধান বৈষম্যসমূহ নির্বাচন কৰক।

.....

.....

.....

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰম্পৰাগত দৃষ্টিভঙ্গীৰে ৰাজনীতি বিজ্ঞান অধ্যয়ন কৰি পিছৰকালৰ ৰাজনৈতিক চিন্তাবিদসকলে অনুভৱ কৰিছিল যে এক নতুন দিশেৰে ৰাজনৈতিক অধ্যয়ন কৰাৰ প্রয়োজন আছে। সেয়েহে পৰম্পৰাগত দৃষ্টিভঙ্গীৰ দোষত্রুটিসমূহ একেবাৰে কম কৰাৰ বাবে নতুন ৰাজনৈতিক চিন্তাবিদসকলে নতুন নতুন কেবাটাও দৃষ্টিভঙ্গী আগবঢ়াইছে।
- এই নতুন দৃষ্টিভঙ্গীয়ে প্রধানতঃ ৰাজনীতি অধ্যয়ন বিজ্ঞানসন্মত হোৱাত গুৰুত্ব দিছে। আধুনিক দৃষ্টিভঙ্গীসমূহ হ'ল-আচৰণবাদী দৃষ্টিভঙ্গী আৰু পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গী, ব্যৱস্থাপক দৃষ্টিভঙ্গী, গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গী, যোগাযোগ দৃষ্টিভঙ্গী আৰু সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভঙ্গী।

- বিংশ শতাব্দীত হোৱা বৌদ্ধিক বিকাশৰ লগত আচৰণবাদৰ উৎপত্তিৰ যোগসূত্ৰ স্থাপন কৰিব পাৰি। এই দৃষ্টিভঙ্গীয়ে ৰাজনৈতিক সমাজৰ সদস্য হিচাপে মানুহৰ দৈনন্দিন জীৱনৰ আচৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। প্ৰথম বিশ্বযুদ্ধৰ পিছত অভিজ্ঞতাবাদী (empirical) আৰু পৰিমাণ নিৰূপণ (quantitative) পদ্ধতি ব্যৱহাৰ কৰাৰ বাবে এক আন্দোলন উদ্ভৱ হৈছিল।
- ১৯২৮ খৃঃ ত আমেৰিকাৰ চিন্তাবিদ ফ্ৰেঙ্ক কেণ্টে (Frank Kent) প্ৰকাশ কৰা "পলিটিকেল বিহেভিয়াৰ" (Political Behaviour) নামৰ কিতাপখনে আচৰণবাদ দৃষ্টিভঙ্গীৰ এক যুগান্তকাৰী পদক্ষেপ আগবঢ়াইছিল।
- দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰে পৰা আচৰণবাদ আন্দোলন আমেৰিকা আৰু কিছুমান ইউৰোপীয় দেশৰ ৰাজনৈতিক চিন্তাবিদৰ মাজত বৰ জনপ্ৰিয় হৈ পৰিছিল। চিকাগো বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক চাৰ্লচ ই মেৰিয়ামক (Charies E. Merriam) আচৰণবাদ আন্দোলনৰ পিতৃ বুলি আখ্যা দিয়া হৈছে।
- আচৰণবাদৰ সমৰ্থকসকলে ৰাজনৈতিক বিশ্লেষণত পৰিমাণৰ হিচাপ (quantitative data) আৰু পৰিসাংখ্যিক চিত্ৰ (statistical tables) ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। বহুতো আমেৰিকান ৰাজনীতি বিজ্ঞানীয়ে বিশেষকৈ গেব্ৰিয়েল আলমণ্ড (Gabriel Almond), ৰবাৰ্ট ডাল (Robert Dahl), ডেভিড ইষ্টন (David Easton), হেৰল্ড লাচৱেল (Harold Lasswel) আৰু কাৰ্ল ডয়েটচ (Karl Deutsch) ৰ নিচিনা ভালেকেইজন ৰাজনৈতিক লেখকে কিছুমান তাত্ত্বিক (theoretical frameworks) আৰু গৱেষণাপদ্ধতিৰ (research design) উদ্ভাৱন কৰিছে যাৰ দ্বাৰা কোনোৱে বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধভাৱে ৰাজনীতি বিজ্ঞানৰ গৱেষণা কৰিব পাৰে। এই সকলোবোৰ কামে আচৰণবাদ আন্দোলনটো শক্তিশালী কৰাত অৰিহণা যোগাইছে।
- ডেভিড ইষ্টনে (David Easton) আচৰণবাদৰ কেইটামান মূল বৈশিষ্ট্য দাঙি ধৰিছে - সেইবোৰ হ'ল - নিয়মানুবৰ্তিতা (Regularities), সত্য প্ৰতিষ্ঠাকৰণ (Verification), কৌশল (Technique), পৰিমাণ নিৰূপণ (Quantification), মূল্যবোধ মুক্ত (Value-free), শৃংখলাবদ্ধতা (Systematization), বিশুদ্ধ বিজ্ঞান (Pure Science) আৰু অখণ্ডতা (Integration)।
- ৰাজনীতি বিজ্ঞানৰ ইতিহাসত আচৰণবাদ আন্দোলনৰ বিকাশ এক বিশেষ উল্লেখযোগ্য ঘটনা। আচৰণবাদৰ অগ্ৰগতিয়ে পৰম্পৰাগত চিন্তাধাৰাৰ পৰা আধুনিক চিন্তাধাৰাক স্পষ্টভাৱে আতৰাই আনিছে আৰু কিছু বৈজ্ঞানিক উপক্ৰমণিকাৰ সংযোগেৰে সামজিক সমস্যাসমূহৰ লগত প্ৰাসঙ্গিকতা স্থাপন কৰিছে।
- পিছলৈ ভালেমান ক্ষেত্ৰত এইটো উপলব্ধি কৰা হৈছিল যে আচৰণবাদে বিজ্ঞানৰ প্ৰতি থকা অত্যুৎসাহিতাৰ কাৰণে অধ্যয়নৰ মূল বিষয়বস্তুকে পাহৰি গৈছে। এইটোও উপলব্ধি কৰা হৈছিল যে প্ৰাকৃতিক বিজ্ঞানক যিদৰে সাৰ্বজনীনকৰণ কৰা হৈছে সেইদৰে সমাজ

বিজ্ঞানৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি। সেয়েহে আচৰণবাদক ৰূপান্তৰিত কৰাৰ কাৰণে আচৰণবাদীসকলৰ মাজত এক নতুন চিন্তাৰ উদ্ভৱ হৈছিল। ইয়াৰ ফলত পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীৰ উত্থান হয়।

- ডেভিড ইষ্টন প্ৰথম অৱস্থাত আচৰণবাদৰ এজন ঘোৰ সমৰ্থক আছিল ; কিন্তু পিছলৈ এই দৃষ্টিভঙ্গীৰ এজন প্ৰধান সমালোচক হৈ পৰিছিল। ১৯৬৯ খৃঃত অনুষ্ঠিত আমেৰিকান ৰাজনীতি বিজ্ঞান সম্মিলনৰ বাৰ্ষিক অধিবেশনৰ সভাপতিৰ ভাষণত তেওঁ ব্যক্ত কৰিছিল যে আচৰণবাদৰ হেঁচাত সমৰ্পণ কৰা ৰাজনৈতিক গৱেষণা আৰু শিক্ষাত তেওঁ অসন্তুষ্ট আৰু অভিমত দিছিল যে অত্যাধিক গণিতৰ ব্যৱহাৰে ৰাজনীতি বিজ্ঞানক সমাজ বিজ্ঞানতকৈ অধিক গণিতমুখী কৰিছিল যাৰ ফলত প্ৰচলিত আৰু সমসাময়িক জগতৰ পৰা ই সংযোগবিহীন হৈছে।
- পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীয়ে বিশ্বাস কৰে যে অস্বাভাৱিক কৌশল আৰু গৱেষণাৰ আহিলাই পৃথিৱীত সামাজিক আৰু ৰাজনৈতিক সমস্যাসমূহ আঁতৰ কৰিব নোৱাৰে।পৰৱৰ্তী আচৰণবাদীসকলে ৰাজনীতি বিজ্ঞানক সমাজৰ লগত প্ৰাসঙ্গিক কৰি ৰাখিবলৈ মূল্যবোধৰ লগত পুনৰবাৰ পৰিচয় কৰাই দিয়াৰ প্ৰচেষ্টা চলাইছিল। কিন্তু এটা কথা মনত ৰাখিব লাগিব যে পৰৱৰ্তী আচৰণবাদীসকলক আচৰণবাদীসকলৰ পৰা পৃথক কৰিব পৰা নাযায় যিহেতু আচৰণবাদীৰ পৰাই ফৈদটো উপজিছে।
- বিভিন্ন ধৰণৰ কৌশল আৰু উপায় অৱলম্বন কৰি পৰৱৰ্তী আচৰণবাদীসকলে আচৰণবাদৰ দোষ-ত্ৰুটিসমূহ আতৰ কৰি ৰাজনীতি বিজ্ঞানক বেছি প্ৰাসঙ্গিক কৰিবলৈ চেষ্টা চলাইছে। পৰৱৰ্তী আচৰণবাদীসকলে তথ্য আৰু মূল্যবোধৰ ওপৰত সমানে গুৰুত্ব আৰোপ কৰে।
- 'পৰৱৰ্তী আচৰণবাদক' আচৰণবাদৰ ভিতৰতে এক সংস্কাৰ আন্দোলন বুলি বিবেচনা কৰিব পাৰি। এই নতুন ভাবধাৰাই ৰাজনৈতিক আৰু সামাজিক জীৱনৰ প্ৰধান সমস্যাসমূহ চিনাক্ত কৰি তাৰ সমাধান উলিওৱাত অধিক গুৰুত্ব দিছে। এইদৰে পৰৱৰ্তী আচৰণবাদ আচৰণবাদৰ এক সংস্কাৰিত ৰূপ যিহেতু ইয়াৰ দৃষ্টি অভিজ্ঞতা সুলভ গৱেষণাৰ পৰা আতৰি আহি সমাজে সন্মুখীন হোৱা সমস্যাসমূহ আঁতৰ কৰাৰ বাবে গৱেষণা কাৰ্যত লিপ্ত হৈছে।
- পৰৱৰ্তী আচৰণবাদীসকলে যুক্তি দৰ্শাইছে যে ৰাজনীতি বিজ্ঞান সমাজৰ লগত বেচি প্ৰাসঙ্গিক হ'বলৈ হ'লে সমাজৰ কিছুমান মুখ্য কথা যেনে ন্যায়, স্বাধীনতা, সমতা, গণতন্ত্ৰ আদিৰ কথা বিবেচনা কৰিব লাগে।



৩.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*। যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.



৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ গঠন আৰু কাৰ্যবিষয়ক দৃষ্টিভঙ্গী আৰু যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) আধুনিক দৃষ্টিভঙ্গীসমূহে অভিজ্ঞতাবাদী তথ্যৰ (empirical data) পৰা মীমাংসাত উপনীত হ'ব বিচাৰে।

(খ) আধুনিক দৃষ্টিভঙ্গীসমূহে ৰাজনীতিক গাঁথনিৰ অধ্যয়ন আৰু ঐতিহাসিক বিশ্লেষণৰ সীমা অতিক্ৰম কৰি ৰাজনৈতিক পৰিঘটনা সমূহৰ এক তথ্য ভিত্তিক বিশ্লেষণ আগবঢ়ায়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আচৰণবাদী আন্দোলন ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ চার্লচ ই মেৰিয়াম, হেৰল্ড লাচৱেল আৰু ডেভিড ইষ্টন।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ চার্লচ ই মেৰিয়াম।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ নিয়মানুৱৰ্তিতা, সত্য প্ৰতিষ্ঠাকৰণ, কৌশল আৰু পৰিমাণ নিৰূপণ।

৮ নং প্রশ্নৰ উত্তৰ ঃ (ক) কৌশল আৰু পদ্ধতিৰ ওপৰত অধিক নির্ভৰশীল হৈ বিষয়বস্তুক অৱজ্ঞাৰ দৃষ্টিৰে চোৱা বাবে আচৰণবাদী দৃষ্টিভংগীটো সমালোচনাৰ সন্মুখীন হৈছে।
(খ) আচৰণবাদী দৃষ্টিভংগীৰ সমর্থকসকলে কৈছে যে একে পৰিস্থিতিত মানুহে একে ধৰণৰ আচৰণ কৰে যিটো সমালোচনাকাৰীসকলৰ মতে অশুদ্ধ।

৯ নং প্রশ্নৰ উত্তৰ ঃ "পলিটিকেল বিহেভিয়াৰ"

১০ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

১১ নং প্রশ্নৰ উত্তৰ ঃ ডেভিড ইষ্টন

১২ নং প্রশ্নৰ উত্তৰ ঃ আচৰণবাদে ভালেমান সামাজিক আৰু ৰাজনৈতিক সমস্যা সমাধান কৰিবলৈ অক্ষম হোৱা বাবেই পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীৰ উদ্ভৱ হৈছিল। আচৰণবাদীসকলে ৰাজনীতি বিজ্ঞানক অন্যান্য প্রকৃতি বিজ্ঞানৰ (natural science) নিচিনাকৈ মূল্যবোধ মুক্ত (value free) বিজ্ঞান কৰিবলৈ চলোৱা প্রচেষ্টাক পৰৱৰ্তী আচৰণবাদীসকলে বিৰোধ কৰিছে। এই কাৰণে পৰৱৰ্তী আচৰণবাদীসকলে ৰাজনীতি বিজ্ঞানক সমাজৰ লগত প্রাসংগিক কৰি ৰাখিবলৈ প্রচেষ্টা চলাইছিল। কিন্তু এটা কথা মনত ৰাখিব লাগিব যে পৰৱৰ্তী আচৰণবাদীসকলক আচৰণবাদীসকলৰ পৰা পৃথক কৰিব পৰা নাযায় যিহেতু আচৰণবাদীৰ পৰা পৰৱৰ্তী আচৰণবাদীৰ ফৈদটো উপজিছে।



৩.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ চাৰিজন আচৰণবাদীৰ নাম উল্লেখ কৰক।

প্রশ্ন ২ ঃ আচৰণবাদীসকলে ব্যৱহাৰ কৰা যিকোনো দুটা আহিলা উল্লেখ কৰক।

প্রশ্ন ৩ ঃ ১৯৬৯ খৃঃত অনুষ্ঠিত আমেৰিকান ৰাজনীতি বিজ্ঞান সম্মিলনৰ বার্ষিক অধিবেশনত কোনজন সভাপতিৰ ভাষণে পৰৱৰ্তী আচৰণবাদৰ উত্থানৰ পথ সুচল কৰে ?

প্রশ্ন ৪ ঃ কোনটো আধুনিক দৃষ্টিভঙ্গীয়ে মূল্যবোধৰ ওপৰত পুনৰবাৰ পৰিচয় কৰাই দিয়াৰ প্রচেষ্টা চলাইছিল ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আচৰণবাদৰ চাৰিটা মুখ্য বৈশিষ্ট্য ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীয়ে মূল্যবোধৰ ওপৰত পুনৰবাৰ পৰিচয় কৰাই দিয়াৰ প্রচেষ্টাৰ বিষয়ে লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আচৰণবাদ দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ পৰৱৰ্তী আচৰণবাদী দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ ব্যৱস্থাপক দৃষ্টিভঙ্গী তথা গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গী

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ ব্যৱস্থাপক দৃষ্টিভঙ্গী (Systems Approach)

৪.৪ গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গী (Structural-Functional Approach)

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৬ অধিক জানিবলৈ

৪.৭ অগ্রগতিৰ খতিয়ান

৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ব্যৱস্থাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ডেভিড ইষ্টনৰ ৰাজনৈতিক ব্যৱস্থাপক তত্ত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব
- গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীৰ পট ভূমি ব্যাখ্যা কৰিব পাৰিব
- গেব্রিয়েল আল্‌মণ্ডৰ গঠন আৰু কার্যবিষয়ক বিশ্লেষণৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি দুটা প্রধান আধুনিক দৃষ্টিভঙ্গী যেনে-আচৰণবাদ আৰু পৰৱর্তী আচৰণবাদৰ বিষয়ে অধ্যয়ন কৰিলোঁ। এই অধ্যায়টোত আমি অন্য কেতবোৰ আধুনিক দৃষ্টিভংগী যেনে- ব্যৱস্থাপক দৃষ্টিভংগী তথা গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীৰ কথা আলোচনা কৰিম। আধুনিক ৰাজনীতি বিজ্ঞানীসকলে ৰাজনীতিক সামাজিক ব্যৱস্থাৰ পৰা নিলগাই নাৰাখি ইয়াক সামাজিক ব্যৱস্থাটোৰ এটা সৃষ্ট বস্তু হিচাপে দৃষ্টি আৰোপ কৰিছে। সামাজিক, সাংস্কৃতিক, অর্থনৈতিক আৰু ন্যায়িক পৰিৱেশৰ ভিন্নমুখী প্রভাৱসমূহে ৰাজনৈতিক ব্যৱস্থাটোৰ কার্যকৰণত প্রভাৱ পেলায়। গতিকে, দুই আধুনিক দৃষ্টিভঙ্গী যেনে ব্যৱস্থাপক দৃষ্টিভঙ্গী তথা গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীয়ে সম্যক ভাৱে ৰাজনীতিৰ অধ্যয়নত গুৰুত্ব আৰোপ কৰিছে।

৪.৩ ব্যৱস্থাপক দৃষ্টিভঙ্গী (SYSTEMS APPROACH)

ব্যৱস্থাপক দৃষ্টিভঙ্গী হৈছে এটা আধুনিক দৃষ্টিভঙ্গী। ই ৰাজনৈতিক ব্যৱস্থাৰ বিশ্লেষণেৰে ৰাজনীতি বিজ্ঞানক অন্যান্য সমাজ বিজ্ঞান যেনে- সমাজতত্ত্ব, অর্থনীতি, মনস্তত্ত্ব আৰু নৃতত্ত্বৰ

লগত সম্পর্কযুক্ত কৰিব বিচাৰে। ব্যৱস্থাপক দৃষ্টিভঙ্গীৰ মূল ধাৰণাটো এইটোৱেই যে সকলোবোৰ সামাজিক পৰিঘটনাৰ লগতে ৰাজনৈতিক, অর্থনৈতিক, সাংস্কৃতিক, সমাজতাত্ত্বিক ইত্যাদিবোৰ পৰস্পৰ সম্পর্কযুক্ত আৰু পৰস্পৰে পৰস্পৰক প্রভাৱিত কৰে। সেই ফালৰ পৰা সামাজিক জীৱনৰ অন্যান্য দিশৰ পৰা ৰাজনৈতিক জীৱনক পৃথক কৰি চাব নোৱাৰি। ৰাজনৈতিক জীৱন হৈছে বিভিন্ন উপ-ব্যৱস্থাৰ মাজত হোৱা আন্তঃক্রিয়াৰ ফল।

- **ডেভিড ইষ্টনৰ ৰাজনৈতিক ব্যৱস্থাপক তত্ত্ব**

ব্যৱস্থাপক দৃষ্টিভঙ্গীটোৱে সমাজ জীৱনৰ অন্যান্য দিশৰ লগত ৰাজনৈতিক জীৱনৰ সম্পর্কটোনো কেনেকুৱা তাৰ ব্যাখ্যা আগবঢ়াবলৈ চেষ্টা কৰে। ব্যৱস্থাৰ ধাৰণাটো পোন প্রথমে আমেৰিকাৰ সমাজতত্ত্ববিদ টাল্‌ক'ট পার্চনচে জীৱবিজ্ঞানৰ পৰা গ্রহণ কৰিছিল। তেৱেই পোন প্রথম বাৰ সামাজিক ব্যৱস্থাৰ ধাৰণাটো জনপ্রিয় কৰিছিল। আগলৈ ডেভিড ইষ্টনে ৰাজনৈতিক ব্যৱস্থাৰ ধাৰণাটোৰ বিকাশ সাধন কৰিছিল। এই ৰাজনৈতিক ব্যৱস্থাই কেৱল যে ৰাজনৈতিক অনুষ্ঠান-প্রতিস্থান যেনে- বিধান মণ্ডল, কার্যপালিকা, ন্যায়ালয় আৰু প্রশাসনিক সংস্থাসমূহকহে সামৰে এনে নহয়, বৰঞ্চ সেই সমূহ সংস্থা- সংগঠনো যেনে- ৰাজনৈতিক দল, ইচ্ছুক গোটসমূহ, গণ মাধ্যমৰ বিভিন্ন প্রচাৰ মাধ্যম (channels), ৰাজনৈতিক পৰিঘটনা যেনে গণ সংঘর্ষ (riots), গণ প্রতিবাদ ইত্যাদিকো সামৰি লয়।

ব্যৱস্থাপক দৃষ্টিভঙ্গী অনুসৰি এই ৰাজনৈতিক ব্যৱস্থাই এটা পৰিৱেশৰ ভিতৰত ক্রিয়াশীল। সেই পৰিপার্শ্বিক পৰিৱেশে ৰাজনৈতিক, সামাজিক, অর্থনৈতিক, ন্যায়িক, নৈতিক, সাংস্কৃতিক পৰিৱেশ আদি আটাইবোৰ সাঙুৰি লয়। সেইদৰে ৰাজনৈতিক ঘটনা, সংঘটনাসমূহক সমাজৰ অন্যান্য দিশৰ পৰা নিলগাই বিশ্লেষণ কৰিব নোৱাৰি। অন্য কথাত ক'বলৈ গ'লে সমাজৰ বিভিন্ন প্রভাৱ-যেনে অর্থনৈতিক, ধর্মীয় বা অন্য বিষয়কেই নহওঁক কিয়, সেইবিলাকে ৰাজনৈতিক প্রক্রিয়াটোক আকাৰ প্রদান কৰে।

পৰিৱেশে সমাজৰ বিভিন্ন খণ্ডৰ পৰা 'দাবী' (demands) সৃজন কৰে। সেই দাবীৰ অন্তর্ভুক্ত হয় বিশেষ গোটৰ বাবে নিয়োজনৰ ক্ষেত্রত সংৰক্ষণৰ দাবী উত্থাপন কৰা, কাম কৰাৰ বাবে উপযুক্ত স্বাস্থ্যনুকূল পৰিৱেশ বা নূন্যতম মজুৰিৰ বাবে দাবী, উন্নত পৰিবহন ব্যৱস্থাৰ দাবী, স্বাস্থ্য ৰক্ষাৰ উপযুক্ত সা-সুবিধা লাভৰ বাবে কৰা দাবী ইত্যাদি।


আকৌ ৰাজনৈতিক ব্যৱস্থাটোৱে 'সমর্থনো' (support) লাভ কৰে যিটো বিভিন্ন ৰূপত মূর্তিমান হৈ উঠে। সমর্থনৰ উদাহৰণ স্বৰূপে চৰকাৰক প্রদান কৰা বিভিন্ন প্রকাৰৰ কৰ, ৰাজহুৱা প্রশাসন প্রতীক আৰু উৎসৱ-অনুষ্ঠানৰ প্রতি সন্মানবোধ, ন্যায়ৰ প্রতি আনুগত্যবোধ, চৰকাৰী প্রচাৰ-ঘোষণা আদিৰ প্রতি গুৰুত্ব প্রদান ইত্যাদি।

ইষ্টনৰ মতে 'দাবী আৰু সমর্থন' উভয়ে হ'ল উৎপাদক (Inputs) । ৰাজনৈতিক ব্যৱস্থাটোৱে পৰিবেশৰ পৰা এই উৎপাদকসমূহ লাভ কৰে। বিভিন্ন কাৰকৰ কথা বিবেচনা কৰি চৰকাৰে এই দাবীসমূহ চালি-জাৰি চাই তাৰ মাজৰ পৰা কিছুমান দাবী পূৰণ কৰিবলৈ বিধি-ব্যৱস্থা গ্রহণ কৰে আৰু কিছুমান দাবী একাষৰীয়াকৈ থয়। ৰূপান্তৰকৰণ প্রক্রিয়া(conversion

process) ৰ মাজেদি সিদ্ধান্ত গ্ৰহণকাৰীসকলে 'উৎপাদক'সমূহক (Inputs) 'উৎপাদন' (Outputs) লৈ ৰূপান্তৰিত কৰে। এই উৎপাদনসমূহ নীতি, সিদ্ধান্ত, বিধিব্যৱস্থা আৰু আইনৰ ৰূপ পৰিগ্ৰহণ কৰে। ৰূপান্তৰকৰণ প্ৰক্ৰিয়াটো ৰাজনৈতিক ব্যৱস্থাটোৰ সক্ষমতা আৰু সম্পদৰ বিতৰণৰ ওপৰত নির্ভৰশীল।

'উৎপাদনসমূহে' পৰিৱেশত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে যিবিলাক প্ৰতিক্ৰিয়া চক্ৰৰ মাজেদি পুনৰ ৰাজনৈতিক ব্যৱস্থাটোত সোমাই পৰে। প্ৰতিক্ৰিয়া (feedback) হৈছে এটা গতিশীল প্ৰক্ৰিয়া। প্ৰতিক্ৰিয়া চক্ৰৰ মাজেদি ৰাজনৈতিক ব্যৱস্থাটোৰ প্ৰদৰ্শনৰ লগত জড়িত তথ্য পুনৰ ব্যৱস্থাটোলৈ সৰবৰাহ কৰা হয়। ইয়ে ৰাজনৈতিক ব্যৱস্থাটোৰ পৰৱৰ্তী আচৰণক প্ৰভাৱিত কৰে। ই নতুন 'দাবী' আৰু তাৰ ফলশ্ৰুতিত 'উৎপাদন' ক্ৰিয়াৰো উদ্ভৱ কৰিব পাৰে। সেই ফালৰ পৰা চাবলৈ গ'লে প্ৰতিক্ৰিয়াক এটা চক্ৰাকাৰ প্ৰক্ৰিয়া হিচাপে গণ্য কৰিব পাৰি।

যেতিয়া ৰাজনৈতিক ব্যৱস্থাটোৱে ওপৰত দিয়া বিৱৰণৰ দৰে কার্য কৰে তেতিয়া আমি এটা 'সুস্থিৰ ৰাজনৈতিক ব্যৱস্থা' পাব পাৰো। যেতিয়া ৰাজনৈতিক ব্যৱস্থাটো ভাঙি যায় আৰু ওপৰত বর্ণনা কৰি অহা ধৰণে কার্য নকৰে তেতিয়া আমি এটা 'বিকল ৰাজনৈতিক ব্যৱস্থা' পাওঁ। ডেভিড ইষ্টনে বিকশিত কৰা ব্যৱস্থাপক দৃষ্টিভঙ্গীটো এখন চিত্ৰৰ সহায়ত বিশ্লষণ কৰিব পাৰিঃ



ডেভিড ইষ্টনে আগবঢ়োৱা ব্যৱস্থাপক আৰ্হি

ডেভিড ইষ্টনৰ ব্যৱস্থাপক বিশ্লেষণটো সকলো ধৰণৰ ৰাজনৈতিক ব্যৱস্থাৰ কার্যকৰণৰ ব্যৱহাৰিক বিশ্লেষণত প্ৰয়োগ কৰিব পাৰি। ব্যৱস্থাপক দৃষ্টিভঙ্গীৰ মাধ্যমেদি ডেভিড ইষ্টনে সকলো প্ৰকাৰৰ ৰাজনৈতিক ব্যৱস্থাৰ বৈজ্ঞানিক আৰু ব্যৱহাৰিক অধ্যয়নৰ বাবে এটা সাধাৰণ গাঁথনি সৃষ্টি কৰিছে।



চিন্তা-চর্চা কৰক ৪.১

ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ পটভূমিত 'ব্যৱস্থাপক দৃষ্টিভংগী'টো প্ৰয়োগ কৰাৰ চেষ্টা কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ব্যৱস্থাৰ ধাৰণাটো পোন প্ৰথমে কোনে জনপ্ৰিয় কৰিছিল ?

.....

প্রশ্ন নং ২ ঃ ডেভিড ইষ্টনৰ মতে উৎপাদক (inputs) কিহৰে গঠিত ?

.....

প্রশ্ন নং ৩ ঃ পৰিৱেশে ৰাজনৈতিক, সামাজিক, অর্থনৈতিক, ন্যায়িক, নৈতিক, সাংস্কৃতিক পৰিৱেশ আদি আটাইবোৰ সাঙুৰি লয়। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৪ ঃ ৰূপান্তৰকৰণ প্ৰক্ৰিয়াটোৰ বিষয়ে লিখক।

.....

.....

.....

.....

৪.৪ গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গী (STRUCTURAL FUNCTIONAL APPROACH)

- **গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীৰ পটভূমি**

গঠন আৰু কার্যবিষয়ক দৃষ্টিভংগীৰ মূল নৃতত্ত্ব আৰু সমাজতত্ত্বত নিহিত আছে। ই সমাজক এটা জটিল ব্যৱস্থা হিচাপে প্ৰত্যক্ষ কৰে। এই জটিল ব্যৱস্থাটোৰ বৈশিষ্ট্য হ'ল বিভিন্ন কার্যত ৰত ভিন্ ভিন্ গাঁথনি যি আচাৰ-আচৰণ, পৰম্পৰা, বিধি-বিধান আৰু মূল্যবোধৰ লগত জড়িত। এই দৃষ্টিভঙ্গীটোৰে সমাজখনক এটা একক আন্তঃ সম্পর্কযুক্ত ব্যৱস্থা হিচাপে গণ্য কৰে য'ত ব্যৱস্থাটোৰ প্ৰত্যেক অংগৰে একোটা নির্দিষ্ট তথা বিশিষ্ট ভূমিকা থাকে। প্ৰাৰম্ভিক অৱস্থাত নৃতত্ত্ববিদ আৰু সমাজতত্ত্ববিদ যেনে মালিনস্কি আৰু ৰাডক্লিফ ব্ৰাউন কার্যবিষয়ক তত্ত্বসমূহৰ প্ৰবক্তা আছিল। পৰৱর্তী সময়ত এই তত্ত্বসমূহ টালকট পার্চনচ্ আৰু মেৰিয়ন লেভিয়ে গ্ৰহণ কৰিছিল। এই দৰে সমাজতাত্ত্বিক আলোচনাত বিশ্লেষণৰ এটা নতুন ভিত্তিৰ সৃষ্টি হ'ল।

- **গেব্রিয়েল আল্মণ্ডৰ গঠন আৰু কার্যবিষয়ক দৃষ্টিভংগী**

ৰাজনৈতিক পৰিসৰটোৰ কথা আলোচনা কৰিলে এইটো প্ৰত্যক্ষ কৰা যাব যে আধুনিক

সময়ত বিভিন্ন কাৰক যেনে প্ৰাপ্তবয়স্কৰ ভোটাধিকাৰ, ৰাজনৈতিক দল আৰু প্ৰভাৱ গোষ্ঠীৰ আৱিৰ্ভাব, সংযোগ মাধ্যমৰ নতুন নতুন আৰ্হি ইত্যাদিৰ আবিৰ্ভাবে নতুন প্ৰকাৰৰ গাঁথনি আৰু কার্যৰ পৰিসৰ সৃষ্টি কৰিছে। সেই অনুক্ৰমে বিংশ শতিকাৰ সত্তৰ দশকত গেব্ৰিয়েল আল্‌মণ্ড আৰু বিংহাম পাৱেলে ৰাজনীতিৰ ক্ষেত্ৰত গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীটো প্ৰয়োগ কৰিছিল। স্বৰূপার্থত ক'বলৈ গ'লে ৰাজনীতিত গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীটো ব্যৱস্থাপক দৃষ্টিভঙ্গীৰে শাখা। আল্‌মণ্ড আৰু পাৱেলে এইটো মনোভাব ব্যক্ত কৰিছিল যে ৰাজনৈতিক ব্যৱস্থাটোক বুজিবলৈ সংগঠনৰ লগতে ৰাজনৈতিক ব্যৱস্থাটোৰ কার্যকলাপসমূহৰ বিশ্লেষণো প্ৰয়োজনীয়। ৰাজনৈতিক ব্যৱস্থাটোৰ গাঁথনি আৰু কার্যাৱলীতে মূল গুৰুত্ব আৰোপিত হয়। আল্‌মণ্ডৰ মতে ৰাজনৈতিক ব্যৱস্থাসমূহে ইয়াৰ বহন ক্ষমতা অক্ষুণ্ণ ৰাখিবলৈ কিছুমান কার্য সমাধা কৰিব লাগিব। এই কার্যসমূহ বিভিন্ন প্ৰকাৰৰ ৰাজনৈতিক গাঁথনিয়ে সমাধা কৰে।

গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীটো ব্যৱস্থাপক দৃষ্টিভংগীৰ পৰা উদ্ভৱ হোৱা বুলি ক'ব পাৰি। গেব্ৰিয়েল আল্‌মণ্ডে সমাজক এক আন্তঃ সম্পৰ্কৰে গঠিত ব্যৱস্থা বুলি বিবেচনা কৰে যি ব্যৱস্থাত প্ৰত্যেকটো অংশই এক নির্দিষ্ট আৰু বিশেষ কার্য সম্পাদন কৰে। তেওঁ ৰাজনৈতিক ব্যৱস্থাৰ সূত্ৰটো এনে ধৰণে বর্ণনা কৰিছে - ই এটা ভাৱ আদান-প্ৰদানৰ বিশেষ ব্যৱস্থা যিটো নির্দ্ধাৰিত কিছুমান কাম কৰা প্ৰতিখন সমাজতে বর্তমান। তেওঁৰ মতে কোনো এক ৰাজনৈতিক ব্যৱস্থাৰ প্ৰধান বৈশিষ্ট্য হ'ল - বিস্তৃতি (comprehensiveness), আন্তঃনির্ভৰশীলতা (inter-dependence) আৰু চাৰিসীমাৰ অৱস্থিতি। ইষ্টনৰ নিচিনাকৈ আলমণ্ডেও বিশ্বাস কৰে যে সকলোবোৰ ৰাজনৈতিক ব্যৱস্থাই উপকৰণ(Input) আৰু উৎপাদন(Output) ক্ৰিয়া সম্পন্ন কৰে। ৰাজনৈতিক ব্যৱস্থাৰ উপকৰণ কার্যবোৰ হ'ল ৰাজনৈতিক সামাজিকীকৰণ আৰু নিয়োগ, সামাজিক প্ৰত্যাশা প্ৰকাশ (interest articulation), সামাজিক প্ৰত্যাশা সমন্বয় (interest aggregation) আৰু ৰাজনৈতিক সংযোগ। ৰাজনৈতিক সামাজিকীকৰণ হৈছে এক শিকন প্ৰক্ৰিয়া যাৰ দ্বাৰা এগৰাকী ব্যক্তিয়ে ৰাজনৈতিক পৰিঘটনাৰ প্ৰতি দৃষ্টিভংগী আৰু দিশস্থিতি আয়ত্ত কৰে। ইয়াৰ দ্বাৰা এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ ৰাজনৈতিক আদর্শ, দৃষ্টিভংগী, বিশ্বাস আৰু প্ৰকৃতিৰ প্ৰেৰণ ব্যৱস্থাক বুজিব পাৰি। এনেদৰে ৰাজনৈতিক সামাজিকীকৰণে সমগ্ৰ ৰাজনৈতিক সংস্কৃতিক গঢ় দিয়াৰ ক্ষেত্ৰত সহায় কৰে। ৰাজনৈতিক সামাজিকীকৰণৰ কেতবোৰ কর্তা হৈছে, পৰিয়াল, বিদ্যালয় , সমনীয়াৰ দল, গণ মাধ্যম, ধর্মীয় প্ৰতিষ্ঠান, ৰাজনৈতিক দল আৰু নিয়োগ অভিজ্ঞতা। নিযুক্তি প্ৰক্ৰিয়াৰ দ্বাৰা ৰাজনৈতিক দলৰ সদস্য, নির্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰার্থী ইত্যাদি হিচাপে ৰাজনৈতিক পদ্ধতিৰ বিশেষ ভূমিকাত ব্যক্তিসকলক নিযুক্ত কৰা হয়। তেওঁলোকক শুদ্ধ ৰাজনৈতিক নীতিৰ দ্বাৰা বিভিন্ন প্ৰকাৰে সেৱা আগবঢ়াব পৰাকৈ প্ৰশিক্ষণ দি দক্ষ কৰি তোলা হয়। এই ভূমিকা পালন কৰাৰ ক্ষেত্ৰত পৰিয়াল আৰু বিদ্যালয়ৰ দৰে প্ৰাথমিক গোট্‌সমূহ অধিক দক্ষ। সামাজিক প্ৰত্যাশা প্ৰকাশৰ অর্থ হৈছে বিভিন্ন স্তৰৰ লোকে দাবী আৰু চর্তৰ ৰূপত ৰাজনৈতিক কার্যৰ বাবে উত্থাপন কৰা মতামত, দৃষ্টিভঙ্গী, বিশ্বাস, দিশস্থিতি আৰু অগ্ৰাধিকাৰৰ গঠন আৰু প্ৰকাশ পদ্ধতি। এই কার্য সবাতোকৈ কার্যকৰীভাৱে স্বার্থ গোটে কৰিব

পাৰে। সামাজিক প্রত্যাশা সমন্বয় পদ্ধতিৰ দ্বাৰা ভিন্ন দাবী আৰু স্বার্থসমূহৰ সমন্বয় সাধন কৰা হয়, যাতে সেই ৰাজনৈতিক দাবীসমূহক গ্রহণযোগ্য নীতিলৈ পৰিণত কৰিব পাৰি। এই কার্য ৰাজনৈতিক দলে সবাতোকৈ কার্যকৰীভাৱে কৰিব পাৰে। ৰাজনৈতিক যোগাযোগ পদ্ধতিৰ দ্বাৰা ৰাজনৈতিক পদ্ধতিৰ বিভিন্ন উপাদান, যেনে ব্যক্তি, গোট আৰু অনুষ্ঠানে ৰাজনৈতিক পদ্ধতিটোৰ কার্য সংক্রান্তত তথ্য প্রেৰণ আৰু গ্রহণ কৰে। এই ক্ষেত্রত গণ প্রচাৰ মাধ্যমে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে।

আল্‌মণ্ডে আকৌ চৰকাৰৰ উৎপাদন কার্য যেনে নীতি নির্দ্ধাৰণ আৰু তাৰ কার্যকৰীকৰণ আদিক তিনিটা শ্রেণীত বিভক্ত কৰিছে। এই উৎপাদন কার্যকেইটা হ'ল - নিয়ম প্রৱর্তন, নিয়ম প্রয়োগ আৰু নিয়মৰ দ্বাৰা সিদ্ধান্ত গ্রহণ কৰা। এইদৰে আলমণ্ডে বিশ্বাস কৰে যে এক স্থায়ী আৰু কর্মকুশল ৰাজনৈতিক ব্যৱস্থাই উপকৰণক উ ৎপাদনলৈ পৰিৱর্তন কৰে।

আল্‌মণ্ডৰ গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গী সমালোচনাৰ পৰা মুক্ত নহয়। এইটো আঙুলিয়াই দিয়া হৈছে যে এই দৃষ্টিভঙ্গীটো পাশ্চাত্যৰ ৰাজনৈতিক ব্যৱস্থাৰ আর্হিত সৃষ্ট আৰু সেই হেতুকে উন্নয়নশীল ৰাষ্ট্রৰ অধ্যয়নৰ ক্ষেত্রত ই উপযুক্ত নহ'ব। তাৰ কাৰণ এইটোৱেই যে উন্নয়নশীল দেশসমূহত ধর্ম, সম্প্রদায়, জাতি, ভাষা, নৃগোষ্ঠী, দৰিদ্রতা ইত্যাদি বিভিন্ন সমস্যা বর্তমান। গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীয়ে বিশ্লেষণৰ বাবে প্রয়োগ কৰা জটিল আৰু সূক্ষ্ম আহিলাসমূহে উল্লেখ কৰি অহা সমস্যাসমূহক বিশ্লেষণৰ আওতাত পেলাব নোৱাৰে। সেই বাবে উন্নয়নশীল ৰাষ্ট্রসমূহৰ ৰাজনৈতিক জীৱনৰ বাস্তৱ স্বৰূপ অধ্যয়নৰ প্রসঙ্গত সেই আহিলাসমূহ কামত নাহিব।

অৱশ্যে এনে সমালোচনাৰ সত্বেও এইটো ক'ব পৰা যায় যে গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীয়ে গাঁথনি আৰু কার্যাৱলীৰ অধ্যয়নত জোৰ দিছে। এই পদক্ষেপে ব্যৱহাৰিক অনুসন্ধান আৰু ৰাজনৈতিক বিশ্লেষণৰ বাবে পদ্ধতিগত আহিলাৰ যোগান ধৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কার্যবিষয়ক তত্ত্বসমূহৰ দুজন প্রবক্তাৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৬ ঃ বিংশ শতিকাৰ সত্তৰ দশকত গেব্রিয়েল আল্‌মণ্ড আৰু বিনহাম পাৱেলে ৰাজনীতিৰ ক্ষেত্রত গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীটো প্রয়োগ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৭ ঃ সামাজিক প্রত্যাশা সমন্বয় কার্য সবাতোকৈ কার্যকৰীভাৱে স্বার্থ গোটে কৰিব পাৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৮ ঃ ৰাজনৈতিক ব্যৱস্থাৰ উপকৰণ হিচাপে নিযুক্তি প্রক্রিয়াৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যৱস্থাপক দৃষ্টিভঙ্গী হৈছে এটা আধুনিক দৃষ্টিভঙ্গী। এই দৃষ্টিভংগীয়ে ৰাজনৈতিক ব্যৱস্থাৰ বিশ্লেষণেৰে ৰাজনীতি বিজ্ঞানক অন্যান্য সমাজ বিজ্ঞান যেনে- সমাজতত্ত্ব, অর্থনীতি, মনস্তত্ত্ব আৰু নৃতত্ত্বৰ লগত সম্পর্কযুক্ত কৰিব বিচাৰে। ব্যৱস্থাপক দৃষ্টিভঙ্গীৰ মূল ধাৰণাটো এইটোৱেই যে সকলোবোৰ সামাজিক পৰিঘটনাৰ লগতে ৰাজনৈতিক, অর্থনৈতিক, সাংস্কৃতিক, সমাজতাত্ত্বিক ইত্যাদি বোৰ পৰস্পৰ সম্পর্কযুক্ত আৰু পৰস্পৰক প্রভাৱিত কৰে।
- ব্যৱস্থাপক দৃষ্টিভঙ্গীটোৱে সমাজ জীৱনৰ অন্যান্য দিশৰ লগত ৰাজনৈতিক জীৱনৰ সম্পর্কটোনো কেনেকুৱা তাৰ ব্যাখ্যা আগবঢ়াবলৈ চেষ্টা কৰে। ব্যৱস্থাৰ ধাৰণাটো পোন প্রথমে আমেৰিকাৰ সমাজতত্ত্ববিদ টাল্‌ক'ট পার্চনচে জীৱবিজ্ঞানৰ পৰা গ্রহণ কৰিছিল। তেৱেই পোন প্রথম বাৰ সামাজিক ব্যৱস্থাৰ ধাৰণাটো জনপ্রিয় কৰিছিল। আগলৈ ডেভিড ইষ্টনে ৰাজনৈতিক ব্যৱস্থাৰ ধাৰণাটোৰ বিকাশ সাধন কৰিছিল।
- ব্যৱস্থাপক দৃষ্টিভঙ্গী অনুসৰি এটা ৰাজনৈতিক ব্যৱস্থা এটা পৰিৱেশৰ ভিতৰত ক্রিয়াশীল। সেই পৰিপার্শ্বিক পৰিৱেশে ৰাজনৈতিক, সামাজিক, অর্থনৈতিক, ন্যায়িক, নৈতিক, সাংস্কৃতিক পৰিৱেশ আদি আটাইবোৰ সাঙুৰি লয়। অন্য কথাত ক'বলৈ গ'লে সমাজৰ বিভিন্ন প্রভাৱ-সি অর্থনৈতিক, ধর্মীয় বা অন্য বিষয়কেই নহওঁক কিয়, সেইবিলাকে ৰাজনৈতিক প্রক্রিয়াটোক আকাৰ প্রদান কৰে।
- পৰিৱেশে সমাজৰ বিভিন্ন খণ্ডৰ পৰা 'দাবী' (demands) সৃজন কৰে। আকৌ ৰাজনৈতিক ব্যৱস্থাটোত 'সমর্থন'ৰ (Support) অস্তিত্ব আছে। ইষ্টনৰ মতে 'দাবী আৰু সমর্থন' উভয়ে হ'ল উৎপাদক (inputs) ।
- ৰূপান্তৰকৰণ প্রক্রিয়াৰ মাজেদি সিদ্ধান্ত গ্রহণকাৰী সকলে 'উৎপাদক'সমূহক (inputs) 'উৎপাদন' (outputs) লৈ ৰূপান্তৰিত কৰে। এই উৎপাদনসমূহ নীতি, সিদ্ধান্ত, বিধিব্যৱস্থা আৰু আইনৰ ৰূপ পৰিগ্রহণ কৰে। ৰূপান্তৰকৰণ প্রক্রিয়াটো ৰাজনৈতিক ব্যৱস্থাটোৰ সক্ষমতা আৰু সম্পদৰ বিতৰণৰ ওপৰত নির্ভৰশীল।
- 'উৎপাদনসমূহে' পৰিৱেশত প্রতিক্রিয়াৰ সৃষ্টি কৰে যি বিলাক প্রতিক্রিয়া চক্রৰ মাজেদি

পুনৰ ৰাজনৈতিক ব্যৱস্থাটোত সোমাই পৰে। প্রতিক্রিয়া (feedback) হৈছে এটা গতিশীল প্রক্রিয়া। প্রতিক্রিয়া চক্রৰ মাজেদি ৰাজনৈতিক ব্যৱস্থাটোৰ প্রদর্শনৰ লগত জড়িত তথ্য পুনৰ ব্যৱস্থাটোলৈ সৰবৰাহ কৰা হয়। ইয়ে ৰাজনৈতিক ব্যৱস্থাটোৰ পৰৱর্তী আচৰণক প্রভাৱিত কৰে। ই নতুন 'দাবী' আৰু তাৰ ফলশ্রুতিত 'উৎপাদন' ক্রিয়াৰো উদ্ভৱ কৰিব পাৰে। সেই ফালৰ পৰা চাবলৈ গ'লে প্রতিক্রিয়াক এটা চক্রাকাৰ প্রক্রিয়া হিচাপে গণ্য কৰিব পাৰি।

- গঠন আৰু কার্যবিষয়ক দৃষ্টিভংগীৰ মূল নৃতত্ত্ব আৰু সমাজতত্ত্বত নিহিত আছে। এই দৃষ্টিভঙ্গীটোৱে সমাজখনক এটা একক আন্তঃ সম্পর্কযুক্ত ব্যৱস্থা হিচাপে গণ্য কৰে য'ত ব্যৱস্থাটোৰ প্রত্যেক অংগৰে একোটা নির্দিষ্ট তথা বিশিষ্ট ভূমিকা থাকে।
- প্রাৰম্ভিক অৱস্থাত নৃতত্ত্ববিদ আৰু সমাজতত্ত্ববিদ যেনে মালিনস্কি আৰু ৰাডক্লিফ ব্রাউন কার্যবিষয়ক তত্ত্বসমূহৰ প্রবক্তা আছিল। পৰৱর্তী সময়ত এই তত্ত্বসমূহ টালকট পার্চনচ্ আৰু মেৰিয়ন লেভিয়ে গ্রহণ কৰিছিল। এই দৰে সমাজতাত্ত্বিক আলোচনাত বিশ্লেষণৰ এটা নতুন ভিত্তিৰ সৃষ্টি হ'ল।
- বিংশ শতিকাৰ সত্তৰ দশকত গেব্রিয়েল আল্মণ্ড আৰু বিংহাম পাৱেলে ৰাজনীতিৰ ক্ষেত্রত গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীটো প্রয়োগ কৰিছিল। গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীটো ব্যৱস্থাপক দৃষ্টিভঙ্গীৰ পৰা উদ্ভৱ হোৱা বুলি ক'ব পাৰি।
- গেব্রিয়েল আল্মণ্ডে সমাজক এক আন্তঃ সম্পর্কৰে গঠিত ব্যৱস্থা বুলি বিবেচনা কৰে যি ব্যৱস্থাত প্রত্যেকটো অংশই এক নির্দিষ্ট আৰু বিশেষ কার্য সম্পাদন কৰে। তেওঁৰ মতে কোনো এক ৰাজনৈতিক ব্যৱস্থাৰ প্রধান বৈশিষ্ট্য হ'ল- বিস্তৃতি (comprehensiveness), আন্তঃনির্ভৰশীলতা (inter-dependence) আৰু চাৰিসীমাৰ অৱস্থিতি।
- ইষ্টনৰ নিচিনাকৈ আলমণ্ডেও বিশ্বাস কৰে যে সকলোবোৰ ৰাজনৈতিক ব্যৱস্থাই উপকৰণ আৰু উ ৎপাদন ক্রিয়া সম্পন্ন কৰে।
- ৰাজনৈতিক ব্যৱস্থাৰ উপকৰণ কার্যবোৰ হ'ল ৰাজনৈতিক সামাজিকীকৰণ আৰু নিয়োগ, সামাজিক প্রত্যাশা প্রকাশ (interest articulation), সামাজিক প্রত্যাশা সমন্বয় (interest aggregation) আৰু ৰাজনৈতিক সংযোগ।
- আলমণ্ডে চৰকাৰৰ উৎপাদন কার্য যেনে নীতি নিদ্ধাৰণ আৰু তাৰ কার্যকৰীকৰণ আদিক তিনিটা শ্রেণীত বিভক্ত কৰিছে। এই উৎপাদন কার্যকেইটা হ'ল - নিয়ম প্রৱর্তন, নিয়ম প্রয়োগ আৰু নিয়মৰ দ্বাৰা সিদ্ধান্ত গ্রহণ কৰা। এইদৰে আলমণ্ডে বিশ্বাস কৰে যে এক স্থায়ী আৰু কর্মকুশল ৰাজনৈতিক ব্যৱস্থাই উপকৰণক উ ৎপাদনলৈ পৰিৱর্তন কৰে।



৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰবৰ্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K. (2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur, A.C. (2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V. D. (2006). *Political Theory*. New Delhi: S. Chand and Company.



৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ টাল্‌ক'ট পার্চনচ

২ নং প্ৰশ্নৰ উত্তৰ ঃ দাবী আৰু সমর্থন

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰূপান্তৰকৰণ প্ৰক্ৰিয়া(conversion process) ৰ মাজেদি সিদ্ধান্ত গ্ৰহণকাৰী সকলে 'উৎপাদক'সমূহক (Inputs) 'উৎপাদন' (Outputs) লৈ ৰূপান্তৰিত কৰে। এই উৎপাদনসমূহ নীতি, সিদ্ধান্ত, বিধিব্যৱস্থা আৰু আইনৰ ৰূপ পৰিগ্ৰহণ কৰে। ৰূপান্তৰকৰণ প্ৰক্ৰিয়াটো ৰাজনৈতিক ব্যৱস্থাটোৰ সক্ষমতা আৰু সম্পদৰ বিতৰণৰ ওপৰত নির্ভৰশীল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মালিনস্কি আৰু ৰাডক্লিফ ব্ৰাউন

৬ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৭ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ

৮ নং প্রশ্নৰ উত্তৰ ঃ নিযুক্তি প্রক্রিয়াৰ দ্বাৰা ৰাজনৈতিক দলৰ সদস্য, নির্বাচনত প্রতিদ্বন্দ্বিতা কৰা প্রার্থী ইত্যাদি হিচাপে ৰাজনৈতিক পদ্ধতিৰ বিশেষ ভূমিকাত ব্যক্তিসকলক নিযুক্তি কৰা হয়। তেওঁলোকক শুদ্ধ ৰাজনৈতিক নীতিৰ দ্বাৰা বিভিন্ন প্রকাৰে সেৱা আগবঢ়াব পৰাকৈ প্রশিক্ষণ দি দক্ষ কৰি তোলা হয়। এই ভূমিকা পালন কৰাৰ ক্ষেত্রত পৰিয়াল আৰু বিদ্যালয়ৰ দৰে প্রাথমিক গোট্সমূহ অধিক দক্ষ।



৪.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ব্যৱস্থাপক দৃষ্টিভঙ্গীৰ প্রসঙ্গতপৰিৱেশে সমাজৰ বিভিন্ন খণ্ডৰ পৰা সৃজন কৰা যিকোনো দুটা 'দাবী' উল্লেখ কৰক ।

প্রশ্ন ২ ঃ ৰাজনৈতিক ব্যৱস্থাত উৎপাদনসমূহ কি ৰূপত দেখা পোৱা যায় ?

প্রশ্ন ৩ ঃ গেব্রিয়েল আল্মণ্ডে আগবঢ়োৱা ৰাজনৈতিক ব্যৱস্থাৰ উপকৰণ কার্যবোৰ উল্লেখ কৰক।

প্রশ্ন ৪ ঃ গেব্রিয়েল আল্মণ্ডে আগবঢ়োৱা ৰাজনৈতিক ব্যৱস্থাৰ উৎপাদন কার্যবোৰ উল্লেখ কৰক।

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰাজনৈতিক ব্যৱস্থাৰ উৎপাদক (inputs) হিচাপে 'দাবী' আৰু 'সমর্থন'ৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ সামাজিক প্রত্যাশা প্রকাশ (interest articulation) আৰু সামাজিক প্রত্যাশা সমন্বয়ৰ (interest aggregation) অর্থব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ব্যৱস্থাপক দৃষ্টিভঙ্গীটো আলোচনা কৰক।

প্রশ্ন ২ ঃ গঠন আৰু কার্যবিষয়ক দৃষ্টিভঙ্গীটো আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গী আৰু সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভঙ্গী

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গী (Communication Theory)

৫.৪ সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভঙ্গী (Decision-Making Theory)

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্রগতিৰ খতিয়ান

৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- যোগাযোগ তত্ত্ব দৃষ্টিভংগীটো ব্যাখ্যা কৰিব পাৰিব
- সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভংগীটো আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

আগৰ অধ্যায়টোত আমি দুটা গুৰুত্বপূর্ণ আধুনিক দৃষ্টিভঙ্গীৰ বিষয়ে পঢ়িলো। এই অধ্যায়টোত আমি আন দুটা দৃষ্টিভঙ্গী যেনে যোগাযোগ দৃষ্টিভঙ্গী আৰু সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভঙ্গীৰ বিষয়ে পঢ়িম। যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীৰ মূল লক্ষ্য হ'ল ৰাজনৈতিক ব্যৱস্থাসমূহৰ আভ্যন্তৰীণ যোগাযোগৰ ধাৰাসমূহ আৰু বিভিন্ন ৰাজনৈতিক ব্যৱস্থা সমূহৰ মাজৰ যোগাযোগৰ ধাৰাসমূহ অধ্যয়ন কৰা। অন্যহাতে সিদ্ধান্ত গ্রহণকাৰী দৃষ্টিভঙ্গীয়ে সিদ্ধান্ত গ্রহণ কৰা পদ্ধতিসমূহ আৰু সিদ্ধান্ত গ্রহণৰ আঁৰৰ কাৰক আৰু প্রক্রিয়াসমূহ অধ্যয়ন কৰে।



কার্ল ডয়েটচ্ আছিল চেক গণৰাজ্যৰ প্রাগ্ চহৰৰ এগৰাকী সমাজ তথা ৰাজনীতি বিজ্ঞানী। পৰৱর্তী সময়ত তেওঁ মেচাছুছেটছ ইনষ্টিটিউট অৱ টেকনলজীকে ধৰি য়েল আৰু হার্ভাডৰ দৰে আমেৰিকাৰ বহুকেইখন আগশাৰীৰ বিশ্ববিদ্যালয়ত শিক্ষকতা কৰিছিল।

৫.৩ যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গী (COMMUNICATION THEORY)

যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীয়ে কেনেকৈ এটা ব্যৱস্থাৰ কোনো অংশই আন এটা অংশলৈ পঠোৱা কোনো খবৰ বা বাতৰিয়ে কেনে প্রতিক্রিয়া কৰে তাৰ বিচাৰ কৰিবলৈ চেষ্টা কৰে। আমেৰিকাৰ দার্শনিক আৰু গণিতজ্ঞ নৰবার্ট ৰেনাৰে (Norbert Wiener) প্রথমে 'চাইবাৰনেটিকচ্' (cybernetics)ৰ ক্ষেত্রখনত এই দৃষ্টিভংগীটো প্রয়োগৰ কথা কৈছিল। পিছৰ কালত *কার্ল ডয়েটচে* (Karl Deutsch) এই দৃষ্টিভঙ্গীটোৰ উন্নতি সাধন কৰি ৰাজনীতি বিজ্ঞানত ইয়াক

প্ৰয়োগ কৰিছিল। তেওঁ বিশ্বাস কৰে যে ৰাজনৈতিক ব্যৱস্থাটো যোগাযোগৰ এটা প্ৰণালী (network of communication channel) আৰু ই নিজেই নিয়ন্ত্ৰিত। তেওঁ আৰু বিশ্বাস কৰে যে চৰকাৰে বিভিন্ন যোগাযোগ প্ৰণালী কাৰ্যকৰণৰ বাবে দায়বদ্ধ। এই দৃষ্টিভঙ্গীয়ে চৰকাৰক সিদ্ধান্তকাৰী (decision making) ব্যৱস্থাৰ মূল বুলি বিবেচনা কৰে। কার্ল ডয়েট্চৰ মতে যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীৰ চাৰিটা মূল কাৰক হ'ল - লীড (lead), লেগ (lag), গেইন (gain) আৰু লোড (load)।

যোগাযোগ তত্ত্ব দৃষ্টিভংগীৰ অনুসৰি সকলো কাৰ্যৰ কেন্দ্ৰতে যোগাযোগ নিহিত হৈ থাকে। যোগাযোগ তত্ত্ব দৃষ্টিভংগীয়ে চৰকাৰক এক সিদ্ধান্ত গ্ৰহণকাৰী ব্যৱস্থা হিচাপে গণ্য কৰে। এই দৃষ্টিভংগীয়ে ৰাজনৈতিক ব্যৱস্থাৰ বিভিন্ন ধাৰাত কি দৰে তথ্য সমূহ প্ৰেৰণ হয় তাৰেই অনুসন্ধান কৰে। যোগাযোগ তত্ত্ব দৃষ্টিভংগীয়ে চৰকাৰক এক সিদ্ধান্ত গ্ৰহণকাৰী ব্যৱস্থা বুলি আখ্যা দিছে। চৰকাৰে লোৱা সিদ্ধান্তসমূহ কেতবোৰ তথ্যৰ প্ৰাপ্তিৰ ওপৰত নিৰ্ভৰশীল। কার্ল ডয়েট্চৰ মতে, যোগাযোগ তত্ত্বটো চাৰিটা কাৰকৰ দ্বাৰা বিশ্লেষণ কৰা হয়। এইবোৰ হৈছে লোড, লেগ, গেইন আৰু লীড।

'লোড' (Load) হৈছে কোনো সময়ত এটা ব্যৱস্থাত থকা মুঠ তথ্যৰ পৰিমাণ।

'লেগ' (Lag) মানে হ'ল গ্ৰহণ কৰা সিদ্ধান্তবোৰৰ ফলাফল সম্পৰ্কে লাভ কৰা সঁহাৰি (feedback) আৰু লব্ধ সঁহাৰিৰ ভিত্তিত কৰা সংশোধনমূলক কাৰ্যৰ মাজত হোৱা বিলম্ব(delay) ৰ পৰিমাণ।

'গেইন' (Gain) মানে হ'ল লব্ধ তথ্যৰ প্ৰতি ব্যৱস্থাটোৱে জনোৱা সঁহাৰিৰ ধৰণ অথবা প্ৰকাৰ।

'লীড' (Lead) মানে হ'ল গ্ৰহণ কৰা কার্য তথা সিদ্ধান্তৰ ভৱিষ্যত ফলাফল সম্পৰ্কে কৰা আগতীয়া অনুমানবোৰলৈ ব্যৱস্থাটোৰ সঁহাৰি জনাব পৰা সামৰ্থ।

ৰাজনৈতিক ব্যৱস্থাসমূহৰ দ্ৰুত আৰু নিখুতভাবে তথ্য গ্ৰহণ কৰা, জমা কৰা, স্মৰণ-কৰা আৰু প্ৰেৰণ কৰা ক্ষমতা সমান নহয়। কিছুমান ৰাজনৈতিক ব্যৱস্থাৰ এই ক্ষেত্ৰত আনবোৰ ৰাজনৈতিক ব্যৱস্থা সমূহতকৈ বেছি ক্ষমতা থাকে। এইদৰে, ৰাজনৈতিক ব্যৱস্থাসমূহ হ'ল সমাজৰ বাবে তথ্য গ্ৰহণ কৰা আৰু তথ্য বিশোধন কৰা যন্ত্ৰ স্বৰূপ। যিবোৰ ৰাজনৈতিক ব্যৱস্থাই নিজলৈ অহা তথ্য সমূহ সঠিকভাবে গ্ৰহণ, জমা, স্মৰণ, প্ৰেৰণ আৰু বিশোধন কৰি সেই তথ্যসমূহৰ ওপৰত কার্য্যকৰী ব্যৱস্থা লৈ তথ্যসমূহ সঠিক উৎপাদলৈ- output (নীতি) সঠিক ভাবে ৰূপান্তৰ কৰিব পাৰে, তেনে ৰাজনৈতিক ব্যৱস্থাসমূহ জটিল পৰিস্থিতিটো বহুদিনলৈ অটুত থাকিব পাৰে।

যোগাযোগৰ বিষয়টো যিবোৰ পটভূমিত উপস্থাপন কৰিব পাৰি, সেইবোৰ তলত উল্লেখ কৰা হ'ল ঃ

- ৰাজনৈতিক ব্যৱস্থা এটাৰ ভিতৰৰ যোগাযোগ অর্থাৎ ৰাজনৈতিক ব্যৱস্থাৰ আভ্যন্তৰীণ সংস্থাসমূহৰ মাজত তথ্যৰ আদান প্ৰদান।

- ৰাজনৈতিক ব্যৱস্থা আৰু তাৰ পৰিবেশৰ মাজত হোৱা যোগাযোগ।
- দুটা বা তাতোধিক ৰাজনৈতিক ব্যৱস্থাৰ মাজত হোৱা যোগাযোগ।
- **যোগাযোগ তত্ত্ব দৃষ্টিভংগীৰ সমালোচনা**

যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীটো বিভিন্ন কাৰণত সমালোচনা কৰা হয়। সেই কাৰণসমূহ হৈছে ক্ৰমে-

- ➢ যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীটোৱে সিদ্ধান্ত সমূহৰ সাৰমৰ্ম বা তথ্যটোতকৈ যোগাযোগৰ প্ৰবাহটোত অধিক গুৰুত্ব আৰোপ কৰে।
- ➢ যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীটোৱে প্ৰক্ৰিয়াৰ ওপৰত অধিক জোৰ দিয়ে। ই ফলাফল আৰু পৰিণতিক লৈ চিন্তা নকৰে।
- ➢ যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীটোৱে শক্তিৰ স্থিতি (location)ৰ বিষয়ে তথ্যৰ যোগান ধৰে। পিছে শক্তিৰ ধাৰণাটো অতি জটিল আৰু যোগাযোগ তত্ত্বই আমাক শক্তিৰ ধাৰণাটো বুজাত সহায় নকৰে।
- ➢ যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীটোৱে মানুহৰ আচৰণৰ বিষয়ে অধ্যয়ন কৰিবলৈ আভিযান্ত্রিক কৌশল প্ৰয়োগ কৰে। অৱশ্যে আভিযান্ত্রিক কৌশল স্বভাৱতে যান্ত্রিক হোৱাৰ বাবে তাক গতিশীল মানবীয় আচৰণৰ অধ্যয়নত প্ৰয়োগ কৰিব নোৱাৰি।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ওপৰত উল্লেখ কৰা সমালোচনাসমূহৰ সত্বেও যোগযোগ তত্ত্ব দৃষ্টিভংগীয়ে ৰাজনৈতিক ব্যৱস্থাত যোগাযোগৰ প্ৰক্ৰিয়া আৰু ধাৰাবোৰ বিশ্লেষণ কৰিবলৈ আমাক এটা তাত্ত্বিক আৰ্হি আগবঢ়াইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কার্ল ডয়েট্চৰ মতে, যোগাযোগ তত্ত্ব কি কি চাৰিটা কাৰকৰ দ্বাৰা বিশ্লেষণ কৰিব পাৰি ?

.....

.....

প্ৰশ্ন নং ২ ঃ 'লোড' মানে কি?

.....

প্ৰশ্ন নং ৩ ঃ যোগাযোগৰ বিষয়টো উপস্থাপন কৰিব পৰা দুটা দিশ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ যোগাযোগ তত্ত্ব দৃষ্টিভংগীৰ বিষয়ে চমুকৈলিখক। (৭৫ টা শব্দৰ ভিতৰত)

.....

.....

.....

৫.৩ সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গী (DECISION MAKING APPROACH)

সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভংগীয়ে ৰাজনৈতিক ব্যৱস্থাত সিদ্ধান্ত গ্ৰহণৰ কাৰক, প্ৰক্ৰিয়া, পৰিণাম আৰু কৰ্তাবোৰ চিনাক্ত কৰাৰ প্ৰচেষ্টা চলায়। ৰিচার্ড ছিণ্ডাৰ (Richard Synder) আৰু চার্লচ লিণ্ডব্লম (Charles Lindblom) ৰ নিচিনা পণ্ডিতসকলে এই দৃষ্টিভঙ্গীৰ উন্নতি সাধন কৰিছিল। মুষ্টিমেয় সিদ্ধান্ত গ্ৰহণকাৰীয়ে লোৱা কোনো ৰাজনৈতিক সিদ্ধান্তই সমাজৰ এক বৃহৎ অংশক প্ৰভাৱিত কৰে আৰু সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীয়ে এনেকুৱা সিদ্ধান্ত লোৱাত সাধাৰণতে সিদ্ধান্ত গ্ৰহণকাৰী সকলৰ মনস্তাত্বিক আৰু সামাজিক অৱস্থাৰ কথাও বিবেচনা কৰে।

সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভংগীয়ে ৰাজনীতিক ৰাজহুৱা সিদ্ধান্তত উপনীত হোৱা পদ্ধতি বুলি আখ্যা দিছে। ভেৰ্নন ভেন ডাইকৰ মতে ঃ "প্ৰতিজন কৰ্তাই সিদ্ধান্ত গ্ৰহণকাৰী। ভোটদাতাসকলে ভোট দিব নে নাই আৰু কাক ভোট দিব সেয়া নিৰ্ণয় কৰে। বিধায়কসকলে কোনবোৰ প্ৰস্তাৱ আগবঢ়াব অথবা সমৰ্থন কৰিব, সেয়া সিদ্ধান্ত লয়। কাৰ্যপালিকাই সিদ্ধান্ত লয় কি বিধায়ক বিচৰা হ'ব, বিধায়িনী মণ্ডলৰ আইনক সমৰ্থন কৰা হ'ব নে নহয়" (Gauba, O.P. (2007). An Introduction to Political Theory-Fourth edition. New Delhi : Macmillan Inida Ltd.) সিদ্ধান্ত গ্ৰহণকাৰী প্ৰক্ৰিয়াৰ কেতবোৰ গুৰুত্বপূৰ্ণ দিশ এনেধৰণৰ ঃ

- সিদ্ধান্ত গ্ৰহণ কৰা বিষয়সমূহৰ চিনাক্তকৰণ
- সিদ্ধান্ত গ্ৰহণৰ সৈতে জড়িত সাংগঠনিক সংস্থা আৰু কৰ্তা, যেনে— বিধায়ক, কাৰ্য্যপালিকা আদি কাৰকসমূহ
- সিদ্ধান্ত গ্ৰহণৰ পূৰ্বে গুৰুত্ব আৰোপ কৰা বিভিন্ন কাৰ্য অথবা বিকল্পসমূহ
- সিদ্ধান্ত গ্ৰহণত সিদ্ধান্ত গ্ৰহণকাৰীক প্ৰভাৱিত কৰা কাৰকসমূহ
- ৰাজনৈতিক প্ৰসংগত সিদ্ধান্তৰ ফলাফল

সাধাৰণ অৰ্থত ক'বলৈ গ'লে, সিদ্ধান্ত গ্ৰহণকাৰীসকল হ'ল যুক্তিযুক্ত কৰ্তা যি উদ্দেশ্যৰ প্ৰতি সচেতন আৰু সেয়েহে এই উদ্দেশ্যসমূহ পূৰণৰ বাবে সবাতোকৈ লাভজনক আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণত উৎসাহী। গতিকে, সিদ্ধান্তসমূহ স্বৈৰাচাৰীভাৱে গ্ৰহণ নকৰি সকলো সম্ভাব্য কাৰ্যকৰী দিশ চালি-জাৰি চাই যুক্তিসংগত ভাৱে গ্ৰহণ কৰা হয়।

সেইবাবে প্ৰত্যেকটো ৰাজনৈতিক পদক্ষেপ একোটা নিৰ্দিষ্ট সিদ্ধান্তৰ পৰিণাম। এনেকুৱা একোটা সিদ্ধান্তৰ এটা ৰাজহুৱা চৰিত্ৰ থাকে আৰু এটা নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰণৰ মাজেদি এটা নিৰ্দিষ্ট পৰিস্থিতিত কেইগৰাকীমান বিবেচক ভূমিকা গ্ৰহণকাৰীয়ে এনে একোটা সিদ্ধান্ত গ্ৰহণ কৰে। বৃহত্তৰ সমাজক এনে একোটা সিদ্ধান্তই প্ৰভাৱিত কৰে। বিভিন্ন শ্ৰেণীৰ সিদ্ধান্তসমূহে বিভিন্ন কথা অন্তৰ্ভূক্ত কৰে, যেনে— কোনে সিদ্ধান্ত গ্ৰহণ কৰিছিল? সিদ্ধান্তটো কি আছিল? সিদ্ধান্তটো কেতিয়া গ্ৰহণ কৰা হৈছিল? সিদ্ধান্তটো কেনেদৰে গ্ৰহণ কৰা হৈছিল ? ক'ত সিদ্ধান্তটো গ্ৰহণ কৰা হৈছিল ? কিয় সিদ্ধান্তটো গ্ৰহণ কৰা হৈছিল? ইত্যাদি?



জানি থোৱা ভাল

আমি ভাৰতীয় প্ৰেক্ষাপটত সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টি ভঙ্গীটো বিশ্লেষণ কৰিব পাৰো। মুঠ জনসংখ্যাৰ এক বুজন সংখ্যা যুৱ প্ৰজন্মই প্ৰতিনিধিত্ব কৰাত ভাৰতৰ নিচিনা এখন উন্নয়নশীল ৰাষ্ট্ৰত সদায়েই লাভদায়ক নিয়োজন সৃষ্টিৰ দাবী থাকিবই। সেই অনুক্ৰমে, যেতিয়া নীতি নিৰ্ধাৰণৰ বাবে বিভিন্ন বিষয় চিনাক্ত কৰা হয়, তেনে অৱস্থাত ভাৰত চৰকাৰৰ বাবে নিবনুৱা সমস্যাৰ সমাধান এটা অগ্ৰাধিকাৰ ভিত্তিক বিষয় হিচাপে পৰিগণিত হৈছে। এই প্ৰসংগত কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে ৰাষ্ট্ৰ ব্যাপি নিবনুৱা সমস্যাৰ দৃশ্যপট পুনৰীক্ষণ কৰে। গতিকে, এইটো দেখা পোৱা গ'ল যে উভয় কাৰ্যনিৰ্বাহকৰ ৰূপত প্ৰধান মন্ত্ৰীৰ নেতৃত্বাধীন কেন্দ্ৰীয় মন্ত্ৰীমণ্ডল আৰু বিধানপালিকাৰ ৰূপত ভাৰতৰ সংসদে এই সমগ্ৰ বিষয়টো গুৰুত্ব সহকাৰে লৈছে। পৰৱৰ্তী সময়ত নিবনুৱা সমস্যাটোৰ সমাধানৰ বাবে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব তাকে লৈ উভয় কাৰ্যপালিকা আৰু বিধানপালিকাৰ স্তৰত পৰ্যালোচনা চলে। চৰকাৰে বিভিন্ন ধৰণৰ নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে, যেনে- তৰুণ যুৱক-যুৱতীসকলৰ মাজত শিল্পোদ্যমী কৌশলসমূহৰ বৃদ্ধি আৰু বিকাশ, উৎপাদনৰ পথ মুকলি কৰিবলৈ তাৰ আৰম্ভণীৰ বাবে ঋণ প্ৰদান, সেৱা খণ্ডৰ বিস্তাৰ, কৃষিক এটা লাভজনক উদ্যোগ হিচাপে গঢ় দিয়া, ৰাজহুৱা খণ্ডত অধিক সংখ্যক কৰ্ম নিয়োজন সৃষ্টি আৰু খালী হৈ থকা পদসমূহ পূৰণ কৰা ইত্যাদি। এই ক্ষেত্ৰত কোনো দৃঢ় সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে চৰকাৰে বিভিন্ন কাৰক পৰ্যবেক্ষণৰ আঁওতালৈ অনাৰ লগতে সেইসমূহ জুকিয়াই চাই। শেষত, চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তসমূহে দীৰ্ঘকালীন পৰিণাম সৃষ্টি কৰে। ইয়াৰ সামগ্ৰিক প্ৰভাৱ লক্ষ্যণীয় হয় যেতিয়া চৰকাৰে নিৰ্বাচনৰ সময়ত জনতাৰ পৰা পুনৰ ক্ষমতালৈ আহিবলৈ সমৰ্থন বিচাৰে। যদিহে সেই চৰকাৰখনৰ নীতিসমূহ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ ক্ষেত্ৰত সন্তোষজনক হয়, তেতিয়া পুনৰ ক্ষমতালৈ আহিবলৈ সেইখন চৰকাৰৰ বিশেষ একো অসুবিধা নহয়।

- **সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীৰ সমালোচনা**

সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গী সমালোচনাৰ পৰা মুক্ত নহয়। সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীটো কিছুমান পৰিচিত আৰু স্থিৰ সম্ভাৱনীয়তাৰ অন্বেষণৰ ওপৰত নিৰ্ভৰশীল। এনে আকাংক্ষিত সম্ভাৱনীয়তাসমূহক ভিত্তি কৰিয়েই বিকল্পসমূহ জুখি-মাখি চোৱা হয় আৰু এটা নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হোৱা যায়। অৱশ্যে তেনে ক্ষেত্ৰত অপৰিচিত তাৰতম্য আৰু সম্ভাৱনীয়তাও থাকিব পাৰে যি আকাংক্ষিত আৰু পূৰ্বগম্য নহয়। এনে পৰিস্থিতিত সিদ্ধান্ত গ্ৰহণৰ কোনো নিৰ্দিষ্ট আৰ্হি প্ৰয়োগ কৰিব নোৱাৰি। সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীয়ে এনে ধৰণৰ ভিন্নতাক গুৰুত্ব নিদিয়ে।

সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীৰ বিৰুদ্ধে এনে ধৰণৰ সমালোচনা থকা সত্বেও এইটো ক'ব

পাৰি যে সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীয়ে প্ৰত্যেকটো ৰাজনৈতিক ক্ৰিয়াকলাপৰ পশ্চাদপটত থকা প্ৰাসংগিক কাৰক বা উপাদানসমূহৰ অনুসন্ধানৰ বাবে এটা বৈজ্ঞানিক গাঁথনি প্ৰদান কৰে যিটো একোটা যুক্তিসংগত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ ফলাফল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভংগীয়ে ৰাজনীতিক ৰাজহুৱা সিদ্ধান্তত উপনীত হোৱা পদ্ধতি বুলি আখ্যা দিছে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৬ঃ সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীটোৰ কোনে উন্নতি সাধন কৰিছিল?

.....

প্ৰশ্ন নং ৭ঃ সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীটোৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্ৰশ্ন নং ৮ঃ সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীৰ বিৰুদ্ধে থাকে সমালোচনাসমূহ কি?

.....

.....

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যোগাযোগ তত্ত্ব দৃষ্টিভংগীয়ে কেনেকৈ এটা ব্যৱস্থাৰ কোনো অংশই আন এটা অংশলৈ পঠোৱা কোনো খবৰ বা বাতৰিয়ে কেনে প্ৰতিক্ৰিয়া কৰে তাৰ বিচাৰ কৰিবলৈ চেষ্টা কৰে। নৰবার্ট ৱেনাৰে প্ৰথমতে এই দৃষ্টিভঙ্গী সম্বন্ধে মত ব্যক্ত কৰিছিল।
- কার্ল ডয়েট্চে (Karl Deutsch) এই যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীটোৰ উন্নতি সাধন কৰি ৰাজনীতি বিজ্ঞানত ইয়াক প্ৰয়োগ কৰিছিল। তেওঁ বিশ্বাস কৰে যে ৰাজনৈতিক ব্যৱস্থাটো যোগাযোগৰ এটা প্ৰণালী (network of communication channel) আৰু ই নিজেই নিয়ন্ত্ৰিত।
- কার্ল ডয়েট্চে বিশ্বাস কৰিছিল যে চৰকাৰ বিভিন্ন যোগাযোগ প্ৰণালী কার্যকৰণৰ বাবে দায়বদ্ধ। এই দৃষ্টিভঙ্গীয়ে চৰকাৰক সিদ্ধান্তকাৰী (decision making) ব্যৱস্থাৰ মূল বুলি বিবেচনা কৰে। কার্ল ডয়েট্চৰ মতে যোগাযোগ দৃষ্টিভঙ্গীৰ চাৰিটা মূল কাৰক হ'ল - লীড (lead), লেগ (lag), গেইন (gain) আৰু লোড (load)।
- যোগাযোগ তত্ত্ব দৃষ্টিভংগী অনুসৰি সকলো কার্যৰ কেন্দ্ৰতে যোগাযোগ নিহিত হৈ থাকে।

যোগাযোগ তত্ত্বই চৰকাৰক এক সিদ্ধান্ত গ্ৰহণকাৰী ব্যৱস্থা হিচাপে গণ্য কৰে। এই তত্ত্বই ৰাজনৈতিক ব্যৱস্থাৰ বিভিন্ন ধাৰাত কি দৰে তথ্যসমূহ প্ৰেৰণ হয় আৰু বিভিন্ন ৰাজনৈতিক ব্যৱস্থা সমূহৰ মাজত কিদৰে তথ্যসমূহ প্ৰেৰণ হয় তাৰেই অনুসন্ধান কৰে।

- চৰকাৰে লোৱা সিদ্ধান্তসমূহ কেতবোৰ তথ্যৰ প্ৰাপ্তিৰ ওপৰত নিৰ্ভৰশীল। কার্ল ডয়েট্চৰ মতে, যোগাযোগ তত্ত্বত চাৰিটা কাৰকৰ দ্বাৰা বিশ্লেষণ কৰা হয়। এইবোৰ হৈছে লোড, লেগ, গেইন আৰু লীড।
- 'লোড' (Load) হৈছে কোনো সময়ত এটা ব্যৱস্থাত থকা মুঠ তথ্যৰ পৰিমাণ। 'লেগ' (Lag) মানে হ'ল গ্ৰহণ কৰা সিদ্ধান্তবোৰৰ ফলাফল সম্পৰ্কে লাভ কৰা সঁহাৰি (feedback) আৰু লব্ধ সঁহাৰিৰ ভিত্তিত কৰা সংশোধনমূলক কাৰ্যৰ মাজত হোৱা বিলম্ব(delay) ৰ পৰিমাণ। 'গেইন' (Gain) মানে হ'ল লব্ধ তথ্যৰ প্ৰতি ব্যৱস্থাটোৱে জনোৱা সঁহাৰিৰ ধৰণ অথবা প্ৰকাৰ। 'লীড' (Lead) মানে হ'ল গ্ৰহণ কৰা কাৰ্য তথা সিদ্ধান্তৰ ভৱিষ্যত ফলাফল সম্পৰ্কে কৰা আগতীয়া অনুমানবোৰলৈ ব্যৱস্থাটোৰ সঁহাৰি জনাব পৰা সামৰ্থ।
- সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীয়ে সিদ্ধান্ত গ্ৰহণকাৰীৰ গুণ বা লক্ষ্যসমূহ বিচাৰ কৰিবলৈ চেষ্টা কৰাৰ লগতে এই সকলৰ ওপৰত ব্যক্তিৰ কেনেধৰণৰ প্ৰভাৱ তাৰো বিচাৰ কৰে। ৰিচার্ড ছিণ্ডাৰ (Richard Synder) আৰু চার্লচ লিণ্ডব্লম (Charles Lindblom) ৰ নিচিনা পণ্ডিত সকলে এই দৃষ্টিভঙ্গীৰ উন্নতি সাধন কৰিছিল।
- মুষ্টিমেয় সিদ্ধান্ত গ্ৰহণকাৰীয়ে লোৱা কোনো ৰাজনৈতিক সিদ্ধান্তই সমাজৰ এক বৃহৎ অংশক প্ৰভাৱিত কৰে আৰু সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীয়ে এনেকুৱা সিদ্ধান্ত লোৱাত সাধাৰণতে সিদ্ধান্ত গ্ৰহণকাৰীসকলৰ মনস্তাত্বিক আৰু সামাজিক অৱস্থাৰ কথাও বিবেচনা কৰে।
- সিদ্ধান্ত গ্ৰহণকাৰীসকল হ'ল যুক্তিযুক্ত কৰ্তা যি উদ্দেশ্যৰ প্ৰতি সচেতন আৰু সেয়েহে এই উদ্দেশ্যসমূহ পূৰণৰ বাবে সবাতোকৈ লাভজনক আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণত উৎসাহী। গতিকে, সিদ্ধান্তসমূহ স্বৈৰাচাৰীতাৰে গ্ৰহণ নকৰি সকলো সম্ভাব্য কাৰ্যকৰী দিশ চালি-জাৰি চাই যুক্তিসংগত ভাৱে গ্ৰহণ কৰা হয়।
- প্ৰত্যেকটো ৰাজনৈতিক পদক্ষেপ একোটা নিৰ্দিষ্ট সিদ্ধান্তৰ পৰিণাম। এনেকুৱা একোটা সিদ্ধান্তৰ এটা ৰাজহুৱা চৰিত্ৰ থাকে আৰু এটা নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰণৰ মাজেদি এটা নিৰ্দিষ্ট পৰিস্থিতিত কেইগৰাকীমান বিবেচক ভূমিকা গ্ৰহণকাৰীয়ে এনে একোটা সিদ্ধান্ত গ্ৰহণ কৰে। বৃহত্তৰ সমাজক এনে একোটা সিদ্ধান্তই প্ৰভাৱিত কৰে। সিদ্ধান্তসমূহত বিভিন্ন কথা অন্তৰ্ভুক্ত হয়- কোনে সিদ্ধান্ত গ্ৰহণ কৰিছিল ? সিদ্ধান্তটো কি আছিল ? সিদ্ধান্ত কেতিয়া গ্ৰহণ কৰা হৈছিল ? সিদ্ধান্তটো কেনেদৰে গ্ৰহণ কৰা হৈছিল ? ক'ত সিদ্ধান্তটো গ্ৰহণ কৰা হৈছিল ? কিয় সিদ্ধান্তটো গ্ৰহণ কৰা হৈছিল ? ইত্যাদি।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* ।যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰবৰ্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.



৫.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ লীড (lead), লেগ (lag), গেইন (gain) আৰু লোড (load)।

২ নং প্ৰশ্নৰ উত্তৰ ঃ 'লোড' (Load) হৈছে কোনো সময়ত এটা ব্যৱস্থাত থকা মুঠ তথ্যৰ পৰিমাণ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ৰাজনৈতিক ব্যৱস্থা এটাৰ ভিতৰৰ যোগাযোগ অৰ্থাৎ ৰাজনৈতিক ব্যৱস্থাৰ আভ্যন্তৰীণ সংস্থা সমূহৰ মাজত তথ্যৰ আদান প্ৰদান।

(খ) ৰাজনৈতিক ব্যৱস্থা আৰু তাৰ পৰিৱেশৰ মাজত হোৱা যোগাযোগ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীয়ে কেনেকৈ এটা ব্যৱস্থাৰ কোনো অংশই আন এটা অংশলৈ পঠোৱা কোনো খবৰ বা বাতৰিয়ে কেনে প্ৰতিক্ৰিয়া কৰে তাৰ বিচাৰ কৰিবলৈ

চেষ্টা কৰে। আমেৰিকাৰ দাৰ্শনিক আৰু গণিতজ্ঞ নৰবাৰ্ট ৱেনাৰে (Norbert Wiener) প্ৰথমে 'চাইবাৰনেটিকচ্' (cybernetics)ৰ ক্ষেত্ৰখনত এই দৃষ্টিভংগীটো প্ৰয়োগৰ কথা কৈছিল। পিছৰ কালত কার্ল ডয়েট্চে(Karl Deutsch) এই দৃষ্টিভঙ্গীটোৰ উন্নতি সাধন কৰি ৰাজনীতি বিজ্ঞানত ইয়াক প্ৰয়োগ কৰিছিল। এই দৃষ্টিভঙ্গীয়ে চৰকাৰক সিদ্ধান্তকাৰী (decision making) ব্যৱস্থাৰ মূল বুলি বিবেচনা কৰে। কার্ল ডয়েট্চৰ মতে যোগাযোগ তত্ত্ব দৃষ্টিভঙ্গীৰ চাৰিটা মূল কাৰক হ'ল - লীড (lead), লেগ (lag), গেইন (gain) আৰু লোড (load)।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰ ঃৰিচার্ড ছিণ্ডাৰ আৰু চার্লচ লিণ্ডব্লম

৭ নং প্ৰশ্নৰ উত্তৰ ঃ সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভংগীয়ে ৰাজনৈতিক ব্যৱস্থাত সিদ্ধান্ত গ্ৰহণৰ কাৰক, প্ৰক্ৰিয়া, পৰিণাম আৰু কর্তাবোৰ চিনাক্ত কৰাৰ প্ৰচেষ্টা চলায়। ৰিচার্ড ছিণ্ডাৰ (Richard Synder) আৰু চার্লচ লিণ্ডব্লম (Charles Lindblom) ৰ নিচিনা পণ্ডিত সকলে এই দৃষ্টিভঙ্গীৰ উন্নতি সাধন কৰিছিল। সিদ্ধান্ত গ্ৰহণকাৰী প্ৰক্ৰিয়াৰ কেতবোৰ গুৰুত্বপূৰ্ণ দিশ হ'ল ঃ

(ক) সিদ্ধান্ত গ্ৰহণ কৰা বিষয়সমূহৰ চিনাক্তকৰণ

(খ) সিদ্ধান্ত গ্ৰহণৰ সৈতে জড়িত সাংগঠনিক সংস্থা আৰু কর্তা, যেনে— বিধায়ক, কার্য্যপালিকা আদি কাৰকসমূহ

(গ) সিদ্ধান্ত গ্ৰহণৰ পূৰ্বে গুৰুত্ব আৰোপ কৰা বিভিন্ন কার্য অথবা বিকল্পসমূহ

(ঘ) সিদ্ধান্ত গ্ৰহণত সিদ্ধান্ত গ্ৰহণকাৰীক প্ৰভাৱিত কৰা কাৰকসমূহ

(ঙ) ৰাজনৈতিক প্ৰসংগত সিদ্ধান্তৰ ফলাফল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গী সমালোচনাৰ পৰা মুক্ত নহয়। সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীটো কিছুমান পৰিচিত আৰু স্থিৰ সম্ভাৱনীয়তাৰ অন্বেষণৰ ওপৰত নির্ভৰশীল। এনে আকংক্ষিত সম্ভাৱনীয়তাসমূহক ভিত্তি কৰিয়েই বিকল্পসমূহ জুখি-মাখি চোৱা হয় আৰু এটা নির্দিষ্ট সিদ্ধান্ত উপনীত হোৱা যায়। অৱশ্যে তেনে ক্ষেত্ৰত অপৰিচিত তাৰতম্য আৰু সম্ভাৱনীয়তাও থাকিব পাৰে যি আকাংক্ষিত আৰু পূৰ্বগম্য নহয়। এনে পৰিস্থিতিত সিদ্ধান্ত গ্ৰহণৰ কোনো নির্দিষ্ট আৰ্হি প্ৰয়োগ কৰিব নোৱাৰি। সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীয়ে এনে ধৰণৰ ভিন্নতাক গুৰুত্ব নিদিয়ে।



৫.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ যোগাযোগ তত্ত্ব দৃষ্টিভংগীটোৰ উন্নতি সাধন কৰি কোনে ৰাজনীতি বিজ্ঞানত ইয়াক প্ৰয়োগ কৰিছিল ?

প্ৰশ্ন ২ ঃ 'লীড' মানে কি?

প্ৰশ্ন ৩ ঃ সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীটোৰ সৈতে জড়িত এজন পণ্ডিতৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ সিদ্ধান্ত গ্ৰহণকাৰী প্ৰক্ৰিয়াৰ সৈতে জড়িত দুটা দিশ উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ যোগাযোগ তত্ত্ব দৃষ্টিভংগীটোৰ সমালোচনাসমূহ লিখক।

প্ৰশ্ন ২ ঃ লোড, লেগ, গেইন আৰু লীডৰ বিষয়ে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ যোগাযোগ তত্ত্ব দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰক। যোগাযোগ তত্ত্ব দৃষ্টিভংগীৰ সমালোচনাসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰক। সিদ্ধান্ত গ্ৰহণকাৰী দৃষ্টিভঙ্গীৰ সমালোচনাসমূহৰ বিষয়ে লিখক।

****

অধ্যায় ৬ ঃ গণতন্ত্ৰৰ সমসাময়িক ধাৰণাসমূহঃ উদাৰনৈতিক গণতন্ত্ৰ আৰু মাৰ্ক্সীয় গণতন্ত্ৰ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ উদাৰনৈতিক গণতন্ত্ৰ

৬.৩.১ উদাৰনৈতিক গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ

৬.৩.২ প্ৰতিনিধিত্বমূলক চৰকাৰ আৰু উদাৰনৈতিক গণতন্ত্ৰ

৬.৪ মাৰ্ক্সীয় গণতন্ত্ৰ

৬.৪.১ মাৰ্ক্সীয় গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ

৬.৪.২ কমিউনিষ্ট একদলীয় আৰ্হি

৬.৫ উদাৰনৈতিক গণতন্ত্ৰ আৰু মাৰ্ক্সীয় গণতন্ত্ৰৰ তুলনা

৬.৫.১ উন্নয়নশীল দেশত গণতন্ত্ৰ

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্ৰগতিৰ খতিয়ান

৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- উদাৰনৈতিক গণতন্ত্ৰৰ অৰ্থ বুজিবলৈ সমৰ্থ হ'ব
- উদাৰনৈতিক গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- মাৰ্ক্সীয় গণতন্ত্ৰৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- মাৰ্ক্সীয় গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- উদাৰনৈতিক গণতন্ত্ৰ আৰু মাৰ্ক্সীয় গণতন্ত্ৰৰ তুলনামূলক বিশ্লেষণ কৰিব পাৰিব
- উন্নয়নশীল ৰাষ্ট্ৰত গণতন্ত্ৰৰ ভূমিকা বিশ্লষণ কৰিব পাৰিব।

৬.২ পৰিচয়

গণতন্ত্ৰ চৰকাৰ ব্যৱস্থাৰ এটা পদ্ধতি আৰু লগতে জনসাধাৰণৰ জীৱনশৈলীৰ এটা নিৰ্দিষ্ট পথ বুলিও ক'ব পাৰি। গণতন্ত্ৰত জনসাধাৰণ হ'ল ক্ষমতাৰ উৎস। জনসাধাৰণে নিজে তেওঁলোকৰ নেতা পছন্দ আৰু নিৰ্বাচন কৰে। জনসাধাৰণে সমতাৰ অধিকাৰ, বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ

অধিকাৰ, মৰ্য্যাদাৰ অধিকাৰ, বৈষম্যহীন ন্যায় ব্যৱস্থাৰ অধিকাৰ, ভোগ কৰিব পাৰে। এনেকুৱা এখন ৰাষ্ট্ৰ আৰু সমাজকেই প্ৰকৃতাৰ্থত গণতান্ত্ৰিক বুলি কোৱা হয়। এক কথাত গণতন্ত্ৰক সামাজিকভাৱে উন্নত জীৱন লাভৰ দিক্-নিৰ্দেশক আহিলা বা পথ বুলিব পাৰি। প্ৰাচীন গ্ৰীক নগৰ ৰাষ্ট্ৰৰ পৰিচালনা পদ্ধতি, ৰোমান সাম্ৰাজ্য, প্ৰাচীন ভাৰত আৰু চীনদেশীয় সভ্যতাই গণতন্ত্ৰৰ উত্থান আৰু অগ্ৰগতিত বৰঙণি যোগাইছিল। গ্ৰীক নগৰ ৰাষ্ট্ৰ পৰিচালনা সমিতিয়ে প্ৰত্যক্ষ গণতান্ত্ৰিক পদ্ধতি প্ৰয়োগ কৰিছিল। আজিৰ পৰোক্ষ বা প্ৰতিনিধিত্বমূলক গণতান্ত্ৰিক ব্যৱস্থা জনসংখ্যা বহুল বৃহৎ ৰাষ্ট্ৰসমূহৰ বাবে প্ৰযোজ্য। এই অধ্যায়ত আমি উদাৰনৈতিক (Liberal) আৰু মাৰ্ক্সীয় (Marxist) গণতন্ত্ৰৰ বিষয়ে আলোচনা কৰিম।

৬.৩ উদাৰনৈতিক গণতন্ত্ৰ

বিংশ শতিকাত উদাৰনৈতিক ধাৰণা আৰু গণতান্ত্ৰিক ভাৱধাৰা বা পদ্ধতি ক্ৰমাগত ভাৱে পৰস্পৰৰ লগত বিজড়িত হৈ পৰে। গণতন্ত্ৰৰ বাবে স্বতন্ত্ৰতা আৰু সমতা অপৰিহাৰ্য্য। উদাৰনৈতিক গণতান্ত্ৰিক ধাৰণাৰ ঘাই শিপাৰ অংকুৰণ ঘটিছিল জন ল'ক্, ৰুছো, মন্টেস্কু জেৰেমী বেন্থাম, জে. এচ. মিল আদি ইউৰোপৰ সমাজ সংস্কাৰক তথা চিন্তাবিদ সকলৰ তত্ত্বসমূহৰ মাজেৰে। সংখ্যা গৰিষ্ঠতাৰ ভিত্তিত শাসন, শাসনৰ বাবে নাগৰিকৰ সমৰ্থন, ব্যক্তিগত অধিকাৰ, সাৰ্বজনীন ভোটাধিকাৰ, চৰকাৰৰ দায়বদ্ধতা, নাগৰিকৰ নিজস্ব মত আৰু নাগৰিকৰ অংশগ্ৰহণ— এইবোৰ নীতিৰ ওপৰতেই উদাৰনৈতিক গণতন্ত্ৰ প্ৰতিষ্ঠিত। বৰ্তমানৰ সৰহ সংখ্যক গণতান্ত্ৰিক ৰাষ্ট্ৰই প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ আৰু উদাৰনৈতিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। এখন প্ৰকৃত প্ৰতিনিধিত্বমূলক গণতন্ত্ৰই ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, জনসাধাৰণৰ সৱলীকৰণ আৰু বিশ্বাসযোগ্য সৎ চৰকাৰ এখনৰ নিশ্চিতি প্ৰদান কৰে।



জানি থোৱা ভাল

পশ্চিমীয়া আগশাৰীৰ দেশসমূহ যেনে আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, কানাডা, ফ্ৰান্স, জাৰ্মানী, নেডাৰলেণ্ড, বেলজিয়াম, চুইজাৰলেণ্ড আৰু অষ্ট্ৰেলিয়া উদাৰনৈতিক গণতান্ত্ৰিক ৰাষ্ট্ৰ। এছিয়াৰ দেশসমূহ যেনে - ভাৰত, দক্ষিণ কোৰিয়া, জাপান, ইণ্ডোনেছিয়া আৰু অন্য কিছুমান উন্নয়ণশীল দেশে কুৰি শতিকাত উদাৰ নৈতিক গণতন্ত্ৰ গ্ৰহণ কৰিছে। এই পদ্ধতিৰ গণতন্ত্ৰক জনসংখ্যামূলক আৰু সাৰ্বজনীন হিচাপে গ্ৰাহ্য কৰা হৈছে। আমেৰিকাৰ আৰু ফ্ৰান্সৰ বিপ্লৱ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত দুটা শক্তিশালী ভেঁটি।

৬.৩.১ উদাৰনৈতিক গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ

- উদাৰনৈতিক গণতন্ত্ৰ সীমিত চৰকাৰ ব্যৱস্থাৰ ধাৰণাৰ দ্বাৰা প্ৰভাৱিত। ৰাষ্ট্ৰ যন্ত্ৰৰ দ্বাৰা ইয়াত জনসাধাৰণৰ নিৰাপত্তাৰ সুনিশ্চিতকৰণত প্ৰাধান্য দিয়া হয়।

সেয়েহে বিভিন্ন মাধ্যম যেনে, সংবিধান, নাগৰিকৰ অধিকাৰ পত্ৰ, ন্যায়ালয়ৰ স্বাধীনতা, চৰকাৰৰ বিভিন্ন অংগসমূহৰ মাজত অৱৰোধন আৰু সন্তুলন (check and balance) ব্যৱস্থা, সার্বজনীন ভোটাধিকাৰ ইত্যাদিয়ে এখন ৰাষ্ট্ৰক একনায়কত্ববাদৰ ক্ষেত্ৰত এক প্ৰচ্ছেদৰ দৰে বাধা দিয়ে। চৰকাৰ ব্যৱস্থা এক নির্দ্দিষ্ট স্বীকৃত নিয়ম আৰু পদ্ধতিৰ মাজত চালিত হয়। উদাৰনৈতিক গণতন্ত্ৰ যিহেতু এখন স্বীকৃত সংবিধানৰ দ্বাৰা পৰিচালিত হয়, সেয়েহে ইয়াত স্বৈৰতান্ত্ৰিক শাসন প্ৰতিষ্ঠিত হোৱাৰ সুবিধা নাথাকে। উদাৰনৈতিক গণতন্ত্ৰত এখন সংবিধান স্বীকৃত চৰকাৰ থাকে আৰু চৰকাৰ খন ন্যায্য আৰু আইনগত হয়।

- ৰাজনৈতিক আৰু আইনগত সমতা গণতন্ত্ৰৰ এটা নির্দিষ্ট নীতি। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনে কোনো বৈষম্য নৰখাকৈ আইনৰ দৃষ্টিত সকলো সমান আৰু আইনৰ সম-সুৰক্ষাৰ দিশ দুটা মানি চলিব লাগিব। জাতি, ধর্ম, শ্রেণী, বর্গ, গোষ্ঠী, আয়, জন্মস্থান, শিক্ষাগত, অর্হতা আদিৰ ওপৰত ভিত্তি কৰি কোনোধৰণৰ বিভেদ বা অসমতাক ইয়াত প্ৰশ্ৰয় দিয়া নহয়। চৰকাৰে সমাজৰ সকলো শ্রেণীৰ মানুহৰ কল্যাণৰ হকে কাম কৰিবলৈ দায়বদ্ধ হয়।
- উদাৰনৈতিক গণতন্ত্ৰত সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত শাসন ভাৰ প্ৰতিষ্ঠিত হয়। নির্বাচিত সংখ্যাগৰিষ্ঠ বিজয়ী দলটিয়ে চৰকাৰ গঠন কৰে। অৱশ্যে এই সংখ্যাগৰিষ্ঠ দলটিয়ে ক্ষুদ্ৰ বা সংখ্যালঘিষ্ঠ দলসমূহৰ ৰক্ষণাবেক্ষণ আৰু তেওঁলোকৰ মতামত আৰু অধিকাৰক সন্মান জনাব লাগে।
- ৰাজনৈতিক বহুত্ববাদ উদাৰনৈতিক গণতন্ত্ৰৰ আন এক বৈশিষ্ট্য। উদাৰনৈতিক গণতন্ত্ৰত ৰাজনৈতিক মতাদর্শ, দল আৰু ৰাজনৈতিক আন্দোলন আদিয়ে এক মুক্ত আৰু বন্ধনহীন প্ৰতিযোগিতাত অৱতীর্ণ হয়। মুক্ত ভাৰ প্ৰকাশ আৰু চিন্তা উদাৰনৈতিক গণতন্ত্ৰৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য বুলিব পাৰি।
- যিসমূহ দল বা যি দলটিয়ে নির্বাচনত জয়লাভ কৰিব নোৱাৰে, সেই দলে পিছৰ নির্বাচনলৈ বিৰোধী দলৰ ভূমিকা গ্ৰহণ কৰে। বিৰোধী দলসমূহে চৰকাৰৰ কার্য্যাৱলীৰ ওপৰত সজাগ দৃষ্টি ৰাখে আৰু চৰকাৰৰ নীতি আৰু কার্য্যৰ ওপৰত প্ৰয়োজনক্ৰমে গঠনাত্মক সমালোচনা দাঙি ধৰে।
- গণতান্ত্ৰিক প্ৰণালীত জনসাধাৰণৰ সমর্থন এক স্বীকৃত নীতি। মুক্ত আৰু স্বচ্ছ, নির্ধাৰিত সময়ৰ ভিতৰত অনুষ্ঠিত নির্বাচনত ৰাজনৈতিক দলসমূহে জনসাধাৰণৰ সমর্থন জয় কৰিবলৈ প্ৰতিদ্বন্দ্বিতাত অৱতীর্ণ হয় আৰু সেয়া গণতন্ত্ৰৰ অন্য এক স্মাৰক চিহ্ন বুলিব পাৰি। ৰাজনৈতিক দলসমূহে প্ৰতিদ্বন্দ্বিতাত অৱতীর্ণ হৈ তেওঁলোকৰ ভাৱাদর্শ উপস্থাপনৰ জৰিয়তে ভোটাৰসকলক আকর্ষণ কৰিবলৈ চেষ্টা কৰে। নাগৰিকসকলেও ৰাজনৈতিক দলসমূহৰ প্ৰতিশ্রুতি আৰু আৰু নির্বাচনী ইস্তাহাৰ আদিৰ ওপৰত ভিত্তি কৰি ভোটদান কৰে। যিটো দলে বা

দলীয় গোটে শাসনভাৰ গ্ৰহণ কৰে, সেই দলেই জনসাধাৰণৰ ওচৰত তেওঁলোকৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে দায়বদ্ধ হয়। এখন উদাৰনৈতিক গণতান্ত্ৰিক চৰকাৰে জনসাধাৰণৰ কল্যাণৰ হকে বিভিন্ন কাৰ্য্য সম্পাদন কৰে।

- এখন উদাৰনৈতিক গণতন্ত্ৰত জনপ্ৰতিনিধিসকল দায়বদ্ধ হয় আৰু ভোটাৰ সকলৰ যুক্তি-যুক্ত দাবীসমূহ পূৰণ কৰিবলৈ বাধ্য হয়। ভোটাৰসকলে মুক্ত ভাৰে আলোচনা আৰু সমালোচনাৰ মাজেৰে চৰকাৰ আৰু প্ৰতিনিধিসকলৰ আঁচনি আৰু কাৰ্য্য প্ৰত্যক্ষ কৰে।
- এখন উদাৰনৈতিক গণতন্ত্ৰত ভোটাৰসকলেই আচলতে শীৰ্ষ ক্ষমতা লাভ কৰে। এক নিৰ্দ্দিষ্ট সময়ৰ ব্যৱধানত নিৰ্বাচনৰ মাজেৰে শাসিত দলটোৱে জনাদেশ আহ্বান কৰে। ভোটাৰসকলেও যথাক্ৰমে নিৰ্বাচনৰ সময়ত ক্ষমতাৰ পূৰ্ণ ব্যৱহাৰ কৰে। ভোটাৰসকল চৰকাৰৰ ওপৰত সন্তুষ্ট নহ'লে তেওঁলোকে চৰকাৰ খনক নিৰ্বাচনৰ সময়ত ভোটৰ জৰিয়তে শাসনৰ পৰা অপসাৰণ কৰিব পাৰে।
- বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকা - চৰকাৰৰ এই বিভাগ তিনিটাৰ মাজত ক্ষমতাৰ পৃথকীকৰণ উদাৰনৈতিক গণতন্ত্ৰৰ এটা সুস্পষ্ট বৈশিষ্ট্য। ক্ষমতাৰ পৃথকীকৰণ তত্ত্ব মতে চৰকাৰৰ এই তিনিওটা বিভাগ যেনে, কাৰ্য্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকা ইটোৰ পৰা সিটো পৃথক বা স্বতন্ত্ৰ হোৱা উচিত। প্ৰতিটো বিভাগেই নিজৰ গণ্ডীৰ ভিতৰত স্বতন্ত্ৰ আৰু বাকী দুটা বিভাগৰ প্ৰতিবন্ধকতাৰ পৰা মুক্ত হ'ব লাগে। এনেকৈয়ে ক্ষমতাৰ 'অৱৰোধন আৰু সন্তুলন ' পদ্ধতিৰ প্ৰয়োগ ঘটে।
- এখন উদাৰনৈতিক গণতন্ত্ৰত সংবাদ মাধ্যম ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত নহয়। চৰকাৰৰ সকলো কাৰ্য্যৰ ওপৰত বিচাৰপাত কৰি মুক্ত মতামত প্ৰকাশৰ দ্বাৰা জন সজাগতা সৃষ্টি কৰিবৰ বাবে ই সক্ষম। সেয়েহে সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ আখ্যা দিয়া হৈছে।
- উদাৰনৈতিক গণতন্ত্ৰত বিভিন্ন দল আৰু সংগঠন গঠন হৈ সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ আশা আকাঙ্খা আৰু দাবী উপস্থাপন কৰে। এই গোষ্ঠী বা গোট সমূহক স্বাৰ্থ গোষ্ঠী (interest group) আৰু প্ৰভাৱ গোষ্ঠী(pressure group) বুলি কোৱা হয়। এই গোটসমূহ শ্ৰমিক সংঘ, ধৰ্মীয় গোট, পৰিৱেশ ৰক্ষণ গোট, নিৰ্দ্দিষ্ট বৃত্তিৰ গোট আৰু এইসকলে চৰকাৰৰ ওচৰত নিজৰ দাবী পূৰণৰ বাবে হেঁচা প্ৰয়োগ কৰে।
- স্বাধীন চিন্তা আৰু ভাৱধাৰাৰ সুস্থ প্ৰকাশৰ বাবে মুক্ত ৰাজনৈতিক পৰিৱেশ আৱশ্যক। উদাৰনৈতিক গণতন্ত্ৰত চৰকাৰৰ কাৰ্য্যাৱলীৰ ওপৰত জনসাধাৰণৰ মতামত আৰু সজাগতা আৱশ্যকীয় উপাদান। জনসাধাৰণৰ বাক্ স্বাধীনতা আৰু কাৰ্য্যাৱলীৰ আলোচনা আৰু সমালোচনা ইয়াত প্ৰযোজ্য। চৰকাৰেও জনসাধাৰণৰ মতামত আৰু আগ্ৰহ ইচ্ছাক অগ্ৰাহ্য কৰিব নোৱাৰে।

৬.৩.২ প্ৰতিনিধিত্বমূলক চৰকাৰ আৰু উদাৰনৈতিক গণতন্ত্ৰ

বৰ্তমান সময়ত প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ বিকল্প নাই। এনেকুৱা ব্যৱস্থাত চৰকাৰ এখন জন প্ৰতিনিধিৰে গঠিত হয়। সেয়েহে প্ৰতিনিধিত্বমূলক গণতান্ত্ৰিক ব্যৱস্থাক প্ৰায়ে উদাৰনৈতিক গণতন্ত্ৰ বুলি কোৱা হয়। জন লক, ৰুচো আৰু জে. এচ. মিল্ এইসকলে চৰকাৰৰ শাসন ব্যৱস্থাৰ সহায়কাৰী অংগ হিচাবে আইনৰ শাসনৰ (Rule of Law) নীতিৰ পোষকতা কৰিছিল। স্বতন্ত্ৰ আৰু সকলো প্ৰভাৱৰ পৰা স্বাধীন ন্যায়পালিকাই নাগৰিকৰ ব্যক্তিগত ন্যায় আৰু আইন ব্যৱস্থাৰ গৰাকী স্বৰূপ। এনেকুৱা এক বাতাবৰণ আৰু সজাগ নাগৰিকতাই চৰকাৰ এখন সফল হোৱাত বাস্তৱিকতা আনিব পাৰে। জে. এচ. মিলে সংখ্যালঘু গোটৰ অধিকাৰৰ ক্ষেত্ৰত বিশেষ সজাগতা প্ৰদৰ্শন কৰিছিল। তেওঁৰ গ্ৰন্থ '*Consideration of Representative Government*' ত মিলে গণতন্ত্ৰৰ সফলতাৰ বাবে জনসাধাৰণৰ চৰকাৰ এখন আৰু ব্যক্তি অধিকাৰৰ প্ৰয়োজনীতা, সহনশীল সামাজিক ব্যৱহাৰ আৰু উদাৰপন্থী সমাজ এখনৰ প্ৰয়োজনীয়তা উল্লেখ কৰিছে। মিলৰ দৰে ৰুছোই ও গণতন্ত্ৰক ৰাষ্ট্ৰ কল্যাণৰ বাবে প্ৰয়োজনীয় বুলি গণ্য কৰে। ই নাগৰিকক ন্যায় প্ৰদান কৰি প্ৰতিভা আৰু সক্ষমতাৰ বিকাশ ঘটায়।

জে. এচ. মিলে মত পোষণ কৰিছিল যে প্ৰতিনিধিত্বমূলক গণতন্ত্ৰই ব্যক্তি স্বাধীনতা আৰু নিজস্ব সিদ্ধান্ত গ্ৰহণৰ স্বাধীনতাৰ নিশ্চয়তা প্ৰদান কৰে বুলি মত পোষণ কৰে। এনেকুৱা গণতন্ত্ৰ জন সাৰ্বভৌমত্বৰ ওপৰত আধাৰিত । ৰাজনৈতিক সমতা স্থাপনৰ আৰু সাৰ্বজনীন ভোটাধিকাৰৰ মাজেৰে চৰকাৰ এখনক ন্যায্যতা প্ৰদান কৰা হয়। সেয়েহে জে. এচ. মিলে উদাৰ গণতান্ত্ৰিক ভাৰধাৰাৰ লগত প্ৰতিনিধিত্বমূলক চৰকাৰৰ সংমিশ্ৰণৰ বাবে মত পোষণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ দুজন ইউৰোপৰ চিন্তাবিদৰ নাম উল্লেখ কৰক যাৰ তত্ত্বসমূহৰ মাজেৰে উদাৰনৈতিক গণতান্ত্ৰিক ধাৰণাৰ অংকুৰণ ঘটিছিল।

.....

প্ৰশ্ন নং ২ ঃ বৰ্তমানৰ সৰহ সংখ্যক গণতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিনিধিত্ব মূলক গণতন্ত্ৰ আৰু উদাৰনৈতিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ '*Consideration of Representative Government*' গ্ৰন্থখন কোনে লিখিছিল ?

.....

প্ৰশ্ন নং ৪ ঃ উদাৰনৈতিক গণতন্ত্ৰৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৬.৪ মাৰ্ক্সীয় গণতন্ত্ৰ

উদাৰনৈতিক গণতন্ত্ৰৰ সমালোচনা আৰু বিকল্প পদ্ধতি হিচাপে মাৰ্ক্সবাদ ১৯ শতিকাত প্ৰথমবাৰৰ বাবে প্ৰতিষ্ঠা হৈছিল। কার্ল মার্ক্স আৰু এঞ্জেলচ্‌ৰ লিখনীসমূহৰ মাজেৰে কার্ল মার্ক্সে উদাৰনৈতিক গণতন্ত্ৰৰ সমালোচনা কৰি কৈছিল যে এই ধৰণৰ গণতন্ত্ৰত সামাজিক আৰু ৰাজনৈতিক অসামঞ্জস্যকহে প্ৰাধান্য দিয়ে। তেওঁৰ মতে উদাৰনৈতিক গণতন্ত্ৰত মাথোঁ পুঁজিবাদী গোটসমূহৰহে স্বাৰ্থ সুৰক্ষিত হয়। সমাজবাদী বা মাৰ্ক্সীয় গণতন্ত্ৰত শ্ৰমিক শ্ৰেণীকহে প্ৰাধান্য দিয়া হয়। সেয়েহে পুঁজিবাদী সমাজ ব্যৱস্থাক অৱনমিত কৰা হৈছিল। সমাজবাদীসকলে ধনী আৰু দুখীয়া শ্ৰেণীৰ মাজত থকা শ্ৰেণী বিভাজন নাশ কৰিছিল। ব্যক্তিগত সম্পত্তিৰ মালিকী স্বত্ব আৰু অত্যাধিক সুবিধা ভোগ নাশ কৰাটো স্বাধীনতা, সমতা আৰু গণতন্ত্ৰৰ বাবে অত্যাৱশ্যকীয় বুলি গণ্য কৰা হৈছিল। শ্ৰমিক শ্ৰেণীৰ দ্বাৰা পৰিচালিত সমাজবাদী বিপ্লৱে পুঁজিবাদীৰ অৱসান ঘটাই শ্ৰমিক শ্ৰেণীক শাসক শ্ৰেণীলৈ পৰিৱৰ্তন ঘটাই গণতন্ত্ৰৰ সূচনা ঘটাব। পুঁজিবাদী শ্ৰেণীৰ শাসনৰ অৱসান ঘটাই, এই শ্ৰেণীৰ অৰ্থ ব্যৱস্থাৰ ওপৰত থকা প্ৰত্যক্ষ আৰু পৰোক্ষ শোষণ ৰোধ কৰা হ'ব আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকে সমান ন্যায়, অধিকাৰ ভোগ কৰি এক মৰ্য্যাদাপূৰ্ণ জীৱন লাভৰ সুযোগ পাব। শ্ৰমিক শ্ৰেণীৰ দ্বাৰা পৰিচালিত সমাজবাদী গণতন্ত্ৰৰ মূল লক্ষ্য হ'ল ব্যক্তিগত সম্পত্তিৰ মালিকীস্বত্ব নাশৰ মাজেৰে পুঁজিবাদী শ্ৰেণী বা বুৰ্জোৱা (bourgeois) ৰ সংস্কৃতি আৰু মনোভাৱৰ পতন ঘটোৱা। ইয়াৰ দ্বাৰা এক শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা লক্ষ্য স্থিৰ কৰা হৈছিল। শ্ৰেণীহীন সমাজ ব্যৱস্থাই ৰাষ্ট্ৰৰ গুৰুত্ব হ্ৰাস কৰি ক্ৰমে তাক নিঃশেষ কৰিব। কিয়নো সমাজ ৰাষ্ট্ৰৰ সহায় নোহোৱাকৈ নিজেই পৰিচালিত হ'ব। ইয়াকে মাৰ্ক্সে 'withering away of the state' বা 'ৰাষ্ট্ৰৰ বিলুপ্তি সাধন' বুলি কৈছে।

মাৰ্ক্সীয় গণতন্ত্ৰত ৰাষ্ট্ৰ এক 'কমিউন' (commune) ব্যৱস্থাৰ দ্বাৰা পৰিচালিত হয়। কমিউন এনে এক ব্যৱস্থাৰ দ্বাৰা পৰিচালিত য'ত সদস্যসকলৰ উমৈহতীয়া মালিকীস্বত্বহে থাকে আৰু ব্যক্তিগত মালিকীস্বত্ব নাথাকে। ক্ষুদ্ৰ গোটসেমূহে নিজৰ সমস্যা বা কার্য্যসমূহ নিজে নিয়ন্ত্ৰণ কৰে আৰু বহল ক্ষেত্ৰৰ শাসন ব্যৱস্থা, যেনে - চহৰ, জিলা আৰু দেশীয় স্তৰৰ বাবে নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰি পঠিয়ায়। এয়াই হ'ল 'পিৰামিড আৰ্হিৰ প্ৰত্যক্ষ গণতন্ত্ৰৰ গঠন' বা প্ৰজাতন্ত্ৰ। এই প্ৰতিনিধিসকল তেওঁলোকৰ ভোটাৰসকলৰ নিৰ্দেশৰ দ্বাৰা পৰিচালিত হয়। মাৰ্ক্সৰ মতে প্ৰকৃত গণতন্ত্ৰই শ্ৰেণীৰ বিভাজন নাশ, মজুৰি ভিত্তিক শ্ৰমৰ বিলুপ্তি আৰু ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন কৰে।

মাৰ্ক্সে স্বাধীন জীৱন নিৰ্বাহৰ কাৰণে বুনিয়াদী সুবিধাসমূহৰ অসমতা হ্ৰাস আৰু সংখ্যা গৰিষ্ঠ শ্ৰমিক শ্ৰেণীৰ অধিকাৰৰ সপক্ষে মত দিছিল। উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাত ৰাষ্ট্ৰ

সম্পদশালী শ্ৰেণীৰ হাতত আহিলা স্বৰূপ আৰু প্ৰজাৰ আলৈ-আহুকালৰ কাৰক বুলি মাৰ্ক্সে গণ্য কৰিছিল। ভি. আই. লেনিনেও প্ৰতিনিধিত্বমূলক সংসদীয় গণতন্ত্ৰক শ্ৰমিক শ্ৰেণীৰ ওপৰত চলা বৈষম্যমূলক আচৰণৰ মাধ্যম বুলি সমালোচনা কৰে। বুৰ্জোৱা সম্প্ৰদায়ৰ দ্বাৰা পৰিচালিত শাসন ব্যৱস্থাত জনসাধাৰণে কেতিয়াও সাৰ্বভৌমত্ব আৰু স্বাধীনতাৰ সুযোগ নাপায়।

৬.৪.১ মাৰ্ক্সীয় গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ

মাৰ্ক্সীয় গণতন্ত্ৰৰ কেইটামান বৈশিষ্ট্য হ'ল —

- কোনো ব্যক্তিক শ্ৰেণী, বৰ্গ আৰু ক্ষমতাৰ ভিত্তিত অগ্ৰাধিকাৰ মাৰ্ক্সীয় গণতন্ত্ৰত প্ৰযোজ্য নহয়। সকলোৰে বাবে সম-সুবিধা আৰু সুযোগ গ্ৰহণযোগ্য।
- মাৰ্ক্সীয় গণতান্ত্ৰিক ধাৰণাত শ্ৰেণী-বিহীন সমাজৰ লগতে ৰাষ্ট্ৰহীন সমাজৰো পোষকতা কৰা হয়। মাৰ্ক্সৰ মতে, কেৱলএক জনজাগৰণে কাম্য সামাজিক পৰিৱৰ্তন আনিব পাৰে। বৃত্তিধাৰী ৰাজনৈতিক ব্যক্তিৰ দ্বাৰা পৰিচালিত আমোলাতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থা ধ্বংস হ'ব। বৃত্তিধাৰী সামাজিক শাসন, পুলিচ, বিষয়া আৰু ন্যায়পালিকা সকলো ৰুদ্ধ হ'ব। মুঠতে মাৰ্ক্সে সমাজৰ সকলো স্তৰতে আমোলাতান্ত্ৰিকতাৰ অৱসান বিচাৰিছিল। মাৰ্ক্সে শাসন ব্যৱস্থাৰ সকলো স্তৰতে কাৰ্যপালিকাৰ ক্ষমতাৰ সম্পূৰ্ণ গণতান্ত্ৰিকীকৰণৰ পোষকতা কৰিছিল। বিধায়িনী ক্ষেত্ৰত যিকোনো গুৰুত্বপূৰ্ণ বিধি বিধান বিষয়য়ত গণভোট (referendum) ৰ সহায়ত প্ৰত্যক্ষভাবে ভোটদান কৰিব পাৰে। প্ৰতিনিধিত্বমূলক সংসদৰ নিৰ্বাচনো অনুষ্ঠিত হোৱা উচিত। ন্যায়পালিকাক নিৰ্বাচন প্ৰক্ৰিয়াৰ মাজেৰে বাছনি কৰিব লাগে।
- এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত বিধান মণ্ডল আৰু কাৰ্য্যপালিকাৰ কাৰণে নিৰ্বাচন অনুষ্ঠিত হ'ব লাগে। মাৰ্ক্সবাদী ব্যৱস্থাত বহুদল প্ৰথা বা বিৰোধী ৰাজনৈতিক দলৰ উপস্থিতি মানি লোৱা নহয়। কমিউনিষ্ট দলেই একমাত্ৰ ৰাজনৈতিক দল, যাক জনসাধাৰণৰ আশা আকাংঙ্খা পূৰণৰ মাধ্যম বুলি গণ্য কৰা হয়।
- মাৰ্ক্সীয় গণতন্ত্ৰত বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ মাজত ক্ষমতাৰ পৃথকীকৰণক সমৰ্থন দিয়া নহয়। চৰকাৰৰ এই বিভাগ তিনিটাৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু সমন্বয় গঢ়ি তোলা হয়।
- মাৰ্ক্সীয় গণতন্ত্ৰত নাগৰিকে মৌলিক অধিকাৰসমূহ ভোগ কৰিব পাৰে আৰু কোনো বৈষম্য নোহোৱাকৈ স্বাধীনতা ভোগ কৰিব পাৰে। কিন্তু এই স্বাধীনতা ভোগ কৰাৰ লগে লগে সামাজিক দায়বদ্ধতাকো উলাই কৰিব নোৱাৰে। মাৰ্ক্সবাদী সমাজ ব্যৱস্থাত ৰাষ্ট্ৰ আৰু সমাজক নাগৰিকসকলৰ প্ৰতি কৰ্ত্তব্যপৰায়ণ হোৱাত প্ৰাধান্য দিয়া হয়।

- মাৰ্ক্সীয় গণতন্ত্ৰত নাগৰিকৰ বাক স্বাধীনতা আৰু ভাব প্ৰকাশৰ স্বাধীনতা সীমিত। ব্যক্তি আৰু সংবাদ মাধ্যমৰ চৰকাৰৰ কাৰ্য্যবিধি আৰু নীতিৰ ওপৰত মতামত দিয়াৰ অধিকাৰ নাই, যিহেতু এই নীতিসমূহ জনসাধাৰণৰ কল্যাণৰ উদ্দেশ্যে নিয়োজিত।
- ৰাষ্ট্ৰই সমাজ আৰু অৰ্থ ব্যৱস্থা পৰিচালনা কৰে। সেয়েহে ব্যক্তিৰ নিজা পৰিচয় নাথাকে আৰু ব্যক্তিক সমাজৰ এক অপৰিহাৰ্য্য অংগ বুলি বিবেচনা কৰা হয়।

৬.৪.২ কমিউনিষ্ট এক দলীয় আৰ্হি

বলশ্বেভিক বিপ্লৱৰ পিচত ভ্লাডিমিৰ লেনিনে (Vladimir Lenin) ৰাছিয়াত প্ৰথম কমিউনিষ্ট এক দলীয় আৰ্হি (Communist one party model) প্ৰতিষ্ঠা কৰিছিল। পিছলৈ এই আৰ্হি চীন, কিউবা, ভেনেজুৱেলা, ভিয়েটনাম আৰু পূব ইউৰোপৰ বহুদেশলৈ বিয়পি পৰে। কমিউনিষ্ট এক দলীয় আৰ্হিক 'সৰ্বহাৰাৰ একনায়কত্ব' (Dictatoriship of the Proletariat) আখ্যা দিয়া হয়। কমিউনিষ্টৰ দলীয় নীতিসমূহ সামন্তবাদ (feudal) আৰু পুঁজিবাদী (capitalist) ব্যৱস্থাৰ বিলোপনৰ বাবে অত্যাৱশ্যকীয়। মাৰ্ক্সে বিশ্বাস কৰিছিল যে সাম্যবাদী বিপ্লৱৰ লগে লগে সাম্যবাদ প্ৰতিষ্ঠা হ'ব আৰু ৰাষ্ট্ৰৰ ভূমিকা ম্লান হৈ পৰিব। যেতিয়া শ্ৰেণীবিভাজন, অসমানতা, অনিশ্চয়তা, অনাহাৰ অৱস্থা নাথাকিব, আইন ব্যৱস্থাৰ প্ৰয়োজন নাথাকিব, আনকি শাস্তি প্ৰয়োগৰ বাবে কাৰাগাৰসমূহৰো প্ৰয়োজন নাথাকিব। এনে পৰিস্থিতিত ৰাষ্ট্ৰ ব্যৱস্থাৰো কোনো প্ৰয়োজন নাথাকিব। মাৰ্ক্সে ভৱিষ্যতবাণী কৰাৰ দৰে পুঁজিবাদী ব্যৱস্থাৰ অপসাৰণ সম্ভৱ নোহোৱালৈকে ভ্লাডিমিৰ লেনিনে "Vanguard Political Party" অৰ্থাৎ অতন্দ্ৰ প্ৰহৰী দলৰ মাধ্যমেৰে জনজাগৰণৰ ব্যৱস্থা কৰি সমাজবাদী বিপ্লৱৰ সূচনা কৰিছিল। সাম্যবাদী আৰ্হিৰ গণতন্ত্ৰত সকলো সিদ্ধান্ত কেৱল নেতাসকলেহে লৈছিল। এই নেতাসকল জনসাধাৰণৰ দ্বাৰা বুনিয়াদী পৰ্য্যায়ৰ পৰা নিৰ্বাচিত হৈছিল। কাৰ্ল মাৰ্ক্সে গণতান্ত্ৰিক ৰাজনীতিৰ বাবে বহুতো গুৰুত্বপূৰ্ণ দিহা-পৰামৰ্শ আগবঢ়াইছিল, যেনে— সামাজিক বাহিনীৰ বিলোপসাধন, নাগৰিক বাহিনী গঠন, ন্যায়াধীশকে ধৰি সকলো বিষয়াৰ নিৰ্বাচন আৰু তেওঁলোকক পদচ্যুত কৰাৰ নীতি, বিষয়াৰ ভাট্টা শ্ৰমিকৰ মজুৰি পৰ্যায়লৈ হ্ৰাসকৰণ আৰু সাৰ্বজনীন ভোটাধিকাৰ ইত্যাদি। মাৰ্ক্সীয় গণতন্ত্ৰৰ উদ্দেশ্য হ'ল সামন্তবাদ প্ৰথাৰ বিলোপ আৰু প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা। ব্যক্তিগত সম্পত্তিৰ অধিকাৰ আৰু পুঁজিবাদী অৰ্থব্যৱস্থা সাম্যবাদী ব্যৱস্থাত সমৰ্থিত নহয়। সেয়েহে পুঁজিবাদৰ পতন আৰু শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠাৰ মাজেৰে সামাজিক বৈষম্য দূৰীকৰণৰ প্ৰচেষ্টা এই ব্যৱস্থাত কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শ্ৰমিক শ্ৰেণীৰ দ্বাৰা পৰিচালিত সমাজবাদী গণতন্ত্ৰৰ মূল লক্ষ্য হ'ল ব্যক্তিগত সম্পত্তিৰ মালিকীস্বত্ব নাশৰ মাজেৰে পুঁজিবাদী শ্ৰেণী বা বুৰ্জোৱা (bourgeois) ৰ সংস্কৃতি আৰু মনোভাৱৰ পতন ঘটোৱা। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৬ ঃ কোনে ৰাছিয়াত প্ৰথম কমিউনিষ্ট এক দলীয় আৰ্হি (one party model) প্ৰতিষ্ঠা কৰিছিল ?

.....

প্ৰশ্ন নং ৭ ঃ 'Withering away of the state' বা 'ৰাষ্ট্ৰৰ বিলুপ্তি সাধন' বুলিলে কি বুজে ?

.....

.....

প্ৰশ্ন নং ৮ ঃ মাৰ্ক্সীয় গণতন্ত্ৰৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

৬.৫ উদাৰনৈতিক গণতন্ত্ৰ আৰু মাৰ্ক্সীয় গণতন্ত্ৰৰ তুলনা

উদাৰনৈতিক গণতন্ত্ৰ আৰু মাৰ্ক্সীয় গণতন্ত্ৰৰ অংকুৰণ দুটা বিপৰীত ধৰ্মী ৰাজনৈতিক ভাৱধাৰাৰ ওপৰত প্ৰতিষ্ঠিত। উদাৰনৈতিক আৰু মাৰ্ক্সীয় — এই দৃষ্টিভংগী দুটাৰ মাজৰ প্ৰাথমিক বিভিন্নতা সমূহ হ'ল —

- উদাৰনৈতিক গণতন্ত্ৰই ব্যক্তিগত স্বাধীনতাৰ ওপৰত জোৰ দিয়ে আৰু ৰাষ্ট্ৰৰ প্ৰভাৱ ইয়াত সীমিত। মাৰ্ক্সীয় গণতন্ত্ৰই সাম্যবাদ সমৰ্থন কৰে য'ত ৰাষ্ট্ৰই ব্যক্তি আৰু সমাজৰ ওপৰত পূৰ্ণ প্ৰভাৱ খটুৰাব পাৰে।
- বহুদল নীতি উদাৰনৈতিক গণতন্ত্ৰৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য বুলি ক'ব পাৰি। মাৰ্ক্সীয় গণতন্ত্ৰ কিন্তু একদল নীতি সমৰ্থিত। কমিউনিষ্ট দলক সৰ্বকালৰ বাবে ৰাষ্ট্ৰশাসনত প্ৰতিষ্ঠিত কৰি অন্য ৰাজনৈতিক দলসমূহৰ প্ৰৱেশ ৰাষ্ট্ৰ শাসনৰ পৰা বিলোপ কৰা হয়।
- উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাই ব্যক্তিগত সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব লয়। কিন্তু মাৰ্ক্সীয় গণতন্ত্ৰই ব্যক্তিগত সম্পত্তিৰ মালিকীস্বত্বৰ বিলোপ নীতি সমৰ্থন কৰে। মাৰ্ক্সবাদী সকলে বিশ্বাস কৰে যে ব্যক্তিগত মালিকীস্বত্বই ধনী-দুখীয়াৰ মাজৰ ব্যৱধান বৃদ্ধিত সহায়

কৰে।

- উদাৰনৈতিক গণতন্ত্ৰই সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ উন্নতিৰ বাবে যত্ন লয়। আনহাতে মাৰ্ক্সীয় গণতন্ত্ৰই কেৱল শ্ৰমিক আৰু মজদুৰ শ্ৰেণীৰ বাবেহে চিন্তা কৰা দেখা যায়। এই শ্ৰেণীৰ গণতন্ত্ৰই ধনী শ্ৰেণীক পৰিত্যাগ কৰে আৰু এখন সমতাবাদী (egalitarian) সমাজ গঠন কৰে।
- উদাৰনৈতিক গণতন্ত্ৰত পুঁজিবাদ আৰু মুক্ত বাণিজ্যিক অৰ্থনীতি সমৰ্থন কৰা হয়। উদাৰনৈতিক গণতন্ত্ৰই ব্যক্তিগত বাণিজ্যক উৎসাহ যোগায়। এনে ব্যৱস্থাৰ গণতন্ত্ৰত ৰাষ্ট্ৰই ব্যক্তিগত বাণ্যিজ্যিকৰণৰ পৰিৱেশ সৃষ্টি কৰি সুস্থিৰতা আৰু সুৰক্ষাৰ আশ্বাস দিয়ে। কিন্তু মাৰ্ক্সীয় গণতন্ত্ৰ সম্পূৰ্ণ বিপৰীতমুখী। মাৰ্ক্সীয় গণতন্ত্ৰই উৎপাদনৰ আহিলাসমূহৰ ৰাষ্ট্ৰীয়কৰণ সমৰ্থন কৰে আৰু ব্যক্তিগত বাণিজ্যক নিষেধ কৰে।
- উদাৰনৈতিক গণতন্ত্ৰৰ সংবিধান আৰু সংসদ ব্যৱস্থাৰ ওপৰত পূৰ্ণ আস্থা আছে। ই সুস্থ আৰু শান্তিকামী সামাজিক পৰিৱৰ্তনক উৎসাহ দিয়ে। কিন্তু মাৰ্ক্সীয় গণতন্ত্ৰই বিপ্লৱৰ জৰিয়তে এক নতুন সমাজৰ সূচনা হোৱাটো বিচাৰে।
- মাৰ্ক্সীয় গণতন্ত্ৰই ক্ষমতাৰ পৃথকীকৰণ নীতিক নস্যাৎ কৰে, কিন্তু উদাৰনৈতিক গণতন্ত্ৰ ক্ষমতাৰ পৃথকীকৰণ নীতিৰ ওপৰত আধাৰিত। চৰকাৰৰ তিনিওটা বিভাগ বিধানমণ্ডল, ন্যায়পালিকা আৰু কার্যপালিকা এনে গণতন্ত্ৰত পৰস্পৰ স্বাধীন।
- বাক্ স্বাধীনতা আৰু সংবাদ মাধ্যমৰ স্বাধীনতা য'ত চৰকাৰৰ কর্ম আৰু নীতি সমালোচিত হ'ব পাৰে- এইয়া উদাৰনৈতিক গণতন্ত্ৰৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। কিন্তু, মাৰ্ক্সীয় গণতন্ত্ৰত বাক্ স্বাধীনতা আৰু গণ মাধ্যমৰ স্বাধীনতা সীমিত আৰু ৰাষ্ট্ৰৰ দ্বাৰা প্ৰতিবন্ধিত।

৬.৫.১ উন্নয়নশীল দেশত গণতন্ত্ৰ

বিংশ শতিকাত ঔপনিৱেশিক শাসনৰ পৰা মুক্ত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ উন্নয়নশীল দেশসমূহে গণতন্ত্ৰৰ এক নতুন আৰ্হি প্ৰতিষ্ঠা কৰিছিল। উন্নয়নশীল দেশসমূহৰ ভিতৰত মুখ্য যেনে — ভাৰত, শ্ৰীলংকা, ইণ্ডোনেছিয়া, চিংগাপুৰ, দক্ষিণ আফ্ৰিকা, আৰ্জেন্টিনা, ব্ৰাজিল আৰু অন্য কিছুমান দেশে সমাজবাদী আৰু উদাৰনৈতিকতাৰ এক মিশ্ৰিত গণতন্ত্ৰক গ্ৰহণ কৰিছিল। এই দেশসমূহে এখন সংবিধানৰ আধাৰত দেশৰ নাগৰিকৰ অধিকাৰ সুৰক্ষাৰ শপত লৈছিল আৰু একে সময়তে আর্থ-সামাজিক ন্যায় আৰু সমতা স্থাপনৰ প্ৰয়াস কৰিছিল। ওপৰোক্ত দেশসমূহৰ গণতন্ত্ৰ, সামাজিক আৰু অৰ্থনৈতিক বৈষাদৃশ্যৰে ভৰপূৰ। ৰাষ্ট্ৰৰ উন্নতি আৰু সুৰক্ষাৰ বাবে এইবোৰ দেশত এখন দৃঢ় আৰু কেন্দ্ৰীয় ৰাষ্ট্ৰ কর্তৃপক্ষ এই গণতন্ত্ৰসমূহত থাকে। সামাজিক ন্যায় আৰু ব্যক্তি স্বাধীনতাৰ পৰিপোষণ ইয়াৰ কর্তব্য। এই দেশসমূহে এক মিশ্ৰ আৰ্হিৰ গণতন্ত্ৰ, য'ত উদাৰনৈতিক গণতন্ত্ৰ (যেনে — ৰাজনৈতিক আৰু সামাজিক স্বাধীনতা, সংসদীয় চৰকাৰ ইত্যাদি) আৰু সমাজবাদী গণতন্ত্ৰৰ (যেনে — বিশেষ কিছুমান উদ্যোগৰ

দেশীয়কৰণ, মাটি অধিগ্ৰহণ কৰ ইত্যাদি) কিছুমান বৈশিষ্ট্য আৰু চৰিত্ৰৰ সংমিশ্ৰিত আৰ্হি গ্ৰহণ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ উদাৰনৈতিক গণতন্ত্ৰ আৰু মাৰ্ক্সীয় গণতন্ত্ৰৰ দুটা প্ৰভেদ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ১০ ঃ উদাৰনৈতিক গণতন্ত্ৰ আৰু সমাজবাদী গণতন্ত্ৰৰ কিছুমান বৈশিষ্ট্যৰ সংমিশ্ৰিত আৰ্হি গ্ৰহণ কৰা দুখন দেশৰ নাম উল্লেখ কৰক।

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গণতন্ত্ৰ চৰকাৰৰ এটা ৰূপ আৰু জীৱন নিৰ্বাহৰ এটা পথ য'ত ব্যক্তি হৈছে ক্ষমতাৰ মূল উৎস। তেওঁলোকে নিজৰ নেতা পছন্দ আৰু নিৰ্বাচন কৰে আৰু নেতাসকলো জনসাধাৰণৰ ওচৰত দায়বদ্ধ থাকে।
- আজিৰ সমাজ ব্যৱস্থাত প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ বেছি সাপেক্ষে যিহেতু ৰাষ্ট্ৰসমূহ জনবহুল আৰু বৃহৎ।
- উদাৰনৈতিক গণতন্ত্ৰৰ ঘাই শিপাৰ জন্ম জন ল'ক, ৰুছো , মণ্টেছকিউ, জেৰেমী বেন্থাম, জে. এচ. মিল আদি চিন্তাবিদৰ তত্ত্বসমূহৰ মাজত হৈছিল।
- জনসাধাৰণৰ সমৰ্থিত চৰকাৰ, ব্যক্তিগত অধিকাৰ, আইনৰ শাসন, দায়বদ্ধ চৰকাৰ, জনমত, নিৰ্বাচনত জনসাধাৰণৰ মুক্ত অংশ গ্ৰহণ, মুক্ত সংবাদ মাধ্যম এইবোৰ হ'ল উদাৰনৈতিক গণতন্ত্ৰৰ অঙ্গাঙ্গী চৰ্ত।
- প্ৰতিনিধিত্বমূলক আৰু উদাৰনৈতিক গণতন্ত্ৰ দুয়োবিধেই পৰিপূৰক হিচাপে গণতন্ত্ৰত প্ৰয়োগ কৰা হয়। জে. এচ. মিলে প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ পোষকতা কৰিছিল।
- কাৰ্ল মাৰ্ক্স আৰু এঞ্জেলচৰ লিখনীসমূহৰ মাজতেই মাৰ্ক্সবাদী গণতন্ত্ৰৰ দৃষ্টিভংগী নিহিত আছে। মাৰ্ক্সবাদে উদাৰনৈতিক গণতন্ত্ৰক সমালোচনা কৰে আৰু ইয়াক সামাজিক আৰু অৰ্থনৈতিক অসমানতাৰ বাবে মূল শক্তি বুলি ভাবে।
- মাৰ্ক্সবাদীসকলে বিশ্বাস কৰে যে গণতন্ত্ৰ কেৱল এক শ্ৰেণীহীন সাম্যবাদী সমাজতহে সম্ভৱ, য'ত বনুৱা শ্ৰেণীৰে শাসক শ্ৰেণী গঠিত হয় আৰু য'ত শ্ৰেণী অসমানতা নাথাকে।
- ভ্লাডিমিৰ লেনিনে ৰাছিয়াত বলছেভিক বিপ্লৱৰ পিছত এক দলীয় নীতিৰ আৰ্হিৰ সূচনা

কৰিছিল।

- সমাজবাদী গণতন্ত্ৰৰ মূল লক্ষ্য হ'ল সামন্ত প্ৰথাৰ অৱসান আৰু প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠা।
- গণতন্ত্ৰ উদাৰনৈতিক আৰু মাৰ্ক্সীয় এই দুই ভাৱধাৰাৰ মাজত বৈসাদৃশ্য আছে।



৬.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006) *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.



৬.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ জন ল'ক্ আৰু ৰুছো।

২নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ জে. এচ. মিল

৪নং প্ৰশ্নৰ উত্তৰ ঃ ক) ৰাজনৈতিক আৰু আইনগত সমতা উদাৰনৈতিক গণতন্ত্ৰৰ এটা নিৰ্দিষ্ট নীতি। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনে কোনো বৈষম্য নৰখাকৈ আইনৰ দৃষ্টিত সকলো সমান আৰু আইনৰ সম-সুৰক্ষাৰ দিশ দুটা মানি চলিব লাগিব। জাতি, ধৰ্ম, শ্ৰেণী, বৰ্গ, গোষ্ঠী, আয়,

জন্মস্থান, শিক্ষাগত অর্হতা আদিৰ ওপৰত ভিত্তি কৰি কোনোধৰণৰ বিভেদ বা অসমতাক ইয়াত প্রশ্রয় দিয়া নহয়। চৰকাৰে সমাজৰ সকলো শ্রেণীৰ মানুহৰ কল্যাণৰ হকে কাম কৰিবলৈ দায়বদ্ধ হয়।

খ) ৰাজনৈতিক বহুত্ববাদ উদাৰনৈতিক গণতন্ত্রৰ আন এক বৈশিষ্ট্য। উদাৰনৈতিক গণতন্ত্রত ৰাজনৈতিক মতাদর্শ, দল আৰু ৰাজনৈতিক আন্দোলন আদিয়ে এক মুক্ত আৰু বন্ধনহীন প্রতিযোগিতাত অৱতীর্ণ হয়। মুক্ত ভাৱ প্রকাশ আৰু চিন্তা উদাৰনৈতিক গণতন্ত্রৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য বুলিব পাৰি।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৬ নং প্রশ্নৰ উত্তৰ ঃ ভ্লাডিমিৰ লেনিনে

৭ নং প্রশ্নৰ উত্তৰ ঃ শ্রেণীহীন সমাজ ব্যৱস্থাই ৰাষ্ট্রৰ গুৰুত্ব হ্রাস কৰি ক্রমে তাক নিঃশেষ কৰিব। কিয়নো সমাজ ৰাষ্ট্রৰ সহায় নোহোৱাকৈ নিজেই পৰিচালিত হ'ব। ইয়াকে মার্ক্সে 'withering away of the state' বা 'ৰাষ্ট্রৰ বিলুপ্তি সাধন' বুলি কৈছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ ক) মার্ক্সীয় গণতন্ত্রত বিধানমণ্ডল, কার্যপালিকা আৰু ন্যায়পালিকাৰ মাজত ক্ষমতাৰ পৃথকীকৰণক সমর্থন দিয়া নহয়। চৰকাৰৰ এই বিভাগ তিনিটাৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু সমন্বয় গঢ়ি তোলা হয়।

খ) মার্ক্সবাদী ব্যৱস্থাত বহুদল প্রথা বা বিৰোধী ৰাজনৈতিক দলৰ উপস্থিতি মানি লোৱা নহয়। কমিউনিষ্ট দলেই একমাত্র ৰাজনৈতিক দল, যাক জনসাধাৰণৰ আশা আকাংঙ্খা পূৰণৰ মাধ্যম বুলি গণ্য কৰা হয়।

৯ নং প্রশ্নৰ উত্তৰ ঃ ক) উদাৰনৈতিক গণতন্ত্রই ব্যক্তিগত স্বাধীনতাৰ ওপৰত জোৰ দিয়ে আৰু ৰাষ্ট্রৰ প্রভাৱ ইয়াত সীমিত। মার্ক্সবাদী গণতন্ত্রই সাম্যবাদৰ সমর্থন কৰে য'ত ৰাষ্ট্রই ব্যক্তি আৰু সমাজৰ ওপৰত পূর্ণ প্রভাৱ খটু�ৰাব পাৰে।

খ) বহুদল নীতি উদাৰনৈতিক গণতন্ত্রৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য বুলি ক'ব পাৰি। মার্ক্সবাদী গণতন্ত্র কিন্তু একদল নীতি সমর্থিত। কমিউনিষ্ট দলক সর্বকালৰ বাবে ৰাষ্ট্রশাসনত প্রতিষ্ঠিত কৰি অন্য ৰাজনৈতিক দলসমূহৰ প্রৱেশ ৰাষ্ট্র শাসনৰ পৰা বিলোপ কৰা হয়।

১০ নং প্রশ্নৰ উত্তৰ ঃ ভাৰত আৰু দক্ষিণ আফ্রিকা।



৬.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ কোনে উদাৰনৈতিক গণতান্ত্রিক ভাৱধাৰাৰ লগত প্রতিনিধিত্বমূলক চৰকাৰৰ সংমিশ্রণৰ বাবে মত পোষণ কৰিছিল?

প্রশ্ন২ ঃ মার্ক্সৰ মতে সমাজবাদী গণতন্ত্র কোনটো শ্রেণীৰ দ্বাৰা পৰিচালিত হ'ব?

প্ৰশ্ন ৩ঃ কমিউনিষ্ট এক দলীয় আৰ্হি গ্ৰহণ কৰা দুখন দেশৰ নাম উল্লেখ কৰক।

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ উদাৰনৈতিক গণতন্ত্ৰৰ চাৰিটা বৈশিষ্ট্য লিখক।

প্ৰশ্ন ২ঃ মাৰ্ক্সৰ সমাজবাদী গণতন্ত্ৰৰ 'সাম্যবাদী' (commune) ব্যৱস্থাৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ঃ উন্নয়নশীল ৰাষ্ট্ৰসমূহে গ্ৰহণ কৰা গণতান্ত্ৰিক পদ্ধতিৰ আৰ্হি বহলাই লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ উদাৰনৈতিক গণতন্ত্ৰৰ অৰ্থ আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ঃ মাৰ্ক্সীয় গণতন্ত্ৰৰ অৰ্থ আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ চৰকাৰৰ অঙ্গসমূহ ঃ কার্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকা; মণ্টেস্কুৰ ক্ষমতাৰ পৃথকীকৰণ তত্ত্ব

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ কার্যপালিকা

৭.৩.১ কার্যপালিকাৰ প্রকাৰ

৭.৩.২ কার্যপালিকাৰ কার্যাৱলী

৭.৪ বিধানমণ্ডল

৭.৪.১ বিধানমণ্ডলৰ প্রকাৰ

৭.৪.২ বিধানমণ্ডলৰ কার্যাৱলী

৭.৫ ন্যায়পালিকা

৭.৫.১ ন্যায়পালিকাৰ স্বাধীনতা

৭.৫.২ ন্যায়পালিকাৰ কার্যাৱলী

৭.৬ মণ্টেস্কুৰ ক্ষমতাৰ পৃথকীকৰণ তত্ত্ব

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবলৈ

৭.৯ অগ্রগতিৰ খতিয়ান

৭.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- কার্যপালিকাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- কার্যপালিকাৰ বিভিন্ন প্রকাৰসমূহ ব্যাখ্যা কৰিব পাৰিব
- কার্যপালিকাৰ কার্য্যাৱলীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিধানমণ্ডলৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- বিধানমণ্ডলৰ বিভিন্ন প্রকাৰসমূহ ব্যাখ্যা কৰিব পাৰিব
- বিধানমণ্ডলৰ কার্য্যাৱলীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ন্যায়পালিকাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ন্যায়পালিকাৰ স্বাধীনতা অক্ষুণ্ণ ৰক্ষাৰ উপায় ব্যাখ্যা কৰিব পাৰিব
- ন্যায়পালিকাৰ কার্য্যাৱলীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মণ্টেস্কুৰ ক্ষমতাৰ পৃথকীকৰণ তত্ত্বটো আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

চৰকাৰ হ'ল ৰাষ্ট্ৰ এখন পৰিচালিত হোৱাৰ ক্ষেত্ৰত প্ৰধান চলিকা শক্তি। চৰকাৰে ৰাষ্ট্ৰখনৰ জনসাধাৰণৰ সমূহীয়া কল্যাণৰ স্বাৰ্থত কার্য্য সম্পাদন কৰিব লাগে। এখন চৰকাৰে সম্পাদন কৰা তিনিটা প্ৰধান কার্য্য হ'ল- কার্য্যবাহী , বিধায়িনী আৰু ন্যায়িক । ৰাষ্ট্ৰ এখনৰ কার্য্যবাহী কার্য্য বুলিলে ৰাষ্ট্ৰৰ আইন আৰু নীতিসমূহ কার্য্যকৰী কৰাকে বুজায়। বিধায়িনী কার্য্য বুলিলে ৰাষ্ট্ৰৰ বাবে আইন প্ৰণয়ন কৰাক বুজায় আৰু ন্যায়িক কার্য্য বুলিলে ৰাষ্ট্ৰৰ বিভিন্ন গোচৰ মীমাংসা কৰিবৰ সময়ত এই আইনসমূহ মূল্যায়ন কৰাক বুজায়। বর্তমানৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাত এই তিনি ধৰণৰ কার্য্য সম্পাদন কৰে চৰকাৰৰ তিনিটা ভিন্ন অঙ্গই; যেনে- কার্য্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকা। এই সকলোবোৰ অঙ্গই নিজৰ নিজৰ কার্য্যসমূহ নিয়াৰিকৈ পালন কৰিব লাগে যাতে চৰকাৰে সঠিকভাৱে কার্য্য সম্পাদন কৰিব পাৰে। একেদৰে এই তিনিটা অঙ্গৰ মাজত ক্ষমতা পৃথককৈ ভাগ কৰিব লাগে যাতে কোনো এটা বিশেষ অঙ্গৰ মাজত ক্ষমতা কেন্দ্ৰীভূত নহয় আৰু তিনিওটাই যাতে স্বতন্ত্ৰভাৱে কার্য্য সম্পন্ন কৰিব পাৰে।

৭.৩ কার্যপালিকা

- **কার্যপালিকাৰ অর্থ**

চৰকাৰৰ প্ৰধান অঙ্গসমূহৰ ভিতৰত কার্যপালিকা অন্যতম। কার্যপালিকা হ'ল এখন ৰাষ্ট্ৰৰ প্ৰধান নির্ণায়ক আৰু ৰাষ্ট্ৰ এখনত আইন কানুন কার্যকৰীকৰণৰ ক্ষেত্ৰত কার্যপালিকাই প্ৰধান দায়িত্ব পালন কৰে। কার্যপালিকা অবিহনে, আইনৰ প্ৰভাৱসমূহ সমাজে অনুভৱ কৰিব নোৱাৰে। কার্যপালিকাই ৰাজনৈতিক কার্যপালিকা (ৰাষ্ট্ৰপতি , প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰীসভা) আৰু অৰাজনৈতিক কার্যপালিকা (প্ৰশাসনত নিয়োজিত বিভাগীয় আমোলা আৰু কর্মচাৰী) দুয়োটাকে সামৰি লয়। কার্যপালিকা হ'ল প্ৰধান কেন্দ্ৰবিন্দু যাৰ চাৰিওকাষে ৰাষ্ট্ৰৰ সমগ্ৰ প্ৰশাসন ব্যৱস্থা ঘূৰে।

কার্যপালিকাক ঠেক আৰু বহল দুয়োটা অর্থতে বুজিব পাৰি। বহল অর্থত, কার্যপালিকাই সেই সকলো বিষয়াক সামৰি লয় যিসকলে বিধানমণ্ডলে প্ৰণয়ন কৰা নীতি নিয়ম আৰু আইন সমূহ কার্যকৰী কৰে। কার্যপালিকাই নিম্নবর্গৰ পৰা আৰম্ভ কৰি উচ্চ বর্গলৈকে সেই সকলো বিষয়াক অন্তর্ভূক্ত কৰে যিসকলে ৰাষ্ট্ৰ প্ৰশাসনৰ বাবে আইন কানুন কার্যকৰী কৰে। ঠেক অর্থত, কার্যপালিকাৰ অর্থ হ'ল ৰাজ্যৰ প্ৰধান মুৰব্বী, তেওঁৰ মন্ত্ৰীসভা, উপদেষ্টা আৰু বিভাগীয় প্ৰধানসকল।

৭.৩.১ কার্যপালিকাৰ প্ৰকাৰ

কার্যপালিকাক বিভিন্ন প্ৰকাৰত ভাগ কৰিব পাৰি, যেনে— প্ৰকৃত আৰু নামমাত্ৰ কার্যপালিকা, একক কার্যপালিকা আৰু বহু ব্যক্তি কার্যপালিকা, বংশগত আৰু নির্বাচিত

বা মনোনীত কার্যপালিকা, ৰাজনৈতিক আৰু অৰাজনৈতিক কার্যপালিকা, সংসদীয় আৰু ৰাষ্ট্ৰ পতীয় কার্যপালিকা।

➢ **প্ৰকৃত আৰু নামমাত্ৰ কার্যপালিকা**

প্ৰকৃত কার্যপালিকা হ'ল এনে কার্যপালিকা যিয়ে ৰাষ্ট্ৰৰ শাসন কার্য্য আৰু আইন প্ৰণয়ন ক্ষেত্ৰত প্ৰকৃত অর্থত ক্ষমতাৰ ব্যৱহাৰ কৰে। আনহাতে, নামমাত্ৰ কার্যপালিকাই কেবল নামতহে ক্ষমতাৰ ব্যৱহাৰ কৰে আৰু প্ৰকৃত কার্যপালিকাৰ উপদেশ মতেহে কাম কৰে। নামমাত্ৰ কার্যপালিকাৰ হৈ প্ৰকৃত কার্যপলিকাইহে ক্ষমতাৰ ব্যৱহাৰ কৰে। ভাৰতবর্ষত ৰাষ্ট্ৰপতি হ'ল নামমাত্ৰ কার্যপালিকা আৰু কেন্দ্ৰীয় মন্ত্ৰীসভা হ'ল প্ৰকৃত কার্যপালিকা। ঠিক সেইদৰে ব্ৰিটেইনত ৰজা বা ৰাণী হ'ল নামমাত্ৰ কার্যপালিকা আৰু কেবিনেট হ'ল প্ৰকৃত কার্যপালিকা।

➢ **একক কার্যপালিকা আৰু বহুব্যক্তি কার্যপালিকা**

একক কার্যপালিকা হ'ল এনে কার্যপালিকা য'ত এজন ব্যক্তিয়েহে কার্য্যবাহী ক্ষমতাৰ ব্যৱহাৰ কৰে। এইখিনিতে উল্লেখ কৰা ভাল যে, একক কার্যপালিকাৰ ক্ষেত্ৰত ক্ষমতা এজন মানুহৰ হাতত বা কেইবাজনো মানুহৰ হাতত থাকিলেও ক্ষমতাক সামগ্ৰিকভাবে এটা সম্পূৰ্ণ গোট হিচাপে ব্যৱহাৰ কৰা হয়। আনহাতে, বহুব্যক্তি কার্যপালিকাৰ ক্ষেত্ৰত, কার্য্যবাহী, ক্ষমতা এজনতকৈ অধিক লোকৰ হাতত থাকে। এই দুই কার্যপালিকাৰ মাজত পাথর্ক্য সংখ্যাৰ ভিত্তিত নহয়, দায়িত্বৰ ভিত্তিতহে হয়। ভাৰত, আমেৰিকা, ব্ৰিটেইন আৰু ফ্ৰান্স আদি দেশ সমূহত একক কার্যপালিকা আছে আৰু ছুইজাৰলেণ্ডত বহুব্যক্তি কার্যপালিকা আছে।

➢ **বংশগত কার্যপালিকা আৰু নির্বাচিত বা মনোনীত কার্যপালিকা**

বংশগত কার্যপালিকাত কার্য্যবাহী ক্ষমতা বংশানুক্ৰমিক হিচাপে লাভ কৰা হয়। আনহাতে, এজন নির্বাচিত কার্যপালিকাক কোনো এক নির্দিষ্ট সময়ৰ বাবে পৰোক্ষ বা প্ৰত্যক্ষভাবে নির্বাচিত কৰা হয়। ব্ৰিটেইনৰ ৰজা বা ৰাণীয়ে বংশগত কার্যপালিকাৰ প্ৰতিনিধিত্ব কৰে আৰু ভাৰত আৰু আমেৰিকাৰ কার্যপালিকা হ'ল নির্বাচিত কার্যপালিকা। আনহাতে, মনোনীত কার্যপালিকা হ'ল সেইজন যিজনক কোনো এখন বেলেগ দেশত মনোনীত কৰা হয়। উদাহৰণস্বৰূপে, ব্ৰিটিছৰ শাসনৰ সময়ছোৱাত ভাৰতৰ ভাইচৰয় আৰু গৱর্ণৰ জেনেৰেলক ব্ৰিটিছ চৰকাৰৰ দ্বাৰা মনোনীত কৰা হৈছিল।

➢ **ৰাজনৈতিক কার্যপালিকা আৰু অৰাজনৈতিক কার্যপালিকা**

ৰাজনৈতিক কার্যপালিকাক কোনো এক নির্দিষ্ট সময়ৰ বাবে কার্য্যবাহী ক্ষমতাৰ ব্যৱহাৰ কৰিবলৈ নির্বাচিত কৰা হয়। তেওঁলোক সাধাৰণতে ৰাজনৈতিক দলৰ সদস্য হয় আৰু তেওঁলোকক অস্থায়ী কার্যপালিকা বুলি জনা যায়। নির্বাচনৰ ফলাফল মতে ৰাজনৈতিক কার্যপালিকাৰ সময়ে সময়ে পৰিবর্তন ঘটে। অৰাজনৈতিক কার্যপালিকা, আনহাতে, কিছু সংখ্যক প্ৰশাসনীয় বিষয়াৰ দ্বাৰা গঠিত হয় যিসকলক এক

প্রতিযোগিতামূলক পৰীক্ষাৰ সহায়ত যোগ্যতা আৰু প্রতিভাৰ ভিত্তিত বাছনি কৰা হয়। তেওঁলোকক এক নির্দিষ্ট সময়ৰ বাবে নিযুক্তি দিয়া হয়। তেওঁলোকক স্থায়ী কার্যপালিকা বুলি কোৱা হয় কাৰণ তেওঁলোকে অৱসৰৰ সময়লৈকে কার্য্য পালন কৰে আৰু ৰাজনৈতিক কার্যপালিকাৰ পতন বা উত্থানৰ সৈতে তেওঁলোকৰ একো সম্পর্ক নাথাকে। ভাৰতবর্ষত ৰাষ্ট্রপতি আৰু মন্ত্রীসভা হ'ল ৰাজনৈতিক কার্যপালিকা আৰু বিভাগীয় বিষয়াসকল হ'ল অৰাজনৈতিক বা স্থায়ী কার্যপালিকা।

➢ **সংসদীয় কার্যপালিকা আৰু ৰাষ্ট্রপতীয় কার্যপালিকা ঃ**

সংসদীয় কার্যপালিকাৰ ক্ষেত্রত কার্যপালিকাজনক জনসাধাৰণৰ দ্বাৰা প্রত্যক্ষভাবে নির্বাচিত প্রতিনিধিসকলৰ মাজৰ পৰা বাছনি কৰা হয় আৰু ই বিধানমণ্ডলৰ সৈতে সংযুক্ত থাকে। সংসদীয় কার্যপালিকাই বিধানমণ্ডলৰ গৰিষ্ঠ সঁহাৰি লাভ কৰালৈকে কার্য্য সম্পাদন কৰিব পাৰে। আনহাতে ৰাষ্ট্রপতীয় কার্যপালিকাত কার্যবাহীজনক জনসাধাৰণৰ দ্বাৰা প্রত্যক্ষভাৱে নির্বাচিত কৰা হয় আৰু তেওঁ জনসাধাৰণৰ প্রতি দায়বদ্ধ হয়। এনে কার্যপালিকাই বিধান মণ্ডলৰ পৰা পৃথকভাৱে কার্য্য সম্পাদন কৰে। ভাৰত আৰু ব্রিটেইনত সংসদীয় কার্যপালিকা থকাৰ বিপৰীতে আমেৰিকাত ৰাষ্ট্রপতীয় কার্যপালিকা থকা দেখা যায়।

৭.৩.২ কার্যপালিকাৰ কার্যাৱলী

কার্যপালিকাৰ কার্যাৱলীসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি ঃ

- কার্যপালিকাৰ প্রধান কার্য্য হ'ল আইন আৰু নীতিসমূহ কার্যকৰী কৰা। এখন ৰাষ্ট্রৰ প্রশাসন ব্যৱস্থা সফলভাৱে পৰিচালিত হ'বলৈ হ'লে এই আইন নীতিসমূহ ভালদৰে কার্যকৰী হোৱাটো জৰুৰী। ৰাষ্ট্রত আইন শৃঙ্খলা পৰিচালনা কৰাৰ ক্ষেত্রত কার্যপালিকায়ে প্রধানত দায়ী। কার্যপালিকাই চৰকাৰী ব্যৱস্থাসমূহৰ সফল পৰিচালনাৰ নিশ্চয়তা প্রদান কৰিব লাগে। সেই একেদৰে, নিয়োগ পৰিচালনা, হস্তান্তৰ আৰু কোনো বিষয়া নিলম্বন, সমস্যা সমাধান আৰু আইন শৃঙ্খলা বজাই ৰখাৰ ক্ষেত্রতো কার্যপালিকাই প্রধানভাৱে দায়ী।
- কার্যপালিকাই চৰকাৰ বিভিন্ন বিভাগত দৰকাৰী নিয়োগ প্রদান কৰে। ইয়াৰ উপৰিও নিয়োগ সম্পর্কীয় নিয়ম কানুন, অৱসৰ, বদলি আৰু বিভাগীয় কর্মচাৰীসকলৰ আন নিয়োগ সম্পর্কীয় চর্তাৱলীসমূহো কার্যপালিকাই প্রস্তুত কৰে।
- কার্যপালিকাই কিছু সংখ্যক বিধায়িনী কার্য্যও সম্পন্ন কৰে। কেতিয়াবা ই কিছুমান উপনীতি আৰু নিয়ম প্রস্তুত কৰিবলগীয়া হয়। ইয়াৰ উপৰিও ই অধ্যাদেশো জাৰি কৰিব পাৰে। এখন গণতান্ত্রিক চৰকাৰত, কার্যপালিকাই বিধানমণ্ডলক চমন জাৰি কৰাৰ লগতে স্থগিত ৰাখিব পাৰে বা ভঙ্গ কৰিব পাৰে।

- কার্যপালিকাই কিছুমান অর্থনৈতিক কার্য্যও পালন কৰে। ই বাজেট প্রস্তুত কৰে, বিধানমণ্ডলত বাজেট উত্থাপন কৰে আৰু বিধানমণ্ডলত এই বাজেট অনুমোদিত কৰাব লাগে। কার্যপালিকাই কৰ সংগ্রহ কৰে আৰু ৰাষ্ট্রৰ উন্নতিৰ ক্ষেত্রত ইয়াৰ ব্যৱহাৰ কৰে।
- কার্যপালিকাই বৈদেশিক সম্পর্কও বজাই ৰাখিব লাগে। ই বৈদেশিক নীতি প্রস্তুত কৰাৰ লগতে অইন দেশৰ সৈতে সু-সম্পর্ক ৰক্ষাৰ ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰিব লাগে। কার্যপালিকাই বিদেশী ৰাষ্ট্রত পঠিয়াবলৈ কূট-নীতি বিদসকলক নিয়োগ কৰে আৰু অইন দেশৰ সৈতে সন্ধি আৰু চুক্তি সম্পাদন কৰে। ইয়াৰ উপৰিও কার্যপালিকাই যুদ্ধ আৰু শান্তিৰ ক্ষেত্রতো সিদ্ধান্ত গ্রহণ কৰিব লাগে।
- কার্যপালিকাই অকল আভ্যন্তৰীণ শান্তি শৃংখলাই নহয় বিদেশী আক্রমণৰ পৰাও দেশখনক সুৰক্ষা দিয়ে। ইয়াৰ বাবে ই এক শক্তিশালী আৰু সুসজ্জিত সামৰিক বাহিনী, নৌ সেনা আৰু বায়ু সেনা প্রস্তুত কৰিব লাগে যাতে যিকোনো বাহিৰা শক্তিকে প্রতিহত কৰিব পাৰে।
- প্রতিনিধিযুক্ত (Delegated Legislation) আইনৰ নীতিৰ জৰিয়তে কার্যপালিকাৰ কার্য্যক্ষেত্র বিধায়িনী ক্ষেত্রখনলৈও প্রসাৰিত হৈছে। এখন বিধানমণ্ডল বর্দ্ধিত কর্মৰ মাজত পোত খাই থাকে আৰু একে সময়তে আইনসমূহ দিনে দিনে অধিক জটিল হৈ পৰিছে। সেইমতে, বিধানমণ্ডলে বিলসমূহক কেৱল ওপৰুৱা জকাটোহে প্রদান কৰে আৰু কার্যপালিকাইহে উক্ত আইনসমূহৰ বিশদ নিয়ম নীতি আৰু নির্দেশাৱলীসমূহ প্রস্তুত কৰে। ইয়াকেই প্রতিনিধিযুক্ত আইন বুলি কোৱা হয়।
- কার্যপালিকাৰ ন্যায়িক নিয়োগৰ ক্ষেত্রতো কেতবোৰ ক্ষমতা থাকে। ইয়াৰ উপৰিও বিশেষ দয়া প্রদান আৰু উপশমৰ ক্ষেত্রতো কার্যপালিকাৰ কিছু ক্ষমতা থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ একক কার্যপালিকা আৰু বহুব্যক্তি কার্যপালিকাৰ মাজৰপার্থক্যৰ বিষয়ে লিখক।

.....

.....

প্রশ্ন নং ২ ঃ কার্যপালিকাৰ যিকোনো দুটা কার্য লিখক।

.....

.....

৭.৪ বিধানমণ্ডল

- **বিধানমণ্ডলৰ অর্থ**

বিধানমণ্ডল চৰকাৰৰ এক গুৰুত্বপুর্ণ অঙ্গ । বিধানমণ্ডলে আইন প্রণয়নৰ ক্ষেত্রত প্রধান ভূমিকা গ্রহণ কৰে। এখন ৰাষ্ট্র পৰিচালনাৰ ক্ষেত্রত আইনসমূহ যথেষ্ট দৰকাৰী। বিধানমণ্ডলক 'সংসদ' বুলিও কোৱা হয়। বিধানমণ্ডলৰ আক্ষৰিক অর্থ হ'ল আলোচনাৰ বাবে গোট খোৱা ব্যক্তিসকলৰ এক সংঘ। এখন গণতান্ত্রিক ৰাষ্ট্রত, বিধানমণ্ডলে ৰাষ্ট্রৰ প্রতিনিধিসকলৰ দ্বাৰা ৰাষ্ট্রৰ বিভিন্ন গুৰুত্বপূর্ণ সমস্যাসমূহ আলোচনা কৰাৰ এক মাধ্যম হিচাপে কাম কৰে। এই আলোচনা আৰু চিন্তা চর্চাৰ ভিত্তিত প্রয়োজন সাপেক্ষে আইন সমূহ প্রণয়ন কৰা হয়।

৭.৪.১ বিধানমণ্ডলৰ প্রকাৰ

বিধানমণ্ডল দুই ধৰণৰ- একসদনীয় আৰু দ্বিসদনীয়। এক সদনীয় সংসদ হ'ল সেইখন সংসদ য'ত এখন মাত্র সদন থাকে। যেনে- চীনৰ বিধানমণ্ডল। চীনৰ বিধানমণ্ডলক গণ কংগ্রেছ বুলি জনা যায়। আনহাতে, দ্বিসদনীয় বিধানমণ্ডলত দুখন সদন থাকে। এই দুই সদনৰ এখনক প্রথম সদন আৰু এখনক দ্বিতীয় সদন বুলি কোৱা হয়। ভাৰতবর্ষৰ বিধানমণ্ডল দ্বিসদনীয় বিধানমণ্ডল। ইয়াত দুখন সদন আছে- লোকসভা আৰু ৰাজ্যসভা।

৭.৪.২ বিধানমণ্ডলৰ কার্যাৱলী

বিধানমণ্ডলৰ প্রধান কার্য্য হ'ল বিধান কৰা অর্থাৎ ৰাষ্ট্রৰ বাবে আইন প্রণয়ন কৰা। ইয়াৰোপৰি ই আন কিছুমান কার্য্যও পালন কৰিব লাগে। বিধানমণ্ডলৰ কার্য্যসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি-

- বিধানমণ্ডলে জনসাধাৰণৰ কল্যাণৰ হকে আইন প্রণয়ন কৰে। কেতিয়াবা পৰিবর্তিত সময় আৰু সমাজৰ প্রয়োজনমতে বিধানমণ্ডলে পুৰণি আইনসমূহৰ সংশোধন ঘটাব লাগে। সমাজৰ নতুন প্রয়োজনমতে বিধানমণ্ডলে নতুন আইন সৃষ্টি কৰিব লাগে।
- এখন সংসদীয় চৰকাৰত বিধানমণ্ডলৰ দায়িত্ব হ'ল কার্যপালিকাক নিৰীক্ষণ আৰু পৰিচালনা কৰা। কার্যপালিকাই সঠিকভাবে কার্য্য কৰিছেনে নাই তাক চোৱা চিতা কৰাৰ দায়িত্ব বিধানমণ্ডলৰ। এখন সংসদীয় চৰকাৰত কার্যপালিকাই সকলো কামৰ ক্ষেত্রত বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হয় আৰু কার্যপালিকাৰ বিৰুদ্ধে বিধানমণ্ডলে সিদ্ধান্ত গ্রহণ কৰিব পাৰে আৰু অনাস্থা প্রস্তাব গৃহীত কৰিব পাৰে।

- বিধানমণ্ডলৰ কিছুমান দৰকাৰী অর্থনৈতিক কার্য্যও আছে। বিধানমণ্ডলে চৰকাৰৰ বাজেটত অনুমোদন জনাব লাগে। বিধানমণ্ডলৰ অনুমতি অবিহনে কার্যপালিকাই এটকাও খৰচ কৰিব নোৱাৰে। ইয়াৰ উপৰিও বিধানমণ্ডলে কৰ নির্ধাৰণ কৰে। এখন গণতান্ত্রিক দেশত, বিধানমণ্ডলৰ অনুমতি অবিহনে কোনো কৰ আৰোপ কৰিব নোৱাৰি বা কোনো খৰছ অনুমোদিত নহয়।
- কিছুমান ৰাষ্ট্রত, বিধানমণ্ডলে ন্যায়িক কার্য্যও পালন কৰে। ই ন্যায়পালিকাৰ উচ্চ বিষয়াসকলক কোনো প্রস্তাৱ অবিহনে অপসাৰিত কৰিব পাৰে। বহুতো দেশত বিধানমণ্ডলে কার্যপালিকাৰ বিৰুদ্ধে মহা অভিযোগ তোলে। ভাৰতবর্ষত সংসদৰ দুই সদনে ৰাষ্ট্রপতিৰ বিৰুদ্ধে মহা অভিযোগ আনিব পাৰে। আমেৰিকা যুক্তৰাষ্ট্রত ৰাষ্ট্রপতি আৰু উপৰাষ্ট্রপতিৰ মহা অভিযোগৰ বিচাৰ বিধানমণ্ডলে কৰে। আকৌ ব্রিটেইনত, ২০০৯ চনত সর্বোচ্চ ন্যায়ালয় প্রতিষ্ঠা নোহোৱালৈকে উচ্চ সদনেই সর্বোচ্চ ন্যায়ালয়ৰ ভূমিকা পালন কৰিছিল।
- বিধানমণ্ডলৰ কিছুমান সাংবিধানিক ক্ষমতাও আছে। বিধানমণ্ডলে সংবিধানখন সময়ে সময়ে সংশোধন কৰিব লাগে।
- বিধানমণ্ডলে কিছুমান নির্বাচনী দায়িত্বও পালন কৰে। বিধানমণ্ডলে সাধাৰণতে নিজৰ বিষয়াসকলক নিজেই নির্বাচিত কৰে। ইয়াৰ উপৰিও, ই কিছুমান উচ্চ পদবীৰ কার্য্যবাহী বিষয়াকো নির্বাচন কৰে। উদাহৰণস্বৰূপে, ৰাষ্ট্রপতি আৰু উপ ৰাষ্ট্র পতি দুয়োজনকে সংসদৰ দুই সদনৰ দ্বাৰা নির্বাচিত কৰা হয়।
- বিধানমণ্ডলে তদন্তকাৰী বিভাগৰ এক অঙ্গ হিচাপে কাম কৰে। বিভিন্ন বিভাগসমূহত সংঘটিত ভিন্ন কেলেংকাৰিৰ তদন্তৰ বাবে বিধান মণ্ডলে বিভিন্ন সভা আৰু কমিটি নিয়োগ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বিধানমণ্ডলক কিদুই ভাগত ভাগ কৰিব পাৰি ?

.....

.....

প্রশ্ন নং ৪ ঃ দ্বি-সদনীয় বিধানমণ্ডল বুলিলে কি বুজা যায় ?

.....

.....

৭.৫ ন্যায়পালিকা

চৰকাৰৰ আন এক গুৰুত্বপূর্ণ অঙ্গ হ'ল ন্যায়পালিকা। চৰকাৰৰ এইটো অঙ্গই বিধানমণ্ডলে প্রস্তুত কৰা আইনসমূহ বিভিন্ন গোচৰৰ নিষ্পত্তি আৰু শুনানিৰ বাবে মূল্যায়ন কৰে। ৰাষ্ট্রৰ দেৱানী

আৰু ফৌজদাৰী বিবাদসমূহ মীমাংসা কৰি সমাজত শান্তি প্রতিষ্ঠা কৰাৰ ক্ষেত্রত ন্যায়পালিকা প্রধানত দায়ী। এখন যুক্তৰাষ্ট্রীয় চৰকাৰত, ন্যায়পালিকাই সংবিধানৰ ৰক্ষাকর্তা হিচাপে কাম কৰাৰ লগতে যুক্তৰাষ্ট্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বিবাদ নিষ্পত্তি কৰে। ন্যায়পালিকাই জনসাধাৰণৰ অধিকাৰ আৰু স্বাধীনতা সমূহকো সুৰক্ষা প্রদান কৰে। ই বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী হস্তক্ষেপৰ পৰা জনসাধাৰণৰ অধিকাৰ আৰু স্বাধীনতাক সুৰক্ষা দিয়ে। ন্যায়পালিকাই জনসাধাৰণৰ মৌলিক অধিকাৰ ৰক্ষা কৰাৰ ক্ষেত্রত আদেশ আৰু চমন জাৰি কৰে।

৭.৫.১ ন্যায়পালিকাৰ স্বতন্ত্রতা

গণতন্ত্রৰ সফলতাৰ বাবে এক স্বতন্ত্র আৰু নিৰপেক্ষ ন্যায়পালিকা অতি দৰকাৰী। ন্যায়পালিকাৰ স্বতন্ত্রতা সুনিশ্চিত কৰাৰ বহুতো উপায় আছে। তাৰে কিছুমান তলত উল্লেখ কৰা হ'ল—

ন্যায়পালিকাৰ স্বতন্ত্রতা বজাই ৰাখিবলৈ হ'লে কার্যপালিকাই ন্যায়াধীশসকলক যোগ্যতাৰ ভিত্তিত নির্বাচিত কৰিব লাগে। সুযোগ্য, প্রতিভাশালী আৰু দক্ষ ব্যক্তিসকলকহে ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া উচিত।

ন্যায়াধীশসকলৰ অপসাৰণৰ প্রক্রিয়া ইমান সহজ হ'ব নালাগে যাতে তেওঁলোকে তেওঁলোকৰ দায়িত্বসমূহ স্বাধীনভাৱে পালন কৰিব পাৰে। যেতিয়ালৈকে তেওঁলোকৰ আচাৰ ব্যৱহাৰ সংবিধানত উল্লেখিত নীতিৰ সৈতে মিল থাকে তেতিয়ালৈকে তেওঁলোকক দায়িত্ব পালনৰ ক্ষেত্রত সুৰক্ষা প্রদান কৰিব লাগে।

ন্যায়াধীশসকলক এক নির্ধাৰিত আৰু পর্যাপ্ত দৰমহা আৰু সা-সুবিধা আৰু লগতে তেওঁলোকৰ আর্থিক সন্তুষ্টিৰ বাবে অৱসৰৰ সুবিধা প্রদান কৰা উচিত।

ওপৰত উল্লেখিত উপায়সমূহৰ উপৰিও ন্যায়পালিকাৰ স্বতন্ত্রতা নিশ্চিত কৰাৰ আন এক আটাইতকৈ দৰকাৰী উপায় হ'ল কার্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰা। ন্যায়িক কার্য্যৰ পৰা কার্য্যবাহীৰ কার্য্যৰ পৃথকীকৰণ হ'ব লাগে।

৭.৫.২ ন্যায়পালিকাৰ কার্যাৱলী

ন্যায়পালিকাৰ কার্য্যসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি-

- ন্যায়পালিকাৰ প্রধান কাম হ'ল আইন অনুসৰি জনসাধাৰণক সুৰক্ষা প্রদান কৰা। ন্যায়পালিকাৰ সাংবিধানিক, দেৱানী আৰু ফৌজদাৰীগোচৰসমূহৰ আবেদনৰ শুনানি প্রদান কৰে। ই জনসাধাৰণৰ বিবাদ নিষ্পত্তি কৰাৰ লগতে ৰাজ্য আৰু ব্যক্তিৰ মাজৰ বিবাদো নিষ্পত্তি কৰে আৰু যোগ্য ব্যক্তি আৰু দলক ন্যায় প্রদান কৰে।
- ন্যায়পালিকাৰ আন এক দৰকাৰী কাম হ'ল গোচৰৰ শুনানিৰ ক্ষেত্রত আইনসমূহৰ

মূল্যায়ন কৰা। ন্যায়পালিকাই গোচৰ আৰু বিবাদৰ নিষ্পত্তিৰ বাবে আইনৰ অর্থ নির্ণয় কৰে।

- ন্যায়পালিকাই বিধানমণ্ডলে প্রস্তুত কৰা আইনসমূহৰ মূল্যায়ন কৰাই নহয়, কেতিয়াবা কিছুমান গোচৰৰ ক্ষেত্রত পূর্বনির্ধাৰিত কোনো আইন নাথাকিলে ই নতুন আইন প্রস্তুত কৰিব লগা হয়।
- ন্যায়পালিকাই জনসাধাৰণৰ অধিকাৰ আৰু স্বাধীনতাসমূহৰ সুৰক্ষা প্রদান কৰে। ন্যায়পালিকাৰ আইন মানি চলোতাজনক সুৰক্ষা প্রদান কৰাৰ লগতে আইন ভঙ্গ কৰোতাজনক শাস্তি প্রদান কৰাৰ ক্ষমতাও আছে। যেতিয়া আইন ভঙ্গ কৰা হয় তেতিয়া জনসাধাৰণে ইয়াৰ সুৰক্ষাৰ বাবে আদালতৰ কায চাপিব পাৰে।
- ন্যায়পালিকাই সংবিধানৰ ৰক্ষক হিচাপেও কাম কৰে। বিধানমণ্ডল বা কার্যপালিকা কোনোৱে সংবিধানৰ ব্যৱস্থাসমূহ ভঙ্গ কৰিব নোৱাৰে। যদি সংবিধান প্রদত্ত কোনো ব্যৱস্থা ভংগ কৰা হয় তেন্তে ন্যায়পালিকাই ইয়াক অসাংবিধানিক বুলি ঘোষণা কৰিব পাৰে। ন্যায়পালিকাৰ এই ক্ষমতাক ন্যায়িক সমীক্ষা বুলি কোৱা হয়।
- কেতিয়াবা ন্যায়পালিকাই ন্যায়িক বিষয়বোৰত কার্যপালিকাক উপদেশ প্রদান কৰিব পাৰে। কার্যপালিকাই কোনো দৰকাৰী ন্যায়িক বিষয়ত ন্যায়পালিকাৰ উপদেশ বিচাৰিব পাৰে। পিছে, এই উপদেশসমূহ মানি চলা নচলাটো কার্যপালিকাৰ ওপৰত নির্ভৰ কৰে।
- ন্যায় পালিকাই কিছু কার্য্যবাহী দায়িত্বও পালন কৰে। ন্যায়পালিকাই নাবালক এজনৰ অভিভাৰক নিয়োগ কৰিব পাৰে আৰু কোনো ব্যক্তি বা কমিটিৰ মাজৰ সম্পত্তিৰ বিবাদৰ ক্ষেত্রত এজন গ্রাহক নিয়োগ কৰিব পাৰে আৰু লগতে অনুজ্ঞাপত্র প্রদান কৰাৰ লগতে বিবাহৰ পঞ্জীয়ণো কৰাব পাৰে।



জানি থোৱা ভাল

ন্যায়িক সমীক্ষাই ন্যায়পালিকাৰ এনে ক্ষমতাক সূচায় যাৰ জৰিয়তে ন্যায়পালিকাই বিধানমণ্ডলে প্রণয়ন কৰা আইন অথবা কার্যপালিকাৰ কোনো কার্য বা নীতিক নিৰীক্ষণ কৰিব পাৰে। যদিহে কোনো আইন অথবা কার্য অসাংবিধানিক হিচাপে বিবেচিত হয়, তেন্তে ন্যায়ালয়ে তেনে আইন বা কার্যক অবৈধ বা ক্ষমতা বহির্ভূত হিচাপে ঘোষণা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ন্যায়পালিকাৰ স্বাধীনতা ৰক্ষাৰ বাবে দুটা উপায় উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ ন্যায়পালিকাৰ যিকোনো দুটা কার্য্য লিখক।

.....

.....

.....

৭.৬ মণ্টেস্কুৰ ক্ষমতাৰ পৃথকীকৰণ তত্ত্ব

ক্ষমতাৰ পৃথকীকৰণ তত্ত্বটো ৰাজনীতি বিজ্ঞানৰ এক গুৰুত্বপূর্ণ তত্ত্ব। এই তত্ত্ব মতে, চৰকাৰৰ কার্য্যসমূহ পৃথক হ'ব লাগে আৰু পৃথক কার্য্যসমূহ পালনৰ বাবে বিভিন্ন ব্যক্তিৰ দ্বাৰা গঠিত এক পৃথক অঙ্গ থাকিব লাগে। প্রত্যেকটো অঙ্গই নিজা নিজা ক্ষেত্রত স্বতন্ত্র হ'ব লাগে আৰু কোনো এটা অঙ্গই আন এটা অঙ্গৰ কর্মৰ ক্ষেত্রত বাধা প্রদান কৰিব নালাগে।

ক্ষমতাৰ পৃথকীকৰণ তত্ত্বটো হ'ল চৰকাৰৰ তিনিটা অঙ্গৰ মাজত ক্ষমতাৰ কার্য্যকৰী বিতৰণৰ তত্ত্ব। ফৰাচী লিখক মণ্টেস্কুক এই তত্ত্বটোৰ পিতৃ বুলি জনা যায়। এই তত্ত্বটো তেওঁ "The Spirit of the Laws" (১৭৪৮) নামৰ গ্রন্থখনত আলোচনা কৰিছে।

ক্ষমতাৰ পৃথকীকৰণ তত্ত্বমতে চৰকাৰৰ তিনিটা অঙ্গ; যেনে- কার্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকা প্রত্যেকেই এটা আনটোৰ পৰা পৃথক হ'ব লাগে। চৰকাৰে তিনি ধৰণৰ কার্য্য পালন কৰিব লাগে আৰু এই কার্য্যসমূহ তিনিটা পৃথক অঙ্গক প্রদান কৰিব লাগে। এই তত্ত্বই বিশ্বাস কৰে যে যদি এই তিনিওটা কার্য্য একেটা অঙ্গ বা এজন ব্যক্তিয়ে পালন কৰে তেন্তে ক্ষমতাৰ অপব্যৱহাৰ হ'ব পাৰে। তেতিয়া চৰকাৰ শক্তিশালী হৈ পৰিব আৰু লগতে মানুহৰ অধিকাৰ সমূহো ভঙ্গ হ'ব পাৰে। আকৌ একেটা অংগই সকলো বিধায়িনী, কার্যবাহী আৰু ন্যায়িক দায়িত্বসমূহ ভালদৰে আৰু সুদক্ষৰূপে পালন কৰিব নোৱাৰিবও পাৰে। সেয়েহে এখন ভাল চৰকাৰ হ'বলৈ হ'লে এই তিনিওটা কার্য্য পৃথক হ'ব লাগে আৰু কার্য্যবাহী, বিধায়িনী আৰু ন্যায়িক কার্য্যসমূহ তিনিওটা পৃথক অঙ্গই পালন কৰিব লাগে। এই প্রক্রিয়াত, এটা অঙ্গই আনটো অঙ্গৰ তুলনাত সমানে কাম কৰে আৰু তিনিওটাৰ ক্ষমতাৰ ওপৰত এক নিৰীক্ষণ ৰখা হয়।

- **ক্ষমতাৰ পৃথকীকৰণ তত্ত্বৰ কেইটামান মূল নীতি**

  ক্ষমতাৰ পৃথকীকৰণ তত্ত্বটোৰ কেতবোৰ প্রধান নীতি আছে। সেইসমূহ হ'ল-

  - এটা অঙ্গ বা এজন ব্যক্তিৰ হাতত কেতিয়াও সকলো ক্ষমতা প্রদান কৰিব নালাগে,

তাৰ সলনি চৰকাৰৰ পৃথক ব্যক্তি বা অঙ্গৰ হাতত বেলেগ বেলেগ ক্ষমতা প্রদান কৰিব লাগে।

- ক্ষমতা আৰু কার্য্যৰ পৃথকীকৰণৰ মাজেৰে ক্ষমতাৰ একত্রীকৰণ (Concentration of power) প্রতিহত কৰিব পাৰি।
- এই তত্ত্ব মতে, চৰকাৰৰ প্রত্যেকটো অঙ্গ আৰু প্রতিজন ব্যক্তিকে নিজা নিজা কার্য্য আৰু ক্ষমতা প্রদান কৰিব লাগে। সেই অনুসৰি, চৰকাৰৰ প্রতিটো অঙ্গ ইয়াৰ নির্দিষ্ট কার্য্যৰ মাজতেই সীমিত থাকে আৰু অন্য অঙ্গ বা অঙ্গসমূহৰ কার্যৰ ক্ষেত্রত হস্তক্ষেপ নকৰে।
- ক্ষমতাৰ পৃথকীকৰণ তত্ত্বই অৱৰোধন আৰু সন্তুলন (Check and Balance) নীতিকো সামৰি লয়। অৱৰোধন আৰু সন্তুলন নীতিয়ে প্রধানকৈ ইয়াকে সূচায় যে চৰকাৰৰ প্রত্যেকটো বিভাগে আন বিভাগৰ ওপৰত কিছু পৰিমাণে নিয়ন্ত্রণ সাব্যস্ত কৰে। এই নীতিৰ জৰিয়তে চৰকাৰৰ প্রত্যেকটো অঙ্গই আন অঙ্গৰ ওপৰত অৱৰোধন আৰোপ কৰে যাতে অঙ্গসমূহে অতি শক্তিশালী হৈ নিজৰ অধিকাৰ ক্ষেত্রৰ ঊর্ধত নাযায়। উদাহৰণস্বৰূপে ভাৰতবর্ষত উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে ন্যায়িক সমীক্ষাৰ জৰিয়তে সংসদে প্রণয়ন কৰা আইন আৰু কার্যপালিকাৰ আদেশৰ সাংবিধানিক স্থিতি পৰীক্ষা কৰিব পাৰে।

- **ক্ষমতাৰ পৃথকীকৰণ তত্ত্বৰ বিপক্ষে সমালোচনা**

এই তত্ত্বটোৰ বিপক্ষে কিছুমান সমালোচনা আছে। এই সমালোচনাসমূহ হ'ল—

- প্রথমতে, চৰকাৰৰ তিনিওটা অঙ্গকে সম্পূর্ণভাবে পৃথক ৰখাটো সম্ভৱ নহয়। কাৰণ এই তিনিওটা অংগ একেটা ব্যৱস্থাৰে অঙ্গ হয় আৰু যদি তিনিওটাকে পৃথক ৰখা যায় তেন্তে সম্পূর্ণ ব্যৱস্থাটোৱে বিফল হ'ব পাৰে।
- দ্বিতীয়তে, পৰস্পৰ সহযোগিতা আৰু সমন্বয় অবিহনে চৰকাৰৰ তিনিওটা বিভাগৰ বাবে নিজৰ নিজৰ দায়িত্ব সূচাৰূৰূপে পালন কৰাটো কষ্টসাধ্য হৈ পৰে। এনে ক্ষেত্রত তিনিওটা বিভাগৰ মাজত অচলাৱস্থাৰ সৃষ্টি হয়। সুদক্ষ চৰকাৰ হ'বলৈ হ'লে চৰকাৰৰ তিনিওটা বিভাগে পাৰস্পৰিক সহযোগিতা আৰু সমন্বয়ৰ মাজেৰে কার্যনির্বাহ কৰিব লাগিব।
- তৃতীয়তে, এই নীতিৰ সমর্থকসকলে অশুদ্ধভাবে ধাৰণা কৰি লৈছে যে চৰকাৰৰ সকলোবোৰ বিভাগ একে পৰিমাণৰ ক্ষমতাৰ অধিকাৰী। এই ধাৰণাৰ বিপৰীতে বহুসংখ্যক ৰাষ্ট্রত দেখিবলৈ পোৱা যায় যে কার্যপালিকা আৰু ন্যায়পালিকাতকৈ বিধানমণ্ডল অধিক শক্তিশালী।
- আকৌ, সমালোচকসকলৰ মতে ক্ষমতাৰ পৃথকীকৰণ নীতিৰ সমর্থকসকলে ভুলকৈ মত পোষণ কৰিছে যে ব্যক্তি স্বাধীনতা উপভোগ্য হ'বলৈ হ'লে, চৰকাৰৰ ক্ষমতাসমূহ কেন্দ্রীভূত হোৱাৰ বিপৰীতে বিভিন্ন বিভাগৰ মাজত পৃথকীকৃত হ'ব

লাগিব। ক্ষমতাৰ পৃথকীকৰণ অবিহনেও ব্যক্তিয়ে স্বাধীনতা উপভোগ কৰিব পাৰে যদিহে ৰাষ্ট্ৰখনৰ সংবিধানে সেই স্বাধীনতাসমূহ নাগৰিকলৈ আগবঢ়ায়। উদাহৰণস্বৰূপে, ভাৰতত ক্ষমতাৰ সংযোজন থকা স্বত্ত্বেও নাগৰিকসকলে অধিকাৰ আৰু স্বাধীনতাসমূহ উপভোগ কৰিব পাৰে।

যদিও ক্ষমতাৰ পৃথকীকৰণ তত্ত্ব বিভিন্ন দিশৰ পৰা সমালোচিত হয়, তথাপিতো ব্যক্তি স্বাধীনতা আৰু সু চৰকাৰৰ নিচিনা দুটা অতিকৈ গুৰুত্বপূর্ণ বিষয় সমর্থন কৰি এই তত্ত্বটোৱে নিজৰ উপযোগিতা প্রমাণিত কৰিছে। ক্ষমতাৰ পৃথকীকৰণ তত্ত্বই প্রধানকৈ তিনিটা উদ্দেশ্যত উপনীত হ'ব বিচাৰে। সেই উদ্দেশ্য তিনিটা হ'ল—

- শাসনৰ ক্ষেত্রবোৰত বিশেষীকৰণৰ সুবিধা লাভ কৰা,
- স্বচ্ছ, নিকা আৰু সু চৰকাৰ লাভ কৰা আৰু
- ব্যক্তি স্বতন্ত্রতা ৰক্ষা কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ক্ষমতাৰ পৃথকীকৰণ নীতিৰ প্রধান ব্যাখ্যাকাৰী কোন ?

.....

প্রশ্ন নং ৮ ঃ ক্ষমতাৰ পৃথকীকৰণ তত্ত্বৰ দুটা নীতি উল্লেখ কৰক।

.....

.....



৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চৰকাৰৰ তিনিটা প্রধান বিভাগ আছে, যেনে— কার্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকা। এই বিভাগকেইটাই চৰকাৰৰ মৌলিক আৰু প্রধান কার্যসমূহ সম্পাদন কৰে।
- কার্যপালিকা হৈছে ৰাষ্ট্ৰখনৰ প্রধান নীতি কার্যকৰী বিভাগ। ৰাষ্ট্ৰখনৰ আইন আৰু নীতিসমূহ কার্যকৰণৰ বাবে কার্যপালিকা দায়বদ্ধ।
- কার্যপালিকা বিভিন্ন প্রকাৰৰ হ'ব পাৰে, যেনে— প্রকৃত আৰু নামমাত্র, একক আৰু বহু ব্যক্তি কার্যপালিকা, বংশগত আৰু নির্বাচিত বা মনোনীত কার্যপালিকা, ৰাজনৈতিক আৰু অৰাজনৈতিক কার্যপালিকা আৰু সংসদীয় আৰু ৰাষ্ট্রপতীয় কার্যপালিকা।
- কার্যপালিকাই আইন আৰু নীতিসমূহ প্রয়োগ কৰাৰ উপৰি অন্য বহুতো গুৰুত্বপূর্ণ কার্য সম্পাদন কৰিবলগীয়া হয়।

- ৰাষ্ট্ৰ এখনৰ আইন প্ৰণয়ন কৰাৰ ক্ষেত্ৰত বিধানমণ্ডল দায়বদ্ধ। আইন প্ৰণয়নৰ উপৰি বিধানমণ্ডলে অইন বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰে।
- বিধানমণ্ডল সাধাৰণতে দুই প্ৰকাৰৰ— এক সদনীয় বিধানমণ্ডল আৰু দ্বি সদনীয় বিধানমণ্ডল। এক সদনীয় বিধানমণ্ডল এক সদনযুক্ত, অর্থাৎ এনে বিধানমণ্ডলৰ এখনেই সদন থাকে। আনহাতে দ্বি সদনীয় বিধানমণ্ডলৰ দুখন সদন থাকে।
- ন্যায়পালিকাই জনসাধাৰণক ন্যায় প্ৰদান কৰে। ইয়াৰ উপৰি ন্যায়পালিকাই ৰাষ্ট্ৰৰ সংবিধান আৰু আইন ব্যাখ্যা আৰু জনসাধাৰণৰ অধিকাৰ আৰু স্বাধীনতা ৰক্ষা কৰে।
- ন্যায়পালিকাক অধিক কার্যক্ষম আৰু সুদক্ষ কৰিবলৈ হ'লে ইয়াৰ স্বাধীনতা আৰু নিৰপেক্ষতা বজাই ৰাখিব লাগিব।
- মণ্টেস্কুৰ ক্ষমতাৰ পৃথকীকৰণ তত্ত্বই মত পোষণ কৰিছে যে এখন সুচৰকাৰ লাভ কৰিবলৈ আৰু জনসাধাৰণৰ স্বাধীনতা ৰক্ষা কৰিবলৈ চৰকাৰৰ তিনিওটা বিভাগক এটাৰ পৰা আনটোক পৃথকে ৰাখিব লাগে।



৭.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱর্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.

৭.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ একক কার্যপালিকা হৈছে এনে এক ব্যৱস্থা য'ত শাসন বিভাগ এজন ব্যক্তিৰ দ্বাৰা পৰিচালিত হয়। এইখিনিতে এটা গুৰুত্বপূর্ণ কথা মন কৰিবলগীয়া যে যদিও একক কার্যপালিকা বিশিষ্ট শাসন বিভাগত এজন ব্যক্তি বা এটা ব্যক্তি গোটক ক্ষমতা প্রদান কৰা হয়, কিন্তু ক্ষমতাসমূহ সামূহিক সামর্থত প্রয়োগ কৰা হয়। অন্যহাতে, বহু ব্যক্তি পৰিচালক বিশিষ্ট কার্যপালিকাত, কার্যপালিকাৰ ক্ষমতা এজনতকৈ অধিক ব্যক্তিৰ হাতত অর্পণ কৰা হয়। এই দুই প্রকাৰৰ কার্যপালিকাৰ মাজৰ পার্থক্য সংখ্যাৰ ওপৰৰ ভিত্তি কৰি নির্ধাৰণ কৰা নহয়, বৰঞ্চ দায়িত্বৰ ওপৰত ভিত্তি কৰিহে পার্থক্য নির্ধাৰিত হয়। ভাৰতবর্ষ, আমেৰিকা যুক্তৰাষ্ট্র, ব্রিটেইন, ফ্রান্স ইত্যাদি ৰাষ্ট্র একক কার্যপালিকাযুক্ত। ছুইজাৰলেণ্ডত বহু ব্যক্তি পৰিচালক বিশিষ্ট কার্যপালিকা আছে।

২নং প্রশ্নৰ উত্তৰ ঃ ক) কার্যপালিকাৰ প্রধান কার্য হ'ল আইন আৰু নীতিসমূহ কার্যকৰী অথবা প্রয়োগ কৰা। ৰাষ্ট্র এখনৰ সঠিক প্রশাসনৰ কাৰণে আইন আৰু নীতিসমূহ কার্যকৰী কৰাটো অতি প্রয়োজনীয়। ৰাষ্ট্রৰ আইন-শৃংখলা ব্যৱস্থা বজাই ৰখাৰ ক্ষেত্রতো কার্যপালিকা দায়বদ্ধ।

খ) কার্যপালিকাই কিছুমান বিধায়িনী কার্যও সম্পাদন কৰে। কেতিয়াবা কার্যপালিকাই কিছুমান উপবিধি আৰু নীতি নির্ধাৰণ কৰে। সংসদীয় পদ্ধতিৰ চৰকাৰত কার্যপালিকাই বিধানমণ্ডল আহ্বান, স্থগিত আৰু ভংগ কৰিব পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ এক সদনীয় বিধানমণ্ডল আৰু দ্বি-সদনীয় বিধানমণ্ডল।

৪ নং প্রশ্নৰ উত্তৰ ঃ দ্বি-সদনীয় বিধানমণ্ডলৰ দুখন সদন থাকে। এই দুখন সদনৰ এখনক উচ্চ সদন আৰু আনখনক নিম্ন সদন বুলি কোৱা হয়। ভাৰতবর্ষৰ বিধানমণ্ডল দ্বি-সদনীয় বিধানমণ্ডলৰ এক উদাহৰণ। ভাৰতীয় সংসদৰ সদন দুখন হৈছে— লোকসভা আৰু ৰাজ্য সভা।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) ন্যায়পালিকাৰ স্বাধীনতা ৰক্ষাৰ বাবে কার্যপালিকাই ন্যায়াধীশসকলক তেওঁলোকৰ যোগ্যতাৰ ভিত্তিত নিয়োগ কৰা উচিত। সুযোগ্য, মেধাৱান আৰু সুদক্ষ ব্যক্তিকহে ন্যায়াধীশ হিচাপে নিয়োগ কৰা উচিত।

খ) ন্যায়াধীশ সকলৰ অপসাৰণ পদ্ধতি জটিল হোৱা উচিত যাতে তেওঁলোকে নিজৰ কর্তব্য স্বাধীনভাবে সম্পাদন কৰিব পাৰে। সদাচৰণসাপেক্ষে তেওঁলোকৰ কার্যকালৰ স্থায়িত্ব ৰক্ষিত কৰা উচিত।

৬ নং প্রশ্নৰ উত্তৰ ঃ ক) ন্যায়পালিকাৰ প্রধান কার্য হৈছে আইনৰ নীতি অনুসৰি জনসাধাৰণক ন্যায় প্রদান কৰা। ন্যায়পালিকাই ব্যক্তিৰ মাজত অথবা ৰাষ্ট্র আৰু ব্যক্তিৰ মাজত উদ্ভৱ হোৱা বিবাদ মীমাংসা কৰি প্রাপ্যজনক ন্যায় প্রদান কৰে।

খ) ন্যায়পালিকাৰ আন এটা উল্লেখযোগ্য কাম হৈছে গোচৰ মীমাংসা কৰিবলৈ আইনৰ ব্যাখ্যা কৰা। ন্যায়াধীশসকলে আইনৰ সঠিক অর্থ নির্ধাৰণ কৰি বিবাদ নিষ্পত্তি কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ মণ্টেস্কু ।

৮ নং প্রশ্নৰ উত্তৰ ঃ ক) এজন ব্যক্তি বা এটা বিভাগৰ হাতত ক্ষমতা সংকেন্দ্রন কৰিব নালাগে, বৰঞ্চ ক্ষমতাসমূহ পৃথক পৃথক ব্যক্তি অথবা বিভাগৰ ওপৰত ন্যস্ত কৰিব লাগে। ক্ষমতাৰ পৃথকীকৰণ নীতিৰ জৰিয়তে, ক্ষমতা আৰু কার্যৰ বিভাজনৰ ওপৰত ভিত্তি কৰি, ক্ষমতা সংকেন্দ্রন (Concentration of power) ৰোধ কৰিব পৰা যায়।

খ) এই তত্ত্বৰ মতে চৰকাৰৰ প্রতিটো বিভাগ অথবা ব্যক্তিক পৃথক কার্য আৰু ক্ষমতা অর্পণ কৰা উচিত যাৰ ঊর্ধত ব্যক্তিসকলে বা বিভাগবোৰে কার্য কৰিব নালাগে।



৭.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ চৰকাৰৰ প্রধান আৰু গুৰুত্বপূর্ণ বিভাগ তিনিটা কি কি?

প্রশ্ন ২ ঃ নামমাত্র কার্যপালিকা মানে কি ?

প্রশ্ন ৩ ঃ ক্ষমতাৰ পৃথকীকৰণ তত্ত্বৰ তিনিটা উদ্দেশ্য কি কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰাজনৈতিক আৰু অৰাজনৈতিক কার্যপালিকা আৰু সংসদীয় আৰু ৰাষ্ট্রপতীয় কার্যপালিকাৰ বিষয়ে এটি চমুটোকা লিখক।

প্রশ্ন ২ ঃ ন্যায়পালিকাৰ স্বাধীনতা ৰক্ষাৰ বাবে থকা উপায়সমূহৰ বিষয়ে সংক্ষেপে লিখক।

প্রশ্ন ৩ ঃ ক্ষমতাৰ পৃথকীকৰণ তত্ত্বৰ মূল নীতিসমূহৰ বিষয়ে সংক্ষেপে লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ক্ষমতাৰ পৃথকীকৰণ তত্ত্বৰ বিষয়ে আলোচনা কৰক। এই তত্ত্বৰ বিপক্ষে থকা সমালোচনাসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ বিধানমণ্ডলৰ কার্যাৱলীৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ কার্যপালিকাৰ কার্যাৱলীৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ চৰকাৰৰ প্ৰকাৰ— এককেন্দ্ৰীক আৰু যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ এককেন্দ্ৰীক পদ্ধতিৰ চৰকাৰ

৮.৩.১ এককেন্দ্ৰীক চৰকাৰৰ অৰ্থ

৮.৩.২ এককেন্দ্ৰীক চৰকাৰৰ বৈশিষ্ট্যসমূহ

৮.৩.৩ এককেন্দ্ৰীক চৰকাৰৰ গুণ আৰু দোষসমূহ

৮.৪ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ

৮.৪.১ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ অৰ্থ

৮.৪.২ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বৈশিষ্ট্যসমূহ

৮.৪.৩ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ গুণ আৰু দোষসমূহ

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্ৰগতিৰ খতিয়ান

৮.৮ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- এককেন্দ্ৰীক চৰকাৰৰ সংজ্ঞা আগবঢ়াব পাৰিব
- এককেন্দ্ৰীক চৰকাৰৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পাৰিব
- যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ সংজ্ঞা আগবঢ়াব পাৰিব
- যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পাৰিব
- এককেন্দ্ৰীক আৰু যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ গুণ আৰু দোষসমূহ আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

এখন ৰাষ্ট্ৰৰ চৰকাৰ হ'ল সেই যন্ত্ৰ যিয়ে ৰাষ্ট্ৰখনৰ প্ৰশাসনীয় কাম-কাজ আৰু আঁচনি আৰু নীতিসমূহ নিৰ্ধাৰণ কৰে আৰু কাৰ্যকৰী কৰে। চৰকাৰ এখনৰ গাঁথনি এককেন্দ্ৰীক অথবা যুক্তৰাষ্ট্ৰীয় হ'ব পাৰে। এই অধ্যায়টিত আমি এককেন্দ্ৰীক আৰু যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰৰ বিষয়ে আলোচনা কৰিম।

৮.৩ এককেন্দ্ৰীক চৰকাৰ

ক্ষমতাৰ বিভাজন (Division of Powers)ৰ ওপৰত ভিত্তি কৰি আধুনিক গণতান্ত্ৰিক চৰকাৰক এককেন্দ্ৰীক আৰু যুক্তৰাষ্ট্ৰীয় চৰকাৰ হিচাপে বিভাজন কৰা হয়।

৮.৩.১ এককেন্দ্ৰীক চৰকাৰৰ অৰ্থ

যি পদ্ধতিৰ চৰকাৰত সংবিধানৰ সকলো ক্ষমতা এখন কেন্দ্ৰীয় চৰকাৰৰ হাতত কেন্দ্ৰীভূত হৈ থাকে তেনে চৰকাৰক এককেন্দ্ৰীক চৰকাৰ বোলা হয়। ড° ফাইনাৰৰ মতে, "এককেন্দ্ৰীক শাসন ব্যৱস্থাত ক্ষমতা আৰু কৰ্তৃত্ব এটা কেন্দ্ৰত কেন্দ্ৰীভূত হৈ থাকে যাৰ (ক্ষমতাৰ কেন্দ্ৰৰ) ইচ্ছা আৰু অভিকৰ্তা (agent)বোৰ বৈধভাৱে সমগ্ৰ ব্যৱস্থাটোতে সৰ্বব্যাপী হৈ থাকে"। এককেন্দ্ৰীক চৰকাৰৰ অৱস্থিতি ইংলণ্ড, ফ্ৰাঞ্চ, ইটালী, নেদাৰলেণ্ড আৰু অন্যান্য কিছুমান ৰাষ্ট্ৰত দেখিবলৈ পোৱা যায়। এককেন্দ্ৰীক চৰকাৰত শাসনৰ সুবিধাৰ্থে কিছুমান ৰাজনৈতিক গোটৰ সৃষ্টি কৰা হয় যদিও সেই গোট বা সংস্থাসমূহৰ কোনো সাংবিধানিক অৱস্থিতি নাথাকে। এইসমূহ কেন্দ্ৰীয় চৰকাৰৰ অধীন। কেন্দ্ৰীয় চৰকাৰে যিকোনো মুহূৰ্ততে এইবোৰ নোহোৱা কৰিব পাৰে অথবা উঠাই দিব পাৰে।

৮.৩.২ এককেন্দ্ৰীক চৰকাৰৰ বৈশিষ্ট্যসমূহ

এককেন্দ্ৰীক চৰকাৰৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

- **একক চৰকাৰ (Single Government) ঃ** এককেন্দ্ৰীক চৰকাৰৰ শাসন ব্যৱস্থাত এখন মাত্ৰ চৰকাৰে গোটেই দেশৰ শাসনকাৰ্য পৰিচালনা কৰে। কেন্দ্ৰীয় চৰকাৰে এখন বিধানমণ্ডল আৰু এখন কাৰ্যপালিকাক লৈ সমগ্ৰ দেশতে ক্ষমতা প্ৰয়োগ কৰে। ঠিক একেদৰে, ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাততে থাকে।
- **ক্ষমতাৰ কেন্দ্ৰীকৰণ (Centralisation of Power) ঃ** ক্ষমতাৰ কেন্দ্ৰীকৰণ এককেন্দ্ৰীক চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এনে শাসন ব্যৱস্থাত সাংবিধানিকভাৱে ক্ষমতাৰ বিভাজন দেখা পোৱা নাযায়। চুড়ান্ত ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত থাকে আৰু আঞ্চলিক চৰকাৰ থাকিলেও এই চৰকাৰ কেন্দ্ৰীয় চৰকাৰৰ তলতীয়া।
- **কেন্দ্ৰৰ নেতৃত্বাধীন প্ৰশাসনীয় গোট (Administrative Units at the Mercy of the Centre) ঃ** এককেন্দ্ৰীক চৰকাৰৰ প্ৰশাসনীয় গোটসমূহ কেন্দ্ৰীয় চৰকাৰে সৃষ্টি কৰিব পাৰে। কিন্তু, তেওঁলোকৰ কোনো সাংবিধানিক অৱস্থিতি নাথাকে। সেইবাবে সংবিধান সংশোধনী অবিহনেও এইসমূহৰ কেন্দ্ৰীয়

চৰকাৰে পুনৰ সংগঠন কৰিব অথবা বিনাশ ঘটাব পাৰে।

- **লিখিত বা অলিখিত সংবিধান (Written or Unwritten Constitution) ঃ** এই পদ্ধতিৰ চৰকাৰৰ সংবিধান লিখিত অথবা অলিখিত হ'ব পাৰে। উদাহৰণস্বৰূপে, ইংলণ্ডৰ সংবিধান অলিখিত। অন্যহাতে, এককেন্দ্ৰীক চৰকাৰ হোৱা স্বত্তেও নেদাৰলেণ্ডৰ সংবিধানখন লিখিত সংবিধান।
- **নমনীয় সংবিধান (Flexibility of the Constitution) ঃ** এককেন্দ্ৰীক চৰকাৰত সংবিধান কঠিন অথবা নমনীয় হ'ব পাৰে। কিন্তু সাধাৰণতে এককেন্দ্ৰীক চৰকাৰৰ সংবিধানখন নমনীয় হয়।
- **আইনসভাৰ প্ৰাধান্য (Supremacy of Legislature) ঃ** এককেন্দ্ৰীক চৰকাৰত আইনসভাৰ প্ৰাধান্য পৰিলক্ষিত হয়। এনে চৰকাৰত এখনেই বিধানমণ্ডল থকাৰ বাবে এই সভাই প্ৰস্তুত কৰা আইন গোটেই দেশখনতে প্ৰযোজ্য আৰু এনে আইনৰ ওপৰত ***ন্যায়িক সমীক্ষা*** (Judicial Review) কৰিব পৰা নাযায়। উদাহৰণস্বৰূপে, ইংলণ্ডৰ সংবিধানে তাত্বিকভাৱে, সংসদৰ সৰ্বোচ্চতা (Supremacy of the Parliament)ক প্ৰতিষ্ঠিত কৰিছে। এনে ক্ষেত্ৰত, কোনো কৰ্তৃত্বই ন্যায়িক সমীক্ষা ব্যৱহাৰ কৰি আইনসভাই গ্ৰহণ কৰা আইনক অসাংবিধানিক বুলি ঘোষণা কৰিব নোৱাৰে।
- **একক নাগৰিকত্ব (Single Citizenship) ঃ** এনে শাসন ব্যৱস্থাত একক নাগৰিকত্বৰ ব্যৱস্থা থাকে। ইয়াত যুক্তৰাষ্ট্ৰৰ দৰে দ্বিনাগৰিকত্বৰ ব্যৱস্থা দেখা পোৱা নাযায়।

ন্যায়িক সমীক্ষা ঃ ন্যায়ালয়ৰ এনে এক ক্ষমতা যাৰ জৰিয়তে বিধানমণ্ডল আৰু কাৰ্যপালিকাই প্ৰস্তুতকৰা আইনৰ সাংবিধানিকতা বিচাৰ কৰিব পাৰে।

৮.৩.৩ এককেন্দ্ৰীক চৰকাৰৰ গুণ আৰু দোষসমূহ

- ***এককেন্দ্ৰীক চৰকাৰৰ গুণসমূহ ঃ***

  এককেন্দ্ৰীক চৰকাৰৰ কেইটিমান গুণ তলত উল্লেখ কৰা হ'ল—

  - এককেন্দ্ৰীক পদ্ধতিৰ চৰকাৰত কেৱল মাত্ৰ এখন চৰকাৰ থাকে, যি গোটেই দেশতে একে ধৰণৰ আইন, আচনি আৰু শাসন পৰিচালিত কৰে। জনসাধাৰণৰ মাজত একতাৰ ভাৱ জগাই তোলাৰ ক্ষেত্ৰত এনে ধৰণৰ চৰকাৰ অধিক উপযোগী।
  - এককেন্দ্ৰীক চৰকাৰত একক কাৰ্যপালিকা আৰু একক আইনসভাৰ ব্যৱস্থা থকাৰ বাবে কামৰ দায়িত্ব, কৰ্তৃত্ব আৰু দায়ৱদ্ধতা ক্ষেত্ৰত সংঘৰ্ষ বা বিবাদৰ সম্ভাৱনা কম হয়।
  - এককেন্দ্ৰীক চৰকাৰত কেন্দ্ৰীয় চৰকাৰে বৈদেশিক আৰু দেশীয় নীতিৰ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব পাৰে। তাৎক্ষণিক আৰু উপযুক্ত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত এই ধৰণৰ চৰকাৰ অধিক উপযোগী।

- জৰুৰীকালীন অৱস্থাত এই ধৰণৰ চৰকাৰ বিশেষভাৱে কার্যকৰী। এনে চৰকাৰে অতি ক্ষিপ্ৰতাৰে যিকোনো অৱস্থাৰে সন্মুখীন হ'ব পৰাকৈ সক্ষম।
- এককেন্দ্ৰীক চৰকাৰৰ সংবিধান সংশোধন কৰাৰ ক্ষেত্ৰত কোনো অসুবিধা দেখা নাযায়।

➢ **এককেন্দ্ৰীক চৰকাৰৰ দোষসমূহ ঃ**

এককেন্দ্ৰীক জনবহুল চৰকাৰৰ দোষসমূহ তলত উল্লেখ কৰা হ'ল—

- বিশাল, জনবহুল দেশ এখনৰ প্ৰশাসনীক তথা উন্নয়নমূলক কাম কাজ সমূহ সুচাৰুৰূপে পালন কৰাৰ বাবে এককেন্দ্ৰীক চৰকাৰ উপযোগী নহয়। বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম, বৰ্ণ, ভাষা, সংস্কৃতি ইত্যাদি গঠিত এখন দেশৰ বাবে বেলেগ বেলেগ আইনৰ প্ৰয়োজন হয়। এককেন্দ্ৰীক চৰকাৰত এনে ব্যৱস্থা সম্ভৱ নহয়।
- এককেন্দ্ৰীক চৰকাৰত সকলো ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত কেন্দ্ৰীভূত হৈ থাকে। বাবে ই সহজেই সর্বাত্মক ৰাষ্ট্ৰ (Totalitrian State) লৈ পৰিণত হোৱাৰ সম্ভাৱনা থাকে।
- এককেন্দ্ৰীক চৰকাৰৰ ক্ষেত্ৰত স্থানীয় স্বায়ত্ব শাসনক অৱহেলা কৰা দেখা যায়। এনে শাসনব্যৱস্থাত কেন্দ্ৰীয় চৰকাৰে স্থানীয় সনস্যাক লৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়।
- এককেন্দ্ৰীক চৰকাৰত জনসাধাৰণে সকলো ধৰণৰ বিকাশৰ বাবেই একমাত্ৰ কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নির্ভৰ কৰিব লাগে। ফলস্বৰূপে, চৰকাৰখনে সকলো ধৰণৰ কামৰ গধূৰ দায়িত্ব বহন কৰিবলৈ অপাৰগ হয়।
- এনে চৰকাৰত খুব কম সংখ্যক লোকেহে ৰাজনৈতিক কাম কাজত অংশ গ্ৰহণ কৰিবলৈ সুবিধা পায়। ফলত, অধিক সংখ্যক লোক চৰকাৰৰ প্ৰতি উদাসীন হৈ পৰে। একেদৰে, স্থানীয় স্বায়ত্ব শাসন অথবা পৃথক বিধানমণ্ডলৰ ব্যৱস্থা নথকাৰ বাবে জনসাধাৰণে শাসন সংক্ৰান্তীয় বিষয়ত অংশগ্ৰহণ কৰিবলৈ ভালদৰে সুবিধা নাপায়। ফলত জনগণৰ মাজত ৰাজনৈতিক চেতনাৰ অভাৱ পৰিলক্ষিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ এককেন্দ্ৰীক চৰকাৰৰ ভেঁটি হৈছে এটা কেন্দ্ৰৰ হাতত ক্ষমতাৰ কেন্দ্ৰীকৰণ। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ ঃ এককেন্দ্ৰীক চৰকাৰত দ্বিনাগৰিকত্বৰ ব্যৱস্থা আছে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ এককেন্দ্ৰীক চৰকাৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৮.৪ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ (FEDERAL FORM OF GOVERNMENT)

৮.৪.১ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ অৰ্থ

ৰাজনীতি বিজ্ঞানত যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ ধাৰণা তুলনামূলকভাৱে নতুন। ১৭৮৭ খ্ৰীষ্টাব্দত আমেৰিকা যুক্তৰাষ্ট্ৰৰ গঠনেই যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ আৰম্ভণি বুলি ক'ব পাৰি। এই ধৰণৰ চৰকাৰত কিছুমান স্বাধীন ৰাষ্ট্ৰ একগোট হৈ সাংবিধানিকভাৱে এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ সৃষ্টি কৰি নিজৰ স্বকীয়তা নেহেৰোৱাকৈ এক আভ্যন্তৰীণ প্ৰশাসনীয় ব্যৱস্থাৰ সৃষ্টি কৰে।

কে. চি. হোৱেৰ (K. C. Wheare)ৰ মতে "যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা তেতিয়াই পৰিলক্ষিত হয়, যেতিয়া কোনো সমাজে চৰকাৰৰ ক্ষমতাক এই নীতি অনুসৰি ভাগ কৰে যাতে কিছুমান বিষয়ৰ বাবে গোটেই এলেকাৰ এটি একক, স্বাধীন কৰ্তৃপক্ষ আৰু অন্যান্য বিষয়ৰ বাবে স্বাধীন আঞ্চলিক কৰ্তৃপক্ষ থাকে, প্ৰত্যেক কৰ্তৃপক্ষই তাৰ নিজৰ সীমাবদ্ধ ক্ষেত্ৰৰ মাজত আনৰ সমপৰ্যায়যুক্ত, কিন্তু তলতীয়া নহয়।"

৮.৪.২ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বৈশিষ্ট্যসমূহ

যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্যসমূহ ঃ

- **দুই ধৰণৰ চৰকাৰৰ সহাৱস্থান ঃ** দুইধৰণৰ চৰকাৰৰ সহাৱস্থান যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য। প্ৰত্যেক যুক্তৰাষ্ট্ৰত এখন কেন্দ্ৰীয় চৰকাৰ থকাৰ উপৰিও প্ৰতিখন ৰাজ্যৰ বাবে একোখনকৈ ৰাজ্যিক চৰকাৰ থাকে। এই ৰাজ্যিক চৰকাৰসমূহৰ সাংবিধানিক অৱস্থিতি থকাৰ লগতে কেন্দ্ৰীয় চৰকাৰে এই ৰাজ্যিক চৰকাৰসমূহৰ বিনাশ ঘটাব নোৱাৰে।
- **সাংবিধানিকভাৱে ক্ষমতাৰ বিভাজন ঃ** সাংবিধানিকভাৱে ক্ষমতাৰ বিভাজন নীতিৰ উপস্থিতি যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ আন এক বৈশিষ্ট্য।এনে ধৰণৰ চৰকাৰত সাংবিধানিকভাৱে প্ৰশাসনীয় ক্ষমতাসমূহ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ মাজত স্পষ্টভাৱে বিভাজিত হৈ থাকে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ

উভয়ে নিজৰ নিজৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত আইন প্ৰণয়ন আৰু কাৰ্যকৰী কৰাৰ ক্ষমতা লাভ কৰে। কিন্তু, সকলো যুক্তৰাষ্ট্ৰৰ ক্ষেত্ৰতে এই ক্ষমতাৰ বিভাজন একেধৰণৰ নহয়। উদাহৰণস্বৰূপে, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াই একেধৰণৰ আৰু কানাডা আৰু ভাৰতে অন্য এক ধৰণৰ নীতি মানি চলে।



জানি থোৱা ভাল

ভাৰতবৰ্ষত যুক্তৰাষ্ট্ৰীয় চৰকাৰ ব্যৱস্থা থকাৰ বাবে আমি দুই ধৰণৰ চৰকাৰ দেখিবলৈ পাওঁ— কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ। ভাৰতীয় সংবিধানে ক্ষমতাৰ বিভাজন নীতি অনুসৰি কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত ক্ষমতাসমূহৰ বিকেন্দ্ৰীকৰণ কৰিছে। ভাৰতবৰ্ষৰ সংবিধানে তিনিখন সূচী কেন্দ্ৰীয় সূচী , ৰাজ্যিক সূচী আৰু সমবৰ্ত্তী সূচীৰ জৰিয়তে ক্ষমতাসমূহ বিভাজন কৰিছে। কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় সূচীৰ অন্তৰ্ভুক্ত বিষয়সমূহ, যেনে— প্ৰতিৰক্ষা, সামৰিক বাহিনী, বৈদেশিক নীতি, মুদ্ৰা ইত্যাদি বিষয়ৰ ওপৰত আৰু ৰাজ্যিক চৰকাৰে ৰাজ্যিক সূচীৰ অন্তৰ্ভুক্ত স্থানীয় বিষয়, যেনে— ৰাজহুৱা শৃংখলা, আৰক্ষী, শিক্ষা ইত্যাদি বিষয়ৰ ওপৰত আইন প্ৰণয়ণ আৰু প্ৰয়োগ কৰিব পাৰে। সমবৰ্ত্তী সূচীৰ অন্তৰ্ভুক্ত বিষয়সমূহৰ ওপৰত উভয় চৰকাৰেই আইন প্ৰণয়ন কৰিব পাৰে। তিনিওখন সূচীতে অন্তৰ্ভুক্ত হৈ নথকা অৱশিষ্ট ক্ষমতাসমূহ কেন্দ্ৰীয় চৰকাৰৰ হাতত অৰ্পণ কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰত এই অৱশিষ্ট ক্ষমতাসমূহ ৰাজ্যিক চৰকাৰৰ হাতত অৰ্পণ কৰা হৈছে।

- **লিখিত আৰু অনমনীয় সংবিধান ঃ** লিখিত আৰু অনমনীয় সংবিধান যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ অন্য এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। সংবিধানৰ প্ৰাধান্য অবিহনে যুক্তৰাষ্ট্ৰীয় চৰকাৰ গঠন কৰা সম্ভৱপৰ নহয়। লিখিত আৰু অনমনীয় সংবিধানৰ জৰিয়তে যুক্তৰাষ্ট্ৰৰ বিভিন্ন গোটসমূহক ঐক্যবদ্ধভাৱে ৰাখিব পাৰি। এনে ধৰণৰ প্ৰকৃতিৰ যাতে সালসলনি নহয়, তাৰ বাবে অনমনীয় সংবিধানৰ ব্যৱস্থা কৰা হৈছে।
- **সংবিধানৰ সৰ্বোচ্চতা ঃ** সংবিধানখনেই হৈছে যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰৰ সৰ্বোচ্চ আইন। কেন্দ্ৰীয় আৰু ৰাজ্যিক উভয় চৰকাৰেই এই সংবিধান মানি চলিবলৈ বাধ্য। এনে ৰাষ্ট্ৰত কোনো সংবিধান বিৰোধী ক্ৰিয়াই দেখা দিলে তাক অবৈধ বুলি ঘোষণা কৰা হয়।
- **ন্যায়পালিকাৰ সৰ্বোচ্চতা ঃ** যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত এখন সৰ্বোচ্চ, স্বাধীন আৰু নিৰপেক্ষ আদালতৰ ব্যৱস্থা থাকে যিয়ে সংবিধানৰ চৰম ব্যাখ্যাকৰ্তা আৰু অভিভাৱক হিচাপে দায়িত্ব পালন কৰে। কেন্দ্ৰীয় চৰকাৰ আৰু ইয়াৰ গোটসমূহৰ মাজত সৃষ্টি হোৱা কোনো সাংবিধানিক বিবাদ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তই চৰম সিদ্ধান্ত।

- **দ্বৈত নাগৰিকত্ব ঃ** দ্বৈত নাগৰিকত্ব যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ আন এটা বৈশিষ্ট্য। এনে ৰাষ্ট্ৰত এগৰাকী নাগৰিক এহাতেদি গোটেই দেশখনৰে নাগৰিক, অন্যহাতেদি তেওঁ নিজৰ ৰাজ্যখনৰো নাগৰিকত্ব লাভ কৰে।
- **উচ্চ সদনত সমানুপাতিক প্ৰতিনিধিত্ব ঃ** উচ্চ সদনত ৰাজ্যসমূহৰ সমানুপাতিক প্ৰতিনিধিত্বক কেইগৰাকীমান পণ্ডিতে যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বৈশিষ্ট্য বুলি অভিহিত কৰিছে।
- **সংবিধান সংশোধনত অংগৰাজ্যৰ অংশগ্ৰহণ ঃ** সংবিধান সংশোধনৰ ক্ষেত্ৰত যুক্তৰাষ্ট্ৰীয় চৰকাৰ ব্যৱস্থাত অংগৰাজ্যবোৰৰ ভূমিকা দেখা পোৱা যায়। অংগৰাজ্য-সমূহৰ বিধানমণ্ডলৰ অনুমোদনৰ উপৰি কেন্দ্ৰীয় আইনসভাৰ অনুমোদন এই ক্ষেত্ৰত অতিশয় দৰকাৰী।

৮.৪.৩ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ গুণ আৰু দোষসমূহ

- *যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰৰ গুণসমূহ ঃ*
  - যুক্তৰাষ্ট্ৰই সৰু আৰু দুৰ্বল ৰাষ্ট্ৰসমূহক একগোট হ'বলৈ সুবিধা প্ৰদান কৰে যাৰ দ্বাৰা এখন বিশাল আৰু শক্তিশালী ৰাষ্ট্ৰৰ গঠন হয়। ফলত, ৰাষ্ট্ৰখনে অধিক সুৰক্ষা আৰু সন্মান লাভ কৰে।
  - যুক্তৰাষ্ট্ৰীয় চৰকাৰত প্ৰতিখন ৰাজ্যই স্বায়ত্ব শাসনৰ সুবিধা লাভ কৰাৰ লগে লগে এখন বৃহৎ আৰু শক্তিশালী ৰাষ্ট্ৰৰ অঙ্গৰাজ্যও হয়, ফলত আঞ্চলিক স্বায়ত্বশাসন আৰু জাতীয় একতা দেখা পোৱা যায়।
  - বিভিন্ন ধৰণৰ লোক থকা আৰু বিশাল ৰাষ্ট্ৰৰ বাবে যুক্তৰাষ্ট্ৰৰ বাবে যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ অতিশয় উত্তম। এনে ৰাষ্ট্ৰত বিভিন্ন ধৰ্ম, ভাষা, সংস্কৃতিসম্পন্ন লোক থাকে, যি নিজৰ নিজৰ কাৰ্যক্ষেত্ৰত সম্পূৰ্ণ স্বায়ত্বতা আৰু স্বাধীনতা লাভ কৰে।
  - স্বেচ্ছাচাৰিতাক প্ৰত্যাহ্বান জনাবৰ বাবে যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা অতিশয় উত্তম। এনে ধৰণৰ শাসন ব্যৱস্থাত প্ৰতিখন স্বায়ত্ব শাসিত ৰাষ্ট্ৰই লাভ কৰা সাংবিধানিক ক্ষমতাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ স্বেচ্ছাচাৰী শাসনক সুচাৰুৰূপে প্ৰতিহত কৰিব পাৰি।
  - কেন্দ্ৰীয় চৰকাৰৰ আৰু ৰাজ্যিক চৰকাৰৰ মাজৰ ক্ষমতাৰ বিভাজনে স্থানীয় বিষয়সমূহ আৰু সমস্যা সমূহৰ সমাধানৰ দায়িত্বৰ পৰা কেন্দ্ৰীয় চৰকাৰক ৰেহাই দি জাতীয় গুৰুত্ব থকা বিষয়সমূহৰ ওপৰত অধিক গুৰুত্ব দিবলৈ কেন্দ্ৰক যথেষ্ট পৰিমাণে সুবিধা দিয়ে।
- *যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ দোষসমূহ ঃ*
  - কৰ্তৃত্ব, ক্ষমতা সিদ্ধান্ত আৰু কামৰ দায়িত্ব লৈ কেন্দ্ৰীয় চৰকাৰ অথবা

বিভিন্ন ৰাজ্যিক চৰকাৰসমূহৰ মাজত সংঘাত হোৱাৰ অহৰহ আশংকা থাকে।

- এটা ক্ষিপ্ৰ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত যুক্তৰাষ্ট্ৰীয় চৰকাৰ অনুপযোগী। সিদ্ধান্ত গ্ৰহণৰ বাবে কিছুমান বিষয়ৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক চৰকাৰসমূহৰ অনুমোদন আৰু আন কিছুমান ক্ষেত্ৰত ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা আগতীয়া অনুমোদন ল'বলগীয়া হয়।
- চৰকাৰী ব্যৱস্থা অতিশয় জটিল হোৱা বাবে যুক্তৰাষ্ট্ৰীয় চৰকাৰখনে অত্যাধিক ব্যয় বহন কৰিবলগীয়া হয়। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ উভয়ৰে বেলেগ বেলেগকৈ ব্যয় হয়।
- যুক্তৰাষ্ট্ৰীয় সংবিধান কঠিন সংবিধান হোৱাৰ জনসাধাৰণৰ পৰিৱৰ্তিত অভাৱসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱা দেখা পোৱা যায়। সময়ৰ লগত খাপ খোৱাকৈ সংবিধান সংশোধন কৰিব নোৱাৰা বাবে দেশৰ প্ৰগতিত বাধাৰ সৃষ্টি হয়।
- যুক্তৰাষ্ট্ৰীয় প দ্ধতিৰ চৰকাৰত দ্বি-নাগৰিকত্বৰ ব্যৱস্থা থকাৰ বাবেই আঞ্চলিক মনোভাৱ সম্প্ৰসাৰণ কৰি যুক্তৰাষ্ট্ৰক দুৰ্বল কৰি তুলিব পাৰে, যি জাতীয় স্বাৰ্থৰ বাবে মঙ্গলজনক নহয়।



চিন্তা-চৰ্চা কৰক ৮.১

ভাৰতবৰ্ষত দুই ধৰণৰ চৰকাৰ দেখা পোৱা যায়। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ। এইটো যুক্তৰাষ্ট্ৰীয় নে এককেন্দ্ৰীক চৰকাৰৰ বৈশিষ্ট্য ?

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ প্ৰত্যেক যুক্তৰাষ্ট্ৰৰে কেন্দ্ৰত এখন চৰকাৰ আৰু আন সাংবিধানিক গোটবোৰত এখনকৈ চৰকাৰ থাকে। (শুদ্ধ /অশুদ্ধ)

.....

প্ৰশ্ন নং ৫ ঃ যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত ৰাষ্ট্ৰখনৰ সংবিধান লিখিত আৰু কঠিন (অনমনীয়) হোৱাটো প্ৰয়োজনীয় নহয়। (শুদ্ধ /অশুদ্ধ)

.....

প্ৰশ্ন নং ৬ ঃ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যি পদ্ধতিৰ চৰকাৰত সংবিধানৰ সকলো ক্ষমতা এখন কেন্দ্ৰীয় চৰকাৰৰ হাতত কেন্দ্ৰীভূত হৈ থাকে তেনে চৰকাৰক এককেন্দ্ৰীক চৰকাৰ বোলা হয়।
- এককেন্দ্ৰীক চৰকাৰৰ বৈশিষ্ট্য হ'ল— একক চৰকাৰ, ক্ষমতাৰ কেন্দ্ৰীকৰণ, কেন্দ্ৰৰ নেতৃত্বাধীন প্ৰশাসনীয় গোট,লিখিত বা অলিখিত সংবিধান, নমনীয় সংবিধান, আইনসভাৰ প্ৰাধান্য, একক নাগৰিকত্ব।
- যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ ধৰণৰ চৰকাৰত কিছুমান স্বাধীন ৰাষ্ট্ৰ একগোট হৈ সাংবিধানিকভাৱে এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ সৃষ্টি কৰি নিজৰ স্বকীয়তা নেহেৰোৱাকৈ এক আভ্যন্তৰীণ প্ৰশাসনীয় ব্যৱস্থাৰ সৃষ্টি কৰে।
- যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্যসমূহ হ'ল— দুই ধৰণৰ চৰকাৰৰ সহাৱস্থান, সাংবিধানিকভাৱে ক্ষমতাৰ বিভাজন, সংবিধানৰ সৰ্বোচ্চতা, ন্যায়পালিকাৰ সৰ্বোচ্চতা, দ্বৈত নাগৰিকত্ব ইত্যাদি।



৮.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়।* গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*। যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*। গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কুলেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Agrawal, R.C (2006). *Political Theory-Principles of Political Science*. New Delhi: S.Chand and Company.

২) Asirvatham, Eddy & Misra, K.K. (2006). *Political Theory*. New Delhi:

S. Chand and Company.

৩) Kapur A.C (2006). *Principles of Political Science*. New Delhi: S. Chand and Company

৪) Mahajan V.D (2006). *Political Theory.* New Delhi :S. Chand and Company.

৮.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃশুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃঅশুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃক) একক চৰকাৰ। খ) ক্ষমতাৰ কেন্দ্ৰীকৰণ।

৪নং প্ৰশ্নৰ উত্তৰ ঃশুদ্ধ

৫নং প্ৰশ্নৰ উত্তৰ ঃঅশুদ্ধ

৬নং প্ৰশ্নৰ উত্তৰ ঃক) দুই ধৰণৰ চৰকাৰৰ সহাৱস্থান।

খ) যুক্তৰাষ্ট্ৰৰ সংবিধানখন লিখিত আৰু অনমনীয় অথবা কঠিন হোৱা উচিত।

৮.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ এককেন্দ্ৰীক পদ্ধতিৰ চৰকাৰৰ প্ৰচলন থকা দুখন দেশৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰৰ প্ৰচলন থকা দুখন দেশৰ নাম উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ এককেন্দ্ৰীক পদ্ধতিৰ চৰকাৰৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰৰ চাৰিটা গুণ উল্লেখ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ এককেন্দ্ৰীক পদ্ধতিৰ চৰকাৰৰ গুণ আৰু দোষসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

****

অধ্যায় ৯ ঃ চৰকাৰৰ প্ৰকাৰ— সংসদীয় আৰু ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ সংসদীয় আৰু ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ

৯.৩.১ সংসদীয় পদ্ধতিৰ চৰকাৰ (Parliamentary form of Government)

৯.৩.২ ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ (Presidential form of Government)

৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৫ অধিক জানিবলৈ

৯.৬ অগ্ৰগতিৰ খতিয়ান

৯.৭ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংসদীয় আৰু ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- সংসদীয় আৰু ৰাষ্ট্ৰপতীয় চৰকাৰৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পাৰিব।

৯.২ পৰিচয়

আগৰ অধ্যায়ত আমি এককেন্দ্ৰীক আৰু যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বিষয়ে আলোচনা কৰিলো। চৰকাৰক সংসদীয় আৰু ৰাষ্ট্ৰপতীয় চৰকাৰতো বিভক্ত কৰিব পাৰি। ব্ৰিটেইন আৰু ভাৰতবৰ্ষত সংসদীয় পদ্ধতিৰ চৰকাৰৰ প্ৰচলন দেখা যায়। আকৌ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰাজিলত ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰৰ প্ৰচলন দেখা যায়।

৯.৩ সংসদীয় আৰু ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ

কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ মাজৰ সম্পৰ্কৰ ওপৰত ভিত্তি কৰি গণতান্ত্ৰিক চৰকাৰক সংসদীয় আৰু ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰত বিভক্ত কৰা হৈছে।

৯.৩.১ সংসদীয় পদ্ধতিৰ চৰকাৰ (Parliamentary form of Goverment)

যি পদ্ধতিৰ চৰকাৰত বিধানমণ্ডলৰ সদস্যসকলৰ মাজৰ পৰা কাৰ্যপালিকা

বাচনি কৰা হয় আৰু কাৰ্যপালিকা বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হয়, তেনে চৰকাৰক সংসদীয় পদ্ধতিৰ চৰকাৰ বুলি কোৱা হয়। সংসদীয় চৰকাৰক মন্ত্ৰী পৰিষদীয় চৰকাৰো বোলা হয়। এই মন্ত্ৰীপৰিষদীয় চৰকাৰেই আচলতে ৰাষ্ট্ৰৰ প্ৰকৃত কাৰ্যপালিকা। এই চৰকাৰক দায়িত্বশীল চৰকাৰ বুলিও কোৱা হয়। কাৰণ, মন্ত্ৰী পৰিষদ তেওঁলোকৰ কাৰ্যাৱলীৰ বাবে বিধানমণ্ডলৰ ওচৰত প্ৰত্যক্ষভাৱে দায়বদ্ধ। ইয়াৰ উপৰিও সংসদীয় পদ্ধতিৰ চৰকাৰত দুই ধৰণৰ কাৰ্যপালিকা দেখা পোৱা যায়, অৰ্থাৎ ইয়াত চৰকাৰ প্ৰধান আৰু ৰাষ্ট্ৰপ্ৰধানৰ মাজত পাৰ্থক্য থাকে।

সংসদীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্যসমূহ : সংসদীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

- **দুই ধৰণৰ কাৰ্যপালিকা (Dual Executive) :** সংসদীয় পদ্ধতিৰ চৰকাৰত দুই ধৰণৰ কাৰ্যপালিকা থাকে, সেয়া হ'ল— প্ৰকৃত কাৰ্যপালিকা আৰু নামমাত্ৰ কাৰ্যপালিকা। নামমাত্ৰ কাৰ্যপালিকাই ৰাষ্ট্ৰৰ মুৰব্বী হিচাপে ৰাষ্ট্ৰক প্ৰতিনিধিত্ব কৰে। তেওঁ বংশানুক্ৰমিকভাৱে অথবা নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচিত হৈ বৈধভাৱে ৰাষ্ট্ৰৰ ক্ষমতাসমূহ লাভ কৰাৰ লগতে সাংবিধানিক সুবিধাসমূহ লাভ কৰে। কিন্তু প্ৰকৃতাৰ্থত ৰাষ্ট্ৰপতিৰ সকলো ক্ষমতা প্ৰধানমন্ত্ৰী নেতৃত্বাধীন মন্ত্ৰী পৰিষদে ব্যৱহাৰ কৰে। সংসদীয় পদ্ধতিৰ চৰকাৰত প্ৰধানমন্ত্ৰী হৈছে চৰকাৰ প্ৰধান। উদাহৰণস্বৰূপে, ইংলণ্ডৰ ৰজা বা ৰাণী হৈছে নামমাত্ৰ কাৰ্যপালিকা (ৰাষ্ট্ৰৰ মুৰব্বী)। অন্যহাতে প্ৰধানমন্ত্ৰী হৈছে প্ৰকৃত কাৰ্যপালিকা (চৰকাৰ প্ৰধান)।
- **সামূহিক দায়বদ্ধতা (Collective Responsibility) :** সংসদীয় পদ্ধতিৰ চৰকাৰৰ অন্য এটা বৈশিষ্ট্য হৈছে মন্ত্ৰী পৰিষদৰ সদস্যসকল সামূহিকভাৱে বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ। অৰ্থাৎ মন্ত্ৰী পৰিষদে লোৱা এটা সিদ্ধান্ত প্ৰতিজন সদস্যই সংসদৰ ভিতৰত অথবা বাহিৰত সমৰ্থন জনাবলৈ বাধ্য। যদি মন্ত্ৰী পৰিষদৰ কোনো এগৰাকী সদস্যৰ বিপক্ষে সংসদত অনাস্থা প্ৰস্তাৱ উত্থাপিত হয় আৰু গৃহীত হয় তেন্তে এই অনাস্থা গোটেই মন্ত্ৰী পৰিষদৰ হোৱা বুলি ধৰি লোৱা হয়। এনে ক্ষেত্ৰত মন্ত্ৰী পৰিষদে সামূহিকভাৱে পদত্যাগ কৰিবলৈ বাধ্য।
- **ব্যক্তিগত দায়বদ্ধতা (Individual Responsibility) :** সংসদীয় পদ্ধতিৰ চৰকাৰত মন্ত্ৰী পৰিষদৰ সদস্যসকল নিজৰ নিজৰ বিভাগৰ প্ৰশাসনৰ ক্ষেত্ৰত ব্যক্তিগতভাৱে দায়বদ্ধ। সংসদৰ সদস্যসকলে এনে ক্ষেত্ৰত নিৰ্দিষ্ট সদস্যজনৰ কাৰ্যাৱলীৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিব পাৰে আৰু সদস্যজনে তেওঁৰ বিভাগৰ বিভিন্ন আঁচনি আৰু কাৰ্যাৱলীৰ উত্তৰ দিবলৈ বাধ্য। উদাহৰণস্বৰূপে, ১৯৬২ চনৰ অক্টোবৰ মাহত চীনদেশে ভাৰত আক্ৰমণ কৰাৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰী ভি. কে. কৃষ্ণমেননে নিজৰ ব্যক্তিগত দায়িত্ব স্বীকাৰ কৰি মন্ত্ৰীপৰিষদৰ পৰা পদত্যাগ কৰিছিল।

- **কার্যপালিকা আৰু বিধানমণ্ডলৰ মাজৰ পাৰস্পৰিক সম্পর্ক (Close relationship between the Executive and Legislature) ঃ** সংসদীয় পদ্ধতিৰ চৰকাৰত বিধানমণ্ডল আৰু কার্যপালিকা ওতঃপ্রোতভাৱে জড়িত হৈ থাকে। কার্যপালিকাৰ প্রত্যেকজন সদস্যই বিধানমণ্ডলৰ সদস্য হোৱাটো বাধ্যতামূলক। যদি মন্ত্রীপৰিষদ (কার্যপালিকা)ৰ কোনো এজন সদস্য নিযুক্তিৰ সময়ত বিধানমণ্ডলৰ সদস্য হৈ নাথাকে তেতিয়াও তেওঁ এটা নির্দিষ্ট সময়ৰ ভিতৰত বিধানমণ্ডলৰ সদস্য হোৱাটো বাধ্যতামূলক। মন্ত্রী পৰিষদৰ সদস্যসকলে আইন প্রণয়ন কৰাৰ ক্ষেত্রতো সক্রিয়ভাৱে অংশগ্রহণ কৰিব পাৰে। আনহাতে, মন্ত্রী পৰিষদৰ কার্যকাল বিধানমণ্ডলৰ আস্থাৰ ওপৰত নির্ভৰ কৰে।
- **ৰাজনৈতিক সগোত্রতা (Political Homogeneity) ঃ** ৰাজনৈতিক সগোত্রতা মানে হৈছে মন্ত্রী পৰিষদৰ প্রত্যেকজন সদস্য একেটা ৰাজনৈতিক দলৰ সদস্য হোৱাৰ লগতে একে ৰাজনৈতিক আদর্শৰে অনুপ্রাণিত হোৱা দলৰ সদস্য হ'ব লাগে। সাধাৰণতে, সংসদৰ সংখ্যাগৰিষ্ঠ দলৰ সদস্যৰ মাজৰ পৰা মন্ত্রী পৰিষদৰ সদস্যসকলক বাচনি কৰা হয়। কিন্তু কোনো সময়ত কোনো এটা নির্দিষ্ট দলে বিধানমণ্ডলত সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰিলে ৰাজনৈতিক সগোত্রতাৰ অভাৱ দেখা পোৱা যায়। এনে ক্ষেত্রত, একে আদর্শৰে পুষ্ট দলসমূহে মিত্রজোট গঠন কৰিব পাৰে। ইংলণ্ডত এনেধৰণৰ চৰকাৰক জাতীয় চৰকাৰ (National Government) বোলা হয়।
- **পদ্ধতিগত গোপনীয়তা (Secrecy of Procedure) ঃ** সংসদীয় পদ্ধতিৰ চৰকাৰত পদ্ধতিগত গোপনীয়তায়ো এক বিশেষ স্থান দখল কৰে। মন্ত্রী পৰিষদৰ কোনো সদস্যই সামূহিকভাৱে অথবা আন কোনো ধৰণেও মন্ত্রীপৰিষদৰ আলোচিত বিষয়সমূহৰ ক্ষেত্রত গোপনীয়তা ভংগ কৰিব নোৱাৰে। এনে নিয়ম ভঙ্গ কৰিলে মন্ত্রী গৰাকীক সংসদীয় নিয়মানুৱর্তিতা ভংগ কৰাৰ দোষত দোষী সাব্যস্ত কৰি মন্ত্রী পৰিষদৰ পৰা বর্খাস্ত কৰিব পাৰে।
- **প্রধানমন্ত্রীৰ নেতৃত্ব (Leadership of the Prime Minister) ঃ** প্রধানমন্ত্রী হৈছে সংসদীয় পদ্ধতিৰ চৰকাৰৰ স্বীকৃতিপ্রাপ্ত নেতা। সাধাৰণতে, বিধানমণ্ডলৰ নিম্নসদনৰ সংখ্যাগৰিষ্ঠ দলৰ নেতাজনক প্রধানমন্ত্রী হিচাপে নিযুক্তি দিয়া হয়। ফলস্বৰূপে, তেওঁ সেই সদনৰো নেতা হিচাপে স্বীকৃতি লাভ কৰে। প্রধানমন্ত্রীজন হৈছে মন্ত্রীপৰিষদৰ সর্বাধিনায়ক। তেওঁ দপ্তৰসমূহ বিতৰণ কৰাৰ লগতে নিজ ইচ্ছামতে কোনো সদস্যৰ পৰা দপ্তৰৰ দায়িত্ব কর্তন কৰিব পাৰে আৰু নতুন সদস্যক মন্ত্রীপৰিষদত অন্তর্ভুক্ত কৰিব পাৰে।

সংসদীয় পদ্ধতিৰ চৰকাৰৰট গুণসমূহ ঃ

সংসদীয় পদ্ধতিৰ চৰকাৰৰ কিছুমান গুণ তলত উল্লেখ কৰা হ'ল-

- সংসদীয় পদ্ধতিৰ চৰকাৰত বিধানমণ্ডল আৰু কাৰ্যপালিকাৰ মাজত ঘনিষ্ঠ সম্পৰ্ক থকাৰ বাবে শাসনকাৰ্য সুচাৰুৰূপে পৰিচালিত হয়। মন্ত্ৰীপৰিষদে বিভিন্ন নীতি আৰু আঁচনি ক্ষিপ্ৰভাৱে প্ৰস্তুত কৰিব পাৰে।
- সংসদীয় পদ্ধতিৰ চৰকাৰ স্বেচ্ছাচাৰী হ'ব নোৱাৰে। কাৰণ, মন্ত্ৰী পৰিষদ নিজৰ কাম কাজৰ বাবে বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ।
- সংসদীয় পদ্ধতিৰ চৰকাৰত বিকল্প চৰকাৰ গঠন কৰাৰ সুবিধা থাকে। যদি সংসদৰ সংখ্যাগৰিষ্ঠ দলে সংখ্যাগৰিষ্ঠতা হেৰুৱায়, তেন্তে বিৰোধী দলে চৰকাৰ গঠন কৰিব পাৰে। কিন্তু, ই সংসদত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰাটো বাধ্যতামূলক।
- নমনীয়তা সংসদীয় পদ্ধতিৰ চৰকাৰৰ এটা গুণ। জনসাধাৰণে সহজতে চৰকাৰ সলনি কৰিব পাৰে আৰু জৰুৰী অৱস্থাৰ সময়ত বিকল্প নেতাও চয়ন কৰিব পাৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ইংলণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে চেম্বাৰলিনৰ ঠাইত চাৰ্চিলক কোনো অসুবিধা নোহোৱাকৈ বাচনি কৰা হৈছিল।
- সংসদীয় পদ্ধতিৰ চৰকাৰৰ শিক্ষামূলক উপকাৰিতাও যথেষ্ট পৰিমাণে দেখা পোৱা যায়। ৰাজনৈতিক দলসমূহে গুৰুত্বপূৰ্ণ বিষয়ত ৰাজনৈতিক সভা-সমিতি পাতি জনমত গঠন কৰিব পাৰে। নিৰ্বাচনৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলে নিজৰ আঁচনিসমূহ ৰাজনৈতিক ইস্তাহাৰৰ জৰিয়তে প্ৰকাশ কৰিব পাৰে।

সংসদীয় পদ্ধতিৰ চৰকাৰৰ দোষসমূহ ঃ

সংসদীয় পদ্ধতিৰ চৰকাৰৰ কিছুমান দোষ তলত উল্লেখ কৰা হৈছে-

- সংসদীয় পদ্ধতিৰ চৰকাৰত ক্ষমতাৰ পৃথকীকৰণ নীতি দেখা পোৱা নাযায়। গতিকে মন্ত্ৰী পৰিষদৰ হাততেই বিধায়িনী ক্ষমতা আৰু কাৰ্যকৰী ক্ষমতা ন্যস্ত থাকে। যাৰ ফলত এনে শাসন ব্যৱস্থা স্বেচ্ছাচাৰী হৈ পৰিব পাৰে। ইয়াক মন্ত্ৰী পৰিষদৰ একনায়কত্ববাদ আখ্যা দিব পাৰি।
- সংসদীয় পদ্ধতিৰ চৰকাৰত কাৰ্যপালিকাই আইন প্ৰণয়নৰ কাম কাজত অংশ গ্ৰহণ কৰাৰ উপৰিও অপ্ৰয়োজনীয় আৰু অধিকভাৱে বিধানমণ্ডলৰ কাম কাজতো অংশ গ্ৰহণ কৰা দেখা পোৱা যায়। ঠিক একেদৰে, বিধানমণ্ডলেও কাৰ্যপালিকাৰ প্ৰশাসনীয় কাম কাজত অপ্ৰয়োজনীয়ভাৱে হস্তক্ষেপ কৰে। এনেক্ষেত্ৰত, বিধানমণ্ডল আৰু কাৰ্যপালিকা দুয়োটাই যোগ্যতাহীন হৈ পৰিব পাৰে।
- সংসদীয় পদ্ধতিৰ চৰকাৰত যদি কোনো এটা ৰাজনৈতিক দলেও বিধানমণ্ডলত সুস্পষ্ট বহুমত সাব্যস্ত কৰিব নোৱাৰে আৰু ফলত মিত্ৰজোঁটৰ চৰকাৰ (coalition government) গঠিত হয়, তেনে চৰকাৰ বেছি দিন টিকি নথকাৰ ওপৰিও নিষ্ক্ৰিয় ধৰণৰ হৈ পৰা দেখা যায়।
- সংসদীয় পদ্ধতিৰ চৰকাৰক আমোলা- বিষয়াসকলৰ চৰকাৰ বুলি সমালোচনা কৰিব পাৰি। মন্ত্ৰীসকলৰ বিভাগীয় অজ্ঞতাৰ বাবে আমোলা-বিষয়াসকলৰ ওপৰত

অধিক পৰিমাণে নিৰ্ভৰশীল হৈ পৰে। গতিকে, কাৰ্যতঃ এনে চৰকাৰ আমোলাতান্ত্ৰিক চৰকাৰ হৈ পৰে।

- সংসদীয় পদ্ধতিৰ চৰকাৰ বহুসময়ত নিৰ্বাচন কেন্দ্ৰীক হৈ পৰা দেখা যায়। ইয়াত প্ৰতিটো ৰাজনৈতিক দলৰেই লক্ষ্য হৈ পৰে কেৱল নিৰ্বাচনত জয়লাভ কৰা। ভোটাৰসকলক অভিসাধন (manipulation) কৰিবলৈ ৰাজনৈতিক দলবোৰে প্ৰতিমুহূৰ্ত্ততে চেষ্টা কৰে, যাক ভোট বেংক (vote bank)ৰ ৰাজনীতি বুলি জনা যায়।



জানি থোৱা ভাল

ব্ৰিটেইন হৈছে সংসদীয় গণতন্ত্ৰৰ উৎকৃষ্ট উদাহৰণ। আনুষ্ঠানিক অথবা সাংবিধানিক ভাৱে সংসদীয় পদ্ধতিৰ চৰকাৰৰ বিকাশ ঘটা নাই। ওঠৰ শতিকাৰ প্ৰথমাৰ্দ্ধত আধুনিক সংসদীয় পদ্ধতিৰ চৰকাৰৰ ভেঁটি স্থাপন হয় ব্ৰিটেইনত। আধুনিক সময়ত এই ধৰণৰ চৰকাৰ ব্ৰিটেইন , অষ্ট্ৰেলিয়া, বেলজিয়াম, ডেনমাৰ্ক, নেদাৰলেণ্ড,জাপান আৰু ভাৰতবৰ্ষ ইত্যাদি দেশত দেখিবলৈ পোৱা যায়।



চিন্তা-চৰ্চা কৰক ৯.১

যেতিয়া সংসদৰ অধিবেশন বহে, ইয়াৰ কাৰ্যাৱলী প্ৰতিদিনে দূৰদৰ্শনত বিশেষ অনুষ্ঠান হিচাপে প্ৰচাৰ কৰা হয়। এই কাৰ্যাৱলীবোৰ চাই অথবা বাতৰিকাকত পঢ়ি মন্ত্ৰীসকলে সাংসদসকলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়াৰ প্ৰক্ৰিয়াটো পৰ্যবেক্ষণ কৰিব। ইয়াৰ দ্বাৰাই মন্ত্ৰীসকলৰ সংসদৰ ওচৰত থকা ব্যক্তিগত দায়বদ্ধতাৰ বিষয়ে জানিব পাৰিব।

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সংসদীয় পদ্ধতিৰ চৰকাৰত কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ মাজত ঘনিষ্ঠ সম্পৰ্ক থাকে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ ঃ সংসদীয় পদ্ধতিৰ চৰকাৰত দ্বৈত কাৰ্যপালিকাৰ অৱস্থিতি দেখা পোৱা নাযায় । (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ সংসদীয় পদ্ধতিৰ চৰকাৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

৯.৩.২ ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ (Presidential form of Government)

যি গণতান্ত্ৰিক পদ্ধতিত কাৰ্যপালিকা সাংবিধানিকভাৱে বিধানমণ্ডলৰ পৰা স্বাধীন, তেনে পদ্ধতিৰ চৰকাৰ হৈছে ৰাষ্ট্ৰপতি শাসিত অথবা ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ। এনে শাসন ব্যৱস্থাত ৰাষ্ট্ৰ প্ৰধানজনেই চৰকাৰ প্ৰধান। তেওঁক ৰাষ্ট্ৰপতি বুলি কোৱা হয়।

ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰৰ বৈশিষ্ট্য ঃ ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰৰ মুখ্য বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হৈছে—

- **ক্ষমতাৰ পৃথকীকৰণ (Separation of Powers) ঃ** ক্ষমতাৰ পৃথকীকৰণ ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰৰ এটা বৈশিষ্ট্য। এই পদ্ধতিত কাৰ্যপালিকা আৰু বিধানমণ্ডল পৃথক আৰু নিজৰ নিজৰ কাৰ্যক্ষেত্ৰত স্বাধীন।চৰকাৰৰ এই দুয়োবিধ অংগই সমমৰ্যাদা লাভ কৰে। ৰাষ্ট্ৰপতি আৰু তেওঁৰ সচিবালয়ৰ সদস্যসকল বিধানমণ্ডলৰ সদস্য নোহোৱাৰ বাবে বিধানমণ্ডলৰ ওচৰত তেওঁলোক প্ৰত্যক্ষভাৱে দায়বদ্ধ নহয়। বিধানমণ্ডলেও অনাস্থা প্ৰস্তাৱ যোগে কাৰ্যপালিকাক অপসাৰণ কৰিব নোৱাৰে।
- **অৱৰোধন আৰু সন্তুলন (Checks and Balances) ব্যৱস্থা ঃ** ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰত ক্ষমতাৰ পৃথকীকৰণ সম্পূৰ্ণৰূপে সম্ভৱ নহয়। ফলত, এই পদ্ধতিত ক্ষমতাৰ পৃথকীকৰণৰ লগে লগে অৱৰোধন আৰু সন্তুলন (Checks and Balances) ব্যৱস্থা দেখা পোৱা যায়। উদাহৰণস্বৰূপে 'পাৱাৰ অৱ পেট্ৰ'নেজ' (Power of Patronage) আৰু নিষেধাধীকাৰ বা ভেটো (Veto Power) ক্ষমতা প্ৰয়োগ কৰি বিধানমণ্ডলক নিয়ন্ত্ৰণ কৰিব পাৰে। একেদৰে, বিধানমণ্ডলেও ***মহাভিযোগ*** (impeachment) প্ৰস্তাৱযোগে ক্ষমতাৰ পৰা ৰাষ্ট্ৰপতিক অপসাৰিত কৰিব পাৰে। উচ্চতম ন্যায়ালয়েও বিধানমণ্ডলে গ্ৰহণ কৰা আইন আৰু ৰাষ্ট্ৰপতিৰ আদেশক বিধিগতভাৱে অসাংবিধানিক বুলি ঘোষণা কৰিব পাৰে।
- **একক কাৰ্যপালিকা (Single Executive) ঃ** ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰত ৰাষ্ট্ৰপতিজনেই ৰাষ্ট্ৰৰো প্ৰধান আৰু চৰকাৰৰো প্ৰধান। তেওঁ অকল নামমাত্ৰ মুৰব্বীয়েই নহয়, প্ৰকৃত শাসনকৰ্তাও যি প্ৰকৃত কাৰ্যকৰী ক্ষমতা প্ৰয়োগ কৰিব পাৰে।



মহাভিযোগ (Impeachment) ঃ ই এটা সাংবিধানিক ব্যৱস্থা, যাৰ জৰিয়তে কৰ্তব্যৰত উচ্চপদস্থ চৰকাৰী বিষয়াক কাৰ্যালয়ত কৰা অসদাচৰণৰ বাবে অভিযুক্ত কৰা হয়।

- **ৰাষ্ট্ৰপতিৰ স্থায়ী কাৰ্যকাল (Fixed Term of the President) ঃ** ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰত ৰাষ্ট্ৰপতিজন এটা নিৰ্দিষ্ট সময়ৰ বাবে নিৰ্বাচিত হৈ আহে। সংবিধান অৱমাননা কৰাৰ বাবে মহাভিযোগ প্ৰস্তাৱ অবিহনে এই নিৰ্দিষ্ট কাৰ্যকালত তেওঁক অপসাৰিত কৰিব নোৱাৰি।
- **ৰাষ্ট্ৰপতিৰ প্ৰাধান্যতা (Pre-eminence of the President) ঃ** ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰত ৰাষ্ট্ৰপতিয়ে বিশেষ প্ৰাধান্য লাভ কৰে। মন্ত্ৰীপৰিষদৰ সদস্যসকলক সচিব (Secretary) বুলি কোৱা হয়। তেওঁলোক ৰাষ্ট্ৰপতিৰ সতীর্থ নহয়; ৰাষ্ট্ৰপতিৰ তলত তেওঁলোকে কাম কৰে। সচিবসকলে প্ৰশাসনৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিক সহায় সহযোগ আগবঢ়ায়। এই সচিবসকলক ৰাষ্ট্ৰপতিয়ে যোগ্যতা অনুসৰি নিযুক্তি দিয়ে আৰু তেওঁলোকৰ উপদেশ মানি চলিবও পাৰে অথবা অস্বীকাৰো কৰিব পাৰে। বৰ্তমান ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰাজিল ইত্যাদি দেশত দেখা পোৱা যায়।

ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰৰ গুণসমূহ ঃ

ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰৰ গুণসমূহ তলত উল্লেখ কৰা হ'ল-

- ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰক এটা স্থিৰ চৰকাৰ আখ্যা দিব পাৰি। ইয়াত ৰাষ্ট্ৰপতি গৰাকী এটা নিৰ্দিষ্ট কাৰ্যকালৰ বাবে নিৰ্বাচিত কৰা হয়। তেওঁৰ বিৰুদ্ধে মহাভিযোগ প্ৰস্তাৱটিও কাৎচিতহে ব্যৱহাৰ কৰা হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে এক দীৰ্ঘম্যাদী আৰু গতিশীল আঁচনি প্ৰস্তুত কৰিব পাৰে।
- চৰকাৰৰ তিনিটা অংগৰ মাজত ক্ষমতাৰ পৃথকীকৰণ (separation of power) ৰ লগতে অৱৰোধন আৰু সন্তুলন (checks and balances) ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰৰ এটা প্ৰধান বৈশিষ্ট্য হোৱাৰ বাবে কোনো এটা অংগই স্বেচ্ছাচাৰী হৈ উঠিব নোৱাৰে। এই পদ্ধতিৰ চৰকাৰত ব্যক্তিগত স্বাধীনতা ৰক্ষিত হয়।
- ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰত ৰাজনৈতিক দল নিৰ্বিশেষে দেশৰ অভিজ্ঞ আৰু যোগ্য ব্যক্তিক বিভিন্ন বিভাগৰ মুৰব্বী হিচাপে ৰাষ্ট্ৰপতিজনে নিযুক্তি দিয়া বাবে প্ৰশাসন কাৰ্য অতি দক্ষতাৰে পৰিচালিত হয়।
- জৰুৰীকালীন অৱস্থাৰ সময়ত ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ অতিশয় উপযোগী। এই চৰকাৰে কোনোধৰণৰ সমস্যা নোহোৱাকৈ জাতীয় জৰুৰী অৱস্থাৰ মুখামুখী হ'ব পাৰে। যিহেতু ৰাষ্ট্ৰপতিজন মন্ত্ৰীসভা বা বিধানমণ্ডলৰ ওচৰত নিৰ্ভৰশীল নহয়, সেয়েহে জৰুৰীকালীন অৱস্থাত ই অতি সোনকালে সকলো সিদ্ধান্ত ল'ব পাৰে।
- সংসদীয় পদ্ধতিৰ তুলনাত ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ ৰাজনৈতিক দলবোৰৰ প্ৰভাৱৰ পৰা বহু পৰিমাণে মুক্ত। প্ৰশাসনীয় সকলোবোৰ ক্ষমতা ৰাষ্ট্ৰপতিগৰাকীৰ হাতত ন্যস্ত হয়। সকলো ক্ষেত্ৰতে ৰাষ্ট্ৰপতিগৰাকী সংসদৰ সদস্যসকলৰ ওপৰত

নির্ভৰশীল নোহোৱাৰ বাবে এই পদ্ধতিৰ চৰকাৰক ভাল চৰকাৰ আখ্যা দিব পাৰি।

ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰৰ দোষসমূহ ঃ

ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰৰ দোষসমূহ তলত উল্লেখ কৰা হ'ল—

- এই পদ্ধতিৰ চৰকাৰত কার্যপালিকা আৰু বিধানমণ্ডলৰ মাজত ক্ষমতা পৃথকীকৰণ নীতি প্রযোজ্য। যদি বিধানমণ্ডলত বিৰোধী দলৰ সংখ্যাগৰিষ্ঠতা থাকে তেন্তে ৰাষ্ট্ৰপতি আৰু বিধানমণ্ডলৰ মাজত সংঘর্ষৰ সূত্রপাত ঘটিব পাৰে যাৰ ফলত ৰাজহুৱা স্বার্থ বিঘ্নিত হোৱাৰ সম্ভাৱনা থাকে।
- ৰাষ্ট্ৰপতি প্রধান চৰকাৰ স্বেচ্ছাচাৰী হোৱাৰ ভয় থাকে। কাৰণ, ৰাষ্ট্ৰপতিক বিধানমণ্ডলে নিয়ন্ত্রণ কৰিব নোৱাৰে। যদিও, মহাভিযোগ প্রস্তাৱৰ জৰিয়তে বিধানমণ্ডলে ৰাষ্ট্ৰপতিজনক ক্ষমতাৰ পৰা অপসাৰণ কৰিব পাৰে তথাপিও অসাধাৰণ অৱস্থাতহে এই প্রস্তাৱ উত্থাপন কৰিব পাৰি।
- মন্ত্রীত্ব লাভৰ বাবে এগৰাকী ব্যক্তিয়ে ৰাষ্ট্ৰপতিগৰাকীৰ প্রতি ব্যক্তিগত আনুগত্য প্রকাশ কৰিবলগীয়া হয়। সেইবাবে, এগৰাকী ব্যক্তিৰ যোগ্যতা আৰু অভিজ্ঞতা মাজে সময়ে অৱহেলিত হোৱা পৰিলক্ষিত হয়।
- ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ বৰ জটিল হয়। এই শাসন ব্যৱস্থাত বিভিন্ন কমিটি, কমিছন আদিৰ জৰিয়তে চৰকাৰী কার্য পৰিচালিত হয়।



জানি থোৱা ভাল

আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰ ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰৰ এক উৎকৃষ্ট উদাহৰণ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধান প্রণেতাসকল চৰকাৰৰ তিনিটা বিভাগক ক্রমে ৰাষ্ট্ৰপতি (কার্যপালিকা), কংগ্রেছ (বিধানমণ্ডল) আৰু উচ্চতম ন্যায়ালয় (ন্যায়পালিকা) হিচাপে ভাগ কৰিছে আৰু প্রতিটো অংগই বাকী দুটাৰ পৰা পৃথক আৰু স্বাধীন আৰু সাংবিধানিক কর্তৃত্বসমূহ লাভ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ক্ষমতাৰ পৃথকীকৰণ নীতি ৰাষ্ট্ৰপতি প্রধান চৰকাৰৰ এটা বৈশিষ্ট্য। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৫ ঃ আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতি প্রধান চৰকাৰৰ প্রচলন আছে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৬ ঃ ৰাষ্ট্ৰপতি প্ৰধান চৰকাৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যি পদ্ধতিৰ চৰকাৰত বিধানমণ্ডলৰ সদস্যসকলৰ মাজৰ পৰা কাৰ্যপালিকা বাচনি কৰা হয় আৰু কাৰ্যপালিকা বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হয়, তেনে চৰকাৰক সংসদীয় পদ্ধতিৰ চৰকাৰ বুলি কোৱা হয়। সংসদীয় চৰকাৰক মন্ত্ৰী পৰিষদীয় চৰকাৰো বোলা হয়।
- সংসদীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্যসমূহ হ'ল— দুই ধৰণৰ কাৰ্যপালিকা, ব্যক্তিগত দায়বদ্ধতা, কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক, ৰাজনৈতিক সগোত্ৰতা, পদ্ধতিগত গোপনীয়তা, প্ৰধানমন্ত্ৰীৰ নেতৃত্ব।
- যি গণতান্ত্ৰিক পদ্ধতিত কাৰ্যপালিকা সাংবিধানিকভাৱে বিধানমণ্ডলৰ পৰা স্বাধীন, তেনে পদ্ধতিৰ চৰকাৰ হৈছে ৰাষ্ট্ৰপতি শাসিত চৰকাৰ।
- ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্য হ'ল— ক্ষমতাৰ পৃথকীকৰণ, একক কাৰ্যপালিকা, ৰাষ্ট্ৰপতিৰ স্থায়ী কাৰ্যকাল, ৰাষ্ট্ৰপতিৰ প্ৰাধান্যতা।



৯.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ব পৰিচয়।* গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ব।* যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ব।* গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কুলেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ব।* গুৱাহাটীঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Agrawal, R.C. (2006). Political Theory-Principles of Political Sciences. New Delhi : S.Chand and Company.

২) Asirvatham, Eddy & Misra, K.K. (2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur A.C (2006). *Principles of Political Science*. New Delhi: S. Chand

and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.



৯.৬ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃশুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃঅশুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃক) দ্বৈত কাৰ্যপালিকা।

খ) সামূহিক দায়বদ্ধতা।

৪নং প্ৰশ্নৰ উত্তৰ ঃশুদ্ধ

৫নং প্ৰশ্নৰ উত্তৰ ঃশুদ্ধ

৬নং প্ৰশ্নৰ উত্তৰ ঃক) ক্ষমতাৰ পৃথকীকৰণ।

খ) একক কাৰ্যপালিকা।



৯.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ দ্বৈত কাৰ্য্যপালিকা কি পদ্ধতিৰ চৰকাৰৰ বৈশিষ্ট্য ?

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰ প্ৰচলন থকা এখন দেশৰ নাম উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সংসদীয় পদ্ধতিৰ চৰকাৰৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সংসদীয় পদ্ধতিৰ চৰকাৰৰ গুণ আৰু দোষসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰপতীয় পদ্ধতিৰ চৰকাৰৰ গুণ আৰু দোষসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ ৰাজনৈতিক দল

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ৰাজনৈতিক দলৰ অর্থ আৰু বৈশিষ্ট্য

১০.৩.১ ৰাজনৈতিক দলৰ অর্থ

১০.৩.২ ৰাজনৈতিক দলৰ বৈশিষ্ট্য

১০.৪ ৰাজনৈতিক দলৰ প্ৰকাৰ

১০.৫ ৰাজনৈতিক দলৰ কার্য্যাৱলী

১০.৬ ৰাজনৈতিক দলৰ গুৰুত্ব

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্ৰগতিৰ খতিয়ান

১০.১০ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজনৈতিক দলৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক দলৰ প্ৰকাৰ ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক দলৰ বৈশিষ্ট্য আৰু কার্য্যাৱলী আলোচনা কৰিব পাৰিব
- ৰাজনৈতিক দলৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

যিকোনো ৰাজনৈতিক ব্যৱস্থাত ৰাজনৈতিক দলসমুহ হৈছে এটা অবিচ্ছেদ্য অংশ। চৌদি আৰব আৰু কিছুমান সামৰিক একনায়কত্ববাদী দেশৰ বাহিৰে পৃথিৰীৰ সকলো ঠাইতে ৰাজনৈতিক দলৰ অৱস্থিতি লক্ষ্য কৰা যায়। ই জনসাধাৰণ আৰু শাসকৰ মাজত এক প্ৰকাৰৰ যোগসূত্ৰ ৰক্ষাকাৰীৰ ভূমিকা পালন কৰে। ৰাজনৈতিক দলবোৰ চৰকাৰী কাম-কাজবোৰ মসৃনভাৱে চলোৱাৰ কাৰণে দৰকাৰী বিশেষকৈ গণতান্ত্রিক ৰাজনৈতিক ব্যৱস্থাসমূহত এই দলবোৰ অতিকৈ দৰকাৰী। অইন অর্থত ক'বলৈ গ'লে, গণতন্ত্র আৰু ৰাজনৈতিক দলসমূহ ইটো সিটোৰ পৰিপূৰক আৰু এটা মুদ্রাৰ ইপিঠি-সিপিঠি বুলি ক'ব পাৰি। ৰাজনৈতিক দল অবিহনে কোনো গণতান্ত্রিক চৰকাৰে সুচাৰুৰূপে কাম সম্পন্ন কৰিব নোৱাৰে।

গণতান্ত্রিক চৰকাৰৰ কাম-কাজক ৰাজনৈতিক দলসমূহে এটা নতুন দিশ প্রদান কৰিছে। ৰাজনৈতিক দলবোৰৰ জৰিয়তে নাগৰিকসকলে তেওঁলোকৰ দাবী আৰু আশাবোৰৰ কথা প্রকাশ কৰিব পাৰে। সেয়েহে ৰাজনৈতিক দলবোৰৰ বিভিন্ন দিশ সম্পর্কে আমি জনাটো প্রয়োজনীয়। এই অধ্যায়ত, ৰাজনৈতিক দলবোৰৰ বিষয়ে প্রাথমিক ধাৰণাসমূহ দাঙি ধৰাৰ কাৰণে এটা প্রয়াস কৰা হৈছে।

১০.৩ ৰাজনৈতিক দলৰ অর্থ আৰু বৈশিষ্ট্য

১০.৩.১ ৰাজনৈতিক দলৰ অর্থ

ৰাজনীতি বিজ্ঞানত অতীতৰপৰা বর্তমানলৈকে ৰাজনৈতিক দলবোৰৰ ওপৰত কৰা অধ্যয়নে এক গুৰুত্বপূর্ণ স্থান গ্রহণ কৰি আহিছে। সি যি কি নহওঁক, সাম্প্রতিক সময়ত , ৰাজনৈতিক দলসমূহৰ অধ্যয়নৰ বিষয়টো যথেষ্ট পৰিমানে আকর্ষণীয় হিচাপে পৰিগণিত হৈছে যাৰ কাৰণে ৰাজনীতি বিজ্ঞানীসকলে ৰাজনৈতিক দলবোৰৰ ওপৰত কৰা অধ্যয়নৰ বাবে 'ষ্টেচিঅ'লজি' (stasiology) নামৰ এটা নতুন শব্দ প্রচলন কৰিছে।



জানি থোৱা ভাল

ষ্টেচিঅ'লজিঃ এইটো এটা শব্দ যিটোৱে দলীয় ৰাজনীতিৰ বিজ্ঞানসম্মত অধ্যয়নক বুজায় । ইংগ্রীক শব্দ 'ষ্টেচিচ'ৰ পৰা উদ্ভাৱন হৈছে। ষ্টেচিঅ'লজিয়ে দলীয় ৰাজনীতিৰ বিষয়ে বিজ্ঞানসম্মত অধ্যয়ন কৰে আৰু বিষয়টোৰ পুঙ্খানুপুঙ্খ অধ্যয়নৰ স্বার্থত ৰাজনৈতিক দলবোৰৰ ভিতৰত থকা বিভিন্ন গোট আৰু ভাগৰ ওপৰত বিশেষ গুৰুত্ব প্রদান কৰে।

সাধাৰণভাৱে, ৰাজনৈতিক দল হৈছে সমভাবাপন্ন মানুহৰ দ্বাৰা গঠিত এটা সংগঠন যাৰ উমৈহতীয়া লক্ষ্য, আদর্শ আৰু বিশ্বাস থাকে আৰু যিটোৱে সাংবিধানিক পদ্ধতিৰ জৰিয়তে ৰাজনৈতিক ক্ষমতা আহৰণ কৰিবলৈ বিচাৰে। কিছুমান উমৈহতীয়া ৰাজনৈতিক কার্যসূচীৰ জৰিয়তে তেওঁলোকে গৰিষ্ঠসংখ্যক ভোটাৰ ৰাইজৰ সমর্থন আদায় কৰিবলৈ বিচাৰে আৰু একক ভাৱে নতুবা আন ৰাজনৈতিক দলৰ সৈতে মর্চা গঠন কৰি হ'লেও চৰকাৰ গঠন কৰিব বিচাৰে। সেয়েহে ৰাজনৈতিক ক্ষমতা হস্তগত কৰি চৰকাৰ গঠন কৰাটোৱে হৈছে প্রতিটো ৰাজনৈতিক দলৰ একমাত্র লক্ষ্য।

ৰাজনৈতিক দলবোৰৰ সংজ্ঞাক বিচাৰ কৰি বিভিন্ন পণ্ডিতে বিভিন্ন সূত্র আগবঢ়াইছে। তাৰে কেইটামান তলত দিয়া হ'লঃ

- ব্রিটিছ-আইৰিচ ৰাজনীতিবিদ এডমাণ্ড বার্কেৰ মতে, "ৰাজনৈতিক দল হৈছে কিছুমান মানুহৰ সমষ্টি যিসকলে তেওঁলোকৰ যৌথ উদ্দেশ্যবোৰ ৰাজহুৱা স্বার্থত তেওঁলোক সকলোৱে বিশ্বাস কৰা নীতিৰ দ্বাৰা ৰূপায়িত কৰিবলৈ ইচ্ছা কৰে।"

- আমেৰিকাৰ পণ্ডিত আৰ. জি. গেটেলৰ মতে, "ৰাজনৈতিক দল হৈছে কিছুমান নাগৰিকৰ সমষ্টি যিসকলে কম-বেছি পৰিমাণে সংগঠিত আৰু এটা ৰাজনৈতিক গোট হিচাপে আচৰণ কৰে তথা যিসকলে ভোট দিয়াৰ ক্ষমতাৰ জৰিয়তে চৰকাৰক নিয়ন্ত্রণ কৰাৰ লক্ষ্য ৰাখে আৰু তেওঁলোকৰ সাধাৰণ কৰ্মসূচীসমূহ আগবঢ়াই দিয়ে"।
- ব্রিটিছ পণ্ডিত আৰ. এম. মেকাইভাৰে কৈছিল, "ৰাজনৈতিক দল হৈছে এটা অনুষ্ঠান যিটো কিছুমান নীতিৰ বা আদর্শৰ সমর্থনত সাংবিধানিক উপায়েৰে সংগঠিত হয় আৰু ই চৰকাৰ গঠন কৰিবলৈ চেষ্টা কৰে।"
- আমেৰিকাৰ পণ্ডিত আৰ. এন. গিলখ্রাইষ্টে কৈছে, "ৰাজনৈতিক দল হৈছে সংগঠিত নাগৰিকৰ গোটৰ দ্বাৰা গঠিত দল যিটোৱে একে ৰাজনৈতিক মত গ্রহণ কৰে আৰু যিয়ে এটা ৰাজনৈতিক গোট হিচাপে কার্য্য কৰে আৰু চৰকাৰখনক নিয়ন্ত্রিত কৰিবলৈ চেষ্টা কৰে।"
- কানাডাৰ পণ্ডিত ষ্টিফেন লিককৰ মতে ৰাজনৈতিক দল "প্রধানত সংগঠিত এদল নাগৰিকৰ গোট যিয়ে এটা ৰাজনৈতিক গোট হিচাপে একেলগে কাম কৰে। ৰাজহুৱা স্বার্থজড়িত বিষয়ত তেওঁলোকে একেধৰণৰ মতামত গ্রহণ আৰু প্রকাশ কৰে আৰু তেওঁলোকৰ ভোটদানৰ ক্ষমতাৰ জৰিয়তে চৰকাৰৰ নিয়ন্ত্রণ নিজৰ হাতত ৰাখিব খোজে।"
- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী হেৰল্ড লাছৱেলৰ মতে, "ৰাজনৈতিক দল হৈছে এটা সংগঠন যিটোৱে বিশেষভাৱে নির্বাচনৰ সময়ত নিজৰ নামত প্রার্থী আৰু নীতিসমূহ দাঙি ধৰে।"
- ফৰাচী আইনজ্ঞ এম. ডাভার্জাৰৰ মতে " এটা ৰাজনৈতিক ব্যৱস্থাৰ ভিতৰত ক্ষমতা আহৰণ কৰা আৰু অংশ লোৱা সংগঠিত গোটসমূহক ৰাজনৈতিক দল বোলে।"

ওপৰোক্ত সংজ্ঞাসমূহৰ এইটো স্পষ্ট হয় যে ৰাজনৈতিক দল হৈছে কিছুমান মানুহৰ সমষ্টি যাৰ। নিজা বিশ্বাস, নিয়ম আৰু নীতি থাকে আৰু যিবোৰৰ ইটোৰ সৈতে আনটোৰ মিল থাকে। প্রত্যেক ৰাজনৈতিক দলৰ উমৈহতীয়া লক্ষ্য হৈছে শান্তিপূর্ণ আৰু সাংবিধানিক উপায়েৰে ৰাজনৈতিক ক্ষমতা আহৰণ কৰা। ইয়াৰ উপৰিও, ৰাজনৈতিক দলবোৰে বিভিন্ন ধৰণৰ কার্য্যসূচী আৰু নীতি গ্রহণ কৰে যাৰ জৰিয়তে ভোটাৰসকল দলবোৰৰ প্রতি আকর্ষিত হয় আৰু নির্বাচনত জয়ী হয়। সেয়েহে এইটো ক'ব পাৰি যে ৰাজনৈতিক দলবোৰৰ মুখ্য লক্ষ্য হৈছে ৰাজনৈতিক ক্ষমতা দখল কৰি এককভাৱে অথবা আন ৰাজনৈতিক দলৰ সৈতে মর্চা গঠন কৰি চৰকাৰ গঠন কৰা।

১০.৩.২ ৰাজনৈতিক দলৰ বৈশিষ্ট্য

ৰাজনৈতিক দলৰ ওপৰোক্ত সংজ্ঞাসমূহৰ দ্বাৰা আমি ইয়াৰ কিছুমান বৈশিষ্ট্যৰ কথা আলোচনা কৰিব পাৰোঁ। এই বৈশিষ্ট্যবোৰ সকলো ৰাজনৈতিক দল আৰু সকলো ৰাজনৈতিক ব্যৱস্থাৰ ক্ষেত্ৰত একে নহ'ব পাৰে। যি কি নহওঁক, এটা ৰাজনৈতিক দল হ'ব লাগিলে ইয়াৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্য থাকিবই লাগিব। এতিয়া আমি তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহ আলোচনা কৰো আহকঃ

- **ব্যক্তিৰ সমষ্টিঃ** ৰাজনৈতিক দল হৈছে কিছুমান সমভাবাপন্ন ব্যক্তিৰ সমষ্টি। ই বিভিন্ন প্ৰকাৰৰ ব্যক্তিৰ গোটৰ দ্বাৰা গঠিত যেনে- ডেকা আৰু বয়সস্থ, ধনী আৰু দুখীয়া, পুৰুষ আৰু মহিলা, ভূস্বামী আৰু শ্ৰমিক আৰু কিছুমান সাধাৰণ সদস্য। আনকি, কিছুমানে সম্পূৰ্ণ সহানুভূতি ৰাখি সমৰ্থক হিচাপে কাম কৰে। সেয়েহে, ৰাজনৈতিক দল হৈছে একে দৃষ্টিভঙ্গী আৰু মতৰ ভিত্তিত সংগঠিত হোৱা ব্যক্তিসকলৰ এটা সমষ্টি। সেইবাবে ফৰাচী ৰাজনৈতিক বিজ্ঞানী মৰিচ ডুভাৰজাৰে কৈছে যে এটা ৰাজনৈতিক দল হৈছে এটা গণ সদস্যৰ দল।
- **উমৈহতীয়া আদৰ্শঃ** প্ৰত্যেক ৰাজনৈতিক দলেই তেওঁলোকৰ কিছুমান উমৈহতীয়া নিজা আদৰ্শত বিশ্বাস কৰে। এইবোৰ নোহোৱাকৈ কোনো ৰাজনৈতিক দলেই দীৰ্ঘসময় ধৰি সক্ৰিয় হৈ থাকিব নোৱাৰে আৰু মানুহৰ জনপ্ৰিয় সমৰ্থন লাভ কৰিব নোৱাৰে। সেয়েহে এটা ৰাজনৈতিক দলৰ প্ৰত্যেকজন সদস্যই ৰাজহুৱা আৰু জটিল সমস্যাসমূহৰ ক্ষেত্ৰত একেধৰণৰ মতামত পোষণ কৰে। ইয়াৰোপৰি কিছুমান আকৰ্ষণীয় নীতিৰ সহায়ত ৰাজনৈতিক দলবোৰে ভোটাৰসকলক নিজৰ ফালে আকৰ্ষিত কৰি ৰাজনৈতিক ক্ষমতা আহৰণ কৰিবলৈ চেষ্টা কৰে।
- **ৰাষ্ট্ৰীয় স্বাৰ্থৰ সৈতে সম্পৰ্কযুক্তঃ** ৰাজনৈতিক দলবিলাক ৰাষ্ট্ৰীয় স্বাৰ্থৰ সৈতে সম্পৰ্কযুক্ত। অন্য ভাষাত ক'বলৈ গ'লে তেওঁলোকে সদায়ে ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰতি গুৰুত্ব আৰোপ কৰে আৰু কোনো শ্ৰেণীগত বা ব্যক্তিগত স্বাৰ্থক গুৰুত্ব নিদিয়ে। কেতিয়াবা দেখা যায় যে কিছুমান স্থানীয় আৰু আঞ্চলিক আবেগ আৰু বিষয়ক ভিত্তি কৰি কিছুমান আঞ্চলিক দল গঠিত হয়। যিয়েই নহওঁক, তেওঁলোকো ৰাষ্ট্ৰীয় স্বাৰ্থৰ সৈতে গভীৰভাৱে সাঙোৰ খাই থাকে। সেয়েহে এইটো ক'ব পাৰি যে প্ৰতিটো ৰাজনৈতিক দলেই ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰতি দায়বদ্ধ। সেইকাৰণে **এডমণ্ড বাৰ্কে** কৈছিল, "ৰাজনৈতিক দল হ'ল কিছুমান সৰ্বসন্মত নীতিৰ আধাৰত সন্মিলিত প্ৰচেষ্টাৰে ৰাজহুৱা স্বাৰ্ধৰ পোষকতা কৰাৰ উদ্দেশ্যেৰে একগোট হোৱা ব্যক্তিসমষ্টি"।
- **নিজস্ব সংগঠনঃ** যথোপযুক্ত সংগঠন নাথাকিলে কোনো ৰাজনৈতিক দলে ক্ষমতাৰ খেলত টিকিব নোৱাৰে। ৰাজনৈতিক দলবোৰো হৈছে মানুহৰ এটা

সংগঠন। ৰাজনৈতিক দলৰ এখন নিজস্ব সংবিধান আছে য'ত ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য, নীতি আৰু কার্য্যসূচীৰ লগতে দলৰ সংগঠন সম্পর্কে বিশদভাৱে বর্ণনা কৰা থাকে। উপযুক্ত সংগঠনৰ জৰিয়তে দলৰ সদস্যসকলৰ মাজত ঐক্য আৰু সংহতি সুদৃঢ় হয়। দলীয় সংগঠনৰ ওপৰত জোৰ দি মেক্ আইভাৰে কৈছে যে- " দলীয় সংগঠন অবিহনে নীতি-আদর্শৰকোনো উমৈহতীয়া প্রকাশ নঘটে আৰু দলবোৰে যিবোৰ নীতিৰ দ্বাৰা ক্ষমতা লাভ অথবা বর্তাই ৰাখিব বিচাৰে সেই নীতিবোৰৰ কোনো শৃংখলাৱদ্ধ ক্রমবিকাশ নঘটিব।"

- **ক্ষমতা দখলৰ লক্ষ্য ঃ** ৰাজনৈতিক দলৰ আন এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল ক্ষমতা দখল কৰা। প্রত্যেক ৰাজনৈতিক দলেই বিশেষকৈ নির্বাচনৰ সময়ত ভোটাৰক বিভিন্ন ধৰণে আকর্ষিত কৰি ক্ষমতাত তিষ্ঠি থাকিবলৈ চেষ্টা কৰে। এই উদ্দেশ্য আগত ৰাখি তেওঁলোকে গণভিত্তি গঢ়ি তোলাৰ চেষ্টা কৰে। এনেকুৱা সমর্থন অবিহনে কোনো ৰাজনৈতিক দলেই ইয়াৰ নীতি আৰু আদর্শৰ কার্য্যৰূপায়ণ কৰিব নোৱাৰাৰ লগতে দীর্ঘসময় ধৰি ৰাজনৈতিক ক্ষমতাও নিজৰ হাতত ৰাখিব নোৱাৰে। সেইবাবে, প্রত্যেক ৰাজনৈতিক দলেই নিজৰ অৱস্থিতিৰ কাৰণেই ৰাজনৈতিক ক্ষমতা দখল কৰিবলৈ বিচাৰে।
- **নির্দিষ্ট কার্য্যসূচীঃ** প্রত্যেক ৰাজনৈতিক দলৰ কিছুমান নির্দ্দিষ্ট কার্য্যসূচী আছে যাৰ আধাৰত এই দলবোৰে ক্ষমতাত থাকিবলৈ ভোটাৰক নিজৰ ফালে আকর্ষিত কৰিবলৈ চেষ্ট কৰে। এনেকুৱা কিছুমান কার্য্যসূচী হৈছে- আর্থসামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু সমাজৰ অন্যান্য সমস্যা সম্পর্কীয় । ক্ষমতালৈ আহিলে ৰাজনৈতিক দলসমূহে তেওঁলোকৰ নীতি আৰু আদর্শসমূহো কার্য্যৰূপায়িত কৰিবলৈ চেষ্টা কৰে। কিন্তু পুৰণি বিষয়বোৰ সমাধান আৰু নতুন বিষয়বোৰ উদ্ভৱ হোৱাৰ লগে লগে এই কার্য্যসূচীসমূহ সলনি হৈ থাকে। আন কথাত ক'বলৈ গ'লে প্রত্যেক ৰাজনৈতিক দলে প্রাসংগিক কথা আৰু কার্য্যসূচীসমূহ নিজৰ নির্বাচনী ঘোষণাপত্রত অন্তর্ভুক্ত কৰিবলৈ চেষ্টা কৰে।
- **বেলট বাকচৰ ওপৰত বিশ্বাসঃ** প্রত্যেক ৰাজনৈতিক দলৰে ক্ষমতা দখল কৰাৰ কাৰণে বেলট বাকচৰ ওপৰত বিশ্বাস থাকে। আন কথাত ক'বলৈ গ'লে, ৰাজনৈতিক দলসমূহে সদায় শান্তিপূর্ণ আৰু সাংবিধানিক উপায়েৰে ক্ষমতা দখল কৰিবলৈ চেষ্টা কৰে। কেতিয়াবা দেখা যায় যে কিছুমান দলে হিংসাত্মক পদ্ধতি অৱলম্বন কৰি বিশেষকৈ নির্বাচনৰ সময়ত ক্ষমতা দখল কৰিবলৈ চেষ্টা চলায়। সি যি কি নহওঁক, ইয়াক সাধাৰণীকৰণ কৰিব নোৱাৰি কাৰণ প্রত্যেক ৰাজনৈতিক দলেই সাধাৰণতে শান্তিপূর্ণ উপায়েৰে ভোট দাতাৰ স্বতঃস্ফূর্ত সঁহাৰি আশা কৰে।

ওপৰৰ বিশ্লেষণৰ পৰা এইটো স্পষ্ট হয় যে ৰাজনৈতিক দলবোৰৰ বিভিন্নধৰণৰ

বৈশিষ্ট্য থাকে যিবোৰে তেওঁলোকক সমাজৰ আন গোটৰপৰা পৃথক কৰি ৰাখে। সংক্ষেপে ক'বলৈ গ'লে ৰাজনৈতিক দল হৈছে সমভাবাপন্ন মানুহৰ দ্বাৰা গঠিত এটা গোট যিটোৱে ৰাষ্ট্ৰীয় স্বোৰ্থ, নিজাববীয়া সংগঠন আৰু কিছুমান উমৈহতীয়া আদর্শ তথা কিছুমান নির্দ্দিষ্ট কার্য্যসূচীৰ জৰিয়তে ক্ষমতা দখল কৰিবলৈ চেষ্টা কৰে।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ মেকাইভাৱে দিয়া ৰাজনৈতিক দলৰ সংজ্ঞাটো লিখক।

.....

২ নং প্রশ্ন ঃ "এটা ৰাজনৈতিক দলক এদল নাগৰিকৰ সংঘবদ্ধ গোট হিচাপে অভিহিত কৰিবপাৰি যিয়ে একেধৰণৰ ৰাজনৈতিক দৃষ্টিভঙ্গী আদান প্রদান কৰে আৰু যিয়ে এটা ৰাজনৈতিক গোট হিচাপে কাম কৰি চৰকাৰক নিয়ন্ত্রণ কৰিবলৈ চেষ্টা কৰে," কোনে কৈছিল?

.....

৩ নং প্রশ্ন ঃ ৰাজনৈতিক দলৰ দুটা বৈশিষ্ট্য লিখক।

.....

.....

১০.৪ ৰাজনৈতিক দলৰ প্রকাৰ

ৰাজনৈতিক দলৰ প্রকাৰ সন্দর্ভত কোনো বিশ্বজনীন শ্রেণীবিভাজন নাই। সাধাৰণতে, ৰাজনৈতিক দলবোৰ সেই দেশখনৰ আর্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক অৱস্থাৰ ওপৰত ভিত্তি কৰি গঠিত হয়। বহল অর্থত ক'বলৈ গ'লে, ৰাজনৈতিক দলবোৰক তলত দিয়াধৰণে ভাগ কৰিব পাৰিঃ

(ক) একদলীয় ব্যৱস্থাঃ

যেতিয়া এটা ৰাজনৈতিক ব্যৱস্থা এটা মাত্র ৰাজনৈতিক দলে পৰিচালনা কৰে তেতিয়া তাক একদলীয় ব্যৱস্থা বুলি কোৱা হয়। ইয়াত শাসনাধিষ্ঠিত দলটোৱে বেলেগ বিৰোধী দলসমূহক অবদমিত কৰি ৰাখে। এই ব্যৱস্থাৰ সমর্থকসকলে ৰাষ্ট্ৰীয় একতা আৰু সংস্কৃতিৰ নামত ইয়াক জাৰী ৰাখিব খোজে। আন কথাত ক'বলৈ গ'লে, তেওঁলোকে আন দলক স্থিতি ল'বলৈ নিদিয়ে। মাত্র শাসনত থকা দলটোৱে গোটেই প্রশাসনীয় যন্ত্রটো নিয়ন্ত্রণ কৰে যিটো সেই ব্যৱস্থাতআইনসন্মত হয়। উদাহৰণস্বৰূপে ৰাছিয়াৰ কমিউনিষ্ট পার্টী, চীনৰ কমিউনিষ্ট পার্টী, জার্মানীত হিটলাৰৰ অধীনত থকা নাজী দল উল্লেখ কৰিব পাৰি।

(খ) দ্বি-দলীয় ব্যৱস্থাঃ

দ্বি-দলীয় ব্যৱস্থাত দুটা বৃহৎ ৰাজনৈতিক দলে প্রতিদ্বন্দ্বিতা কৰে আৰু তেওঁলোকৰ

মাজত ক্ষমতা ৰদ-বদল হৈ থাকে। ইয়াত যিটো দলে সংখ্যাগৰিষ্ঠতা লাভ কৰে সেইটো দলে চৰকাৰ গঠন কৰে আৰু আনটোৱে বিৰোধী দল হিচাপে ভূমিকা পালন কৰে । ইয়াতো অৱশ্যে বেলেগ ৰাজনৈতিক দল থাকিব পাৰে কিন্তু তেওঁলোকে দুই বৃহৎ দলক প্ৰত্যাহ্বান জনাব নোৱাৰে। আমেৰিকাৰ ডেমোক্ৰেটিক দল আৰু ৰিপাব্লিকান দল , ব্ৰিটেইনৰ ৰক্ষণশীল দল আৰু বনুৱা দল হৈছে দ্বি-দলীয় ব্যৱস্থাৰ উৎকৃষ্ট উদাহৰণ। অন্য বেলেগ দেশ যেনে কানাডা, নিউজিলেণ্ড আৰু অষ্ট্ৰেলিয়াতো দ্বি-দলীয় ব্যৱস্থা আছে।

(গ) বহু-দলীয় ব্যৱস্থাঃ

বহু-দলীয় ব্যৱস্থাত ৰাজনৈতিক দলবোৰৰ সংখ্যাৰ কোনো সীমা নাই। ই এটা ব্যৱস্থা য'ত দুটাতকৈ বেছি দল থকা দেখা যায়। এই ব্যৱস্থাত কোনো এটা ৰাজনৈতিক দলে নিৰংকুশ সংখ্যাগৰিষ্ঠতা নাপাবও পাৰে। ইয়াত যিকোনো দলৰ কাৰণেই নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰাটো যথেষ্ট কঠিন। সেয়েহে, এই ব্যৱস্থাত সকলো দল একেসমান শক্তিশালী নহ'ব পাৰে আৰু কোনো দলেই প্ৰশাসনৰ ওপৰত একচ্ছত্ৰী নিয়ন্ত্ৰণ সাব্যস্ত কৰিব নোৱাৰিব পাৰে। আন ভাষাত ক'বলৈ গ'লে বহুদলীয় ব্যৱস্থাই মৰ্চা চৰকাৰ গঠনত সহায় কৰে। বহুদলীয় ব্যৱস্থা ভাৰত, ছুইজালেণ্ড, ফ্ৰান্স, স্পেইন আদি দেশত প্ৰচলিত হৈ আছে।

এইবোৰ হ'ল ৰাজনৈতিক দলসমূহৰ প্ৰকাৰ । সি যি কি নহওঁক, ইয়াৰোপৰি আন কিছুমান বেলেগ ধৰণৰ ৰাজনৈতিক দল থকা দেখা যায়। সেইবোৰ হৈছে- আকৰ্ষণীয় ব্যক্তিত্ব মুখী দল, স্বাৰ্থ ভিত্তিক দল , আদৰ্শমূখী দল, আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু ধাৰ্মিক ৰাজনৈতিক দল আদি।



অগ্ৰগতি নিৰীক্ষণ

৪ নং প্ৰশ্ন ঃ দুখন এনে দেশৰ নাম উল্লেখ কৰক য'ত দ্বি-দলীয় ব্যৱস্থাৰ প্ৰচলন আছে।

.....

৫ নং প্ৰশ্ন ঃ বহুদলীয় ব্যৱস্থাৰ সংজ্ঞা লিখক ।

.....

.....



চিন্তা চৰ্চা কৰক ১০.১

গ্ৰেট বৃটেইন, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছুইজাৰলেণ্ডৰ প্ৰধান ৰাজনৈতিক দলবোৰৰ নাম বাছি উলিয়াওক।

.....

.....

১০.৫ ৰাজনৈতিক দলৰ কার্য্যাৱলী

ৰাজনৈতিক দলবোৰে বহুতো গৰুত্বপূর্ণ কাম সম্পাদন কৰে যাৰ অবিহনে গণতান্ত্রিক চৰকাৰে সঠিকভাৱে কাম সম্পাদন কৰিব নোৱাৰে । পণ্ডিতসকলে ৰাজনৈতিক দলৰ বিভিন্ন কার্য্যৱলীৰ কথা তেওঁলোকৰ নিজা গ্রন্থত উল্লেখ কৰিছে। আমি ৰাজনৈতিক দলৰ গুৰুত্বপূর্ণ কার্য্যাৱলী সম্পর্কে তলত দিয়া ধৰণে আলোচনা কৰিব পাৰোঁঃ

- **কার্য্যসূচী নির্ণয় কৰাঃ**

নীতি আৰু কার্য্যসূচী নিৰ্দ্ধপণ কৰাটো ৰাজনৈতিক দলৰ প্রথম গুৰুত্বপূর্ণ কাম। সমাজ আৰু দেশে সন্মুখীন হৈ থকা সমস্যাবিলাক সমাধান কৰাৰ বাবে প্রত্যেক ৰাজনৈতিক দলেই জ্বলন্ত সমস্যাৰ ওপৰত ভিত্তি কৰি নীতি আৰু কার্য্যসূচী নিৰ্দ্ধপন কৰাৰ চেষ্টা কৰে। ৰাজনৈতিক দলবিলাকে ভোটাৰসকলক বুজাবলৈ চেষ্টা কৰে যে যদি তেওঁলোকক ৰাজনৈতিক ক্ষমতা দিয়া হয় তেতিয়া তেওঁলোকে সমাজৰ গুৰুতৰ সমস্যাবিলাক সমাধান কৰিব । ইয়াৰ জৰিয়তে ৰাজনৈতিক দলসমূহে বিভিন্ন ধৰণৰ নীতি আৰু কার্য্যসূচী নিৰ্দ্ধপণৰ দ্বাৰা ভোটাৰসকলক আকর্ষিত কৰিবলৈ চেষ্টা কৰে।

- **জনগন আৰু চৰকাৰৰ মাজত সংযোগ স্থাপন কৰাঃ**

ৰাজনৈতিক দলসমূহে জনগণ আৰু চৰকাৰৰ মাজত এটা যোগসূত্র স্থাপন কৰে। এই দলসমূহে জনসাধাৰণক চৰকাৰে লোৱা বিভিন্ন সিদ্ধান্ত, নীতি আৰু কার্য্যসূচীৰ নতুন জ্ঞান আৰু তথ্য যোগান ধৰে। দলসমূহে ৰাইজৰ প্রতিনিধিৰ ভূমিকাও পালন কৰে আৰু বিধানসভা তথা সংসদৰ তর্কসমূহত জনগণৰ বিভিন্ন প্রয়োজন আৰু দাবীসমূহ উপস্থাপন কৰে। ৰাজনৈতিক দলবোৰৰ অবিহনে নাগৰিকসকলে তেওঁলোকৰ প্রয়োজন অনুসাৰে দাবীবোৰ পূৰণ কৰিবলৈ সক্ষম নহয়। এই কার্য্যৰ গুৰুত্ব উপলব্ধি কৰি আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী এছ নিউমেনে কৈছিল, "গণতন্ত্র যদিও তলৰপৰা সজোৱা পিৰামিডৰ নিচিনা, নেতা আৰু অনুগামীৰ মাজৰ সংযোগটো গণতন্ত্রৰ দ্বি-মুখী যাতায়ত ব্যৱস্থাত ক্ষেত্রত জৰুৰী হৈ পৰিছে। যোগাযোগৰ এই ধাৰাসমূহ সদায় খোলা ৰখাটো হ'ল ৰাজনৈতিক দলৰ এক গুৰুত্বপূর্ণ কার্য্য" ।

- **জনমত গঠন কৰা ঃ**

জনমত গঠন কৰাটো ৰাজনৈতিক দলৰ আন এটা গুৰুত্বপূর্ণ কাম। দলটোৰ বিভিন্ন, নীতি আৰু কার্য্যসূচীৰ বহুল প্রচাৰৰ দ্বাৰা তেওঁলোকে জনমতক নিজৰ ফালে আনিবলৈ বিচাৰে। ইয়াৰ লগে লগে তেওঁলোকে আন দল তথা শাসনাধিষ্ঠিত চৰকাৰৰ নীতি আৰু কার্য্যসূচীৰ সমালোচনা কৰা দেখা যায়। আনকি, তেওঁলোকে ৰাজহুৱা সভা, গোঁহাৰি পত্র বিতৰণ, বাতৰি-কাকত, আলোচনী, বৈদ্যুতিক মাধ্যম আদিত সাক্ষাৎকাৰ আদি জৰিয়তে ভোটাৰসকলৰ সমর্থন আদায় কৰিবলৈ চেষ্টা কৰে।

- **প্রার্থী নির্বাচন ঃ**

প্রত্যেক ৰাজনৈতিক দলে নির্বাচনত প্রতিদ্বন্দ্বি তা কৰাৰ বাবে উপযুক্ত প্রার্থী নির্বাচন

কৰে। ৰাজনৈতিক দলসমূহে ভোটাৰসকলৰ সন্মুখত নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীসকলক পৰিচয় কৰাই দিয়ে কাৰণ তেওঁলোক ইয়াৰ আগতে জনসাধাৰণৰ পৰিচিত নহ'বও পাৰে। এইক্ষেত্ৰত প্ৰত্যেক দলে প্ৰাৰ্থী সকলৰ বিভিন্ন দিশ সতৰ্কতাৰে বিবেচনা কৰে, যেনে- তেওঁৰ সামৰ্থ্য, দলীয় আনুগত্য, সমাজৰ প্ৰতি আগবঢ়োৱা অৰিহণা, গ্ৰহণযোগ্যতা আদি।

- **নিৰ্বাচনী প্ৰচাৰঃ**

ৰাজনৈতিক দলবোৰে নিৰ্বাচনৰ প্ৰচাৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। ই যিকোনো সাংবিধানিক নিৰ্বাচনতেই সক্ৰিয় আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে যাতে তেওঁলোকৰ প্ৰাৰ্থীসকল জয়ী হৈ ক্ষমতা দখল কৰিব পাৰে। নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলবোৰে বিভিন্ন ধৰণৰ নিৰ্বাচনী প্ৰচাৰৰ আয়োজন কৰে যাতে ভোটাৰ আকৰ্ষিত হয় আৰু তেওঁলোকৰ সমৰ্থন আদায় কৰিব পাৰে। দলৰ নেতাসকলে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলক বিভিন্ন ৰাজহুৱা সভা, আৰ্থিক অনুদান আদিৰ জৰিয়তে সহায় কৰে। আনকি, প্ৰত্যেক ৰাজনৈতিক দলেই নিৰ্বাচনৰ সময়ত বিভিন্ন ধৰণৰ কৌশল, যেনে— শোভাযাত্ৰা আৰু সমদল, পোষ্টাৰ আৰু প্ৰচাৰ পত্ৰ , ঘৰে ঘৰে দেখা কৰিবলৈ যোৱা , ৰেডিঅ' আৰু দূৰদৰ্শনত সাক্ষাৎকাৰ আদি অবলম্বনৰ জৰিয়তে জনগণৰ সমৰ্থন লাভৰ চেষ্টা কৰে।

- **ৰাজনৈতিক শিক্ষা প্ৰদান কৰা ঃ**

প্ৰত্যেক ৰাজনৈতিক দলেই সাধাৰণ জনতাক ৰাজনৈতিক শিক্ষা প্ৰদানৰ জৰিয়তে ৰাজনৈতিকভাৱে সচেতন কৰাৰ প্ৰয়াস কৰে। তেওঁলোকে তেওঁলোকৰ পক্ষত জনগণক সমবেত কৰাৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰে। এই উদ্দেশ্যে ৰাজনৈতিক দলবোৰে গুৰুত্বপূৰ্ণ ৰাজহুৱা কথাবোৰত মতামত প্ৰকাশ কৰে আৰু সমস্যাবোৰ সমাধান কৰাৰ বাবে উপায় আগবঢ়ায়। তেওঁলোকে ৰেডিঅ', টিভি, আলোচনী, তৰ্কসভা আদি গণমাধ্যমসমূহৰ জৰিয়তে জনগণক বিভিন্নধৰণৰ জটিল সমস্যাৰ লগতে চৰকাৰ আৰু আন ৰাজনৈতিক দলসমূহৰ নীতি আৰু কাৰ্য্যসূচীৰ বিষয়ে সজাগ কৰা দেখা যায়। ইয়াৰ জৰিয়তে ৰাজনৈতিক দলসমূহে সদায়, বিশেষকৈ, নিৰ্বাচনৰ সময়ত মানুহক ৰাজনৈতিকভাৱে সচেতন কৰা দেখা যায়।

- **ৰাজনৈতিক নেতাক নিয়োগ কৰাঃ**

ৰাজনৈতিক দলৰ আন এটা গৰুত্বপূৰ্ণ কাৰ্য্য হৈছে নেতা নিয়োগ কৰা। যিকোনো ধৰণৰ ৰাজনৈতিক ব্যৱস্থাত ৰাজনৈতিক দলবোৰৰ দ্বাৰা নেতাসকলক নিয়োগ কৰা হয়। নেতা হোৱাৰ কাৰণে ৰাজনৈতিক দলবোৰে ইয়াৰ সদস্যসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু শিক্ষা প্ৰদান কৰে। আন কথাত ক'বলৈ গ'লে ৰাজনৈতিক দলবোৰে নেতা গঢ়াত সহায় কৰে যিয়ে পিছলৈ গৈ ৰাজহুৱা পদ পাবলৈ সক্ষম হয়। সেয়েহে, প্ৰত্যেক ৰাজনৈতিক দলে আকৰ্ষণীয় ব্যক্তিত্ব থকা এনে নেতাক নিয়োগ কৰে যাৰ তৃণমূল পৰ্য্যায়ত জন সমৰ্থন থাকে।।

- **চৰকাৰ গঠনঃ**

প্ৰত্যেক ৰাজনৈতিক ব্যৱস্থাত ৰাজনৈতিক দলবোৰে আইন প্ৰণয়ন কৰোঁতাৰ ভূমিকা পালন কৰে। প্ৰত্যেক ৰাজনৈতিক দলে চৰকাৰ গঠন কৰিবলৈ বিচাৰে। যিকোনো ৰাজনৈতিক

ব্যৱস্থাত ৰাজনৈতিক স্থিৰতা অনাটোও গুৰুত্বপূৰ্ণ। সেয়েহে, প্ৰত্যেক ৰাজনৈতিক দলে নিৰ্বাচনত সংখ্যাগৰিষ্ঠ ভোটাৰৰ সমৰ্থন আদায় কৰি চৰকাৰ গঠন কৰিবলৈ চেষ্টা কৰে। চৰকাৰ গঠন কৰাৰ পিছত দলবোৰে তেওঁলোকৰ নীতি আৰু কাৰ্য্যসূচীসমূহ ৰূপায়ণ কৰি জনগনৰ অন্তৰ জয় কৰাৰ কাৰণে চেষ্টা কৰে যাতে তেওঁলোকে দীৰ্ঘকালীন সময়ৰ কাৰণে শাসন কৰিব পাৰে। সেয়েহে ৰাজনৈতিক দলসমূহে চৰকাৰ গঠনত এটা গুৰুত্বপূৰ্ণ আৰু সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ উপৰিও চৰকাৰৰ বিভিন্ন কাৰ্য্যকলাপ নিয়ন্ত্ৰণ কৰে।

- **শৃংখলাবদ্ধতা মানি চলাঃ**

ৰাজনৈতিক দলবোৰে নিজৰ সদস্যসকলৰ মাজত শৃংখলা আৰু আদেশ মানি চলাৰ ব্যৱস্থা কৰিব লাগে। ৰাজনৈতিক দলবোৰে সদস্যসকলক অসাংবিধানিক কাম-কাজত লিপ্ত হোৱাৰ পৰা আঁতৰাই ৰাখিব লাগে যিহেতু তেনে কাম- কাজে ৰাইজৰ মাজত দলৰ ভাৱমূৰ্ত্তিৰ ক্ষতি কৰিব পাৰে। এই ক্ষেত্ৰত আমি পার্টি হুইপৰ কথা উল্লেখ কৰিব পাৰোঁ যিটো ৰাইজৰ প্ৰতিনিধিসকলৰ মাজত একতা আৰু সংহতি স্থাপনৰ এটা সূত্ৰ হ'ব পাৰে। দলৰ ইচ্ছা মতে পার্টি হুইপে প্ৰতিনিধিসকলৰ কাম-কাজ নিয়ন্ত্ৰিত কৰি ৰাখে। সেয়েহে সদস্যসকলৰ মাজত শৃংখলা বজাই ৰাখি তেওঁলোকক নিয়ন্ত্ৰণত ৰখাটো আন এটা গুৰুত্বপূৰ্ণ কাৰ্য্য।

- **অৰাজনৈতিক কাৰ্য্যাৱলীঃ**

ৰাজনৈতিক দলসমূহে বিভিন্ন প্ৰকাৰৰ সমাজ- কল্যাণমূলক কাৰ্য্যসূচীও গ্ৰহণ কৰে যাৰ জৰিয়তে তেওঁলোকে মানুহৰ সমৰ্থন আদায় কৰিব পাৰে। এই কাৰ্য্যক অৰাজনৈতিক কাৰ্য্যাৱলী বুলি ক'ব পাৰি। ৰাজনৈতিক দলে নিজৰ সপক্ষে জনমত সৃষ্টি কৰাৰ কাৰণে এই কাৰ্য্যসূচীবোৰ গ্ৰহণ কৰে। উদাহৰণস্বৰূপে, প্ৰাকৃতিক দুৰ্যোগ যেনে- বানপানী, খৰাং, ভূমিকম্প আদিৰ সময়ত ৰাজনৈতিক দলবোৰে ৰাইজৰ মংগলৰ বাবে বিভিন্ন কল্যাণমূলক কাম হাতত লয়। তদুপৰি তেওঁলোকে অসস্পৃশ্যতা, নিৰক্ষৰতা আদি সামাজিক ব্যাধিসমূহ দূৰ কৰিবলৈ চেষ্টা কৰে।

এইদৰে ৰাজনৈতিক দলসমূহে দলৰ বৃহত্তৰ স্বাৰ্থৰ লগতে মানুহৰ মংগলৰ বাবে বহুতো কাৰ্য্যসূচী হাতত লোৱা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

৬ নং প্ৰশ্ন ঃ ৰাজনৈতিক দলৰ দুটা কাৰ্য্য উল্লেখ কৰক।

.....

.....

৭ নং প্ৰশ্ন ঃ ৰাজনৈতিক দলৰ অৰাজনৈতিক কাৰ্য্যাৱলীবোৰ উল্লেখ কৰক।

.....

.....

১০.৬ ৰাজনৈতিক দলৰ গুৰুত্ব

আমাৰ ৰাজনৈতিক জীৱনত ৰাজনৈতিক দলবোৰে এক প্ৰকাৰৰ জৰুৰী আৰু অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে। ই জনগণ আৰু শাসকৰ মাজত যোগসূত্ৰ ৰক্ষাকাৰীৰ ভূমিকা পালন কৰে। চৰকাৰী কামবোৰ সুচাৰুৰূপে হোৱাৰ কাৰণে গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাত ৰাজনৈতিক দলবোৰ জৰুৰী। আন ভাষাত ক'বলৈ গ'লে গণতন্ত্ৰ আৰু ৰাজনৈতিক দলবোৰ এটা আনটোৰ পৰিপূৰক আৰু এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি ক'ব পাৰি। ৰাজনৈতিক দল নোহোৱাকৈ কোনো গণতান্ত্ৰিক চৰকাৰে কাম সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰে। ৰাজনৈতিক দলৰ গুৰুত্ব তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

- ৰাজনৈতিক দলবোৰ চৰকাৰী কামবোৰ সুচাৰুৰূপে সম্পাদন হোৱাৰ কাৰণে দৰকাৰী। ই জনগণৰ লগত চৰকাৰৰ সংযোগ স্থাপন কৰায়। এই দলবোৰে ৰাইজক চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত, নীতি আৰু কাৰ্য্যসূচীৰ জ্ঞান আৰু তথ্য যোগান ধৰে।
- নাগৰিকৰ বিভিন্ন দাবী আৰু প্ৰয়োজনসমূহ বিধানসভা আৰু সংসদত উপস্থাপন কৰাৰ বাবে ৰাজনৈতিক দলবোৰে ৰাইজৰ প্ৰতিনিধিৰ ভূমিকা পালন কৰে। ৰাজনৈতিক দলবোৰৰ অবিহনে নাগৰিকসকলে তেওঁলোকৰ প্ৰয়োজন অনুপাতে দাবীবোৰ পূৰণ কৰিব নোৱাৰিলেহেঁতেন।
- জনমত সৃষ্টি কৰাৰ কাৰণেও ৰাজনৈতিক দলবোৰ গুৰুত্বপূৰ্ণ। তেওঁলোকে চৰকাৰক ৰাইজৰ দাবীবোৰ শুনিবলৈ বাধ্য কৰে। এই জনমত চৰকাৰৰ কাৰণে নীতি নিৰ্দ্ধাৰণ আৰু আইন প্ৰণয়নৰ ক্ষেত্ৰত পথ প্ৰদৰ্শক হ'ব পাৰে।
- ৰাজনৈতিক দলবোৰে মানুহৰ মাজত ৰাজনৈতিক সচেতনতা সৃষ্টি কৰে। এই দলবোৰে ইস্তাহাৰৰ বহুল প্ৰচাৰৰ জৰিয়তে মানুহক ৰাজনৈতিকভাৱে শিক্ষিত কৰে।
- যিকোনো ধৰণৰ ৰাজনৈতিক ব্যৱস্থাত ৰাজনৈতিক সুস্থিৰতা অনাটোও গুৰুত্বপূৰ্ণ। ৰাজনৈতিক দলবোৰে চৰকাৰৰ বিভিন্ন অংগৰ মাজত সদ্ভাৱ স্থাপন কৰে। ৰাজনৈতিক দলবোৰে সমাজৰ বিভিন্ন প্ৰভাৱ গোষ্ঠীৰ মাজত মধ্যস্থতাৰ ব্যৱস্থাও কৰে। এক কথাত ক'বলৈ গ'লে ই সমাজৰ বিভিন্ন গোটৰ মাজত একতা স্থাপন কৰে।
- চৰকাৰৰ স্বৈৰাচাৰী শাসনক নিয়ন্ত্ৰিত কৰাৰ বাবেও ৰাজনৈতিক দলবোৰ জৰুৰী। যেতিয়া চৰকাৰে জনতাৰ কল্যাণৰ বিপৰীতে কোনো পদক্ষেপ লয় তেতিয়া ৰাজনৈতিক দলবোৰে চৰকাৰৰ তেনে কাম-কাজবোৰৰ বিৰোধিতা কৰে।

ওপৰোক্ত আলোচনাৰ পৰা এটা কথা স্পষ্ট যে ৰাজনৈতিক দলবোৰে বিশেষকৈ গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাত আমাৰ সমাজৰ বাবে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজনৈতিক দলবোৰে নিজৰ ক্ষুদ্ৰ স্বাৰ্থবোৰ এৰি সমাজৰ বৃহত্তৰ স্বাৰ্থৰবাৰে কাম কৰিব লাগে।



চিন্তাচর্চা কৰক-১০.২

একদলীয় শাসন ব্যৱস্থা থকা দেশসমূহৰ নাম প্ৰস্তুত কৰি এখন তালিকা কৰক। তাৰ লগে লগে তাৰ ৰাজনৈতিক দলবোৰৰো নাম উল্লেখ কৰক।

.....

.....



অগ্ৰগতি নিৰীক্ষণ

৮ নং প্ৰশ্ন ঃ চৰকাৰী কামবোৰ সুচাৰুৰূপে সম্পাদিত হোৱাৰ ক্ষেত্ৰত ৰাজনৈতিক দলবোৰৰ গুৰুত্বৰ বিষয়ে লিখক।

.....

.....

৯ নং প্ৰশ্ন ঃ মানুহৰ মাজত ৰাজনৈতিক সচেতনতা সৃষ্টি কৰাৰ ক্ষেত্ৰত ৰাজনৈতিক দলবোৰৰ গুৰুত্বৰ বিষয়ে লিখক।

.....

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰত্যেক ৰাজনৈতিক ব্যৱস্থাৰ বাবে ৰাজনৈতিক দলবোৰ হ'ল অবিচ্ছেদ্য অংগস্বৰূপ। ৰাজনৈতিক দল অবিহনে কোনো গণতান্ত্ৰিক চৰকাৰে সুচাৰুৰূপে কাম সম্পন্ন কৰিব নোৱাৰে।
- ৰাজনৈতিক দল হৈছে সমভাবাপন্ন মানুহৰ দ্বাৰা গঠিত এটা সংগঠন যাৰ উমৈহতীয়া লক্ষ্য, আদৰ্শ আৰু বিশ্বাস থাকে আৰু যিটোৰে সাংবিধানিক পদ্ধতিৰ জৰিয়তে ৰাজনৈতিক ক্ষমতা আহৰণ কৰিবলৈ বিচাৰে।
- কিছুমান উমৈহতীয়া ৰাজনৈতিক কাৰ্যসূচীৰ জৰিয়তে ৰাজনৈতিক দল বোৰে গৰিষ্ঠসংখ্যক ভোটাৰ ৰাইজৰ সমৰ্থন আদায় কৰিবলৈ বিচাৰে আৰু একক ভাৱে নতুবা আন ৰাজনৈতিক দলৰ সৈতে মৰ্চা গঠন কৰি হ'লেও চৰকাৰ গঠন কৰিব বিচাৰে।
- ৰাজনৈতিক দলবোৰৰ কিছুমান বৈশিষ্ট থাকে যিবোৰে তেওঁলোকক সমাজৰ আন সংগঠন বা গোষ্ঠীৰ পৰা পৃথক কৰি ৰাখে।

- ৰাজনৈতিক দলৰ প্ৰকাৰ সন্দৰ্ভত কোনো বিশ্বজনীন শ্ৰেণীবিভাজন নাই। সাধাৰণতে, ৰাজনৈতিক দলবোৰ সেই দেশখনৰ আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক অৱস্থাৰ ওপৰত ভিত্তি কৰি গঠিত হয়।। তথাপি, ৰাজনৈতিক দলবোৰক এনেদৰে ভাগ কৰিব পাৰি- একদলীয় ব্যৱস্থা, দ্বি-দলীয় ব্যৱস্থা আৰু বহুদলীয় ব্যৱস্থা।
- চৰকাৰী কামবোৰ সুচাৰু ৰূপে সম্পন্ন কৰাৰ বাবে ৰাজনৈতিক দলবোৰ জৰুৰী। ই চৰকাৰৰ সৈতে জনগণৰ সম্পৰ্ক ঘটায়। ৰাজনৈতিক দলবোৰৰ অবিহনে জনগণে তেওঁলোকৰ প্ৰয়োজন অনুসাৰে দাবীবোৰ পূৰণ কৰিব নোৱাৰিলেহেঁতেন।



১০.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*। যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*। গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কুলেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Agrawal, R.C. (2006). Political Theory-*Principles of Political Science*. New Delhi: S.Chand and Company.

২) Asirvatham, Eddy & Misra, K.K. (2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur, A.C. (2006). *Principles of Political Science*. New Delhi: S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory.* New Delhi :S Chand and Company.



১০.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক দল হৈছে এটা অনুষ্ঠান যিটো কিছুমান নীতিৰ বা আদৰ্শৰ সমৰ্থনত সাংবিধানিক উপায়েৰে সংগঠিত হয় আৰু ই চৰকাৰৰ গঠন কৰিবলৈ চেষ্টা কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ গিলখ্রাইষ্ট

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) ব্যক্তিৰ সমষ্টিঃ ৰাজনৈতিক দল হৈছে কিছুমান সমভাবাপন্ন ব্যক্তিৰ সমষ্টি। ই বিভিন্ন প্রকাৰৰ ব্যক্তিৰ গোটৰ দ্বাৰা গঠিত যেনে- ডেকা আৰু বয়সস্থ, ধনী আৰু দুখীয়া, পুৰুষ আৰু মহিলা, ভূস্বামী আৰু শ্রমিক আৰু কিছুমান সাধাৰণ সদস্য। আনকি, কিছুমানে সম্পূর্ণ সহানুভূতি ৰাখি সমর্থক হিচাপে কাম কৰে। সেয়েহে, ৰাজনৈতিক দল হৈছে একে দৃষ্টিভঙ্গী আৰু মতৰ ভিত্তিত সংগঠিত হোৱা ব্যক্তিসকলৰ এটা সমষ্টি। সেইবাবে ফৰাচী ৰাজনৈতিক বিজ্ঞানী মৰিচ ডুভাৰজাৰে কৈছে যে এটা ৰাজনৈতিক দল হৈছে গণ সদস্যৰ দল।

(খ) উমৈহতীয়া আদর্শঃ প্রত্যেক ৰাজনৈতিক দলেই কিছুমান উমৈহতীয়া নিজা আদর্শত বিশ্বাস কৰে। এইবোৰ নোহোৱাকৈ কোনো ৰাজনৈতিক দলেই দীর্ঘসময় জুৰি জীয়াই থাকিব নোৱাৰে আৰু মানুহৰ জনপ্রিয় সমর্থন লাভ কৰিব নোৱাৰে। সেয়েহে এটা ৰাজনৈতিক দলৰ প্রত্যেকজন সদস্যই ৰাজহুৱা আৰু জটিল সমস্যাসমূহৰ ক্ষেত্রত একেধৰণৰ মতামত পোষণ কৰে। ইয়াৰোপৰি কিছুমান আকর্ষণীয় নীতিৰ সহায়ত ৰাজনৈতিক দলবোৰে ভোটাৰসকলক নিজৰ ফালে আকর্ষিত কৰি ৰাজনৈতিক ক্ষমতা আহৰণ কৰিবলৈ চেষ্টা কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ব্রিটেইন আৰু আমেৰিকা

৫ নং প্রশ্নৰ উত্তৰ ঃ বহু-দলীয় ব্যৱস্থাত ৰাজনৈতিক দলবোৰৰ সংখ্যাৰ কোনো সীমা নাই। ই এটা ব্যৱস্থা য'ত দুটাতকৈ বেছি দল থকা দেখা যায়। এই ব্যৱস্থাত কোনো এটা ৰাজনৈতিক দলে নিৰংকুশ সংখ্যাগৰিষ্ঠতা নেপাবও পাৰে। এই ব্যৱস্থাত সকলো দল একে সমান শক্তিশালী নহ'ব পাৰে আৰু কোনো দলেই প্রশাসনৰ ওপৰত একচ্ছত্রী নিয়ন্ত্রণ সাব্যস্ত কৰিব নোৱাৰিব পাৰে। আন ভাষাত ক'বলৈ গ'লে বহুদলীয় ব্যৱস্থাই মর্চা চৰকাৰ গঠনত সহায় কৰে। বহুদলীয় ব্যৱস্থা ভাৰত, ছুইজালেণ্ড, ফ্রান্স, স্পেইন আদি দেশত প্রচলিত হৈ আছে।

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) কার্য্যসূচী নির্ণয় কৰা-নীতি আৰু কার্য্যসূচী নিৰূপণ কৰাটো ৰাজনৈতিক দলৰ প্রথম গুৰুত্বপূর্ণ কাম। সমাজ আৰু দেশে সন্মুখীন হৈ থকা সমস্যাবিলাক সমাধান কৰাৰ বাবে প্রত্যেক ৰাজনৈতিক দলেই জ্বলন্ত সমস্যাৰ ওপৰত ভিত্তি কৰি নীতি আৰু কার্য্যসূচী নিৰূপণ কৰাৰ চেষ্টা কৰে। ৰাজনৈতিক দলবোৰে ভোটাৰসকলক বুজাবলৈ চেষ্টা কৰে যে যদি তেওঁলোকক ৰাজনৈতিক ক্ষমতা দিয়া হয় তেতিয়া তেওঁলোকে সমাজৰ গুৰুতৰ সমস্যাবিলাক সমাধান কৰিব ।

(খ) জনগন আৰু চৰকাৰৰ মাজত সংযোগ স্থাপন কৰা ঃ ৰাজনৈতিক দলবোৰে জনগণ আৰু চৰকাৰৰ মাজত এটা যোগসূত্র স্থাপন কৰে। এই দলবোৰে চৰকাৰে লোৱা বিভিন্ন সিদ্ধান্ত, নীতি আৰু কার্য্যসূচীৰ নতুন জ্ঞান আৰু তথ্য জনগণক যোগান ধৰে। তেওঁলোকে ৰাইজৰ প্রতিনিধিৰ ভূমিকাও পালন কৰে আৰু বিধানসভা তথা সংসদৰ তর্কসমূহত জনগণৰ

বিভিন্ন প্ৰয়োজন আৰু দাবীসমূহ উপস্থাপন কৰে। ৰাজনৈতিক দলবোৰৰ অবিহনে নাগৰিকসকলে তেওঁলোকৰ প্ৰয়োজন অনুসাৰে দাবীবোৰ পূৰণ কৰিবলৈ সক্ষম নহয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক দলসমূহে বিভিন্ন প্ৰকাৰৰ সমাজ- কল্যাণমূলক কাৰ্য্যসূচীও গ্ৰহণ কৰে যাৰ জৰিয়তে তেওঁলোকে মানুহৰ সমৰ্থন আদায় কৰিব পাৰে। এই কাৰ্য্যক অৰাজনৈতিক কাৰ্য্যাৱলী বুলি ক'ব পাৰি। তেওঁলোকে নিজৰ সপক্ষে জনমত সৃষ্টি কৰাৰ কাৰণে এই কাৰ্য্যসূচীবোৰ গ্ৰহণ কৰে। উদাহৰণস্বৰূপে, প্ৰাকৃতিক দুৰ্যোগ যেনে- বানপানী, খৰাং, ভূমিকম্প আদিৰ সময়ত ৰাজনৈতিক দলবোৰে ৰাইজৰ মংগলৰ বাবে বিভিন্ন কল্যাণমূলক কাম হাতত লয়। তদুপৰি তেওঁলোকে অসস্পৃশ্যতা, নিৰক্ষৰতা আদি সামাজিক ব্যাধিসমূহ দূৰ কৰিবলৈ চেষ্টা কৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক দলবোৰ চৰকাৰী কামবোৰ সুচাৰুৰূপে সম্পন্ন হোৱাৰ কাৰণে দৰকাৰী। ই জনগণক চৰকাৰৰ সৈতে সংযোগ স্থাপন কৰায়। তেওঁলোকে ৰাইজৰ প্ৰতি চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত, নীতি আৰু কাৰ্য্যসূচীৰ জ্ঞান আৰু তথ্য যোগান ধৰে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক দলবোৰে মানুহৰ মাজত ৰাজনৈতিক সচেতনতা সৃষ্টি কৰে। এই দলবোৰে ইস্তাহাৰৰ বহুল প্ৰচাৰৰ জৰিয়তে মানুহক ৰাজনৈতিকভাৱে শিক্ষিত কৰে।



১০.১০ আৰ্হি প্ৰশ্ন

ক) **বস্তুধৰ্মী প্ৰশ্ন**

প্ৰশ্ন নং ১ ঃ এডমাণ্ড বাৰ্কে ৰাজনৈতিক দল সম্পৰ্কে দাঙি ধৰা সূত্ৰটো উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক দলৰ অৰ্থ লিখক।

প্ৰশ্ন নং ৩ ঃ 'ষ্টেচিঅ'লজি' মানে কি?

(খ) **চুটি প্ৰশ্ন** (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ ৰাজনৈতিক দলৰ অৰ্থ সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন নং ২ ঃ একদলীয় আৰু দ্বি-দলীয় ব্যৱস্থাৰ তিনিটা পাৰ্থক্যৰ বিষয়ে লিখক।

প্ৰশ্ন নং ৩ ঃ বহুদলীয় গণতন্ত্ৰৰ দুটা গুণ আৰু দুটা দোষৰ বিষয়ে লিখক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ ৰাজনৈতিক দলৰ সংজ্ঞা দিয়ক। ৰাজনৈতিক দলৰ বৈশিষ্ট্য সমূহ কি কি?

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক দলৰ বিভিন্ন কাৰ্য্য সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ গণতন্ত্ৰত ৰাজনৈতিক দলৰ ভূমিকা আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠী

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ প্রভাৱ গোষ্ঠী

- ১১.৩.১ প্রভাৱ গোষ্ঠীৰ অর্থ আৰু সংজ্ঞা
- ১১.৩.২ প্রভাৱ গোষ্ঠীৰ প্রকাৰসমূহ
- ১১.৩.৩ প্রভাৱ গোষ্ঠীৰ গুৰুত্ব

১১.৪ স্বার্থ গোষ্ঠী

- ১১.৪.১ স্বার্থ গোষ্ঠীৰ অর্থ আৰু সংজ্ঞা
- ১১.৪.২ স্বার্থ গোষ্ঠী প্রকাৰ
- ১১.৪.৩ স্বার্থ গোষ্ঠীৰ গুৰুত্ব

১১.৫ প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীৰ মাজত থকা পার্থক্যসমূহ

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্রগতিৰ খতিয়ান

১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীৰ অর্থ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীৰ প্রকাৰবোৰ জানিবলৈ সক্ষম হ'ব
- প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীৰ গুৰুত্ব সম্পর্কে ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীসমূহৰ মাজত থকা পার্থক্যসমূহ আলোচনা কৰিবলৈ সক্ষম হ'ব।

১১.২ পৰিচয়

প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীসমূহে আধুনিক ৰাজনৈতিক ব্যৱস্থাত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। প্রত্যেক ৰাজনৈতিক ব্যৱস্থাত, বিশেষকৈ এটা গণতান্ত্রিক ৰাজনৈতিক ব্যৱস্থাত, এই গোষ্ঠীসমূহে চৰকাৰ অথবা প্রচলিত দলীয় ব্যৱস্থাৰ বাহিৰত থাকি নিজৰ কাম সম্পাদন কৰা দেখা যায়। এই গোষ্ঠীবোৰে তেওঁলোকৰ স্বার্থসমূহ ৰক্ষা কৰাৰ বাবে চৰকাৰৰ

সিদ্ধান্ত ৰূপায়ণ প্রক্রিয়াক তেওঁলোকৰ নিজৰ সপক্ষে প্রভাৱিত কৰিবলৈ সক্রিয়ভাৱে চেষ্টা কৰা দেখা যায়। প্রভাৱগোষ্ঠী যিমানেই প্রভাৱশালী হয় সিমানেই সি চৰকাৰৰ ফালৰ পৰা নিজৰ দাবীসমূহ আদায় কৰিবলৈ সক্ষম হয়।

ঔদ্যোগিকৰণ আৰু আধুনিকীকৰণৰ ফলত দ্রুত বিকাশৰ বাবে আজিৰ সমাজত বিভিন্ন স্তৰত প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীৰ ভূমিকা যথেষ্ট বাঢ়ি অহা দেখা গৈছে। সমাজৰ বিভিন্ন দিশ আৰু ঘটনাক লৈ এটা ৰাজনৈতিক ব্যৱস্থাত বিভিন্ন প্রকাৰৰ প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠী থকা দেখা যায়। আন ভাষাত ক'বলৈ গ'লে আমাৰ সমাজত থকা বিভিন্ন প্রকাৰৰ প্র ভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীসমূহে, যাৰ কিছুমান বিশেষ আৰু স্থানীয় স্বার্থ থাকে, এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে আৰু এই ভূমিকা এখন সমাজৰ পৰা আন এখন সমাজলৈ প্রসাৰিত হয়।

১১.৩ প্রভাৱ গোষ্ঠী

১১.৩.১ প্রভাৱ গোষ্ঠীৰ অর্থ আৰু সংজ্ঞা

ৰাজনীতি বিজ্ঞান অধ্যয়নৰ ক্ষেত্রত প্রভাৱ গোষ্ঠী সমূহে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। যিকোনো ৰাজনৈতিক ব্যৱস্থাত ই এক প্রকাৰৰ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সাধাৰণতে, প্রভাৱ গোষ্ঠীসমূহ এটা সংগঠন যিটো কিছুমান ব্যক্তি বিশেষৰ দ্বাৰা গঠিত আৰু যাৰ কিছুমান উমৈহতীয় আৰু বিশেষ স্বার্থ থাকে যিবোৰ আংশিক স্থানীয়, ৰাষ্ট্রীয় আৰু আনকি আন্তঃৰাষ্ট্রীয়ও হ'ব পাৰে। এটা প্রভাৱ গোষ্ঠীৰ কোনো ৰাজনৈতিক লক্ষ্য নাথাকে কিন্তু ই শাসনাধিষ্ঠিত চৰকাৰৰ সিদ্ধান্ত লোৱাৰ প্রক্রিয়াৰ ওপৰত প্রভাৱ পেলায় যাতে ই প্রতিনিধিত্ব কৰা নির্দিষ্ট বর্গৰ মানুহখিনিৰ স্বার্থ সুৰক্ষিত হয় আৰু চৰকাৰৰ নীতিবোৰ যাতে সেই সংশ্লিষ্ট প্রভাৱ গোষ্ঠীয়ে প্রতিনিধিত্ব কৰা মানুহবোৰৰ অনুকূল হয়।

প্রভাৱগোষ্ঠীৰ সংজ্ঞা বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে দিছে। এই ক্ষেত্রত আমি তলত দিয়া সংজ্ঞাসমূহৰ কথা ক'ব পাৰো—

- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী এইচ জেইগলাৰৰ মতে, "প্রভাৱগোষ্ঠী হৈছে এটা সংঘবদ্ধ গোট যিয়ে ইয়াৰ সদস্যসকলক আনুষ্ঠানিক চৰকাৰী ব্যৱস্থাত নোসোমোৱাকৈয়ে চৰকাৰৰ সিদ্ধান্তসমূহক প্রভাৱিত কৰাৰ চেষ্টা কৰে।"
- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ৰবার্ট ডালৰ মতে, "ৰাষ্ট্রৰ নীতিৰ দ্বাৰা সুবিধা আদায় কৰাৰ চেষ্টা কৰি নিজৰ সদস্য আৰু সমর্থকসকলক ইয়াৰ জৰিয়তে সুবিধা দিয়া যিকোনো সংস্থাক প্রভাৱগোষ্ঠী বুলিব পাৰি।
- আমেৰিকাৰ পণ্ডিত হেনৰী এ টার্ণাৰে কৈছে, " প্রভাৱগোষ্ঠী সমূহ হৈছে কিছুমান অনা-দলীয় সংগঠন যিবোৰ ৰাজহুৱা নীতিৰ কিছুমান স্তৰক বা অধ্যায়ক প্রভাৱিত কৰা চেষ্টা কৰে"।

- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী লেইচাৰছ্নৰ মতে, "অনা দলীয় সংগঠন হিচাপে প্ৰভাৱগোষ্ঠীসমূহ কিছুমান ব্যক্তিয়ে কিছুমান লক্ষ্যত উপনীত হোৱাৰ বাবে গঠন কৰে আৰু সংগঠনটো টিকি থকাৰ বাবে কিছুমান ব্যহ্যিক কাৰ্যকলাপত লিপ্ত হয় যিবোৰ সংগঠনটোৰ স্থিতিৰ বাবে জৰুৰী।"
- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী হেৰী একষ্টেইনৰ মতে, "প্ৰভাৱগোষ্ঠী বুলি ক'লে আমি সংঘবদ্ধ গোট এটাক বুজো যিয়ে চৰকাৰৰ সিদ্ধান্তসমূহ আনুষ্ঠানিকভাৱে চৰকাৰী ক্ষমতাসমূহ ব্যৱহাৰ কৰিবলৈ ইচ্ছা নকৰাকৈয়ে প্ৰভাৱিত কৰাৰ চেষ্টা চলায়।" উপৰোক্ত সংজ্ঞাসমূহৰ জৰিয়তে এইটো কথা স্পষ্ট হয় যে প্ৰভাৱগোষ্ঠীসমূহ হৈছে কিছুমান ব্যক্তিৰ দ্বাৰা গঠিত এটা সমষ্টি যাৰ কিছুমান উমৈহতীয়া স্বাৰ্থ থাকে আৰু যিবোৰ আংশিক স্থানীয়, ৰাষ্ট্ৰীয় আৰু আনকি আন্তঃৰাষ্ট্ৰীয়ও হ'ব পাৰে। তেওঁলোকে তেওঁলোকৰ সদস্যসকলক কেতিয়াও আনুষ্ঠানিক চৰকাৰী কাৰ্য্যকলাপত অংশ ল'বলৈ নিদিয়ে। যিয়েই নহওঁক, তেওঁলোকে ৰাজহুৱা নীতিৰ কিছু স্তৰক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰে। আন ভাষাত ক'বলৈ গ'লে তেওঁলোকে এটা লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰে যিটো তেওঁলোকে বিশ্বাস কৰে আৰু চৰকাৰ আৰু ৰাজনৈতিক প্ৰক্ৰিয়াৰ লগত কিবাপ্ৰকাৰে জড়িত আন কিছুমান গোটৰ কিছুমান নীতিৰ বিৰুদ্ধাচৰণ কৰে।

প্ৰত্যেক প্ৰভাৱগোষ্ঠী কিছুমান উমৈহতীয়া স্বাৰ্থৰ দ্বাৰা গঠিত হয়। তেওঁলোকে প্ৰত্যক্ষ ভাৱে ৰাজনীতিত অৱতীৰ্ণ নোহোৱাকৈ মাত্ৰ তেওঁলোকৰ স্বাৰ্থসমূহ পূৰণ কৰিবলৈ চেষ্টা কৰে। আন শব্দ ক'বলৈ গ'লে, তেওঁলোকে তেওঁলোকৰ বিশেষ স্বাৰ্থ ৰক্ষা আৰু অগ্ৰাধিকাৰ দিয়াৰ চেষ্টা কৰে। এই উদ্দেশ্যে তেওঁলোকে বিভিন্ন কৌশল আৰু পদ্ধতি অৱলম্বন কৰে। সেয়েহে ইয়াৰ দ্বাৰা ক'ব পাৰি যে প্ৰভাৱ গোষ্ঠীসমূহৰ মূল লক্ষ্য হৈছে ৰাজনৈতিক ক্ষমতা দখল নকৰাকৈ তেওঁলোকে নিজৰ স্বাৰ্থবোৰ সুৰক্ষিত কৰিবলৈ চৰকাৰক প্ৰভাবান্বিত কৰা।

১১.৩.২ প্ৰভাৱ গোষ্ঠীৰ প্ৰকাৰসমূহ

প্ৰভাৱ গোষ্ঠীৰ প্ৰকাৰ সন্দৰ্ভত সৰ্বসন্মত কোনো গ্ৰহণযোগ্য বিভাজন নাই। ই ৰাজনৈতিক ব্যৱস্থা অনুসৰি ভিন্ ভিন্ হ'ব পাৰে। সাধাৰণতে, প্ৰভাৱ গোষ্ঠীসমূহ সমাজৰ বিভিন্ন প্ৰয়োজন আৰু দাবীসমূহ পূৰণ কৰাৰ বাবে গঠন কৰা হয় যিবোৰ আৰ্থসামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু আন বহুতো হ'ব পাৰে। গেব্ৰিয়েল আলমণ্ডে কৰা বিভাজনসমূহ গণতান্ত্ৰিক আৰু অগণতান্ত্ৰিক ব্যৱস্থা উভয়ৰে ক্ষেত্ৰত প্ৰযোজ্য। তলত এইটো উল্লেখ কৰা হ'ল —

- সাংগঠনিক প্ৰভাৱ গোষ্ঠী
- অনা সাংগঠনিক প্ৰভাৱ গোষ্ঠী

- আনুষ্ঠানিক প্রভাৱ গোষ্ঠী
- স্বতঃ স্ফূর্তভাৱে গঠিত হোৱা প্রভাৱ গোষ্ঠী
- **সাংগঠনিক প্রভাৱ গোষ্ঠী ঃ** সাংগঠনিক প্রভাৱ গোষ্ঠী হৈছে এনে গোষ্ঠী যিয়ে কিছুমান বিশেষ শ্রেণীৰ ব্যক্তিৰ স্বার্থক প্রতিনিধিত্ব কৰে। এনেকুৱা গোটবোৰৰ কিছুমান বিশেষ পৰিচয়, যেনে — ইয়াৰ নিজা নাম, কার্যালয় আৰু বৃত্তিগত কর্মী আদি থাকে। তেওঁলোকে তেওঁলোকৰ স্বার্থসমূহ সুৰক্ষিত আৰু কার্যৰূপায়িত কৰাৰ বাবে কিছুমান বিশেষ নীতি গ্রহণ কৰে। এই ক্ষেত্রত আমি বিভিন্ন শ্রমিক সংগঠন, বাণিজ্যিক আৰু বৃত্তিমুখী গোষ্ঠী, ছাত্র সংগঠন আৰু অন্যান্য সংস্থাৰ কথা ক'ব পাৰো। এনে ধৰণৰ সংস্থাসমূহৰ সংখ্যা বর্তমান আধুনিক যোগাযোগ আৰু প্রযুক্তিবিদ্যাৰ উন্নতিৰ ফলত বাঢ়িবলৈ ধৰিছে।
- **অনা-সাংগঠনিক প্রভাৱ গোষ্ঠী ঃ** এটা অনা-সাংগঠনিক প্রভাৱ গোষ্ঠী সাংগঠনিক প্রভাৱ গোষ্ঠীৰ সম্পূর্ণ বিপৰীত। এটা অনা সাংগঠনিক প্রভাৱ গোষ্ঠীৰ কোনো বিশেষ পৰিচয় আৰু আনুষ্ঠানিক আকৃতি নাথাকে। আনকি, সদস্যসকলৰ মাজত কোনো ধৰণৰ আনুষ্ঠানিক যোগাযোগ নাথাকে। কিন্তু এই গোটবোৰৰ প্রকৃতি আৰু স্বার্থসমূহ একে ধৰণৰ। এই গোটবোৰ ধর্ম, জাতি অথবা বর্ণৰ ওপৰত আধাৰ কৰি গঠন কৰা হয়। উদাহৰণ স্বৰূপে, এটা বিশেষ জাতি বা ধর্মৰ স্থানীয় অধিবাসীৰ সদস্যসকলক অনা- সাংগঠনিক প্রভাৱ গোষ্ঠীৰ অংশ বুলি ক'ব পাৰি।
- **আনুষ্ঠানিক প্রভাৱ গোষ্ঠী ঃ** চৰকাৰৰ নিয়ন্ত্রণত যিবোৰ প্রভাৱ গোষ্ঠী গঠন কৰা হয় সেইবোৰক আনুষ্ঠানিক প্রভাৱ গোষ্ঠী বুলি কোৱা হয়। তেওঁলোক হৈছে সু-সংগঠিত কিছুমান গোট যাৰ কিছুমান নিজা বিশেষ স্বার্থ থাকে। এই শ্রেণী বিভাগটোত আমি চৰকাৰী আমোলা, সশস্ত্র বাহিনীৰ সদস্যসকলৰ দ্বাৰা গঠিত আনুষ্ঠানিক প্রভাৱ গোষ্ঠীৰ কথা ক'ব পাৰো।
- **স্বতঃস্ফূর্ত প্রভাৱ গোষ্ঠী ঃ** স্বতঃ স্ফূর্ত প্র ভাৱ গোষ্ঠীসমূহ স্বয়ংক্রিয়ভাৱে গঠিত হোৱা স্বার্থ গোষ্ঠী। তেওঁলোকে এটা বিশেষ উদ্দেশ্যৰ প্রতি দৃষ্টিপাত কৰে। আন কথাত ক'বলৈ গ'লে, এই গোষ্ঠীবোৰ চৰকাৰৰ কিছুমান বিশেষ নীতিক প্রতিবাদ কৰাৰ বাবে গঠন কৰা হয় যাৰ কোনো সংগঠন বা প্রাক্-পৰিকল্পনা নাথাকে। সেয়েহে, স্বতঃস্ফূর্ত প্রভাৱ গোষ্ঠীসমূহক চৰকাৰৰ এটা বিশেষ নীতিক বিৰোধিতা কৰাৰ বাবে কোনো ধৰণৰ বিশেষ প্রচেষ্টা নচলোৱাকৈ গঠন কৰা গোট বুলি ক'ব পাৰি। উদাহৰণস্বৰূপে, এটা শোভা যাত্রা, সাম্প্রদায়িক সংঘর্ষ, প্রতিবাদী সমদল আদিত জমা হোৱা মানুহখিনিক স্বতঃস্ফূর্ত প্রভাৱ গোষ্ঠীৰ অন্তর্গত মানুহৰ গোট বুলি ক'ব পাৰি।

এইদৰে প্রভাৱ গোষ্ঠীসমূহক আমি বিভিন্ন ভাগত ভাগ কৰিব পাৰো। এই গোটবোৰ স্থায়ী বা অস্থায়ী, ডাঙৰ বা সৰু, শক্তিশালী বা দুর্বল হ'ব পাৰে। এই সকলোবোৰ

গোটে চৰকাৰৰ সিদ্ধান্ত কার্যকৰী প্রক্রিয়াক প্রভাৱিত কৰি তেওঁলোকৰ স্বার্থসমূহ ৰূপায়িত কৰাৰ কাৰণে চেষ্টা চলায়।

১১.৩.৩ প্রভাৱ গোষ্ঠীৰ গুৰুত্ব

প্রভাৱ গোষ্ঠীসমূহ আমাৰ ৰাজনৈতিক জীৱনৰ ক্ষেত্রত এটা অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে। ই জনগণ আৰু চৰকাৰৰ মাজত থকা এক সেতু হিচাপে কাম কৰে। প্রভাৱ গোষ্ঠীসমূহ চৰকাৰী কার্যকলাপ সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্রত বিশেষকৈ গণতান্ত্রিক ৰাজনৈতিক ব্যৱস্থাত প্রয়োজনীয়। আন ভাষাত ক'বলৈ গ'লে গণতন্ত্র আৰু প্রভাৱ গোষ্ঠীসমূহ এটা আনটোৰ পৰিপূৰক আৰু এটা মুদ্রাৰ ইপিঠি আৰু সিপিঠি বুলি আমি ক'ব পাৰো। প্রভাৱ গোষ্ঠী নোহোৱাকৈ কোনো গণতান্ত্রিক চৰকাৰে নিজৰ কাম সুচাৰুৰূপে সম্পন্ন কৰিব নোৱাৰে। প্রভাৱ গোষ্ঠীৰ গুৰুত্ব সম্পর্কে তলৰ কথাবোৰ উল্লেখ কৰিব পাৰি—

- প্রভাৱ গোষ্ঠীসমূহ চৰকাৰী কার্যকলাপ সমূহ সূচাৰুৰূপে চলোৱাৰ কাৰণে দৰকাৰী। ই জনগণৰ সৈতে চৰকাৰৰ সংযোগ সাধন কৰে। তেওঁলোকে চৰকাৰে জনগণৰ বাবে গ্রহণ কৰা বিভিন্ন সিদ্ধান্ত, নীতি আৰু কার্যসূচীৰ বিষয়ে জনগণক শেহতীয়া তথ্য-পাতি আৰু জ্ঞানৰ যোগান ধৰে।
- প্রভাৱ গোষ্ঠীয়ে জনগণৰ প্রতিনিধি হিচাপেও নিজৰ দায়িত্ব পালন কৰে আৰু এটা প্রণালীবদ্ধ ৰূপত মানুহৰ বিভিন্ন প্রয়োজন আৰু দাবীক উপস্থাপন কৰে। প্রভাৱ গোষ্ঠী অবিহনে নাগৰিকসকলে তেওঁলোকৰ প্রয়োজন অনুসৰি দাবীবোৰ পূৰণ কৰিব নোৱাৰিলেহেতেন।
- প্রভাৱ গোষ্ঠীসমূহ জনমত গঠন কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ। তেওঁলোকে জনসাধাৰণৰ দাবীসমূহ শুনাৰ কাৰণে গ্রহণযোগ্য কৰি তোলে। এনেকুৱা জনমত চৰকাৰৰ বাবে নীতি আৰু আইন প্রণয়নৰ ক্ষেত্রত "আর্হিৰেখা" হিচাপে পৰিগণিত হ'ব পাৰে।
- প্রভাৱ গোষ্ঠীসমূহে নাগৰিকসকলক বিভিন্ন ধৰণৰ জটিল সমস্যাৰ বিষয়ে সচেতন কৰি তোলাৰ লগতে গণ সংযোগৰ মাধ্যমৰ জৰিয়তে চৰকাৰ আৰু আইন, ৰাজনৈতিক দলসমূহৰ নীতি আৰু আদর্শৰ বিষয়েও সচেতন কৰি তোলে।
- প্রভাৱ গোষ্ঠীসমূহ যিকোনো ৰাজনৈতিক ব্যৱস্থাত ৰাজনৈতিক সুস্থিৰতা আনিবৰ বাবেও গুৰুত্বপূর্ণ। তেওঁলোকে চৰকাৰৰ বিভিন্ন শাখাৰ মাজত সমিল-মিল মনোভাৱৰ সূচনা কৰে। প্রভাৱ গোষ্ঠীসমূহে চৰকাৰ আৰু সমাজৰ মানুহৰ মাজত এটা মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে। আন ভাষাত ক'বলৈ গ'লে, ই সমাজৰ বিভিন্ন গোটৰ মাজত ঐক্য সাধনকাৰী এটা শক্তি হিচাপে কাম কৰে।

- প্রভাৱ গোষ্ঠীসমূহ চৰকাৰৰ স্বেচ্ছাচাৰী কার্য নিয়ন্ত্রিত কৰাৰ বাবেও গুৰুত্বপূর্ণ। প্রভাৱ গোষ্ঠীৰ দ্বাৰাইহে চৰকাৰে জনসাধাৰণৰ বিৰুদ্ধে গ্রহণ কৰা কার্যক নিয়ন্ত্রিত কৰিব পৰা যায়।

উপৰোক্ত আলোচনাৰ জৰিয়তে এইটো পৰিষ্কাৰ হয় যে প্রভাৱ গোষ্ঠীসমূহে আমাৰ সমাজত বিশেষকৈ গণতান্ত্রিক ৰাজনৈতিক ব্যৱস্থাত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে। প্রভাৱ গোষ্ঠীসমূহে ক্ষুদ্র স্বার্থ পৰিত্যাগ কৰি সমাজৰ বৃহত্তৰ স্বার্থৰ খাতিৰত কাম কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ এইচ. জেইগলাৰে দিয়া প্রভাৱ গোষ্ঠীৰ সংজ্ঞা উল্লেখ কৰক।

.....

প্রশ্ন নং ২ঃ "যি কোনো সংগঠনে তেওঁলোকৰ ৰাষ্ট্রৰ নীতিৰ দ্বাৰা তেওঁলোকৰ সদস্য বা সমর্থকসকল লাভবান হোৱাৰ প্রচেষ্টা চলালে তাক প্রভাৱ গোষ্ঠী বুলি কোৱা হয়" কোনে এনেদৰে কৈছিল?

.....

.....

প্রশ্ন নং ৩ঃ সাংগঠনিক আৰু স্বতঃস্ফূর্ত প্রভাৱ গোষ্ঠী বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৪ঃ এটা ৰাজনৈতিক ব্যৱস্থাত প্রভাৱ গোষ্ঠীৰ গুৰুত্ব উপলব্ধি কৰি দুটা যুক্তি উল্লেখ কৰক।

.....

.....



চিন্তা-চর্চা কৰক ১১.১

উন্নত আৰু উন্নয়ণশীল দেশত আধিপত্য বিস্তাৰ কৰা কেইটামান প্রভাৱ গোষ্ঠীৰ নামসহ এখন তালিকা তৈয়াৰ কৰাৰ চেষ্টা কৰক।

.....

.....

১১.৪ স্বার্থ গোষ্ঠী

১১.৪.১ স্বার্থ গোষ্ঠীৰ অর্থ আৰু সংজ্ঞা

স্বার্থ গোষ্ঠীসমূহে যিকোনো এটা ৰাজনৈতিক ব্যৱস্থাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সাধাৰণতে স্বার্থ গোষ্ঠী হৈছে এটা ব্যক্তি বিশেষৰ সমষ্টি যিয়ে ৰাজহুৱা নীতিক প্রভাৱিত কৰিব বিচাৰে। এই গোটবোৰৰ কিছুমান বিশেষ স্বার্থ থাকে যাৰ ওপৰত ভিত্তি কৰি তেওঁলোকে কার্যকলাপসমূহ ৰূপায়ণ কৰে। আন ভাষাত ক'বলৈ গ'লে, এটা ব্যক্তি বিশেষৰ সমষ্টি যিয়ে এটা বিশেষ স্বার্থৰ লগত জড়িত তাকেই স্বার্থ গোষ্ঠী বুলি ক'ব পাৰি। তেওঁলোকে বিধানমণ্ডলক বিধেয়কক অগ্রাধিকাৰ, প্রত্যাহাৰ আৰু বাতিলৰ বাবে প্রভাৱিত কৰিবলৈ চেষ্টা কৰে। স্বার্থ গোষ্ঠীসমূহে দাবীসমূহ পূৰণ কৰিবলৈ আমাৰ মাজত গোট সৃষ্টিকাৰী কৌশলৰ প্রয়োগ কৰে।



জানি থোৱা ভাল

ল'বিং হৈছে এটা কৌশল যাৰ সহায়ত স্বার্থ গোষ্ঠীৰ সদস্যসকলে বিধায়ক সকলক লগ ধৰে আৰু তেওঁলোকক সংশ্লিষ্ট বিলবোৰত সমর্থন দিয়াৰ কাৰণে যিবোৰ তেওঁলোকৰ সংশ্লিষ্ট স্বার্থ গোষ্ঠীৰ লগত জড়িত কৰিবলৈ চেষ্টা কৰে। তেওঁলোকে মুখ্যতঃ বিধানমণ্ডলৰ সৈতে জড়িত হৈ থাকে। এই শব্দটো আমেৰিকা যুক্তৰাষ্ট্রত উদ্ভৱ হৈছিল।

স্বার্থ গোষ্ঠীৰ বিষয়ে বিভিন্ন পণ্ডিতে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। সেইবোৰ হৈছে—

- আলমণ্ড আৰু পাৱেলে কৈছে, "স্বার্থ গোষ্ঠী হৈছে কিছুমান স্বেচ্ছাসেৱী ব্যক্তিৰ সমষ্টি যিয়ে কিছুমান বিশেষ বাধ্যবাধকতাৰ লগত সংযুক্ত হৈ থাকে আৰু যিয়ে এই বাধ্যবাধকতাৰ প্রতি সচেতন। এই গোটসমূহে বিশেষ ব্যৱস্থাৰ ভিতৰত আর্থ সামাজিক আৰু ৰাজনৈতিক স্বার্থক প্রতিনিধিত্ব কৰে"।
- স্কেফাৰ আৰু লামৰ মতে, "স্বার্থ গোষ্ঠী হৈছে স্বেচ্ছামূলক কিছুমান নাগৰিকৰ দ্বাৰা গঠিত গোট যিয়ে সামাজিক নীতিসমূহ প্রভাৱিত কৰিবলৈ চেষ্টা কৰে"।
- ডেভিদ ট্রুমেনৰ মতে, "স্বার্থ গোষ্ঠী হৈছে এক প্রকাৰৰ সামূহিক মানসিকতা যিটোৱে চৰকাৰৰ অনুষ্ঠানৰ জৰিয়তে চৰকাৰৰ ওচৰত বিশেষ দাবী জনাব পাৰে"।
- সমাজ তত্ত্বৰ ব্লেকৰেল অভিধানৰ মতে, "স্বার্থ গোষ্ঠী হৈছে এটা সংগঠন যাৰ উদ্দেশ্য হৈছে সমাজৰ ৰাজনৈতিক শক্তিৰ বিতৰণ আৰু ব্যৱহাৰক প্রভাৱিত কৰা।"
- হেৰল্ড লাছৱেল আৰু আব্রাহন কাপলানৰ মতে, "এটা গোট হৈছে সাংগঠনিক

সমষ্টি আৰু স্বার্থ গোষ্ঠী হৈছে স্বার্থৰ সমষ্টি"।

উপৰোক্ত সংজ্ঞাসমূহৰ পৰা এটা কথা স্পষ্ট যে স্বার্থ গোষ্ঠীসমূহ হৈছে এটা সংগঠিত ব্যক্তিৰ সমষ্টি যিয়ে ৰাজহুৱা নীতিক প্রভাৱিত কৰিবলৈ বিচাৰে। স্বার্থগোষ্ঠী ব্যক্তিসকলৰ এটা বিশেষ স্বার্থৰ সৈতে জড়িত আৰু তেওঁলোকে ৰাজহুৱা নীতিক প্রভাৱিত কৰিবলৈ বিচাৰে। আন ভাষাত ক'বলৈ গ'লে তেওঁলোকে বিধানমণ্ডলত বিধেয়ককক গৃহীত, প্রত্যাহাৰ আৰু বাতিল কৰাৰ কাৰণে প্রভাৱিত কৰিবলৈ চেষ্টা কৰে। এই গোটবোৰে ৰাজনৈতিক প্রক্রিয়াত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

১১.৪.২ স্বার্থ গোষ্ঠীৰ প্রকাৰ

স্বার্থ গোষ্ঠীৰ প্রকাৰ সন্দর্ভত পণ্ডিতসকলৰ মাজত কোনো উমৈহতীয়া তত্ত্ব নাই। এই গোটবোৰ ৰাষ্ট্ৰ এখনৰ সামাজিক, ৰাজনৈতিক আৰু আন কাৰকৰ ওপৰত ভিত্তি কৰি গঠিত হয়। তথাপি, উমৈহতীয়া স্বার্থগোষ্ঠীসমূহৰ উল্লেখ তলত দিয়া শিৰোনামাসমূহৰ জৰিয়তে উল্লেখ কৰিব পাৰি—

- **সাংগঠনিক অথবা বৃত্তিমুখী স্বার্থ গোষ্ঠী ঃ** এই গোটবোৰ ব্যক্তিগত স্বার্থৰ লগত জড়িত। এই গোটৰ সদস্যসকলে তেওঁলোকৰ ব্যক্তিগত স্বার্থসমূহক লৈ একলগ হোৱা দেখা যায়। তেওঁলোকে সমাজৰ এটা অংশক প্রতিনিধিত্ব কৰে, যেনে— শ্রমিক, উপভোক্তা ইত্যাদি।
- **বাণিজ্যিক স্বার্থ গোষ্ঠী ঃ** এইটো যিকোনো ৰাজনৈতিক ব্যৱস্থাত থকা এটা ডাঙৰ স্বার্থ গোষ্ঠী। ভাৰতৰ ক্ষেত্রত তেওঁলোকে ঘাইকৈ পৰিকল্পনা আয়োগ (এতিয়া নীতি আয়োগ) আৰু অর্থনৈতিক মন্ত্রালয়ৰ সৈতে জড়িত আৰু এইবোৰক বাণিজ্যিক স্বার্থসমূহক সুৰক্ষিত ৰখা আৰু ৰূপায়ণৰ বাবে প্রভাৱিত কৰিবলৈ চেষ্টা কৰে। এই গোটসমূহে আমাৰ ৰাজনীতি আৰু শাসন ব্যৱস্থাত উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ দ্রুত গতিত বৃদ্ধি পাই অহা প্রভাৱৰ ফলশ্রুতিত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে।
- **কাৰণ সম্পর্কীয় স্বার্থ গোষ্ঠী ঃ** ইটো এটা গোষ্ঠী যিটোৱে সমাজৰ এটা বিশেষ অংশৰ স্বার্থক প্রতিনিধিত্ব কৰে। এইটো হৈছে এটা ধনাত্মক অর্থনৈতিক গোষ্ঠী আৰু সমাজ কল্যাণৰ বাবে এটা বিশেষ কাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই গোষ্ঠীটোক ৰাজহুৱা স্বার্থ গোষ্ঠী বুলিও কোৱা হয়। ই সুসংগঠিত হ'বও পাৰে। উদাহৰণস্বৰূপে, নর্মদা বচাও আন্দোলন, অসমৰ বৃহৎ নদীবান্ধ বিৰোধী আন্দোলন আদিৰ কথা ইয়াত উল্লেখ কৰিব পাৰি।
- **ভাষিক স্বার্থ গোষ্ঠী ঃ** এই গোষ্ঠীসমূহ আমাৰ সমাজত বহু ভাষাৰ প্রচলনৰ বাবে উদ্ভৱ হৈছে। গোটেই দেশৰ বিভিন্ন ভাষিক মানুহৰ স্বার্থৰ বিভিন্নতাক প্রতিনিধিত্ব

কৰি এই গোটবোৰ গঠিত হৈছে। সাধাৰণতে প্ৰত্যেক গুৰুত্বপূৰ্ণ ভাষাৰেই তেওঁলোকৰ নিজা স্বাৰ্থগোষ্ঠী থাকে। যেনে, অসম সাহিত্য সভা অসমীয়া ভাষী মানুহৰ বাবে, বড়োসকলৰ বাবে বড়ো সাহিত্য সভা ইত্যাদি।

- **ধৰ্মীয় স্বাৰ্থ গোষ্ঠী ঃ** এই গোটসমূহ এটা বিশেষ ধৰ্মৰ স্বাৰ্থক সুৰক্ষা আৰু পৰিপূৰ্ণতা প্ৰদান কৰাৰ কাৰণে গঠিত হয়। মানুহৰ ধৰ্মীয় মতামত প্ৰদান কৰাৰ কাৰণে এই গোটবোৰ গঠিত হয়। এই গোটবোৰৰ ধৰ্মীয় মতামত আৰু কাৰ্যকলাপ সমূহ সম্প্ৰদায়ৰ প্ৰতি দায়বদ্ধ আৰু এইবোৰৰ স্বাৰ্থসমূহৰ উন্নয়ণ আৰু সংস্কাৰৰ ওপৰত নজৰ দিয়ে। আন ভাষাত ক'বলৈ গ'লে ই তেওঁলোকৰ সদস্যসকলক সুৰক্ষা প্ৰদান কৰে আৰু উন্নয়ণত সহায় কৰে।
- **জনজাতীয় স্বাৰ্থ গোষ্ঠী ঃ** এই গোটবোৰ জনজাতীয় লোকসকলৰ স্বাৰ্থৰ লগত জড়িত। তেওঁলোকে তেওঁলোকৰ গোষ্ঠীটোক সংৰক্ষণ আৰু স্বাৰ্থসমূহক ৰক্ষণাবেক্ষণ দিয়াৰ লগতে চৰকাৰৰ পৰা তেওঁলোকৰ গোষ্ঠীটোৱে যাতে বেছি ৰাজনৈতিক তথা আৰ্থ-সামাজিক মুনাফা লাভ কৰিব পাৰে তাৰেই চেষ্টা কৰে। তেওঁলোকৰ নিজা বিশেষ পৰিচয় থাকে।

ওপৰোক্ত আলোচনা পৰা এইটো স্পষ্ট হয় যে স্বাৰ্থ গোষ্ঠীসমূহ বিভিন্ন ভাগত বিভক্ত হৈ থাকে। এই সকলোবোৰ গোটেই তেওঁলোকৰ নিজস্ব বিশেষ গোটটোৰ স্বাৰ্থ ৰক্ষাৰ ওপৰত গুৰুত্ব দিয়ে। আন ভাষাত এই গোটবোৰে তেওঁলোকৰ একমাত্ৰ নিজৰ স্বাৰ্থক সুৰক্ষা, অগ্ৰাধিকাৰ আৰু ৰক্ষণাবেক্ষণ দিয়াৰ বাবে চেষ্টা চলায়।

১১.৪.৩ স্বাৰ্থ গোষ্ঠীৰ গুৰুত্ব

এটা ৰাজনৈতিক ব্যৱস্থাত স্বাৰ্থ গোষ্ঠীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাত চৰকাৰী কাৰ্যসমূহ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ইয়াৰ প্ৰয়োজন আছে। আন ভাষাত ক'বলৈ গ'লে গণতন্ত্ৰ আৰু স্বাৰ্থ গোষ্ঠী হৈছে এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এই গোষ্ঠীবোৰৰ অবিহনে কোনো গণতান্ত্ৰিক চৰকাৰে সুচাৰুৰূপে কাম সম্পন্ন কৰিব নোৱাৰে। এই স্বাৰ্থ গোষ্ঠীবোৰৰ গুৰুত্ব সম্পৰ্কে তলৰ কথাবোৰ উল্লেখ কৰিব পাৰি—

- ৰাজহুৱা স্বাৰ্থ গোষ্ঠীসমূহে ধনী আৰু শক্তিশালী ব্যক্তি বিশেষৰ অবৈধ প্ৰভাৱৰ বিৰুদ্ধে মাত মাতিব পাৰে আৰু চৰকাৰৰ ওচৰত সাধাৰণ মানুহৰ দাবীসমূহ উত্থাপন কৰিব পাৰে।
- স্বাৰ্থ গোষ্ঠীসমূহে ৰাজহুৱা মতামত গঠন কৰাটো অৰিহণা যোগায়। তেওঁলোকে চৰকাৰক নীতি তৈয়াৰ কৰা আৰু আইন প্ৰণয়নৰ সময়ত এটা বিশেষ গোষ্ঠীৰ দাবীসমূহ উত্থাপন কৰে।

- এটা ৰাজনৈতিক ব্যৱস্থাত ৰাজনৈতিক সুস্থিৰতা অনাৰ ক্ষেত্রত স্বার্থ গোষ্ঠীসমূহৰ গুৰুত্বপূর্ণ ভূমিকা আছে। তেওঁলোকে চৰকাৰৰ বিভিন্ন অংগৰ মাজত সমতা ৰক্ষা কৰি চলে। আন ভাষাত ক'লে, সমাজৰ বিভিন্ন গোটৰ মাজত একতা সৃষ্টি কৰাত স্বার্থ গোষ্ঠীবোৰে অৰিহণা যোগায়।
- স্বার্থ গোষ্ঠীবোৰে চৰকাৰৰ স্বৈৰাচাৰী মনোভাৰক নিয়ন্ত্রণ কৰাতো অৰিহণা যোগায়। প্রভাৱ গোষ্ঠীৰ নিচিনাকৈ স্বার্থগোষ্ঠীসমূহে বিভিন্ন স্বার্থগোষ্ঠীৰ অন্তর্ভুক্ত মানুহৰ বিৰুদ্ধে যাব পৰা চৰকাৰৰ মানোভাবৰ বিৰোধিতা কৰে।

ওপৰৰ আলোচনাৰ পৰা এইটো বুজিব পাৰি যে স্বার্থ গোষ্ঠীসমূহে আমাৰ সমাজত বিশেষকৈ গণতান্ত্রিক ৰাজনৈতিক ব্যৱস্থাত এটা গুৰুত্বপূর্ণ ভূমিকা ল'ব পাৰে। যিয়েই নহওঁক স্বার্থ গোষ্ঠীসমূহে নিজৰ ক্ষুদ্র স্বার্থ এৰি সমাজৰ বৃহত্তৰ স্বার্থৰ কাৰণে কাম কৰিব লাগে। শেষত আমি এটা কথাই ক'ব পৰো চৰকাৰ এখনক সাংবিধানিক চৰকাৰত পৰিণত কৰাত স্বার্থ গোষ্ঠীৰ প্রয়োজন আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ ডেভিদ ট্রুমেনৰ স্বার্থ গোষ্ঠীৰ সংজ্ঞাটো লিখক ।

.....

.....

প্রশ্ন নং ৬ঃ "এটা প্রভাৱগোষ্ঠী হৈছে নাগৰিকসকলৰ স্বেচ্ছামূলক সংগঠন, যিয়ে ৰাজহুৱা নীতিক প্রভাৱিত কৰে" কোনে কৈছিল ?

.....

.....

প্রশ্ন নং ৭ঃ সাংগঠনিক অথবা বৃত্তিমুখী স্বার্থগোষ্ঠী আৰু বাণিজ্যিক স্বার্থ গোষ্ঠীৰ সংজ্ঞা লিখক।

.....

.....

প্রশ্ন নং ৮ঃ এটা ৰাজনৈতিক ব্যৱস্থাত স্বার্থ গোষ্ঠীৰ গুৰুত্ব সম্পর্কে দুটা যুক্তি উল্লেখ কৰক।

.....

.....

১১.৫ প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীৰ মাজত থকা পার্থক্যসমূহ

প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীক একে গোটৰ অন্তর্ভুক্ত বুলি ধৰা হয় আৰু এই দুটাৰ মাজত সাধাৰণতে কোনো পার্থক্য সৃষ্টি কৰা নহয়। কিন্তু অলপ ভালকৈ চালে দেখা যায় যে

সিহঁত দুয়োটাৰ দৃষ্টিভংগী একে নহয়। বিভিন্ন ৰাজনীতি বিজ্ঞানীয়ে এই দুয়োটাৰ মাজত তলত দিয়া ধৰণে পার্থক্যসমূহ নির্ণয় কৰিছে —

- প্রভাৱ গোষ্ঠীসমূহে ৰাইজৰ স্বতঃস্ফর্ত সঁহাৰিৰ ওপৰত নির্ভৰ কৰে। কিন্তু এয়া স্বার্থ গোষ্ঠীৰ ক্ষেত্রত প্রযোজ্য নহয়। স্বার্থ গোষ্ঠীয়ে ৰাইজৰ স্বতঃস্ফুর্ত সহাঁৰিৰ ওপৰত নির্ভৰ নকৰে।
- প্রভাৱ গোষ্ঠীসমূহে সাধাৰণ মানুহৰ স্বার্থ ৰক্ষাৰ উদ্দেশ্যে চৰকাৰৰ ৰূপায়ণ কার্যক বিভিন্ন ধৰণৰ সংবিধান বহির্ভূত পন্থাৰ অৱলম্বনৰ জৰিয়তে প্রভাৱিত কৰিব পাৰে। ইয়াৰ বিপৰীতে স্বার্থ গোষ্ঠীসমূহে এনে ধৰণৰ পন্থা অৱলম্বন নকৰে।
- প্রভাৱ গোষ্ঠীসমূহে তেওঁলোকৰ নিজা সদস্যসকলৰ উপৰি সমাজৰ আন সদস্যৰ কল্যাণৰ বাবেও চেষ্টা চলায়। কিন্তু স্বার্থ গোষ্ঠীসমূহে কেৱল তেওঁলোকৰ নিজাবৰীয়া সদস্যসকলৰ স্বার্থ ৰক্ষাৰ ওপৰতহে গুৰুত্ব দিয়ে।
- প্রভাৱ গোষ্ঠীসমূহে ৰাজহুৱা নীতিৰ গঠন আৰু প্রশাসনৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিবলৈ কিছুমান চাপযুক্ত কৌশল ব্যৱহাৰ কৰে। ইয়াৰ বিপৰীতে স্বার্থ গোষ্ঠীসমূহে নিজৰ স্বার্থ পূৰণ কৰিবলৈ পাৰস্পৰিক সহযোগৰ ওপৰত গুৰুত্ব দিয়ে। প্রভাৱ গোষ্ঠীসমূহ প্রভাৱ যুক্ত আৰু স্বার্থ গোষ্ঠীবোৰ স্বার্থযুক্ত হয়।
- প্রত্যেক প্রভাৱ গোষ্ঠী এটা স্বার্থ গোষ্ঠী কিন্তু প্রত্যেক স্বার্থ গোষ্ঠী প্রভাৱ গোষ্ঠী নহয়। এইটো এই কাৰণে হয় যে স্বার্থ গোষ্ঠীসমূহে তেওঁলোকৰ সদস্যৰ স্বার্থৰ মাজত সীমাবদ্ধ। প্রভাৱ গোষ্ঠীসমূহে তেওঁলোকৰ সদস্যৰ কথাই অকল চিন্তা নকৰে তাৰ লগতে গোটেই সমাজৰ সামগ্রিক স্বার্থৰ কাৰণেও চিন্তা কৰে।

গতিকে দেখা যায় যে প্রভাৱ গোষ্ঠীবোৰ স্বার্থ গোষ্ঠীবোৰতকৈ বেলেগ। কিন্তু তেওঁলোকৰ মাজত কোনো জৈৱিক পার্থক্য নাই। গণতান্ত্রিক শাসন ব্যৱস্থাত চৰকাৰৰ মসৃন কার্য ৰূপায়ণৰ বাবে প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠী দুয়োটাই প্রয়োজনীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ঃ প্রভাৱ গোষ্ঠী আৰু স্বার্থ গোষ্ঠীৰ মাজত থকা দুটা পার্থক্য লিখক।

.....

.....

.....



চিন্তা-চৰ্চা কৰক-১১.২

"প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থ গোষ্ঠীসমূহ গণতান্ত্ৰিক ৰাজনৈতিক পৰিৱেশৰ বাবে প্ৰয়োজনীয়" ইয়াৰ সপক্ষে আৰু বিপক্ষে যুক্তি দাঙি ধৰক।

.....

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আধুনিক ৰাজনৈতিক ব্যৱস্থাত প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থগোষ্ঠীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰত্যেক ৰাজনৈতিক ব্যৱস্থাত বিশেষকৈ গণতান্ত্ৰিক ব্যৱস্থাত এই গোটবোৰে চৰকাৰৰ বাহিৰত থাকি কাৰ্য সম্পাদন কৰে।
- প্ৰভাৱ গোষ্ঠীৰ কিছুমান বিশেষ আংশিক আৰু স্থানীয় স্বাৰ্থ থাকে।
- প্ৰভাৱ গোষ্ঠীয়ে চৰকাৰত তেওঁলোকৰ সদস্যক অন্তৰ্ভুক্ত কৰিব নিবিচাৰে। তেওঁলোকৰ মূল লক্ষ্য হৈছে চৰকাৰক প্ৰভাৱিত কৰি ক্ষমতা দখল নকৰাকৈ তেওঁলোকৰ স্বাৰ্থ সিদ্ধি কৰা।
- বিভিন্ন ধৰণৰ প্ৰভাৱ গোষ্ঠী সমূহ হৈছে ঃ সাংগঠনিক প্ৰভাৱ গোষ্ঠী, অনা-সাংগঠনিক প্ৰভাৱ গোষ্ঠী, আনুষ্ঠানিক প্ৰভাৱ গোষ্ঠী আৰু স্বতঃস্ফূৰ্ত প্ৰভাৱ গোষ্ঠী।
- স্বাৰ্থ গোষ্ঠীবোৰৰ তেওঁলোকৰ কাৰ্যকলাপ অনুসৰি কিছুমান বিশেষ গোটৰ স্বাৰ্থ ৰক্ষা কৰে। তেওঁলোকে বিধানমণ্ডলক বিধেয়ক উত্থাপন, প্ৰত্যাহাৰ আৰু বাতিলৰ বাবে প্ৰভাৱিত কৰিবৰ চেষ্টা কৰে। এওঁলোকে নিজৰ দাবীসমূহ পূৰণ কৰাৰ বাবে ল'বী ৰাজনীতি কৰে।
- বিভিন্ন প্ৰকাৰৰ স্বাৰ্থ গোষ্ঠীসমূহ হ'ল — সাংগঠনিক অথবা বৃত্তিমুখী স্বাৰ্থ গোষ্ঠী, বাণিজ্যিক স্বাৰ্থ গোষ্ঠী, ভাষিক আৰু ধৰ্মীয় তথা জনজাতীয় স্বাৰ্থ গোষ্ঠী।
- প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থ গোষ্ঠীৰ মাজত পাৰ্থক্য আছে।



১১.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*। যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্রবর্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্রকাশন।

৪) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.

১১.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ জেইগলাৰৰ মতে, প্রভাৱ গোষ্ঠীসমূহ হৈছে এটা সংগঠিত গোট যিয়ে চৰকাৰৰ সিদ্ধান্তসমূহক তেওঁলোকৰ সদস্যসকলক চৰকাৰত অন্তর্ভুক্ত নকৰাকৈ প্রভাৱিত কৰিবৰ চেষ্টা কৰে"।

২নং প্রশ্নৰ উত্তৰ ঃ ৰৰ্বাট ডাল।

৩নং প্রশ্নৰ উত্তৰ ঃ (ক) সাংগঠনিক প্রভাৱ গোষ্ঠীঃ সাংগঠনিক প্রভাৱ গোষ্ঠীয়ে এচাম বিশেষ ব্যক্তিৰ স্বার্থক প্রতিনিধিত্ব কৰে। এই গোটবোৰৰ কিছুমান বিশেষ পৰিচয় যেনে নিজা নাম, কার্যালয় আৰু বৃত্তিমুখী কর্মচাৰী থাকে। তেওঁলোকে তেওঁলোকৰ স্বার্থ সুৰক্ষিত কৰিবলৈ কিছুমান বিশেষ নীতি গ্রহণ কৰে। এই ক্ষেত্রত আমি শ্রমিক সংগঠন, বাণিজ্যিক গোষ্ঠী, ছাত্র সংগঠন আদিৰ কথা ক'ব পাৰো। বর্তমান অত্যাধুনিক তথ্য প্রযুক্তিৰ দিনত এই গোষ্ঠীবোৰৰ সংখ্যা বাঢ়িব ধৰিছে।

(খ) স্বতঃস্ফুর্ত প্রভাৱ গোষ্ঠী ঃ এইবোৰ স্বতঃ স্ফুর্ত ভাৱে গঠিত হয়। তেওঁলোকে এটা বিশেষ ইছ্যুৰ লগত জড়িত। আন ভাষাত ক'বলৈ গ'লে এই গোটবোৰে কোনো পূর্ব প্রস্তুতি নোহোৱাকৈ চৰকাৰৰ কিছুমান বিশেষ নীতিৰ বিৰুদ্ধাচৰণ কৰিবলৈ গঠিত হয়। সেয়েহে, স্বতঃস্ফুর্ত গোষ্ঠীসমূহ চৰকাৰৰ বিৰুদ্ধাচৰণ কৰিবলৈ কোনো বিশেষ কষ্ট নকৰাকৈ গঠিত হোৱা গোট। উদাহৰণ স্বৰূপে শোভাযাত্রা, সংঘর্ষ, প্রতিবাদী সমদলত অহা মানুহৰ সমষ্টি।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) প্রভাৱ গোষ্ঠীসমূহে কিছুমান মানুহৰ প্রতিনিধি হিচাপে কাম কৰে আৰু

সংগঠিত ৰূপত নাগৰিকৰ দাবীসমূহ উপস্থাপন কৰে। এইবোৰৰ অবিহনে নাগৰিকসকলে তেওঁলোকৰ প্রয়োজন অনুসৰি দাবীবোৰ উপস্থাপন কৰিব নোৱাৰে।

(খ) প্রভাৱ গোষ্ঠী সমূহ চৰকাৰৰ স্বেচ্ছাচাৰী শাসনক নিয়ন্ত্রিত কৰাৰ বাবে জৰুৰী। প্রভাৱ গোষ্ঠীৰ বাবেই চৰকাৰে নাগৰিকৰ ওপৰত অত্যাচাৰ চলাব নোৱাৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ডেভিদ ট্রুইমেনৰ মতে , "স্বার্থ গোষ্ঠীসমূহ হৈছে এটা সহযোগিতামূলক মনোভাৱৰ গোট য'ত চৰকাৰী অনুষ্ঠানসমূহৰ কিছুমান দাবী উত্থাপন কৰা হয়"।

৬ নং প্রশ্নৰ উত্তৰ ঃ স্কেফাৰ আৰু লাম।

৭ নং প্রশ্নৰ উত্তৰ ঃ বৃত্তিমুখী স্বার্থ গোষ্ঠীঃ এই গোটবোৰ বৃত্তিমুখী স্বার্থৰ লগত জড়িত। এই গোটবোৰৰ সদস্যসকলে একেলগে হৈ বৃত্তিগত স্বার্থৰ কথা আলোচনা কৰে। তেওঁলোকে সমাজৰ এটা অংশ যেনে— শ্রমিক, উপভোক্ত আদিক প্রতিনিধিত্ব কৰে।

বাণিজ্যিক স্বার্থ গোষ্ঠীঃ যিকোনো ৰাজনৈতিক ব্যৱস্থাত এইটো এটা গুৰুত্বপূর্ণ স্বার্থ গোষ্ঠী। তেওঁলোক ঘাইকৈ পৰিকল্পনা আয়োগ, আর্থিক মন্ত্রালয় আদিৰ লগত জড়িত আৰু তেওঁলোকৰ বাণিজ্যিক স্বার্থ সুৰক্ষিত ৰাখে। উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ দিনত এই গোষ্ঠীবোৰে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

৮নং প্রশ্নৰ উত্তৰ ঃ (ক) স্বার্থ গোষ্ঠীসমূহ ঘাইকৈ ৰাজহুৱা স্বার্থ গোষ্ঠীসমূহে ধনী আৰু শক্তিশালী ব্যক্তিসকলৰ অবৈধ প্রভাৱৰ বিৰোধিতা কৰি সাধাৰণ নাগৰিকৰ স্বার্থ ৰক্ষাৰ বাবে চৰকাৰক দাবী জনায়।

(খ) স্বার্থ গোষ্ঠীসমূহ চৰকাৰৰ স্বেচ্ছাচাৰী শাসনক নিয়ন্ত্রিত কৰাৰ বাবে প্রয়োজনীয়। প্রভাৱ গোষ্ঠীৰ নিচিনাকৈ স্বার্থ গোষ্ঠীসমূহে চৰকাৰে জনবিৰোধী কার্যক নিয়ন্ত্রিত কৰে।

৯নং প্রশ্নৰ উত্তৰ ঃ (ক) প্রভাৱ গোষ্ঠী সমূহে মানুহৰ স্বতঃস্ফুর্ত সমর্থনৰ ওপৰত নির্ভৰ কৰে। এয়া কিন্তু স্বার্থ গোষ্ঠীৰ ক্ষেত্রত প্রযোজ্য নহয়।

(খ) প্রত্যেক প্রভাৱ গোষ্ঠী স্বার্থ গোষ্ঠী কিন্তু প্রত্যেক স্বার্থ গোষ্ঠী প্রভাৱ গোষ্ঠী নহয়। স্বার্থ গোষ্ঠীয়ে তেওঁলোকৰ সদস্যসকলৰ স্বার্থ পূৰণৰ ওপৰত বেছি গুৰুত্ব দিয়ে। প্রভাৱ গোষ্ঠীসমূহে নিজৰ সদস্যৰ উপৰি বৃহত্তৰ সমাজৰ স্বার্থৰ প্রতিও গুৰুত্ব দিয়ে।



১১.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতবর্ষৰ যিকোনো দুটা প্রভাৱ গোষ্ঠীৰ নাম উল্লেখ কৰক।

প্রশ্ন ২ ঃ ভাৰতবর্ষৰ যিকোনো দুটা স্বার্থ গোষ্ঠীৰ নাম উল্লেখ কৰক।

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰতৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ প্রভাৱ গোষ্ঠীৰ অর্থৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থ গোষ্ঠীৰ চাৰিটা পাৰ্থক্য লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰতৰ উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰভাৱ গোষ্ঠীৰ সংজ্ঞা দিয়ক। প্ৰভাৱ গোষ্ঠীৰ বিভিন্ন প্ৰকাৰ কি কি?

প্ৰশ্ন ২ ঃ স্বাৰ্থ গোষ্ঠীৰ সংজ্ঞা দিয়ক। স্বাৰ্থ গোষ্ঠীৰ বিভিন্ন প্ৰকাৰ কি কি?

প্ৰশ্ন ৩ ঃ গণতন্ত্ৰত প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থ গোষ্ঠীৰ গুৰুত্ব আৰু ভূমিকা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ প্ৰভাৱ গোষ্ঠী আৰু স্বাৰ্থ গোষ্ঠীৰ পাৰ্থক্য পৰীক্ষা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ৰাজনৈতিক সামাজিকীকৰণ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ৰাজনৈতিক সামাজিকীকৰণ (Political Socialization)ৰ অর্থ আৰু সংজ্ঞা

১২.৪ ৰাজনৈতিক সামাজিকীকৰণৰ বাহক (Agents of Political Socialisation)

১২.৫ ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৭ অধিক জানিবলৈ

১২.৮ অগ্রগতিৰ খতিয়ান

১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাজনৈতিক সামাজিকীকৰণৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব আলোচনা কৰিব পাৰিব
- এগৰাকী ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণৰ প্রক্রিয়াটোলৈ অৱদান আগবঢ়োৱা বিভিন্ন বাহকৰ ভূমিকা বিশ্লেষণ কৰিব পাৰিব।

১২.২ পৰিচয়

সকলো ৰাজনৈতিক ব্যৱস্থাৰ সন্মুখত থকা প্রধান সমস্যাবোৰৰ মাজৰ এটা হ'ল ব্যৱস্থাটোৰ সদস্যসকলক কেনেদৰে ৰাজনৈতিক দায়িত্ব গ্রহণৰ বাবে প্রস্তুত কৰি তুলিব পৰা যায় সেয়া নির্ধাৰণ কৰা। সেয়েহে ৰাজনীতি বিজ্ঞান বিষয়ৰ বাবে এটা সবাতোকৈ প্রাসংগিক ধাৰণা হ'ল ৰাজনৈতিক সামাজিকীকৰণ। আৰম্ভণিৰে পৰাই এটা ধাৰণাটোৱে ৰাজনীতি বিজ্ঞানীসকলৰ দৃষ্টি আকর্ষণ কৰি আহিছে। প্রাচীন গ্রীক দার্শনিক প্লেটো'ই তেওঁৰ সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদৰ ধাৰণাটোৰ (idea of communisms of property and family) জৰিয়তে ৰাজনৈতিক সামাজিকীকৰণৰ প্রক্রিয়াটোৰ ওপৰত জোৰ দিছিল। এৰিষ্টটলেও ৰাজনৈতিক সামাজিকীকৰণ প্রক্রিয়াটোৰ প্রতি গভীৰ আগ্রহ প্রদর্শন কৰিছিল আৰু পৌৰ শিক্ষাৰ (civic education) ওপৰত জোৰ দিছিল। কিন্তু খৃষ্টান ধর্মৰ উত্থানৰ লগে লগে ৰাজনৈতিক নৈতিকতাৰ সৈতে জড়িত বিষয় বুলি ধৰা হ'ল আৰু পৌৰ শিক্ষাৰ ধাৰণাটোৱেও ইয়াৰ পূর্বৰ গুৰুত্ব হেৰুৱাই পেলালে। বিংশ শতিকাৰ মাজভাগলৈকে ধাৰণাটো তেনেদৰে অনাদৃত হৈ ৰ'ল। আধুনিক যুগতহে ৰাজনৈতিক

সামাজিকীকৰণৰ ধাৰণাটোৱে পর্যাপ্ত মনোযোগ লাভ কৰিলে। সমসাময়িক বিশ্বত ৰাজনৈতিক সামাজিকীকৰণৰ ধাৰণাটো এক অতি গুৰুত্বপূর্ণ বিষয়ত পৰিণত হৈছে। কাৰণ, ৰাজনৈতিক সামাজিকীকৰণৰ প্রক্রিয়াটোৰ জৰিয়তেহে এখন দেশৰ নাগৰিকে নিজৰ দেশৰ ৰাজনৈতিক ব্যৱস্থা আৰু প্রক্রিয়াৰ বিষয়ে সজাগ হ'ব পাৰিব। এই অধ্যায়টিত আমি ৰাজনৈতিক সামাজিকীকৰণৰ অর্থ, ইয়াৰ বাহক আৰু প্রয়োজনীয়তা সম্পর্কে আলোচনা কৰিম।

১২.৩ ৰাজনৈতিক সামাজিকীকৰণ (Political Socialisation)ৰ অর্থ আৰু সংজ্ঞা

'ৰাজনৈতিক সামাজিকীকৰণ'ৰ (Political Socialisation) ধাৰণাটো সাধাৰণতে ৰাজনৈতিক প্রমূল্য, মনোভাৰ আৰু বিশ্বাস গঢ়াৰ প্রক্রিয়াটো বর্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়। ৰাজনৈতিক সামাজিকীকৰণ হ'ল এক অবিৰত প্রক্রিয়া। এই প্রক্রিয়াটো ব্যক্তিৰ সমগ্র জীৱনকাল জুৰি চলে। ব্যক্তিৰ শৈশৱকালত আৰম্ভ হোৱা ৰাজনৈতিক সামাজিকীকৰণ প্রক্রিয়াটোৰ ব্যক্তিৰ মৃত্যুৰ লগে লগে সামৰিণ পৰে। প্রক্রিয়াটোৱে আনুষ্ঠানিক তথা অনানুষ্ঠানিক, উদ্দেশ্য প্রণোদিত অথবা অপৰিকল্পিত সকলো ধৰণৰ ৰাজনৈতিক শিকনকে সামৰি লয়। এই শিকন প্রক্রিয়াটো ব্যক্তিৰ সমগ্র জীৱন জুৰি চলি থাকে।

ৰাজনৈতিক সামাজিকীকৰণৰ প্রক্রিয়াৰ এটা মৌলিক উদ্দেশ্য হ'ল এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ ৰাজনৈতিক প্রমূল্য প্রবাহিত কৰা আৰু ৰাজনৈতিক সুস্থিৰতা গঢ়ি তোলা। ৰাজনৈতিক সামাজিকীকৰণ প্রক্রিয়াই ব্যক্তিৰ মনত প্রমূল্য, স্বীকৃত আচৰণ (norms) আৰু দিক্‌বিন্যাস (orientation) গঢ়ি তোলে। এইবোৰৰ সহায়ত ব্যক্তিয়ে নিজৰ ৰাজনৈতিক ব্যৱস্থাক ভাৰসা কৰিবলৈ শিকে। ৰাজনৈতিক সামাজিকীকৰণে কোনো ৰাষ্ট্রৰ ৰাজনৈতিক সংস্কৃতিটোক গঢ় দিয়ে আৰু হস্তান্তৰিত হোৱাত সহায় কৰে।

ৰাজনৈতিক সামাজিকীকৰণৰ সংজ্ঞাবোৰক লৈ ভিন্ন ভিন্ন দৃষ্টিভংগী আছে। তলত দুটামান গুৰুত্বপূর্ণ সংজ্ঞা তুলি দিয়া হ'লঃ

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী এলম'ণ্ড আৰু পাৱেলৰ মতে, "যিটো প্রক্রিয়াৰ দ্বাৰা ৰাজনৈতিক সংস্কৃতিৰ তদাৰক আৰু পৰিৱর্তন কৰা হয় তাকেই ৰাজনৈতিক সামাজিকীকৰণ বোলে" [Verma, S.P. (1980) Modern Political Theory, New Delhi: Vikas Publishing House] ।

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী এষ্ট'ন আৰু ডেনিচৰ মতে, " যিটো উন্নয়নমূলক প্রক্রিয়াৰ জৰিয়তে ব্যক্তিয়ে ৰাজনৈতিক দিক্‌বিন্যাস আৰু আচৰণৰ বিন্যাস আহৰণ কৰে তাকেই ৰাজনৈতিক সামাজিকীকৰণ বোলে" [Mahajan, V.D. (2006), Political Theory,New Delhi: S. Chand] ।

আন এগৰাকী আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী জে. আষ্টিন ৰানে'ৰ মতে "ৰাজনৈতিক সামাজিকীকৰণে সাধাৰণতে জনগণৰ সামাজিকীকৰণৰ কথা বুজায়। ই এনে এক প্রক্রিয়া যিটোৰ সহায়ত সাধাৰণ লোকে নিজৰ ৰাজনৈতিক ব্যৱস্থাৰ প্রতি ব্যক্তিগত মনোভাৱৰ বিকাশ ঘটায়"

[Gogoi, P. (2007),Degree Political Theory. Guwahati : Banalata Publication]।

বৃটিছ ৰাজনীতি বিজ্ঞানী এল্যান আৰ. বলৰ মতে "ৰাজনৈতিক সামাজিকীকৰণ হ'ল কোনো ৰাজনৈতিক ব্যৱস্থাৰ গঠন আৰু ইয়াৰ সাপেক্ষে গঢ় লৈ উঠা বিশ্বাসৰ বিকাশ" [Gogoi, P. (2007),Degree Political Theory. Guwahati : Banalata Publication]।

ৰ'বৰ্টো ছীগেলৰ মতে ৰাজনৈতিক সামাজিকীকৰণ হ'ল "প্ৰচলিত ৰাজনৈতিক ব্যৱস্থা এটাৰ স্বীকৃত নীতি-নিয়ম, মনোভাৱ আৰু গ্ৰহণযোগ্য আচৰণ ক্ৰমে শিকি যোৱা প্ৰক্ৰিয়া" [Mahajan, V.D. (2006) . Political Theory. New Delhi: S. Chand]।

ওপৰত উল্লেখ কৰা সংজ্ঞাবোৰ বিশ্লেষণ কৰি উঠি আমি ক'ব পাৰোঁ যে ৰাজনৈতিক সামাজিকীকৰণ মানে হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ জৰিয়তে এগৰাকী ব্যক্তিয়ে কোনো ৰাজনৈতিক ব্যৱস্থাৰ সৈতে পৰিচিত হ'ব পাৰে। এই প্ৰক্ৰিয়াটোৱে ব্যক্তিগৰাকীক ৰাজনৈতিক পৰিঘটনাবোৰৰ সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া নিৰ্ধাৰণত সহায় কৰে। ই এক শিকন প্ৰক্ৰিয়া। ইয়াৰ সহায়ত এগৰাকী ব্যক্তিয়ে কোনো ৰাজনৈতিক সম্প্ৰদায়ৰ কাৰ্যকুশল সদস্য হোৱাৰ প্ৰশিক্ষণ লাভ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাজনৈতিক সামাজিকীকৰণ এক জীৱনজোৰা প্ৰক্ৰিয়া। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ ঃ "যিটো উন্নয়নমূলক প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিয়ে ৰাজনৈতিক দিক্‌বিন্যাস আৰু আচৰণৰ বিন্যাস আহৰণ কৰে তাকেই ৰাজনৈতিক সামাজিকীকৰণ বোলে"- উক্তিটো কাৰ?

.....

প্ৰশ্ন নং ৩ ঃ জে. আষ্টিন ৰানে'ই আগবঢ়োৱা ৰাজনৈতিক সামাজিকীকৰণৰ সংজ্ঞাটো বৰ্ণনা কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ যিকোনো এটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....

১২.৪ ৰাজনৈতিক সামাজিকীকৰণৰ বাহক (AGENTS OF POLITICAL SOCIALISATION)

ৰাজনৈতিক সামাজিকীকৰণ হ'ল এক দীৰ্ঘম্যাদী প্ৰক্ৰিয়া। ব্যক্তিৰ জীৱনৰ আদি কালছোৱাতে এই প্ৰক্ৰিয়াটোৰ কাম-কাজ আৰম্ভ হয়। প্ৰক্ৰিয়াটোত বহুকেইটা বাহকে (agent) গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তলত ৰাজনৈতিক সামাজিকীকৰণৰ মুখ্য বাহককেইটাৰ বিষয়ে আলোচনা কৰা হ'লঃ

- **পৰিয়াল** (Family) ঃ ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰথমটো গুৰুত্বপূৰ্ণ বাহক(agent) হ'ল পৰিয়াল। শিশু এটিৰ জীৱনৰ আৰম্ভণিৰে পৰা পৰিয়ালে ইয়াৰ ওপৰত নীৰৱ আৰু প্ৰকাশ্য দুয়ো ধৰণে প্ৰভাৱ বিস্তাৰ কৰে। পৰিয়ালে নিজৰ কৰ্তৃত্ব, সংৰচনা আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ জৰিয়তে কোনো ৰাজনৈতিক ব্যৱস্থাৰ কৰ্তৃত্ব আৰু ব্যৱস্থাটোৰ প্ৰতি আনুগত্যৰ দৰে ধাৰণাবোৰৰ সন্দৰ্ভত মানুহৰ ব্যক্তিগত দিক্‌নিৰ্দেশনাৰ বিকাশ ঘটায়। পৰিয়ালৰ পিতৃ, মাতৃ, ভ্ৰাতৃ, ভগ্নী আটায়ে শিশু এটিৰ ওপৰত প্ৰভাৱ পেলায়। আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ৰ'বাৰ্ট লে'নৰ মতে পৰিয়ালে তিনি ধৰণে শিশু এটিৰ ৰাজনৈতিক বিশ্বাসৰ ভেঁটি গঢ়ি উঠাৰ বাবে প্ৰয়োজনীয় সহায় আগবঢ়ায়, যেনে- প্ৰকাশিত(overt) আৰু অপ্ৰকাশিত (covert), শিক্ষণ শিশুক কোনো এক বিশেষ সামাজিক পটভূমিত ডাঙৰ কৰা আৰু ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াত শিশুটিৰ পৰিয়ালটোৰ প্ৰয়োজনসাপেক্ষ পৰিৱৰ্তন ঘটোৱা। পৰিয়ালে যিহেতু শিশু এটিৰ মৌলিক আৰু সহজাত প্ৰয়োজনবোৰ পূৰণ কৰে, সেয়ে শিশুটিয়ে পিতৃ-মাতৃৰ সৈতে নিজৰ পৰিচয় একাকাৰ কৰে আৰু এনেকৈয়ে এসময়ত ই কোনো ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি থকা পিতৃ-মাতৃৰ দৃষ্টিভংগীকে গ্ৰহণ কৰে।
- **বিদ্যালয়** (School) ঃ শিশুৰ মনোজগতত শৈক্ষিক অনুষ্ঠানেও গভীৰ প্ৰভাৱ বিস্তাৰ কৰে। কোনো এক নিৰ্দিষ্ট শৈক্ষিক অনুষ্ঠানত শিক্ষা লাভ কৰা ল'ৰা-ছোৱালীৰ মানসিক জগতখনো এক নিৰ্দিষ্ট ধৰণে বিকশিত হয়। প্ৰতিখন বিদ্যালয়ৰে নিজস্ব শৈক্ষিক নক্সা থাকে। ই কোনো ব্যৱস্থাৰ প্ৰতি শিশু এটিৰ কেনে মনোভাৱ গঢ় লৈ উঠিব সেই কথাক প্ৰভাৱিত কৰে। এলেন আৰ. বাৰেকৰ মতে "সামাজিকীকৰণ প্ৰক্ৰিয়াত শৈক্ষিক ব্যৱস্থাৰ প্ৰভাৱ অত্যন্ত গুৰুত্বপূৰ্ণ। বিদ্যালয় আৰু বিশ্ববিদ্যালয়ে শিক্ষাৰ্থীৰ মনত গঢ়ি তোলা প্ৰমূল্যবোৰ প্ৰত্যক্ষ ৰাজনৈতিক শিক্ষাৰ ফলাফল নহ'বও পাৰে, তথাপিও এই প্ৰমূল্যবোৰৰ অপৰিসীম গুৰুত্ব আছে"।
- **ধৰ্মীয় প্ৰতিষ্ঠান** (Religious Institution)ঃ ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াত ধৰ্মীয় প্ৰতিষ্ঠানবোৰেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পুৰণি কালৰ পৰাই ব্যক্তিৰ মনত ৰাজনৈতিক বিশ্বাস আৰু প্ৰমূল্য গঢ় দিয়াত ধৰ্মীয় প্ৰতিষ্ঠানবোৰে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। মধ্যযুগত ইউৰোপৰ দেশবোৰৰ ৰাজনৈতিক প্ৰক্ৰিয়াত গীৰ্জাবোৰে এক

শক্তিশালী ভূমিকা পালন কৰিছিল। সমসাময়িক বিশ্বতো বিভিন্ন ধর্মৰ সৈতে জড়িত বিভিন্ন ধর্মীয় কাম-কাজে সংশ্লিষ্ট সমাজবোৰৰ ৰাজনৈতিক প্রমূল্যৰ পৰিৱর্তন সাধন কৰি আহিছে। এই কার্যই ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণত এক গুৰুত্বপূর্ণ ভূমিকা লয়।

- **সমনীয়াৰ দল**(Peer Group) ঃ প্রায় একে বয়সৰ ব্যক্তিৰ দলবোৰকে সমনীয়াৰ দল বোলা হয়। এনে একোটা দলৰ সদস্যসকলে প্রায় একে ধৰণৰ সমস্যাৰ সন্মুখীন হয়। পিতৃ-মাতৃ আৰু শিক্ষকৰ উপৰি বেছিভাগ ব্যক্তিয়েই জীৱনৰ সৰহভাগ সময় সমনীয়াৰ সৈতে পাৰ কৰে। বয়স বঢ়াৰ লগে লগে এই দলবোৰ যথেষ্ট গুৰুত্বপূর্ণ হৈ পৰে। ই ব্যক্তিৰ ৰাজনৈতিক মনোভাৰ আৰু আচৰণক প্রভাৱিত কৰে। এই দলবোৰৰ ভিতৰত পৰে ছাত্র একতা সভা, ৰাজনৈতিক দলৰ বিভিন্ন শাখা ইত্যাদি। সমনীয়াৰ দলবোৰে ব্যক্তিৰ মনোভাৱক গভীৰভাৱে প্রভাৱিত কৰে আৰু ই কালক্রমত ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্রক্রিয়াত এক গুৰুত্বপূর্ণ ভূমিকা লয়।
- **নিয়োগ ক্ষেত্রৰ অভিজ্ঞতা** (Employment Experience) ঃ ৰাজনৈতিক সামাজিকীকৰণ প্রক্রিয়াৰ আন এক বাহক হ'ল নিয়োগ অভিজ্ঞতা। ব্যক্তিয়ে নিয়োগ প্রক্রিয়াৰ সময়ত ৰাজনৈতিক সামাজিকীকৰণৰ অভিজ্ঞতাৰে সমৃদ্ধ হয়। প্রতিগৰাকী কর্মচাৰীয়ে কর্মস্থানত বিভিন্ন সম্প্রদায়ৰ পৰা অহা বিভিন্ন লোকৰ সংস্পর্শলৈ আহে। এনে সম্পর্ক ঘনিষ্ঠ হোৱাৰ লগে লগে প্রচলিত ৰাজনৈতিক ব্যৱস্থা এটাৰ প্রতি ভিন্ন মনোভাৰ আৰু ব্যৱস্থাটোৰ বিভিন্ন পন্থা সম্পর্কে ব্যক্তিয়ে গম পায়। কর্মচাৰীৰ অনানুষ্ঠানিক গোটবোৰৰ মাজত হোৱা আলোচনা বিলোচনাই ৰাজনৈতিক উদ্দেশ্য আৰু ঘটনাৰাজিৰ সন্দর্ভত গোটৰ সদস্যসকলৰ মনোভাৰ গঢ়ি তোলে।
- **গণ মাধ্যম** (Mass Media) ঃ ৰাজনৈতিক সামাজিকীকৰণৰ আন এটা গুৰুত্বপূর্ণ বাহক হ'ল গণ মাধ্যম। বাতৰি-কাকত, ৰেডিঅ', টেলিভিছ্না আদিৰ দৰে গণ মাধ্যমৰ আহিলাবোৰ হ'ল ৰাজনৈতিক সামাজিকীকৰণৰ শক্তিশালী মাধ্যম। এই মাধ্যমবোৰে ব্যক্তিত্বক গভীৰভাৱে প্রভাৱিত কৰে। সংযোগ মাধ্যমবোৰে ৰাজনৈতিক ঘটনাৰাজি সন্দর্ভত যথেষ্ট তথ্যৰ যোগান ধৰে। ই ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্রক্রিয়াটোত সহায় কৰে। গণ মাধ্যমৰ এই গুৰুত্বপূর্ণ ভূমিকাটো নিৰীক্ষণ কৰি লুচিয়ান পায়ে মন্তব্য কৰিছিল, "গণমাধ্যমৰ জৰিয়তে সামাজিকীকৰণ প্রক্রিয়াটো হ'ল সর্বশ্রেষ্ঠ চমু কৌশল আৰু আধুনিকীকৰণ প্রক্রিয়াত ইয়াৰ অপৰিসীম গুৰুত্ব আছে।"
- **ৰাজনৈতিক দল আৰু প্রভাৱ গোষ্ঠী** (Political Parties and Pressure Groups) ঃ ৰাজনৈতিক দল আৰু প্রভাৱ গোষ্ঠীবোৰেও ৰাজনৈতিক সামাজিকীকৰণ প্রক্রিয়াৰ বাহক হিচাপে কাম কৰে। প্রক্রিয়াটোত এই বাহকৰ অতি গভীৰ প্রভাৱ দেখা পোৱা যায়। ৰাজনৈতিক দলবোৰৰ সৈতে থকা প্রত্যক্ষ যোগাযোগে প্রায়েই ব্যক্তিৰ ৰাজনৈতিক দিক্ বিন্যাস (political orientation) নির্ধাৰণ কৰে। ৰাজনৈতিক দলৰ সৈতে থকা সম্পর্ক, প্রভাৱ গোষ্ঠীৰ প্রভাৱ তথা প্রভাৱশালী নেতাই এজন ব্যক্তিৰ ৰাজনীতিৰ প্রতি কেনেকুৱা

মনোভাৱ হ'ব সেয়া নির্ধাৰণ কৰে। ৰাজনৈতিক দল আৰু প্ৰভাৱ গোষ্ঠীবোৰৰ জনমতক প্ৰভাৱিত কৰিব পৰা ক্ষমতা থাকে। সেয়েহে এই প্ৰতিভূটোৱে ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াটোত এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।

- **ৰাজনৈতিক ব্যৱস্থাৰ প্ৰভাৱ** (Impact of Political System) ঃ কোনো এখন দেশত প্ৰচলিত নির্দিষ্ট ৰাজনৈতিক ব্যৱস্থা এটায়ো ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াক গভীৰভাৱে প্ৰভাৱিত কৰে। বিভিন্ন পৰিৱেশত ভিন ভিন প্ৰকাৰৰ সামাজিকীকৰণ প্ৰক্ৰিয়া সংঘটিত হ'ব পাৰে। যেনে- কোনো দেশৰ ৰাজনৈতিক ব্যৱস্থাটোৱে যদি ৰাজহুৱা কল্যাণৰ স্বাৰ্থত কাম কৰে তেন্তে সেই দেশৰ নাগৰিকে কর্তৃপক্ষৰ প্ৰতি সহযোগিতামূলক মনোভাৱ প্ৰদৰ্শণ কৰে। ইয়াৰ বিপৰীতে নাগৰিকৰ দাবীৰ বিৰুদ্ধে কাম কৰা ৰাজনৈতিক ব্যৱস্থা এটাৰ পৰা ব্যক্তিয়ে দূৰত্ব বজাই ৰাখে। ৰাজনৈতিক সামাজিকীকৰণত ৰাজনৈতিক ব্যৱস্থাবোৰৰ প্ৰভাৱ সম্পৰ্কে এলম'ণ্ড আৰু পাৱেলে এই বুলি মন্তব্য কৰিছে যে "পৰিয়াল আৰু বিদ্যালয়ে গ্ৰহণ কৰা কোনো ৰাজনৈতিক ব্যৱস্থাৰ মতাদর্শবোৰ যিমানেই ইতিবাচক নহঁওক কিয়, যেতিয়া এখন দেশৰ নাগৰিকক তেওঁৰ ৰাজনৈতিক দলে উপেক্ষা কৰে অথবা আৰক্ষীয়ে প্ৰৱঞ্চনা কৰে অথবা নাগৰিক দৰিদ্ৰতাত পীড়িত হয় আৰু অৱশেষত বাধ্যতামূলকভাৱে সামৰিক বাহিনীত নিযুক্ত কৰা হয়, তেন্তে ৰাজনৈতিক ব্যৱস্থা সম্পৰ্কে থকা নাগৰিকৰ দৃষ্টিভংগী সলনি হ'ব পাৰে।"
- **প্ৰতীক** (Symbols) ঃ ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণত প্ৰতীকেও (symbols) এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মহাত্মা গান্ধী, লাচিত বৰফু কন, ভগৎ সিং, সুভাষ চন্দ্ৰ বোস, লালা লাজপত ৰায় আদিৰ দৰে জাতীয় বীৰসকলৰ জন্মদিৱস আৰু মৃত্যু তিথি উদ্‌যাপনে নৱপ্ৰজন্মৰ মাজত নতুন উদ্দীপনাৰ সৃষ্টি কৰে আৰু দেশৰ বাবে কাম কৰিবলৈ তেওঁলোক অনুপ্ৰাণিত হয়।

১২.৫ ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব

আধুনিক ৰাজনীতি বিজ্ঞানৰ এটা প্ৰধান ধাৰণা হ'ল ৰাজনৈতিক সামাজিকীকৰণ। সমাজৰ সকলো শ্ৰেণীৰ লোকে এই ধাৰণাটোৰ গুৰুত্ব স্বীকাৰ কৰিছে। ৰাজনৈতিক সামাজিকীকৰণে সেই প্ৰক্ৰিয়াটো প্ৰতিফলিত কৰে যিটোৰ দ্বাৰা ব্যক্তিয়ে ৰাজনৈতিক পট ভূমিত দলীয় স্বীকৃত নীতি মানি ল'বলৈ শিকে। এখন দেশত এক সবল ৰাজনৈতিক সংস্কৃতি গঢ়ি তোলাত আৰু ৰাজনৈতিক সুস্থিৰতা বর্তাই ৰখাত ৰাজনৈতিক সামাজিকীকৰণে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। এখন সমাজৰ ৰাজনৈতিক সংস্কৃতিটো ৰাজনৈতিক সামাজিকীকৰণৰ ওপৰত বহুলাংশে নির্ভৰশীল। কোনো এক ৰাজনৈতিক ব্যৱস্থাৰ বিশেষত্ববোৰ বুজিবলৈ ৰাজনৈতিক নেতা অথবা ৰাজনীতিবিদসকলৰ বাবেও এই প্ৰক্ৰিয়াটো অতি দৰকাৰী। এখন দেশৰ ৰাজনৈতিক সুস্থিৰতা আৰু উন্নয়নৰ বিষয়ে বুজাত এই প্ৰক্ৰিয়াটোৱে সহায় কৰে। আধুনিক জটিল সমাজত ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াৰ মূল্য যথেষ্ট বেছি। ই সমাজ এখনৰ বিষয়ে বিজ্ঞানসন্মত ভাৱে অধ্যয়ন

কৰাত সহায় কৰে। বিভিন্ন ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিবলৈ মানৱ সমাজৰ বিষয়ে জ্ঞান আহৰণ কৰাটো প্ৰয়োজনীয়। ৰাজনৈতিক সামাজিকীকৰণে মানুহৰ সামাজিক প্ৰকৃতি জনাত আমাক সহায় কৰে। ই কোনো এখন দেশৰ নাগৰিক, সমাজ তথা ৰাজনৈতিক ব্যৱস্থাৰ মাজত থকা সম্পৰ্ক পৰীক্ষা কৰি চায়। এই সকলোবোৰ কথাৰ পৰা ইয়াকে বুজিব পাৰি যে আধুনিক সমাজত ৰাজনৈতিক সামাজিকীকৰণৰ যথেষ্ট গুৰুত্ব আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ সমনীয়াৰ দল বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৬ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্বপূৰ্ণ বাহকবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ বাহক হিচাপে পৰিয়ালৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখক।

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াত গণ মাধ্যমৰ ভূমিকা সম্পৰ্কে এটি চমু টোকা লিখক।

.....

.....

.....

.....



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'ৰাজনৈতিক সামাজিকীকৰণ'ৰ ধাৰণাটো সাধাৰণতে ৰাজনৈতিক প্ৰমূল্য, মনোভাৱ আৰু বিশ্বাস গঢ়াৰ প্ৰক্ৰিয়াটো বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়।
- ৰাজনৈতিক সামাজিকীকৰণ হ'ল এক অবিৰত প্ৰক্ৰিয়া। ব্যক্তিৰ শৈশৱকালত আৰম্ভ হোৱা এই প্ৰক্ৰিয়াটোৰ ব্যক্তিৰ মৃত্যুৰ লগে লগে সামৰণি পৰে।

- ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াৰ এটা মৌলিক উদ্দেশ্য হ'ল এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ ৰাজনৈতিক প্ৰমূল্য প্ৰৱহিত কৰা আৰু ৰাজনৈতিক সুস্থিৰতা গঢ়ি তোলা।
- ৰাজনৈতিক সামাজিকীকৰণ কেইটামান গুৰুত্বপূৰ্ণ বাহক আছে যেনে- পৰিয়াল, শৈক্ষিক প্ৰতিষ্ঠান, ধৰ্মীয় প্ৰতিষ্ঠান, সমনীয়াৰ দল, নিয়োগ ক্ষেত্ৰৰ অভিজ্ঞতা , গণ মাধ্যম, ৰাজনৈতিক দল আৰু প্ৰভাৱ গোষ্ঠী, প্ৰতীক, ৰাজনৈতিক ব্যৱস্থাৰ প্ৰভাৱ ইত্যাদি।
- ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰথমটো গুৰুত্বপূৰ্ণ বাহকহ'ল পৰিয়াল। শিশু এটিৰ জীৱনৰ আৰম্ভণিৰে পৰা পৰিয়ালে ইয়াৰ ওপৰত নীৰৱ আৰু প্ৰকাশ্য দুয়ো ধৰণে প্ৰভাৱ বিস্তাৰ কৰে। পৰিয়ালে ইয়াৰ কৰ্তৃত্ব, সংৰচনা আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ জৰিয়তে কোনো ৰাজনৈতিক ব্যৱস্থাৰ কৰ্তৃত্ব আৰু আনুগত্যৰ দৰে ধাৰণাবোৰৰ প্ৰতি মানুহৰ ব্যক্তিগত দিক্‌নিৰ্দেশনাৰ বিকাশ ঘটায়।
- শিশুৰ মনোজগতত শৈক্ষিক অনুষ্ঠানেও গভীৰ প্ৰভাৱ বিস্তাৰ কৰে। কোনো এক নিৰ্দিষ্ট শৈক্ষিক অনুষ্ঠানত শিক্ষা লাভ কৰা ল'ৰা-ছোৱালীৰ মানসিক জগতখনো এক নিৰ্দিষ্ট ধৰণে বিকশিত হয়। প্ৰতিখন বিদ্যালয়ৰে নিজস্ব শৈক্ষিক নক্সা থাকে। ই কোনো ব্যৱস্থাৰ প্ৰতি শিশু এটিৰ কেনে মনোভাৱ গঢ় লৈ উঠিব সেই কথাক প্ৰভাৱিত কৰে।
- ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াত ধৰ্মীয় প্ৰতিষ্ঠানবোৰেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পুৰণি কালৰ পৰাই ব্যক্তিৰ মনত ৰাজনৈতিক বিশ্বাস আৰু প্ৰমূল্য গঢ় দিয়াত ধৰ্মীয় প্ৰতিষ্ঠানবোৰে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। মধ্যযুগত ইউৰোপৰ দেশবোৰৰ ৰাজনৈতিক প্ৰক্ৰিয়াত গীৰ্জাবোৰে এক শক্তিশালী ভূমিকা পালন কৰিছিল। সমসাময়িক বিশ্বতো বিভিন্ন ধৰ্মৰ সৈতে জড়িত বিভিন্ন ধৰ্মীয় কাম-কাজে সংশ্লিষ্ট সমাজবোৰৰ ৰাজনৈতিক প্ৰমূল্যৰ পৰিৱৰ্তন সাধন কৰি আহিছে । এই কাৰ্যই ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।
- প্ৰায় একে বয়সৰ ব্যক্তিৰ দলবোৰক সমনীয়াৰ দল বোলা হয়। ব্যক্তিৰ বয়স বঢ়াৰ লগে লগে এনে দলৰ প্ৰভাৱো বাঢ়ি গৈ থাকে। ই ব্যক্তিৰ ৰাজনৈতিক মনোভাৱ আৰু আচৰণক প্ৰভাৱিত কৰে। সমনীয়াৰ দলবোৰে ব্যক্তিৰ মনোভাৱক গভীৰভাৱে প্ৰভাৱিত কৰে। এনেকৈয়ে ই ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াত এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।
- ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াৰ আন এক বাহক হ'ল নিয়োগ ক্ষেত্ৰৰ অভিজ্ঞতা। ব্যক্তিয়ে নিয়োগ প্ৰক্ৰিয়াৰ সময়ত ৰাজনৈতিক সামাজিকীকৰণৰ অভিজ্ঞতাৰে সমৃদ্ধ হয়। কৰ্মচাৰীৰ অনানুষ্ঠানিক গোটবোৰৰ মাজত হোৱা আলোচনা-বিলোচনাই ৰাজনৈতিক উদ্দেশ্য আৰু ঘটনাৰাজি সন্দৰ্ভত গোটৰ সদস্যসকলৰ মনোভাৱ গঢ়ি তোলে।
- ৰাজনৈতিক সামাজিকীকৰণৰ আন এটা গুৰুত্বপূৰ্ণ বাহক হ'ল গণ মাধ্যম। বাতৰি-কাকত, ৰেডিঅ', টেলিভিছন আদিৰ দৰে গণ মাধ্যমৰ আহিলাবোৰ হ'ল ৰাজনৈতিক সামাজিকীকৰণৰ শক্তিশালী মাধ্যম। এই মাধ্যমবোৰে ব্যক্তিৰ ব্যক্তিত্বক গভীৰভাৱে প্ৰভাৱিত কৰে। সংযোগ মাধ্যমবোৰে ৰাজনৈতিক ঘটনাৰাজি সন্দৰ্ভত যথেষ্ট তথ্যৰ যোগান

ধৰে। ই ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াটোত সহায় কৰে।

- ৰাজনৈতিক দল আৰু প্ৰভাৱ গোষ্ঠীবোৰেও ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াৰ এক বাহক হিচাপে কাম কৰে। সামাজিকীকৰণ প্ৰক্ৰিয়াটোত এই বাহকৰ অতি গভীৰ প্ৰভাৱ দেখা পোৱা যায়। ৰাজনৈতিক দলবোৰৰ সৈতে থকা প্ৰত্যক্ষ যোগাযোগে প্ৰায়েই ব্যক্তিৰ ৰাজনৈতিক দিক্‌বিন্যাস নিৰ্ধাৰণ কৰে। সামাজিকীকৰণ ৰাজনৈতিক দল আৰু প্ৰভাৱ গোষ্ঠীবোৰৰ জনমতক প্ৰভাৱিত কৰিব পৰা ক্ষমতা থাকে। সেয়েহে এই প্ৰতিভূটোৱে ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াটোত এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।
- কোনো এখন দেশত প্ৰচলিত নিৰ্দিষ্ট ৰাজনৈতিক ব্যৱস্থা এটায়ো ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াক গভীৰ ভাৱে প্ৰভাৱিত কৰে। বিভিন্ন পৰিৱেশত ভিন ভিন প্ৰকাৰৰ সামাজিকীকৰণ প্ৰক্ৰিয়া সংঘটিত হ'ব পাৰে। যেনে-কোনো দেশৰ ৰাজনৈতিক ব্যৱস্থাটোৱে যদি ৰাজহুৱা কল্যাণৰ স্বাৰ্থত কাম কৰে তেন্তে সেই দেশৰ নাগৰিকে কৰ্তৃপক্ষৰ প্ৰতি সহযোগিতামূলক মনোভাৱ প্ৰদৰ্শন কৰে। ইয়াৰ বিপৰীতে নাগৰিকৰ দাবীৰ বিৰুদ্ধে কাম কৰা ৰাজনৈতিক ব্যৱস্থা এটাৰ পৰা ব্যক্তিয়ে দূৰত্ব বজাই ৰাখে।
- ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াটোতপ্ৰতীকেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মহাত্মা গান্ধী, ভগৎ সিং, সুভাষ চন্দ্ৰ বোস, লালা লাজপত ৰায় আদিৰ দৰে জাতীয় বীৰসকলৰ জন্মদিৱস আৰু মৃত্যুতিথি উদ্‌যাপনে নৱ প্ৰজন্মৰ মাজত নতুন উদ্দীপনাৰ সৃষ্টি কৰে আৰু দেশৰ বাবে কাম কৰিবলৈ তেওঁলোক অনুপ্ৰাণিত হয়।
- আমি ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব উলাই কৰিব নোৱাৰো। এখন দেশত এক সবল ৰাজনৈতিক সংস্কৃতি গঢ়ি তোলাত আৰু ৰাজনৈতিক সুস্থিৰতা বৰ্তাই ৰখাত ৰাজনৈতিক সামাজিকীকৰণে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।
- আধুনিক জটিল সমাজত ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াৰ মূল্য যথেষ্ট বেছি। ই সমাজ এখনৰ বিষয়ে বিজ্ঞানসন্মত ভাৱে অধ্যয়ন কৰাত সহায় কৰে। ৰাজনৈতিক সামাজিকীকৰণে মানুহৰ সামাজিক প্ৰকৃতি জনাত আমাক সহায় কৰে। ই কোনো এখন দেশৰ নাগৰিক, সমাজ তথা ৰাজনৈতিক ব্যৱস্থাৰ মাজত থকা সম্পৰ্ক পৰীক্ষা কৰি চায়।



১২.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*। যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰবৰ্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.

১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ আমেৰিকান ৰাজনীতি বিজ্ঞানী এষ্ট'ন আৰু ডেনিচ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সামাজিকীকৰণ বুলিলে সাধাৰণতে জনগনৰ সামাজিকীকৰণ প্রক্রিয়াৰ কথা বুজোৱা হয়। এই প্রক্রিয়াটোৰ যোগেদি জনসাধাৰণে নিজৰ ৰাজনৈতিক ব্যৱস্থাটোৰ প্রতি মনোভাৱ বিকশিত কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ এটা মৌলিক উদ্দেশ্য হ'ল এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ ৰাজনৈতিক প্রমূল্য প্রবাহিত কৰা আৰু ৰাজনৈতিক সুস্থিৰতা গঢ়ি তোলা।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রায় একে বয়সৰ ব্যক্তিৰ দলবোৰক সমনীয়াৰ দল বোলা হয়। এনে একোটা দলৰ সদস্যসকলে প্রায় একে ধৰণৰ সমস্যাৰ সন্মুখীন হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়াল, শৈক্ষিক অনুষ্ঠান, ধর্মীয় প্রতিষ্ঠান, সমনীয়াৰ দল, নিয়োগ ক্ষেত্রৰ অভিজ্ঞতা, গণ মাধ্যম, ৰাজনৈতিক দল আৰু প্রভাৱ গোষ্ঠী , প্রতীক, ৰাজনৈতিক ব্যৱস্থাৰ প্রভাৱ।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ প্রথমটো গুৰুত্বপূর্ণ বাহক হ'ল পৰিয়াল। শিশু এটিৰ জীৱনৰ আৰম্ভণিৰে পৰা পৰিয়ালে ইয়াৰ ওপৰত নীৰৱ আৰু প্রকাশ্য দুয়ো ধৰণে প্রভাৱ বিস্তাৰ কৰে। পৰিয়ালে নিজৰ কর্তৃত্ব, সংৰচনা আৰু সিদ্ধান্ত গ্রহণ প্রক্রিয়াৰ জৰিয়তে কোনো ৰাজনৈতিক ব্যৱস্থাৰ কর্তৃত্ব আৰু ব্যৱস্থাটোৰ প্রতি আনুগত্যৰ দৰে ধাৰণাবোৰ সন্দর্ভত মানুহৰ ব্যক্তিগত দিক্‌নির্দেশনাৰ বিকাশ ঘটায়। পৰিয়ালৰ পিতৃ-মাতৃ, ভ্রাতৃ,

ভগ্নী আটায়ে শিশু এটিৰ ওপৰত প্ৰভাৱ পেলায়। আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ৰ'বাৰ্ট লে'নৰ মতে পৰিয়ালে তিনিধৰণে শিশু এটিৰ ৰাজনৈতিক বিশ্বাসৰ ভেটি গঢ়ি উঠাৰ বাবে প্ৰয়োজনীয় সহায় আগবঢ়ায়। যেনে- প্ৰকাশিত আৰু অপ্ৰকাশিত শিক্ষণ, শিশুক কোনো এক বিশেষ সামাজিক পটভূমিত ডাঙৰ কৰা আৰু ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াত শিশুটিৰ পৰিয়ালটোৰ প্ৰয়োজনসাপেক্ষ পৰিৱৰ্তন ঘটোৱা। পৰিয়ালে যিহেতু শিশু এটিৰ মৌলিক আৰু সহজাত প্ৰয়োজনবোৰ পূৰণ কৰে, সেয়েহে শিশুটিয়ে পিতৃ-মাতৃৰ সৈতে নিজৰ পৰিচয় একাকাৰ কৰে এনেকৈয়ে এসময়ত ই কোনো ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি থকা পিতৃ-মাতৃৰ দৃষ্টিভংগীকে গ্ৰহণ কৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ আন এক গুৰুত্বপূৰ্ণ বাহক হ'ল গণ মাধ্যম। বাতৰি-কাকত, ৰেডিঅ', টেলিভিছন আদিৰ দৰে গণ মাধ্যমৰ আহিলাবোৰ হ'ল ৰাজনৈতিক সামাজিকীকৰণৰ শক্তিশালী মাধ্যম। এই মাধ্যমবোৰে ব্যক্তিৰ ব্যক্তিত্বক গভীৰভাৱে প্ৰভাৱিত কৰে। সংযোগ মাধ্যমবোৰে ৰাজনৈতিক ঘটনাৰাজি সন্দৰ্ভত যথেষ্ট তথ্যৰ যোগান ধৰে। ই ব্যক্তিৰ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াটোত সহায় কৰে। গণ মাধ্যমৰ এই গুৰুত্বপূৰ্ণ ভূমিকাটো নিৰীক্ষণ কৰি লুচিয়ান পায়ে মন্তব্য কৰিছিল, "গণ মাধ্যমৰ জৰিয়তে সামাজিকীকৰণ প্ৰক্ৰিয়াটো হ'ল সৰ্বশ্ৰেষ্ঠ চমু কৌশল আৰু আধুনিকৰণ প্ৰক্ৰিয়াত ইয়াৰ অপৰিসীম গুৰুত্ব আছে।"



১২.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ এলম'ণ্ড আৰু পাৱেলৰ ৰাজনৈতিক সামাজিকীকৰণৰ সংজ্ঞাটো লিখক।

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ যিকোনো দুটা প্ৰধান বাহক উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ ৰাজনৈতিক সামাজিকীকৰণ বুলিলে কি বুজে?

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি টোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াৰ অৰ্থ আৰু গুৰুত্ব ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াত বিভিন্ন বাহকৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্রহণ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ৰাজনৈতিক সংস্কৃতি (Political Culture)

১৩.৩.১ ৰাজনৈতিক সংস্কৃতিৰ অর্থ আৰু সংজ্ঞা

১৩.৩.২ ৰাজনৈতিক সংস্কৃতিৰ প্রকাৰ

১৩.৩.৩ ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ গুৰুত্ব

১৩.৪ ৰাজনৈতিক অংশগ্রহণ (Political Participation)

১৩.৪.১ ৰাজনৈতিক অংশগ্রহণৰ অর্থ

১৩.৪.২ ৰাজনৈতিক অংশগ্রহণৰ নির্ণায়ক

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৬ অধিক জানিবলৈ

১৩.৭ অগ্রগতিৰ খতিয়ান

১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্রহণৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক সংস্কৃতিৰ প্রকাৰ বর্ণনা কৰিব পাৰিব
- ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ গুৰুত্ব বিশ্লেষণ কৰিব পাৰিব
- ৰাজনৈতিক অংশগ্রহণৰ নির্ণায়কবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ৰাজনৈতিক সামাজিকীকৰণ ধাৰণাটো আলোচনা কৰিছো। ৰাজনীতি বিজ্ঞানৰ সৈতে জড়িত আন দুটা অতি গুৰুত্বপূর্ণ বিষয় হ'ল ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্রহণ। দ্বিতীয় বিশ্বযুদ্ধৰ সামৰণি পৰাৰ পাচত এই ধাৰণা দুটা জনপ্রিয় হৈ পৰিছিল। যদি আমি কোনো এখন দেশৰ ৰাজনৈতিক ব্যৱস্থা এটাৰ প্রকৃতি আৰু কার্য্য সম্পাদন পদ্ধতিৰ গভীৰ জ্ঞান আহৰণ কৰিব খোজো, তেন্তে আমি দেশখনৰ ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্রহণ সম্পর্কে অধ্যয়ন কৰাটো অতি জৰুৰী। ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্রহণৰ মাজত এটা ঘনিষ্ঠ সম্পর্ক আছে। সক্রিয় ৰাজনৈতিক অংশগ্রহণৰ বাবে

এক অনুকূল বাতাৱৰণ সৃষ্টি কৰাত এটা শক্তিশালী ৰাজনৈতিক সংস্কৃতিয়ে সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই অধ্যায়টিত ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক অংশগ্ৰহণ ধাৰণা দুটা বহলাই আলোচনা কৰা হ'ব।

১৩.৩ ৰাজনৈতিক সংস্কৃতি (Political Culture)

ৰাজনৈতিক সংস্কৃতিৰ ধাৰণাটো তুলনামূলকভাৱে নতুন। ৰাজনৈতিক সংস্কৃতি বুলিলে কোনো এক ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ বিশ্বাস, মনোভাৱ, প্ৰমূল্য আৰু জনসাধাৰণৰ আচৰণৰ কথা বুজোৱা হয়। কোনো এখন দেশত প্ৰচলিত ৰাজনৈতিক ব্যৱস্থা এটাৰ কাৰ্য্য সম্পাদন বিধি ভালদৰে জানিবলৈ দেশখনৰ ৰাজনৈতিক সংস্কৃতিটোৰ বিষয়ে জনাটো প্ৰয়োজনীয়। ৰাজনৈতিক সংস্কৃতি জনসাধাৰণৰ ৰাজনৈতিক মনোভাৱ, আচৰণ আৰু বাস্তৱ সাংস্কৃতিক কাৰ্য্যৰূপায়ণৰ চিন্তাধাৰা আদি বিষয়ৰ সৈতে বিশেষভাৱে জড়িত। তলৰ শিতানবোৰত আমি ৰাজনৈতিক সংস্কৃতিৰ অৰ্থ, প্ৰকাৰ আৰু ইয়াৰ অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰিম।

১৩.৩.১ ৰাজনৈতিক সংস্কৃতিৰ অৰ্থ আৰু সংজ্ঞা

কোনো এটা ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ মনোভাৱ আৰু বিশ্বাসৰ ওপৰত ৰাজনৈতিক সংস্কৃতি নিৰ্ভৰশীল। ৰাজনৈতিক সংস্কৃতি হ'ল কেইবাটাও আন্তঃসম্পৰ্ক থকা কাৰকৰ মিলনৰ ফলশ্ৰুতি। এনে কাৰক দুটামান হ'ল ইতিহাস, ভূগোল আৰু আৰ্থ-সামাজিক অৱস্থা। কোনো এখন সমাজৰ জাতীয় পতাকা আৰু জাতীয় সংগীতে সমাজখনৰ ৰাজনৈতিক সংস্কৃতিটো প্ৰতিফলিত কৰে। গেব্ৰিয়েল এলম'ণ্ড পোন প্ৰথমবাৰৰ বাবে 'ৰাজনৈতিক সংস্কৃতি' (Political Culture)শব্দটো ব্যৱহাৰ কৰিছিল। গেব্ৰিয়েল এলম'ণ্ড আৰু চিড্‌নী ভাৰ্বাই তেওঁলোকৰ গ্ৰন্থ "দ্য চিভিক্ কালচাৰ" (The Civic Culture)-ত ৰাজনৈতিক সংস্কৃতিৰ ধাৰণাটো বহলাই আলোচনা কৰিছিল [গগৈ, পি, (২০০৭), স্নাতক ৰাজনৈতিক তত্ত্ব, গুৱাহাটী ঃ বনলতা প্ৰকাশন, পৃষ্ঠা ৫৩৩] । এলম'ণ্ড লক্ষ্য কৰিছিল যে প্ৰতিটো ৰাজনৈতিক ব্যৱস্থা ৰাজনৈতিক কাম-কাজৰ একোটা বিশেষ দিশস্থিতিৰ নিৰ্দিষ্ট বিন্যাস একোটাত খাপ খাই থাকে।

ৰাজনৈতিক সংস্কৃতিৰ অৰ্থ সম্পৰ্কে ভিন্ন মত পোৱা যায়। ৰাজনৈতিক সংস্কৃতিৰ অৰ্থ ভালদৰে বুজিবলৈ পণ্ডিতসকলে দাঙি ধৰা সংজ্ঞা কিছুমানৰ উল্লেখ কৰাটো প্ৰয়োজনীয় হ'ব। তলত ৰাজনৈতিক সংস্কৃতি বিষয়ক দুটামান গুৰুত্বপূৰ্ণ সংজ্ঞা তুলি দিয়া হ'ল।

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী চিড্‌নী ভাৰ্বাৰ মতে, "কোনো ৰাজনৈতিক কাৰ্য্য সংঘটিত হোৱা পৰিস্থিতি এটাৰ সংজ্ঞা দাঙি ধৰিব পৰা ব্যৱহাৰিক বিশ্বাস, অৰ্থব্যঞ্জক প্ৰতীক আৰু প্ৰমূল্যৰ সমাহাৰেই হ'ল ৰাজনৈতিক সংস্কৃতি" [Gogoi, P. (2007).

Degree Political Theory, Guwahati: Banalata Pub.533] ।

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী এৰিক ৰ'ৱেৰ ভাষাত, " এটা ৰাজনৈতিক সংস্কৃতি হ'ল ব্যক্তিগত প্ৰমূল্য, বিশ্বাস আৰু আবেগিক মনোভাৱৰ বিন্যাস" [Mahajan, V.D. (2006), Political Theory. New Delhi : S.Chands. Page no. 190]

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী গেব্ৰিয়েল জি. বি. এলম'ণ্ড আৰু পাৱেলৰ মতে, "এক সামগ্ৰিক জনসংখ্যাৰ মাজত বৰ্তমান সময়ত প্ৰচলিত মনোভাৱ, বিশ্বাস, প্ৰমূল্য আৰু দক্ষতাৰ উপৰি সেই নিৰ্দিষ্ট জনসংখ্যাৰ পৃথক পৃথক অংশৰ মাজত বিৰাজমান বিভিন্ন বিশেষ প্ৰবণতা আৰু বিন্যাসবোৰক একেলগে ৰাজনৈতিক সংস্কৃতি বোলা হয় " [Gogoi, P. (2007). Degree Political Theory. Guwahati: Banalata Pub.533] ।

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী হেইনজ্ ইউলানৰ মতে, "কোনো ব্যক্তি সমষ্টিৰ, ইয়াৰ আকাৰ নিৰ্বিশেষে, ৰাজনৈতিক আচৰণ, প্ৰতিগৰাকী ব্যক্তিয়ে উমৈহতীয়াকৈ মানি চলা বিশ্বাস , দিক্ নিৰ্দেশক নীতি, উদ্দেশ্য আৰু প্ৰমূল্যবোৰত প্ৰতিফলিত হোৱা বিন্যাসটোকে ৰাজনৈতিক সংস্কৃতি বোলে" [Mahajan, V.D. (2006). Political Theory, New Delhi: S. Chands, Page no. 190] ।

দ্য ইণ্টাৰনেচনেল এনচাইক্ল'পেডিয়া অৱ চোছিয়েল চাইন্সেচ্ (The International Encyclopedia of Social Sciences)ৰ মতে ৰাজনৈতিক সংস্কৃতি হ'ল "এটা ৰাজনৈতিক প্ৰক্ৰিয়া সুশৃংখল কৰি ৰখা তথা অৰ্থবহ কৰি তোলা মনোভাৱ, বিশ্বাস আৰু অনুভৱৰ সমষ্টি। এইবোৰে কোনো ৰাজনৈতিক ব্যৱস্থা এটাৰ আচৰণ নিয়ন্ত্ৰণকাৰী অন্তৰ্নিহিত প্ৰত্যাশা আৰু নীতি নিয়মবোৰ বুজাত সহায় কৰে। ৰাজনৈতিক সংস্কৃতিয়ে ৰাজনৈতিক আদৰ্শ আৰু ৰাজনৈতিক সংগঠনৰ কাৰ্য সম্পাদনৰ নীতি-নিয়ম উভয়কে সামৰি লয়। সেয়েহে ৰাজনৈতিক সংস্কৃতিক ৰাজনীতিৰ মনোবৈজ্ঞানিক আৰু বিষয়নিষ্ঠ মাত্ৰাৰ একত্ৰিত ৰূপৰ প্ৰকাশ বুলি ক'ব পাৰি" [Mahajan, V.D. (2006). Political Theory. New Delhi: S.Chands, Page no. 191] ।

ওপৰত উল্লেখ কৰা আটাইবোৰ সংজ্ঞাকে সামৰি আমি ক'ব পাৰো যে ব্যক্তিৰ নিজ দেশৰ ৰাজনৈতিক ব্যৱস্থাটোৰ প্ৰতি থকা ব্যক্তিগত দিশস্থিতিকেই (Orientation) সাধাৰণতে ৰাজনৈতিক সংস্কৃতি বোলা হয়। ৰাজনৈতিক সংস্কৃতিয়ে কোনো এগৰাকী ব্যক্তিৰ ৰাজনৈতিক বিশ্বাস আৰু মনোভাৱক সূচায়। ৰাজনৈতিক সংস্কৃতিৰ ধাৰণাটো স্থিৰ নহয়। সময়ে সময়ে ৰাজনৈতিক ব্যৱস্থাৰ প্ৰয়োজনত সঁহাৰি জনাই ৰাজনৈতিক সংস্কৃতি সলনি হৈ থাকে।

১৩.৩.২ ৰাজনৈতিক সংস্কৃতিৰ প্ৰকাৰ

এলম'ণ্ড আৰু পাৱেলে ৰাজনৈতিক সংস্কৃতিক তিনি ধৰণে ভাগ কৰিছে — সংকীৰ্ণ ৰাজনৈতিক সংস্কৃতি (Parochial Political Culture), আজ্ঞাধীন ৰাজনৈতিক সংস্কৃতি (Subject Political Culture) আৰু অংশগ্ৰহণকাৰী ৰাজনৈতিক সংস্কৃতি (Participant Political Culture)।

- সংকীৰ্ণ ৰাজনৈতিক সংস্কৃতি (Parochial Political Culture) ঃ ৰাজনৈতিক ব্যৱস্থা সম্পৰ্কে নিচেই কম সজাগতা থকা নাইবা কোনো কোনো ক্ষেত্ৰত একেবাৰে অজ্ঞ সমাজৰ ৰাজনৈতিক সংস্কৃতিকে সংকীৰ্ণ ৰাজনৈতিক সংস্কৃতি বোলে। সাধাৰণতে পিছপৰা সমাজবোৰত এই অজ্ঞ শ্ৰেণীৰ লোক থাকে। মধ্য আফ্ৰিকীয় অঞ্চলবোৰত সংকীৰ্ণ ৰাজনৈতিক সংস্কৃতিৰ প্ৰচলন দেখা যায়।
- আজ্ঞাধীন ৰাজনৈতিক সংস্কৃতি (Subject Political Culture) ঃ যিবোৰ দেশৰ নাগৰিক দেশখন ৰাজনৈতিক ব্যৱস্থাটোৰ প্ৰকৃতি আৰু কাৰ্য্য-সম্পাদন পদ্ধতি সম্পৰ্কে সজাগ, কিন্তু তেওঁলোকে ব্যৱস্থাটোত অংশগ্ৰহণ কৰিব নোৱাৰে, তেনেবোৰ দেশত আজ্ঞাধীন ৰাজনৈতিক সংস্কৃতি প্ৰচলিত। এনে দেশৰ জনসাধাৰণৰ ৰাজনৈতিক ব্যৱস্থাটোক কেনেধৰণে প্ৰভাৱিত কৰিব পাৰে সেই সম্পৰ্কে কোনো নিৰ্দিষ্ট জ্ঞান নাথকিব পাৰে। সাধাৰণতে চৰম ৰাজতান্ত্ৰিক চৰকাৰ থকা দেশত আজ্ঞাধীন ৰাজনৈতিক সংস্কৃতিৰ প্ৰচলন দেখা পোৱা যায়।
- অংশগ্ৰহণকাৰী ৰাজনৈতিক সংস্কৃতি (Participant Political Culture) ঃ অতি উন্নত সমাজত অংশগ্ৰহণকাৰী ৰাজনৈতিক সংস্কৃতিৰ প্ৰচলন দেখা যায়। এনে সমাজত নাগৰিকে ৰাজনৈতিক জীৱনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰী ৰাজনৈতিক সংস্কৃতি থকা দেশত নাগৰিকে ৰাজনৈতিক কাম-কাজত সক্ৰিয় ভূমিকা লয়। এনে সংস্কৃতি থকা দেশত জনসাধাৰণে ৰাজনৈতিক ব্যৱস্থাৰ পৰা বিভিন্ন বস্তু দাবী কৰে আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত জড়িত হয়।

ওপৰৰ শ্ৰেণীবিভাজনবোৰৰ উপৰি ৰাজনৈতিক সংস্কৃতিক আন কেইবাটাও ভাগত ভগাব পাৰি। যেনে-

- মিশ্ৰিত ৰাজনৈতি সংস্কৃতি (Mixed Political Culture) ঃ যিটো ৰাজনৈতিক সংস্কৃতিত সংকীৰ্ণ, আজ্ঞাধীন আৰু অংশগ্ৰহণকাৰী তিনিওটা ৰাজনৈতিক সংস্কৃতিৰ বৈশিষ্ট্য মিহলি হৈ থাকে তাকে মিশ্ৰিত ৰাজনৈতিক সংস্কৃতি বোলে। তিনিওটা ৰাজনৈতিক সংস্কৃতিৰ বিভিন্ন বৈশিষ্ট্য মিলি মিশ্ৰিত ৰাজনৈতিক সংস্কৃতি এটা গঢ় লৈ উঠে।
- পৌৰ ৰাজনৈতিক সংস্কৃতি (Civil Political Culture) ঃ জনসাধাৰণৰ প্ৰতিনিধিৰ হাতত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা ন্যস্ত থকা সমাজবোৰত পৌৰ ৰাজনৈতিক

সংস্কৃতিৰ প্ৰচলন আছে। এনেবোৰ দেশৰ জনসাধাৰণে ৰাজনৈতিক প্ৰক্ৰিয়াত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ নকৰে। গণতান্ত্ৰিক সমাজত এনে ধৰণৰ ৰাজনৈতিক সংস্কৃতি দেখা যায়। এনে সংস্কৃতিত জনসাধাৰণে কেৱল প্ৰতিনিধিৰ জৰিয়তেহে নিজৰ অনুভূতি আৰু ইচ্ছা প্ৰকাশ কৰে।

- ধৰ্ম নিৰপেক্ষ ৰাজনৈতিক সংস্কৃতি (Secular Political Culture) ঃ যিখন সমাজৰ সদস্যসকল ধৰ্মনিৰপেক্ষ (secular), যুক্তিৰে পৰিচালিত (rational) আৰু বিশ্লেষণাত্মক (analytical) গুণৰ অধিকাৰী হয় তেনে সমাজত ধৰ্মনিৰপেক্ষ ৰাজনৈতিক সংস্কৃতিৰ প্ৰচলন দেখা পোৱা যায়। এই সংস্কৃতিয়ে ৰাজনৈতিক ব্যৱস্থাৰ গতিশীল দিশস্থিতিৰ (Dynamic Orientation) ওপৰত জোৰ দিয়ে।
- আদৰ্শকেন্দ্ৰিক ৰাজনৈতিক সংস্কৃতি (Ideology Centric Political Culture) ঃ যিবোৰ সমাজৰ জনসাধাৰণ মাত্ৰ এটা আদৰ্শ গ্ৰহণ কৰিবলৈ বাধ্য তেনেবোৰ সমাজত আদৰ্শকেন্দ্ৰিক ৰাজনৈতিক সংস্কৃতি দেখা পোৱা যায়। এনে সমাজৰ জনসাধাৰণে নিজাকৈ আন কোনো আদৰ্শ অনুসৰণ কৰিব নোৱাৰে। ছোভিয়েট ইউনিয়ন আৰু চীনৰ দৰে দেশবোৰত আমি এই ৰাজনৈতিক সংস্কৃতি দেখিবলৈ পাওঁ।
- সমৰূপী ৰাজনৈতিক সংস্কৃতি (Homogeneous Political Culture) ঃ যিখন সমাজৰ জনসাধাৰণে ৰাজনৈতিক উদ্দেশ্য আৰু সেই উদ্দেশ্যত উপনীত হোৱাৰ পন্থাবোৰ সম্পৰ্কে একমত পোষণ কৰে তেনে সমাজত সমৰূপী ৰাজনৈতিক সংস্কৃতিৰ অস্তিত্ব দেখা পোৱা যায়। আমেৰিকা আৰু গ্ৰেট বৃটেইনৰ দৰে উন্নত দেশত সমৰূপী ৰাজনৈতিক সংস্কৃতিৰ প্ৰচলন আছে।
- খণ্ডিত ৰাজনৈতিক সংস্কৃতি (Fragmented Political Culture) ঃ যিবোৰ দেশৰ জনসাধাৰণে ৰাজনৈতিক উদ্দেশ্য সম্পৰ্কে একমত পোষণ নকৰে তেনেবোৰ দেশত খণ্ডিত ৰাজনৈতিক সংস্কৃতি প্ৰচলিত। বহুতো ৰাজনৈতিক দল থকা সমাজবোৰত এনে ধৰণৰ ৰাজনৈতিক সংস্কৃতি দেখা পোৱা যায়। ফ্ৰান্স, ইটালী আৰু ভাৰতৰ দৰে দেশত খণ্ডিত ৰাজনৈতিক সংস্কৃতিৰ প্ৰচলন আছে।

১৩.৩.৩ ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ গুৰুত্ব

সকলো শ্ৰেণীৰ পণ্ডিত-গৱেষকেই ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তাক স্বীকৃতি দিছে। পণ্ডিতসকলে ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ বহুকেইটা উপকাৰিতাৰ বিষয়ে আঙুলিয়াই দেখুৱাইছে। ৰাজনৈতিক সংস্কৃতি অধ্যয়নে আমাক ৰাজনৈতিক সামাজিকীকৰণ প্ৰক্ৰিয়াটোৰ বিষয়ে বুজাত সহায় কৰে। ৰাজনৈতিক ধাৰণা

আৰু প্ৰমূল্যবোৰ কেনেকৈ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ হস্তান্তৰিত হয় সেই তথ্য আমি ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়নৰ দ্বাৰাই লাভ কৰিব পাৰোঁ। লগতে কোনো এখন সমাজৰ ৰাজনৈতিক বিকাশৰ কথা বুজাতো ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়নে সহায় কৰে। ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়নৰ জৰিয়তে আমি কোনো এক অঞ্চলৰ সামাজিক তথা অৰ্থনৈতিক কাৰকবোৰৰ মাজত থকা সম্পৰ্কৰ বিষয়েও বুজিব পাৰো। ব্যক্তিৰ ৰাজনৈতিক আচৰণৰ বিকাশ ঘটোৱাতো ৰাজনৈতিক সংস্কৃতিয়ে সহায় কৰে। ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ আন এটা সুবিধা হ'ল ই আমাক ব্যক্তিৰ মনোজগত অধ্যয়ন কৰাত সহায় কৰে। সাংবিধানিকতাবাদৰ প্ৰক্ৰিয়াটো ভালদৰে বুজি উঠাতো ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়নে আমাক সহায় কৰে। ৰাজনৈতিক সংস্কৃতি অধ্যয়নে আমাক এখন প্ৰতিষ্ঠিত সমাজৰ বিভিন্ন ধৰণৰ সাংবিধানিক আইন তথা নীতি-নিয়মৰ বিষয়ে বুজাত সহায় কৰে। ৰাজনৈতিক সংস্কৃতি আৰু ৰাজনৈতিক আদৰ্শৰ ভিন্নতা অনুসৰি জনসাধাৰণে ভিন্ন পটভূমিত সাংবিধানিক আইনবোৰ নিৰীক্ষণ আৰু মূল্যায়ন কৰে। এটা ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি নাগৰিকৰ মনোভাৱ কেনেধৰণৰ সেয়া বুজি পাবলৈ ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়ন অতি সুফলদায়ক। ৰাজনৈতিক সংস্কৃতি অধ্যয়ন কৰাৰ পাচত আমি এক ৰাজনৈতিক প্ৰাণী হিচাপে মানুহৰ প্ৰকৃত স্বৰূপ বুজি উঠিব পাৰো।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনে পোন প্ৰথমে 'ৰাজনৈতিক সংস্কৃতি' শব্দটো ব্যৱহাৰ কৰিছিল ?

.....

প্ৰশ্ন নং ২ ঃ এৰিক ৰ'ৱেৰ ৰাজনৈতিক সংস্কৃতিৰ সংজ্ঞাটো বৰ্ণনা কৰক।

.....

প্ৰশ্ন নং ৩ ঃ এলম'ণ্ড আৰু পাৱেলে আগবঢ়োৱা ৰাজনৈতিক সংস্কৃতিৰ ভাগকেইটা উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৪ ঃ অংশগ্ৰহণকাৰী ৰাজনৈতিক সংস্কৃতি বুলিলে কি বুজে ?

.....

প্ৰশ্ন নং ৫ ঃ আদৰ্শকেন্দ্ৰিক ৰাজনৈতিক সংস্কৃতিৰ প্ৰচলন থকা দুখন দেশৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৬ ঃ ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ যিকোনো দুটা তাৎপৰ্য্যৰ বিষয়ে লিখক।

.....

.....

১৩.৪ ৰাজনৈতিক অংশগ্ৰহণ (POLITICAL PARTICIPATION)

ৰাজনীতি বিজ্ঞান বিষয়ৰ সৈতে জড়িত আন এটা গুৰুত্বপূৰ্ণ ধাৰণা হ'ল ৰাজনৈতিক অংশগ্ৰহণ। কোনো এখন দেশৰ ৰাজনৈতিক ব্যৱস্থাটোৰ সফলতা দেশখনৰ জনসাধাৰণৰ ৰাজনৈতিক অংশগ্ৰহণৰ ওপৰত নিৰ্ভৰশীল। গতিকে ৰাজনৈতিক অংশগ্ৰহণৰ বিস্তৃত জ্ঞান থকাটো অতি প্ৰয়োজনীয়। এই শিতানত আমি ৰাজনৈতিক অংশগ্ৰহণৰ অৰ্থ আৰু নিৰ্ণায়কবোৰৰ বিষয়ে আলোচনা কৰিম।

১৩.৪.১ ৰাজনৈতিক অংশগ্ৰহণৰ অৰ্থ

গণতান্ত্ৰিক চৰকাৰ থকা দেশত কোনো বিষয়ত নাগৰিকৰ অনুমোদন অথবা সমৰ্থন প্ৰত্যাহাৰৰ বাবে আৰু শাসন কাৰ্য্যৰ বাবে শাসকক জবাবদিহি কৰি ৰখাৰ প্ৰধান উপায় হ'ল ৰাজনৈতিক অংশগ্ৰহণ। কোনো এখন দেশৰ জনসাধাৰণে দেশখনৰ ৰাজনৈতিক প্ৰক্ৰিয়াটোৰ সৈতে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হোৱা কাৰ্যটোকে ৰাজনৈতিক অংশগ্ৰহণ বোলে। ৰাজনৈতিক অংশগ্ৰহণ মানে কেৱল প্ৰত্যক্ষভাৱে ৰাজনীতিৰ সৈতে জড়িত হোৱাটোকেই নুবুজায়। ৰাজনৈতিক অংশগ্ৰহণে প্ৰতিবাদী কাৰ্যসূচীত ভাগ লোৱা, শোভাযাত্ৰা কৰা, সংস্থা-সংগঠনৰ সদস্য হোৱা আদিও বুজায়। চৰকাৰক সমালোচনা কৰা কাৰ্য্যকো ৰাজনৈতিক অংশগ্ৰহণ বুলি কোৱা হয়। এনে সমালোচনাই চৰকাৰক জনসাধাৰণৰ ওচৰত জবাবদিহি কৰি ৰাখে। দেশ ভেদে ৰাজনৈতিক অংশগ্ৰহণৰ মাত্ৰা বেলেগ বেলেগ হয়। ইয়াৰ প্ৰধান কাৰণ হ'ল ৰাজনৈতিক অংশগ্ৰহণ কেৱল গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল নহয়। ইয়াক আন বহুতো কাৰকে প্ৰভাৱিত কৰে।

ৰাজনৈতিক অংশগ্ৰহণৰ অৰ্থ সম্পৰ্কে বিভিন্ন দৃষ্টিভংগী আছে। কিন্তু ৰাজনৈতিক অংশগ্ৰহণৰ অৰ্থ বুজাৰ আগতে ৰাজনৈতিক দাৰ্শনিকসকলে আগবঢ়োৱা ৰাজনৈতিক অংশগ্ৰহণৰ দুটামান গুৰুত্বপূৰ্ণ সংজ্ঞা আলোচনা কৰাটো জৰুৰী। ৰাজনৈতিক অংশগ্ৰহণ সম্পৰ্কীয় দুটামান গুৰুত্বপূৰ্ণ সংজ্ঞা তলত আলোচনা কৰা হ'ল—

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী চিডনী ভৰ্বা আৰু নৰ্মান নাইৰ মতে, "এখন সমাজৰ সদস্যসকলে শাসক নিৰ্বাচনৰ কৰিবলৈ আৰু ৰাজহুৱা নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াক প্ৰভাৱিত কৰিবলৈ প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে যিবোৰ স্বৈচ্ছিক কাৰ্য-কলাপত ভাগ লয় তাকেই ৰাজনৈতিক অংশগ্ৰহণ বোলে" [Chakraborty.S (ed) (2005). Political Sociology. Delhi: Mecmillan Publication, page 363] ।

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী চেমুৱেল পি হাংটিংটন'ৰ আৰু আমেৰিকাৰ পণ্ডিত জোৱান এম নেলচনৰ মতে, "যি কাম-কাজৰ জৰিয়তে ব্যক্তিগত নাগৰিকে চৰকাৰী সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াটোক প্ৰভাৱিত কৰে তেনে কাম-কাজকে ৰাজনৈতিক অংশগ্ৰহণ

বোলে'' Chakraborty, S (ed) (2005). Political Sociology. Delhi: MacMillan Pulications, Page 363] ।

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ডি. আৰ. মেথিউজ আৰু জে. ডব্লিউ প্ৰ'থ'ৰ মতে, ''ব্যক্তিয়ে যিবোৰ আচৰণৰ জৰিয়তে প্ৰত্যক্ষভাৱে নিজৰ ৰাজনৈতিক মতামত প্ৰকাশ কৰে সেই সকলোবোৰ আচৰণেই হ'ল ৰাজনৈতিক অংশগ্ৰহণ'' [Ashraf, A & Sharma, L.N. (2007). Political Sociology. Hyderabad: Umiverseties Press (India) Private Limited. Page no.-142] ।

এই আটাইবোৰ সংজ্ঞা আলোচনা কৰি চোৱাৰ অন্তত আমি এইবুলি সামৰণি মাৰিব পাৰো যে কোনো এটা ৰাজনৈতিক ব্যৱস্থাৰ বিভিন্ন পর্য্যায়ত ব্যক্তি অথবা ব্যক্তিৰ সমষ্টি জড়িত হোৱাটোকে ৰাজনৈতিক অংশগ্ৰহণ বুলি কোৱা হয়। ই সাধাৰণতে ব্যক্তি অথবা ব্যক্তি সমষ্টিৰ সেইবোৰ স্বেচ্ছাকৃত কাম- কাজৰ কথা বুজায় যিবোৰৰ জৰিয়তে ব্যক্তি অথবা ব্যক্তি সমষ্টিয়ে নিজ দেশৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াটো প্ৰভাৱিত কৰাৰ চেষ্টা কৰে।

১৩.৪.২ ৰাজনৈতিক অংশগ্ৰহণৰ নির্ণায়ক

ৰাজনৈতিক অংশগ্ৰহণক এটা জটিল কার্য্য বুলি বিবেচনা কৰা হয় আৰু এই কার্যটোৰ সৈতে বহুতো কাৰক জড়িত । সময় আৰু স্থান অনুসৰি এই কাৰকবোৰ সলনি হয়। ৰাজনৈতিক অংশগ্ৰহণৰ দুটামান গুৰুত্বপূর্ণ নির্ণায়কৰ বিষয়ে তলত আলোচনা কৰা হ'ল-

- মনোবৈজ্ঞানিক কাৰক (Psychological Factors)ঃ ৰাজনৈতিক অংশগ্ৰহণৰ মাত্রা নির্ণয় কৰা এটা গুৰুত্বপূর্ণ কাৰক হ'ল ব্যক্তিৰ মনোবৈজ্ঞানিক কাৰক। ৰাজনৈতিক অংশগ্ৰহণ নির্ণয় কৰা সবাতোকৈ গুৰুত্বপূর্ণ মনোবৈজ্ঞানিক কাৰকবোৰ তলত উল্লেখ কৰা হ'ল-
  - (ক) নিঃসংগতা (Loneliness) ঃ ৰাজনৈতিক অংশগ্ৰহণৰ জৰিয়তে মানুহে ইজনে সিজনৰ সৈতে ভাৰ বিনিময় কৰাৰ সুযোগ পায়। এনে কার্য্যই বন্ধুত্ব গঢ়ি তোলে। ফলত মানুহে নিঃসংগতা এৰাই চলিব পাৰে। বহুতো সময়ত মানুহে নিঃসংগতাৰ পৰা মুক্তি পাবলৈ ৰাষ্ট্ৰৰ কাম-কাজত অংশগ্ৰহণ কৰে।
  - (খ) অচেতন মনত চলি থকা দ্বন্দ্ব আৰু উদ্বেগ (Unconscious conflicts and tensions) ঃ নিঃসংগতাৰ উপৰিও অচেতন মনত চলি থকা দ্বন্দ্ব আৰু উদ্বেগেও ব্যক্তিৰ ৰাজনৈতিক অংশগ্ৰহণৰ কাৰক হ'ব পাৰে। অচেতন মনৰ উদ্বেগ আৰু দ্বন্দ প্ৰকাশ কৰাৰ এটা গুৰুত্বপূর্ণ মাধ্যম হ'ল ৰাজনীতি।
  - (গ) ক্ষমতাৰ প্ৰতি স্পৃহা (Urge for Power)ঃ ৰাজনৈতিক অংশগ্ৰহণৰ

এটা গুৰুত্বপূৰ্ণ নিৰ্ণায়ক হ'ল ক্ষমতাৰ প্ৰতি স্পৃহা। মানুহে সদায় ক্ষমতাৰ অধিকাৰী হ'ব খোজে। কাৰণ ক্ষমতাই মানুহক সুখী কৰে।

- সামাজিক কাৰক (Social Factors)ঃ মনোবৈজ্ঞানিক কাৰকৰ উপৰি ৰাজনৈতিক অংশগ্ৰহণৰ আন এটা গুৰুত্বপূৰ্ণ নিৰ্ণায়ক হ'ল সামাজিক কাৰক। এই সামাজিক কাৰকবোৰ এগৰাকী ব্যক্তিৰ সামাজিক পৰিৱেশৰ অংশ। সামাজিক কাৰকৰ ভিতৰত সবাতোকৈ গুৰুত্বপূৰ্ণ কাৰককেইটা হ'ল- শিক্ষা, জীৱিকা, উপাৰ্জন, বয়স, বাসগৃহ, গতিশীলতা, লিংগ, ধৰ্ম, জাতি, শ্ৰেণী ইত্যাদি। এই কাৰকবোৰ তলত উল্লেখ কৰা হ'ল—

(ক) শিক্ষা (Education) ঃ ব্যক্তিৰ ৰাজনৈতিক অংশগ্ৰহণক প্ৰভাৱিত কৰা সবাতোকৈ গুৰুত্বপূৰ্ণ সামাজিক কাৰকটো হ'ল শিক্ষা। ইয়াৰ কাৰণ হ'ল শিক্ষাই মানুহৰ আগ্ৰহ তথা বিশেষ দক্ষতাৰ ক্ষেত্ৰখন বহল কৰে। শিক্ষিত ব্যক্তি এগৰাকী নাগৰিকৰ কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কে অধিক সজাগ হয়। শিক্ষিত ব্যক্তিৰ আত্মবিশ্বাস আৰু সামৰ্থ্যও অধিক হয়। শিক্ষাই সেয়েহে ব্যক্তিৰ অৰ্থপূৰ্ণ ৰাজনৈতিক অংশগ্ৰহণ বৃদ্ধি কৰাত সবল ভূমিকা পালন কৰে।

(খ) জীৱিকা (Occupation)ঃ ব্যক্তিৰ জীৱিকাকো ৰাজনৈতিক অংশগ্ৰহণৰ এটা গুৰুত্বপূৰ্ণ নিৰ্ণায়ক বুলি বিবেচনা কৰা হয়। বহুতো বৃত্তিজীৱিয়ে কৰ্মক্ষেত্ৰত একেধৰণৰ সমস্যাৰ সন্মুখীন হয়। ইয়ে তেওঁলোকক পৰস্পৰৰ কাষ চপাই আনে। এনে ব্যক্তিয়ে ৰাষ্ট্ৰৰ বিভিন্ন সমস্যা বিষয়ত অইনতকৈ বেছিকৈ অংশগ্ৰহণ কৰে।

(গ) উপাৰ্জন (Income)ঃ শিক্ষা আৰু জীৱিকাৰ উপৰি ব্যক্তিৰ ৰাজনৈতিক অংশগ্ৰহণক প্ৰভাৱিত কৰা আন এক সামাজিক কাৰক হ'ল উপাৰ্জন। অৰ্থনৈতিক সুস্থিৰতাই মানুহক অধিক অৱসৰৰ সুবিধা দিয়ে, মানসিক উদ্বেগ আঁতৰ কৰে আৰু ৰাজনৈতিক অংশগ্ৰহণৰ বিভিন্ন সুযোগ দিয়ে।

(ঘ) সামাজিক স্থিতি (Social Status)ঃ ওপৰত উল্লেখ কৰা সামাজিক কাৰকবোৰৰ লগতে সামাজিক স্থিতিয়েও ব্যক্তিৰ ৰাজনৈতিক অংশগ্ৰহণক প্ৰভাৱিত কৰে। উদাহৰণ স্বৰূপে পিতৃতান্ত্ৰিক সমাজত মহিলাসকলৰ ৰাজনৈতিক অংশগ্ৰহণত বাধা প্ৰদান কৰা হয় আৰু সেয়েহে পুৰুষতকৈ মহিলাৰ ৰাজনৈতিক অংশগ্ৰহণৰ পৰিমাণ কম হয়।

(ঙ) ধৰ্ম (Religion) ঃ ৰাজনৈতিক অংশগ্ৰহণৰ আন এক গুৰুত্বপূৰ্ণ নিৰ্ণায়ক হ'ল ধৰ্ম। উদাহৰণ স্বৰূপে পশ্চিমীয়া দেশবোৰত পৰিয়াল পৰিকল্পনাকেন্দ্ৰিক মনোভাৰ বহু পৰিমাণে গীৰ্জাবোৰৰ উপদেশৰ দ্বাৰা প্ৰভাৱিত। ভাৰততো যদি কোনো এটা নিৰ্দিষ্ট ধৰ্মৰ সদস্যসকলৰ বাবে

কোনো নীতি নিয়ম প্ৰণয়ন কৰাৰ চেষ্টা চলোৱা হয় তেন্তে সেই চেষ্টালৈ সেই বিশেষ ধৰ্মৰ অনুগামীসকলে সহায় আগবঢ়াবলৈ ৰাজনীতিত আগতকৈ অধিক অংশগ্ৰহণ কৰে।

➢ ৰাজনৈতিক কাৰক (Political Factors) ঃ ৰাজনৈতিক অংশগ্ৰহণত গুৰুত্বপূৰ্ণ নিৰ্ণায়কৰ ভূমিকা পালন কৰিব পৰা ৰাজনৈতিক কাৰক দুটামানো আছে। এই কাৰককেইটা হ'ল—

(ক) চৰকাৰৰ মনোভাৱ (Attitudes of the government) ঃ কোনো এখন দেশৰ নাগৰিকৰ ৰাজনৈতিক অংশগ্ৰহণৰ মাত্ৰা নিৰ্ণয় কৰাত দেশখনৰ চৰকাৰৰ মনোভাৱে এক গুৰুত্বপূৰ্ণ কাৰকৰ ভূমিকা পালন কৰে। চৰকাৰে নাগৰিকৰ সৈতে বিভিন্ন মাধ্যমৰ জৰিয়তে অহৰহ সম্পৰ্ক ৰক্ষা কৰি চলিব লাগে। চৰকাৰৰ নীতিবোৰ স্বচ্ছ হোৱা উচিত ।

(খ) ৰাজনৈতিক দল (Political parties) ঃ ব্যক্তিৰ ৰাজনৈতিক অংশগ্ৰহণত ৰাজনৈতিক দলবোৰেও এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজনৈতিক দলবোৰে সাধাৰণ ৰাইজৰ মতামত চৰকাৰৰ ওচৰলৈ লৈ যায়। ৰাজনৈতিক দলবোৰ হ'ল সাধাৰণ জনগণৰ দাবী প্ৰকাশৰ মাধ্যম। ৰাজনৈতিক দলবোৰে বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰে আৰু প্ৰতিকাৰৰ উপায় আগবঢ়ায়। দলবোৰে ৰাজনৈতিক শিক্ষাও প্ৰদান কৰে আৰু জনসাধাৰণক ৰাষ্ট্ৰৰ বিভিন্ন কাম-কাজত ভাগ ল'বলৈ অনুপ্ৰাণিত কৰে।

(গ) নিৰ্বাচন (Elections)ঃ নিৰ্বাচন ব্যৱস্থা আৰু প্ৰক্ৰিয়াটোৱেও মানুহৰ ৰাজনৈতিক অংশগ্ৰহণক প্ৰভাৱিত কৰে। নিৰ্বাচন প্ৰক্ৰিয়াৰ সৈতে জড়িত বিভিন্ন প্ৰকাৰৰ কাৰ্য্য-কলাপ আৰু সেই কাৰ্য্যবোৰৰ প্ৰতি ৰাইজৰ সঁহাৰিয়ে ৰাজনৈতিক অংশগ্ৰহণত নিৰ্ণায়কৰ ভূমিকা পালন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ ব্যক্তিৰ ৰাজনৈতিক অংশগ্ৰহণত নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰা সামাজিক কাৰকবোৰ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৮ ঃ চেমুৱেল পি. হাংটিংট'ন আৰু জোৱান এম নেলচনে দিয়া ৰাজনৈতিক অংশগ্ৰহণৰ সংজ্ঞাটো উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৯ঃ ৰাজনৈতিক অংশগ্রহণৰ নির্ণায়ক হিচাপে নির্বাচন আৰু ৰাজনৈতিক দলবোৰৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনৈতিক সংস্কৃতি বুলিলে কোনো এক ৰাজনৈতিক ব্যৱস্থাৰ প্রতি জনসাধাৰণৰ বিশ্বাস, মনোভাৱ, প্রমূল্য আৰু ব্যৱস্থাটোৰ প্রতি মানুহৰ আচৰণৰ কথা বুজোৱা হয়। কোনো এখন দেশৰ ৰাজনৈতিক ব্যৱস্থা এটাৰ কার্য্য সম্পাদন বিধি ভালদৰে জানিবলৈ দেশখনৰ ৰাজনৈতিক সংস্কৃতিটোৰ বিষয়ে জনাটো প্রয়োজনীয়।
- গেব্রিয়েল এলম'ণ্ডে পোন প্রথমবাৰৰ বাবে 'ৰাজনৈতিক সংস্কৃতি' ধাৰণাটো ব্যৱহাৰ কৰিছিল। গেব্রিয়েল এলম'ণ্ড আৰু চিড্‌নী ভার্বাই তেওঁলোকৰ গ্রন্থ 'দ্য চিভিক কালচাৰ' (*The Civic Culture*)-ত ৰাজনৈতিক সংস্কৃতিৰ ধাৰণাটো বহলাই আলোচনা কৰিছিল।
- এলম'ণ্ড আৰু পাৱেলে ৰাজনৈতিক সংস্কৃতিক তিনি ধৰণে ভাগ কৰিছে- সংকীর্ণ ৰাজনৈতিক সংস্কৃতি, আজ্ঞাধীন ৰাজনৈতিক সংস্কৃতি আৰু অংশগ্রহণকাৰী ৰাজনৈতিক সংস্কৃতি। এই তিনিভাগৰ উপৰিও ৰাজনৈতিক সংস্কৃতিৰ আন কেইটামান প্রকাৰ আছে। এই প্রকাৰকেইটা হ'ল— মিশ্রিত ৰাজনৈতিক সংস্কৃতি, পৌৰ ৰাজনৈতিক সংস্কৃতি, ধর্ম নিৰপেক্ষ ৰাজনৈতিক সংস্কৃতি, আদর্শকেন্দ্রিক ৰাজনৈতিক সংস্কৃতি, সমৰূপী ৰাজনৈতিক সংস্কৃতি আৰু খণ্ডিত ৰাজনৈতিক সংস্কৃতি।
- পণ্ডিতসকলে ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ বহুকেইটা উপকাৰিতাৰ বিষয়ে আঙুলিয়াই দেখুৱাইছে। ৰাজনৈতিক সংস্কৃতি অধ্যয়নে আমাক কোনো এখন সমাজৰ ৰাজনৈতিক সামাজিকীকৰণ প্রক্রিয়া আৰু ৰাজনৈতিক বিকাশৰ কথা বুজাত সহায় কৰে। ব্যক্তিৰ ৰাজনৈতিক আচৰণৰ বিকাশ ঘটোৱাতো ৰাজনৈতিক সংস্কৃতিয়ে সহায়কৰ ভূমিকা পালন কৰে। ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ আন এটা সুবিধা হ'ল ই আমাক ব্যক্তিৰ মনোজগত অধ্যয়ন কৰাত সহায় কৰে। সাংবিধানিকতাবাদৰ প্রক্রিয়াটো ভালদৰে বুজি উঠাতো ৰাজনৈতিক সংস্কৃতিৰ অধ্যয়নে আমাক সহায় কৰে।
- ৰাজনীতি বিজ্ঞান বিষয়ৰ সৈতে জড়িত আন এটা গুৰুত্বপূর্ণ ধাৰণা হ'ল ৰাজনৈতিক অংশগ্রহণ। কোনো এখন দেশৰ জনসাধাৰণে দেশখনৰ ৰাজনৈতিক প্রক্রিয়াটোৰ সৈতে প্রত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হোৱা কার্যটোকে ৰাজনৈতিক অংশগ্রহণ বোলে।

ৰাজনৈতিক অংশগ্ৰহণে কেৱল প্ৰত্যক্ষভাৱে ৰাজনীতিৰ সৈতে জড়িত হোৱাটোকেই নুবুজায় ; প্ৰতিবাদী কাৰ্যসূচীত ভাগ লোৱা, শোভাযাত্ৰা কৰা, সংস্থা- সংগঠনৰ সদস্য হোৱা আদিও ৰাজনৈতিক অংশগ্ৰহণৰ উদাহৰণ।

- ৰাজনৈতিক অংশগ্ৰহণৰ নিৰ্ণায়কবোৰক বহল ভিত্তিত তিনিভাগত ভগাব পাৰি— মনোবৈজ্ঞানিক কাৰক, সামাজিক কাৰক, আৰু ৰাজনৈতিক কাৰক। মনোবৈজ্ঞানিক কাৰকৰ অন্তৰ্গত বিভিন্ন কাৰকবোৰ হ'ল— নিঃসংগতা, অচেতন মনত চলি থকা দ্বন্দ আৰু উদ্বেগ, তথা ক্ষমতাৰ প্ৰতি স্পৃহা। সামাজিক কাৰকৰ অন্তৰ্গত কাৰকবোৰ হ'ল শিক্ষা, জীৱিকা, উপাৰ্জন, বয়স, বাসগৃহ, গতিশীলতা, লিংগ, ধৰ্ম, জাতি, শ্ৰেণী ইত্যাদি। ৰাজনৈতিক অংশগ্ৰহণৰ মাত্ৰা নিৰ্ণয় কৰিব পৰা ৰাজনৈতিক কাৰকবোৰ হ'ল— চৰকাৰৰ মনোভাৱ, ৰাজনৈতিক দল আৰু নিৰ্বাচন ব্যৱস্থা।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*। যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰবৰ্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.



১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গেব্রিয়েল এলম'ণ্ড

২ নং প্রশ্নৰ উত্তৰ ঃ এৰিক ৰ'ৱেৰ মতে ৰাজনৈতিক সংস্কৃতি মানে হ'ল মানুহৰ ব্যক্তিগত প্রমূল্য, বিশ্বাস আৰু আবেগিক মনোভাৱৰ বিন্যাস।

৩ নং প্রশ্নৰ উত্তৰ ঃ সংকীর্ণ ৰাজনৈতিক সংস্কৃতি, আজ্ঞাধীন ৰাজনৈতিক সংস্কৃতি আৰু অংশগ্রহণকাৰী ৰাজনৈতিক সংস্কৃতি।

৪ নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ সমাজৰ সদস্যই ৰাজনৈতিক জীৱনত সক্রিয়ভাৱে অংশগ্রহণ কৰে সেইবোৰ সমাজত প্রচলিত ৰাজনৈতিক সংস্কৃতিটোকে অংশগ্রহণকাৰী ৰাজনৈতিক সংস্কৃতি বোলে। অংশগ্রহণকাৰী ৰাজনৈতিক সংস্কৃতি থকা দেশত নাগৰিকে ৰাজনৈতিক কাম-কাজত সক্রিয় ভূমিকা লয়। এনে সংস্কৃতি থকা দেশত মানুহে ৰাজনৈতিক ব্যৱস্থাৰ পৰা বিভিন্ন বস্তু তথা সুবিধা দাবী কৰে আৰু সিদ্ধান্ত গ্রহণ প্রক্রিয়াত জড়িত হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ছোভিয়েট ইউনিয়ন আৰু চীন।

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) ৰাজনৈতিক সংস্কৃতি অধ্যয়নে আমাক ৰাজনৈতিক সামাজিকীকৰণ প্রক্রিয়াটো বুজাত সহায় কৰে।

(খ) ৰাজনৈতিক সংস্কৃতি অধ্যয়নে আমাক এখন সমাজৰ ৰাজনৈতিক বিকাশ বুজি পোৱাত সহায় কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষা, জীৱিকা, উপার্জন, বয়স, বাসগৃহ, গতিশীলতা, লিংগ, ধর্ম, জাতি, শ্রেণী ইত্যাদি।

৮ নং প্রশ্নৰ উত্তৰ ঃচেমুৱেল পি. হাংটিংট'ন আৰু জোৱান এম নেলচনৰ মতে যি কাম-কাজৰ জৰিয়তে ব্যক্তিগত নাগৰিকে চৰকাৰী সিদ্ধান্ত গ্রহণ প্রক্রিয়াটোক প্রভাৱিত কৰে তেনে কাম-কাজকে ৰাজনৈতিক অংশগ্রহণ বোল।

৯ নং প্রশ্নৰ উত্তৰ ঃ (ক) ৰাজনৈতিক দলঃ ব্যক্তিৰ ৰাজনৈতিক অংশগ্রহণত ৰাজনৈতিক দলবোৰে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ৰাজনৈতিক দলবোৰে জনসাধাৰণৰ মতামত চৰকাৰৰ ওচৰলৈ লৈ যায়। দলবোৰ হ'ল সাধাৰণ জনগণৰ দাবী প্রকাশৰ মাধ্যম। ৰাজনৈতিক দলবোৰে বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰে আৰু প্রতিকাৰৰ উপায় আগবঢ়ায়। দলবোৰে জনসাধাৰণক ৰাজনৈতিক শিক্ষাও প্রদান কৰে আৰু জনসাধাৰণক ৰাষ্ট্রৰ বিভিন্ন কাম কাজত ভাগ ল'বলৈ অনুপ্রাণিত কৰে।

(খ) নির্বাচন ঃ নির্বাচন ব্যৱস্থা আৰু প্রক্রিয়াটোৱেও জনসাধাৰণৰ ৰাজনৈতিক অংশগ্রহণক প্রভাৱিত কৰে। নির্বাচন প্রক্রিয়াৰ সৈতে জড়িত বিভিন্ন প্রকাৰৰ কার্য্য-কলাপ আৰু সেই কার্যবোৰৰ প্রতি ৰাইজৰ সঁহাৰিয়ে ৰাজনৈতিক অংশগ্রহণত নির্ণায়কৰ ভূমিকা পালন কৰে।



১৩.৮ আৰ্হি প্ৰশ্ন

(ক) **বস্তু ধৰ্মী প্ৰশ্ন—**

প্ৰশ্ন ১ ঃ 'দ্য চিভিক কালচাৰ' (The Civic Culture) নামৰ গ্ৰন্থখনৰ ৰচক কোন ?

প্ৰশ্ন ২ ঃ এলম'ণ্ড আৰু পাৱেলে আগবঢ়োৱা ৰাজনৈতিক সংস্কৃতিৰ সংজ্ঞাটো লিখক।

প্ৰশ্ন ৩ ঃ চিড্‌নী ভাৰ্বা আৰু নৰ্মান নাইৰ ৰাজনৈতিক অংশগ্ৰহণৰ সংজ্ঞাটো লিখক।

(খ) **চুটি প্ৰশ্ন**-(প্ৰতিটো প্ৰশ্নৰ প্ৰায় ১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাজনৈতিক সংস্কৃতিৰ অৰ্থ চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ৰাজনৈতিক অংশগ্ৰহণৰ ধাৰণাটোৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ ৰাজনৈতিক সংস্কৃতি অধ্যয়নৰ উপযোগিতা ব্যাখ্যা কৰক।

(গ) **ৰচনাধৰ্মী প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বিভিন্ন প্ৰকাৰৰ ৰাজনৈতিক সংস্কৃতি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ব্যক্তিৰ ৰাজনৈতিক অংশগ্ৰহণত নিৰ্ণায়কৰ ভূমিকা লোৱা কাৰকবোৰ বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ৰাজনৈতিক আধুনিকীকৰণ আৰু ৰাজনৈতিক উন্নয়ন

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ৰাজনৈতিক আধুনিকীকৰণ
১৪.৩.১ ৰাজনৈতিক আধুনিকীকৰণৰ বাহকসমূহ
১৪.৪ ৰাজনৈতিক উন্নয়ন
১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৬ অধিক জানিবলৈ
১৪.৭ অগ্রগতিৰ খতিয়ান
১৪.৮ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ৰাজনৈতিক আধুনিকীকৰণৰ অর্থ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- ৰাজনৈতিক আধুনিকীকৰণৰ বাহকৰ সম্পর্কে আলোচনা কৰিবলৈ সক্ষম হ'ব
- ৰাজনৈতিক উন্নয়নৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক উন্নয়ন সম্পর্কে আলমণ্ড আৰু পাৱেলৰ ব্যাখ্যা আৰু লুচিয়ান পাইৰ মতামত আলোচনা কৰিবলৈ সক্ষম হ'ব।

১৪.২ পৰিচয়

এই অধ্যায়ত আমি মানৰ সমাজৰ দুটা গুৰুত্বপূর্ণ ধাৰণা যি দুটা মানৰ সমাজে পাৰ কৰি আহিছে— ৰাজনৈতিক আধুনিকীকৰণ আৰু ৰাজনৈতিক উন্নয়নৰ কথা শিকিম। ৰাজনৈতিক আধুনিকীকৰণে সামাজিক, সাংস্কৃতিক, অর্থনৈতিক আৰু মনোবৈজ্ঞানিক স্তৰত হোৱা বিভিন্ন পৰিৱর্তনক বুজায়।

১৪.৩ ৰাজনৈতিক আধুনিকীকৰণ

ৰাজনৈতিক আধুনিকীকৰণ সম্পর্কে আমি আলোচনা কৰাৰ আগতে আধুনিকীকৰণৰ সংজ্ঞা সম্পর্কে জানি লোৱা জৰুৰী। আধুনিকীকৰণে সামাজিক, সাংস্কৃতিক, অর্থনৈতিক, ৰাজনৈতিক আৰু মনোবৈজ্ঞানিককে ধৰি সকলো ক্ষেত্রতেই হোৱা পৰিৱর্তনকেই বুজায়। ইয়াৰ লগে লগে আধুনিকীকৰণে এখন দেশৰ অধিকাংশ লোকে তেওঁলোকৰ পৰম্পৰাগত জীৱনৰ

পদ্ধতিৰ পৰা আধুনিক জীৱনশৈলীলৈ ৰূপান্তৰ হোৱা উন্নয়নক বুজায়। এনেধৰণৰ সামাজিকীকৰণে এটা নতুন সামাজিক ৰূপান্তৰকৰণৰ জন্ম দিয়ে, সাক্ষৰতাৰ পৰিমাণ বঢ়ায়, নতুন প্ৰযুক্তি গ্ৰহণ কৰায় তথা নগৰীকৰণ আৰু ঔদ্যোগীকৰণৰ জন্ম দিয়ে।

ৰাজনৈতিক আধুনিকীকৰণ বুজিবলৈ হ'লে আধুনিকীকৰণৰ ওপৰোক্ত কথাবোৰ জানিব লাগিব। পৰম্পৰাগতৰ পৰা আধুনিকতালৈ হোৱা প্ৰগতিৰ ফলত পুৰণি সামন্তবাদী আৰু ধৰ্মীয় অনুষ্ঠানসমূহৰ স্থানত ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক ৰাজনৈতিক কৰ্তৃপক্ষসমূহ সক্ৰিয় হৈ উঠিল। এই কৰ্তৃপক্ষৰ আধাৰ হ'ল সংবিধানৰ নিচিনা আইনসম্মত ব্যৱস্থা। ৰাজনৈতিক আধুনিকীকৰণৰ ফলস্বৰূপে ৰাজনৈতিক ব্যৱস্থাত সুনিৰ্দিষ্ট ভূমিকা পালন কৰিবলৈ সুনিৰ্দিষ্ট ৰাজনৈতিক অনুষ্ঠান গঢ় লৈ উঠে। উদাহৰণস্বৰূপে চৰকাৰৰ কাৰ্যপালিকাই প্ৰশাসনীয় কাম-কাজ হাতত লয়, বিধানমণ্ডলে আইন প্ৰনয়ণৰ দায়িত্ব হাতত লয় আৰু চৰকাৰৰ ন্যায়পালিকাই বিবাদ নিষ্পত্তি কৰাৰ ক্ষমতা হাতত লয়।

একে সময়তে, ৰাজনৈতিক আধুনিকীকৰণৰ অধীনত উদাৰতা আৰু সমতাৰ ওপৰত আধাৰিত গণতান্ত্ৰিক মূল্যবোধে মানুহক ৰাজনৈতিক প্ৰক্ৰিয়া আৰু অনুষ্ঠানসমূহত অংশ গ্ৰহণৰ বাট মুকলি কৰি দিছে। ৰাজনৈতিক ব্যৱস্থাত অংশগ্ৰহণ কৰাৰ মূল যোগ্যতা হৈছে এজন ব্যক্তিৰ মেধা আৰু মানৰীয় ব্যক্তিত্বৰ মৰ্য্যাদা। সংকীৰ্ণ মনোবৃত্তি যিবোৰ জাতি, বৰ্ণ, আঞ্চলিকতা, প্ৰজাতি, লিংগ আদিৰ ওপৰত প্ৰতিষ্ঠিত সেইবোৰৰ সলনি বিশ্বজনীন গণতান্ত্ৰিক নীতি যিটো মেধা, সমতা, স্বাধীনতা আৰু ৰাজহুৱা বাতাবৰণত ধৰ্মনিৰপেক্ষতা আদিৰ ওপৰত আধাৰিত সেয়াহে গ্ৰহণ কৰিব লাগে। মানুহে তাৰ পিছত নিজকে ৰাষ্ট্ৰীয় স্বাৰ্থৰ সৈতে চিনাক্ত কৰিবলৈ শিকে। বিভিন্ন ধৰণৰ সংগঠন য'ত ৰাজনৈতিক দল, স্বাৰ্থগোষ্ঠী আৰু অন্যান্য দলসমূহ অন্তৰ্ভুক্ত, এইবোৰ মানুহৰ দাবী আৰু জনমতক সংগঠিত কৰাৰ বাবে গঠন কৰা হৈছে । সেয়েহে, ৰাজনৈতিক আধুনিকীকৰণে ৰাষ্ট্ৰীয় পৰিচয় বৃদ্ধি কৰাৰ লগতে ৰাষ্ট্ৰীয় সংপৃক্ততাৰ ধাৰণাৰো বিকাশ ঘটায়। ইয়াৰ লগতে ঠেক ৰাজনৈতিক সংস্কৃতিৰ পৰা বিশ্বজনীন ৰাজনৈতিক সংস্কৃতিলৈ সংগঠিত হোৱা ৰূপান্তৰকৰণৰ কথাও বুজায় যিটো ধৰ্মনিৰপেক্ষতা আৰু ৰাজহুৱা জীৱনৰ সকলো স্তৰতে দেখা গণতন্ত্ৰৰ ওপৰত আধাৰিত।

ৰাজনৈতিক আধুনিকীকৰণ গণমাধ্যমসমূহৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তি উন্নয়নৰ জৰিয়তেও প্ৰভাৰিত হৈছে, য'ত বাতৰি-কাকত, দূৰদৰ্শন, অনাতাঁৰ সম্প্ৰচাৰ আৰু ইণ্টাৰনেট তথা ছ'ছিয়েল মিডিয়া আদি অন্তৰ্ভুক্ত। ইয়াৰ ফলত জনসাধাৰণ উদ্দীপ্ত হৈছে তথা ৰাজনৈতিকভাৱে সচেতন হৈছে আৰু ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণ কৰিছে। সাধাৰণভাৱে ক'বলৈ গ'লে যি ৰাজনৈতিক আধুনিকীকৰণ ধৰ্মনিৰপেক্ষতা আৰু নৃ-গোষ্ঠীয়তাৰ সৈতে জড়িত হৈ আছে সেয়া ১৬ শ শতিকাত পশ্চিম ইউৰোপত আৰম্ভ হৈছিল আৰু সমান্তৰালভাৱে বিশ্বৰ আন প্ৰান্ততও প্ৰসাৰতা লাভ কৰে।

১৪.৩.১ ৰাজনৈতিক আধুনিকীকৰণৰ বাহকসমূহ

ৰাজনৈতিক আধুনিকীকৰণ কেইবাটাও বাহকৰ জৰিয়তে আকৃতি লাভ কৰিছে। তলত সেইবোৰ আলোচনা কৰা হ'ল—

- ঔপনিৱেশিকতাবাদ ঃ ৰাজনৈতিক আধুনিকীকৰণৰ এটা অন্যতম বাহক হ'ল ঔপনিৱেশিকতাবাদ। বেছিসংখ্যক ইউৰোপীয় ৰাষ্ট্রই এছিয়া আৰু আফ্রিকাত উপনিৱেশ স্থাপন কৰিছিল। উপনিৱেশবাদীসকলে ৰাস্তা, দলং, ৰেলপথ, টেলিগ্রাফ আৰু টেলিফোন সেৱা, বেংক, প্রসংস্কৰণ প্রকল্প, তেল আৰু প্রাকৃতিক গেছ, শোধনাগাৰ আৰু অন্যান্য প্রয়োজনীয় আন্তঃগাঁথনিসমূহ নির্মাণ কৰিছিল যাতে এছিয়া আৰু আফ্রিকাৰ দেশসমূহত ভালকৈ শাসন কৰিব পাৰে আৰু এই দেশবোৰৰ প্রাকৃতিক সম্পদবোৰ লুণ্ঠন কৰিব পাৰে। যিয়েই নহওঁক যেতিয়া এই দেশবোৰে স্বাধীনতা লাভ কৰিলে তেতিয়া আগৰ ঔপনিৱেশিক শক্তিসমূহে স্থাপন কৰা আন্তঃগাঁথনিসমূহ সংশ্লিষ্ট নতুনকৈ স্বাধীনতা লাভ কৰা দেশৰ নেতাসকলে ব্যৱহাৰ কৰিছিল যাতে সেই দেশবোৰক আৰু আধুনিকীকৰণ কৰিব পাৰে।
- আঢ্যৱন্ততা ঃ উপনিবেশবাদীসকলে বিদ্যালয় আৰু মহাবিদ্যালয়সমূহকে ধৰি বিভিন্ন প্রকাৰৰ শৈক্ষিক প্রতিষ্ঠান স্থাপন কৰিছিল যাতে ইয়াৰ জৰিয়তে এচাম উদাৰবাদী পাশ্চাত্য শিক্ষাৰে শিক্ষিত নাগৰিক সৃষ্টি কৰিব পাৰি। স্বাধীনতাৰ পিছত এই নতুন আঢ্যৱন্ত শ্রেণীটোৰ মানুহখিনিয়ে সামাজিক পৰিৱর্তনৰ বাহক হিচাপে সামাজিক, সাংস্কৃতিক, অর্থনৈতিক, ৰাজনৈতিক সকলো স্তৰতে কাম কৰিছিল।
- সামৰিক নেতাঃ কিছুমান নতুনকৈ স্বাধীনতা লাভ কৰা দেশত সামৰিক নেতা কিছুমানে শাসন ক্ষমতা দখল কৰিবলৈ সক্ষম হৈছে। দেশখনৰ নিয়ন্ত্রণ নিজৰ হাতলৈ অনাৰ পিছত এইসকল নেতাই আধুনিকীকৰণৰ প্রচেষ্টাত হাত দিয়া দেখা যায়। বিভাজনকামী আৰু সমাজৰ ঐক্য বিনষ্টকাৰী শক্তিবোৰক কঠোৰ হাতেৰে দমন কৰি সামৰিক শাসকসকলে ৰাইজৰ মাজত একতা সুদৃঢ় কৰিব বিচাৰে। উদাহৰণস্বৰূপে, তুৰস্কত মুস্তাফা কামাল আতাতুর্কে ক্ষমতা দখল কৰি আধুনিকীকৰণ আৰু ৰাষ্ট্রীয় সংহতি স্থাপন কৰা কাম দুটা হাতত লৈছিল।
- ৰাজনৈতিক দলসমূহ ঃ ৰাজনৈতিক দলসমূহেও ৰাজনৈতিক আধুনিকীকৰণৰ প্রতিনিধি হিচাপে কাম কৰে, কাৰণ এই দলবোৰে বিভিন্ন ধৰণৰ ৰাষ্ট্রীয় আৰু স্থানীয় গুৰুত্ব থকা বিভিন্ন ঘটনা উত্থাপন কৰে আৰু নাগৰিকসকলক ৰাজহুৱা বিতর্কত অংশ ল'বলৈ সক্ষম কৰি তোলে। ৰাজনৈতিক দলবোৰে দেশপ্রেম আৰু ৰাষ্ট্রীয়তাৰ ভাৰ জগাই তোলাৰ বাবে চেষ্টা চলায়। সেয়েহে, ৰাজনৈতিক

দলবোৰে ৰাইজৰ মাজত ৰাজনৈতিক সচেতনতা গঢ়ি উঠাত সহায় আগবঢ়ায় আৰু ৰাইজক শাসন আৰু উন্নয়ন সম্পৰ্কীয় বিভিন্ন কথাত সংগঠিত কৰে।

- আমোলাতন্ত্ৰ ঃ সাধাৰণতে নতুনকৈ স্বাধীন হোৱা দেশবোৰৰ ৰাষ্ট্ৰীয় চৰকাৰসমূহে দেশবোৰৰ আধুনিকীকৰণৰ বাবে বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লোৱা দেখা যায়। এনেকুৱা পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় চৰকাসমূহে কাৰ্যসূচীৰ ৰূপায়ণৰ বাবে আমোলাতন্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। সংবিধানত উল্লেখ থকা সমতা আৰু সামাজিক ন্যায়ৰ ওপৰত আধাৰিত নীতিসমূহৰ প্ৰতি আমোলাতন্ত্ৰ দায়বদ্ধ থাকে বুলি বিশ্বাস কৰা হয়।

ৰাজনৈতিক আধুনিকীকৰণ আদৰ্শগতভাৱে গণতন্ত্ৰৰ লগত জড়িত আৰু ৰাজনৈতিক আধুনিকীকৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰক হৈছে গণতন্ত্ৰৰ প্ৰসাৰ। পৰিয়ালৰ পৰাই গণতান্ত্ৰিক প্ৰমূল্যসমূহক গুৰুত্ব দিয়াৰ লগতে ব্যক্তি বিশেষৰ গোট আৰু জনগোষ্ঠীসমূহ লগ হৈ এখন বৃহৎ সমাজলৈ অগ্ৰসৰ হয়। গণতান্ত্ৰিক প্ৰমূল্যসমূহে স্বতঃস্ফূৰ্তভাৱে ৰাজনৈতিক আধুনিকীকৰণলৈ লৈ যায় কাৰণ নাগৰিকসকলে কিছুমান বিশ্বজনীন দৃষ্টিভংগী, যেনে— জাতি, বৰ্ণ, স্থানীয়তা, লিংগ আদি কাৰকতকৈ উদাৰীকৰণ, ধৰ্মনিৰপেক্ষতা, মেধা, সমতা আৰু ঐক্যতাৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ৰাজনৈতিক আধুনিকীকৰণৰ দুটা বাহক উল্লেখ কৰক।

.....

প্ৰশ্ন নং ২ঃ ৰাজনৈতিক আধুনিকীকৰণে ৰাষ্ট্ৰীয় পৰিচয়ৰ ভাৱনাক গুৰুত্ব দিয়ে যিটো ৰাষ্ট্ৰীয় সংপৃক্ততাৰ দ্বাৰা বান্ধ খাই থাকে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ঃ ৰাজনৈতিক আধুনিকীকৰণত ঠেক আনুগত্যবোৰ সলনি হয় ..... গণতান্ত্ৰিক নীতিৰ দ্বাৰা ৰাজহুৱা স্তৰত। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ৪ঃ ৰাজনৈতিক আধুনিকীকৰণ গণমাধ্যমসমূহৰ আধুনিক কৌশলৰ প্ৰসাৰ আৰু উন্নয়নৰ দ্বাৰা প্ৰভাৱিত হোৱা নাই। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৫ঃ ৰাজনৈতিক আধুনিকীকৰণ ৰ বাহক হিচাপে সামৰিক নেতা আৰু ৰাজনৈতিক দল সম্পৰ্কে আলোচনা কৰক।

.....

.....

.....

১৪.৪ ৰাজনৈতিক উন্নয়ন

ৰাজনৈতিক উন্নয়নৰ ধাৰণাটো এছিয়া আৰু আফ্ৰিকাৰ উন্নয়নশালী দেশবোৰৰ লগত জড়িত। এই দেশবোৰৰ বেছিভাগেই দ্বিতীয় বিশ্বযুদ্ধৰ পিছত স্বাধীনতা লাভ কৰিছিল। এই দেশবোৰে একেসময়তে আমেৰিকাৰ বহুসংখ্যক ৰাজনীতি বিজ্ঞানীক আকৰ্ষিত কৰিছিল। এই ক্ষেত্ৰত লুচিয়ান পাই, মাইৰন ৱেইনাৰ, ডেভিদ আপেভৰ, এফ ডব্লিউ ৰিগ্‌চ আদিৰ নাম উল্লেখ কৰিব পাৰি।

ৰাজনৈতিক উন্নয়ণৰ সংজ্ঞা দুজন বিখ্যাত পণ্ডিতে এনেদৰে দিছে —

আমেৰিকাৰ পণ্ডিত ৰোষ্টো আৰু পাইৰ মতে, "ৰাজনৈতিক উন্নয়নৰ লক্ষ্য হৈছে ৰাষ্ট্ৰীয় একতা আৰু ৰাজনৈতিক অংশগ্ৰহণৰ ভিত্তি বহল কৰা"।

আমেৰিকাৰ ৰাজনৈতিক পণ্ডিত আলফ্ৰেড ডাইমণ্টৰ মতে, " ৰাজনৈতিক উন্নয়ন এটা প্ৰক্ৰিয়া নহয় য'ত কেৱল এটা ৰাজনৈতিক বিশেষ পৰিস্থিতিত উপনীত হোৱা যায়, কিন্তু ই এনে এটা বস্তু যিয়ে বহল ভিত্তিত উদ্ভৱ হোৱা সামাজিক সমস্যাসমূহ নিৰ্মূলকৰণৰ বাবে আনুষ্ঠানিক পৰিগাঁথনি নিৰ্মাণ কৰে"।

আলমণ্ড আৰু পাৱেলে বিস্তৃতভাৱে ৰাজনৈতিক উন্নয়নৰ ধাৰণাটোক বিশ্লেষণ কৰিছে। এতিয়া আমি সেই বিষয়ে আলোচনা কৰোঁ আহক—

- **ৰাজনৈতিক উন্নয়ন সম্পৰ্কত আলমণ্ড আৰু পাৱেলৰ মতামত ঃ**

আমেৰিকাৰ ৰাজনৈতিক বিজ্ঞানী যথাক্ৰমে গেব্ৰিয়েল আলমণ্ড আৰু জি বি পাৱেলে কৈছে যে ৰাজনৈতিক উন্নয়নে চাৰিটা সমস্যাৰ বিষয়ে আলোচনা কৰে—

- ৰাষ্ট্ৰ নিৰ্মাণ ঃ আলমণ্ড আৰু পাৱেলৰ মতে, ৰাষ্ট্ৰ এখনৰ সংস্থা কিছুমান থাকিবই লাগিব। এই সংস্থাবোৰৰ কিছুমান বিশেষ ভূমিকা পালন কৰিবলগীয়া থাকে যাৰ দ্বাৰা বিভিন্ন সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সমস্যাসমূহৰ সন্মুখীন হ'ব পাৰি যিবোৰ এখন ৰাষ্ট্ৰত সময়ে সময়ে কাৰ্যপালিকা (চৰকাৰ, আমোলা, আৰক্ষী), বিধানমণ্ডল আৰু ন্যায়পালিকাত অন্তৰ্ভুক্ত হ'ব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল কেন্দ্ৰীভূত আমোলাতন্ত্ৰই আৰ্থসামাজিক উন্নয়নৰ নীতি ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু সাধাৰণ জনতাৰ মাজত পাৰস্পৰিক বুজাবুজিৰ মনোভাৱ বৃদ্ধি কৰাৰ প্ৰচেষ্টা হাতত লয়।
- জাতি নিৰ্মাণ ঃ জাতি নিৰ্মাণে ঠেক মনোবৃত্তিসমূহ যেনে— জনজাতীয় মুৰব্বীৰ প্ৰতি আনুগত্য, পৰিয়াল, জাতি, ধৰ্ম, স্থানীয় গোট, অঞ্চল আদিৰ পৰা মুক্ত হোৱা বা ত্যাগ কৰাটো বুজায়। ইয়াৰ সলনি নাগৰিকে একমাত্ৰ ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধ থাকিব লাগে। নাগৰিকসকলে নিজকে ৰাষ্ট্ৰীয় স্বাৰ্থৰ সৈতে পৰিচয় দিব লাগে। ইয়াৰ দ্বাৰা ৰাষ্ট্ৰীয় একতাৰ সৃষ্টি হয় আৰু ৰাষ্ট্ৰীয় সচেতনতাৰ বিকাশ হয়। ৰাষ্ট্ৰ নিৰ্মাণ আৰু জাতি নিৰ্মাণ এটা আনটোৰ পৰিপূৰক। যি কি নহওঁক বেছিভাগ উন্নয়ণশীল

ৰাষ্ট্ৰতে ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়া আগবাঢ়িছে যদিও এতিয়ালৈকে জাতি নিৰ্মাণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠা নাই।

- ৰাজনৈতিক অংশগ্ৰহণ ঃ যিহেতু সমাজখন ৰাজনৈতিক ভাৱে আগবাঢ়ে সেইবাবে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মানুহে বেছিকৈ অংশগ্ৰহণ কৰিব বিচাৰে।
- কল্যাণকামী আঁচনিৰ সমবিতৰণ ঃ ৰাজনৈতিক কাৰ্যকলাপত বেছিকৈ অংশ গ্ৰহণ কৰাৰ বাবে ৰাষ্ট্ৰীয় আয় আৰু বিভিন্ন সা-সুবিধাসমূহ জাতি, বৰ্ণ, প্ৰজাতি, লিংগ নিৰ্বিশেষে সমাজৰ সকলো বৰ্গৰ মাজত সমবিতৰণৰ দাবী উঠে। উচ্চ পদবীৰ চাকৰিত মকৰল কৰাৰ বাবে কেৱল মেধা আৰু সকলোৰে মাজত সমান সা-সুবিধাৰ ব্যৱস্থা কৰা উচিত।

- **ৰাজনৈতিক উন্নয়ন সন্দৰ্ভত লুচিয়ান পাইৰ মতামত ঃ**

লুচিয়ান ডব্লিউ পাই আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী আছিল আৰু লগতে এজন তুলনামূলক ৰাজনীতিৰ বিশেষজ্ঞও আছিল। লুচিয়ান পাইৰ মতে, ৰাজনৈতিক উন্নয়নৰ তিনিটা বিশেষত্ব আছে যেনে— সমতা, পৃথকীকৰণ আৰু সামৰ্থ্য। যিকোনো দেশৰ উন্নয়নৰ পৰিমাণ এইকেইটা বিশেষত্বৰ জৰিয়তে নিৰ্ণয় কৰিব পাৰি।

- সমতা ঃ প্ৰথম বিশেষত্বটো হৈছে সমতাৰ প্ৰতি থকা মনোভাৱ। ৰাজনৈতিক ব্যৱস্থাটোৰে ৰাজনৈতিক কাৰ্যকলাপত নাগৰিকসকলৰ ব্যাপক অংশ গ্ৰহণ সুনিশ্চিত কৰে। এনে ধৰণৰ অংশ গ্ৰহণে গণতান্ত্ৰিক অথবা একনায়কত্ববাদী হ'ব পাৰে। সমতা মানে আইন সকলোৰে বাবে একে ৰূপত প্ৰযোজ্য আৰু কোনো ধৰণৰ বৈষম্য নথকাকৈ ৰূপায়িত হ'বই লাগিব। সেয়েহে এক লিখিত আইনী ব্যৱস্থা থকা উচিত। ৰাজহুৱা কাৰ্যালয়ত নিয়োগ মেধা আৰু যোগ্যতাৰ ভিত্তিত হোৱা উচিত।
- পৃথকীকৰণ ঃ ৰাজনৈতিক ব্যৱস্থাত ভূমিকাৰ বিশেষীকৰণ আৰু গাঁথনি বিভক্তকৰণৰ ওপৰত পৃথকীকৰণৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে, ন্যায়িক নীতি-নিয়মবোৰ ধৰ্মৰ পৰা আৰু প্ৰশাসনক ৰাজনীতিৰ পৰা পৃথক কৰা হয় । ৰাজনৈতিক ব্যৱস্থাত চৰম সংহতিবোধৰ আধাৰত বিশেষীকৃত ভূমিকাৰ বাবে বিশেষীকৃত গাঁথনি থাকে।
- সামৰ্থ্য ঃ ৰাজনৈতিক ব্যৱস্থাৰ সামৰ্থ্যই মানুহৰ আশা আৰু আকাংক্ষাক পৰিপূৰ্ণ কৰিবলৈ ফলপ্ৰসূভাৱে ৰাজহুৱা কাম-কাজ তদাৰক কৰে, বিবাদ নিয়ন্ত্ৰণ কৰে আৰু মানুহৰ নতুন দাবী পূৰণৰ প্ৰচেষ্টা কৰে আৰু অন্য প্ৰয়োজনীয়তাবোৰৰ কথা বিবেচনা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ৰাজনৈতিক উন্নয়নৰ ক্ষেত্রত আলমণ্ড আৰু পাৱেলৰ দ্বাৰা নির্ণয় কৰা দুটা সমস্যা উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৭ ঃ কোনে সমতা, পৃথকীকৰণ আৰু সামর্থ্য এইকেইটা বিশেষত্বৰ কথা কৈছে?

.....

প্রশ্ন নং ৮ ঃ ৰাজনৈতিক উন্নয়ণৰ লগত জড়িত ৰাষ্ট্র নির্মাণ সমস্যাৰ বিষয়ে আলোচনা কৰক। (৭৫ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৯ ঃ ৰাজনৈতিক ব্যৱস্থাৰ অন্তর্গত সামার্থ্য বৈশিষ্ট্যটোৰ বিষয়ে আলোচনা কৰক। (৭৫ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনৈতিক আধুনিকীকৰণে সামাজিক, সাংস্কৃতিক, অর্থনৈতিক, ৰাজনৈতিক আৰু মনোবৈজ্ঞানিককে ধৰি সকলো ক্ষেত্রতেই হোৱা পৰিৱর্তনকেই বুজায়। ইয়াৰ লগে লগে আধুনিকীকৰণে এখন দেশৰ অধিকাংশ লোকে তেওঁলোকৰ পৰম্পৰাগত জীৱনৰ পদ্ধতিৰ পৰা আধুনিক জীৱনশৈলীলৈ ৰূপান্তৰ হোৱা উন্নয়নক বুজায়। এনেধৰণৰ সামাজিকীকৰণে এটা নতুন সামাজিক ৰূপান্তৰকৰণৰ জন্ম দিয়ে, সাক্ষৰতাৰ পৰিমাণ বঢ়ায়, নতুন প্রযুক্তি গ্রহণ কৰায় তথা নগৰীকৰণ আৰু ঔদ্যোগীকৰণৰ জন্ম দিয়ে।
- পৰম্পৰাগতৰ পৰা আধুনিকতালৈ হোৱা প্রগতিৰ ফলত পুৰণি সামন্তবাদী আৰু ধর্মীয় অনুষ্ঠানসমূহৰ স্থানত ধর্মনিৰপেক্ষ আৰু গণতান্ত্রিক ৰাজনৈতিক কর্তৃপক্ষসমূহ সক্রিয় হৈ উঠিল। এই কর্তৃপক্ষৰ আধাৰ হ'ল সংবিধানৰ নিচিনা আইন সম্মত ব্যৱস্থা । ৰাজনৈতিক আধুনিকতাৰ ফলস্বৰূপে ৰাজনৈতিক ব্যৱস্থাত সুনির্দিষ্ট ভূমিকা পালন কৰিবলৈ সুনির্দিষ্ট

ৰাজনৈতিক অনুষ্ঠান গঢ় লৈ উঠে। উদাহৰণস্বৰূপে চৰকাৰৰ কার্যপালিকাই প্রশাসনীয় কাম-কাজ হাতত লয় , বিধানমণ্ডলে আইন প্রনয়ণৰ দায়িত্ব হাতত লয় আৰু চৰকাৰৰ ন্যায়পালিকাই বিবাদ নিষ্পত্তি কৰাৰ ক্ষমতা হাতত লয়।

- উদাৰতা আৰু সমতাৰ ওপৰত আধাৰিত গণতান্ত্রিক মূল্যবোধে মানুহক ৰাজনৈতিক প্রক্রিয়া আৰু অনুষ্ঠানসমূহত অংশগ্রহণৰ বাট মুকলি কৰি দিছে। ৰাজনৈতিক ব্যৱস্থাত অংশ গ্রহণ কৰাৰ মূল যোগ্যতা হৈছে এজন ব্যক্তিৰ মেধা আৰু মানৱীয় ব্যক্তিত্বৰ মর্য্যাদা।
- ঠেক মনোবৃত্তি যিবোৰ জাতি, বর্ণ, স্থানীয়তা, প্রজাতি, লিংগ আদিৰ ওপৰত প্রতিষ্ঠিত - সেইবোৰৰ সলনি বিশ্বজনীন গণতান্ত্রিক নীতি যিটো মেধা, সমতা, স্বাধীনতা আৰু ৰাজহুৱা বাতাবৰণত ধর্মনিৰপেক্ষতা আদিৰ ওপৰত আধাৰিত সেয়াহে গ্রহণ কৰিব লাগে। মানুহে তাৰ পিছত নিজকে ৰাষ্ট্রীয় স্বার্থৰ সৈতে চিনাক্ত কৰিবলৈ শিকে।
- ৰাজনৈতিক আধুনিকীকৰণে ৰাষ্ট্রীয় পৰিচয় বৃদ্ধি কৰাৰ লগতে ৰাষ্ট্রীয় সংপৃক্ততাৰ ধাৰণাৰো বিকাশ ঘটায়। ইয়াৰ লগতে ঠেক ৰাজনৈতিক সংস্কৃতিৰ পৰা বিশ্বজনীন ৰাজনৈতিক সংস্কৃতিলৈ সংগঠিত হোৱা ৰূপান্তৰকৰণৰ কথাও বুজায় যিটোৱে ধর্মনিৰপেক্ষতা আৰু ৰাজহুৱা জীৱনৰ সকলো স্তৰতে দেখা গণতন্ত্রৰ ওপৰত আধাৰিত।
- ৰাজনৈতিক আধুনিকীকৰণ গণমাধ্যমসমূহৰ প্রসাৰ আৰু আধুনিক প্রযুক্তি উন্নয়নৰ জৰিয়তেও প্রভাৱিত হৈছে, য'ত বাতৰি-কাকত, দূৰদর্শন, অনাতাঁৰ সম্প্রচাৰ আৰু ইন্টাৰনেট তথা ছ'ছিয়েল মিডিয়া আদি অন্তর্ভুক্ত। ইয়াৰ ফলত জনসাধাৰণ উদ্দীপ্ত হৈছে তথা ৰাজনৈতিকভাৱে সচেতন হৈছে আৰু ৰাজনীতিত সক্রিয় অংশ গ্রহণ কৰিছে। সাধাৰণভাৱে ক'বলৈ গ'লে যি ৰাজনৈতিক আধুনিকীকৰণৰ সৈতে ধর্মনিৰপেক্ষতা আৰু নৃ-গোষ্ঠীয়তা জড়িত হৈ আছে সেয়া ১৬ শ শতিকাত পশ্চিম ইউৰোপত আৰম্ভ হৈছিল আৰু সমান্তৰালভাৱে বিশ্বৰ আন প্রান্ততও প্রসাৰতা লাভ কৰে।
- ৰাজনৈতিক অধুনিকীকৰণ কেইবাটাও বাহকৰ জৰিয়তে আকৃতি লাভ কৰিছে। সেইবোৰ হ'ল— ঔপনিৱেশিকতাবাদ , আঢ্যৱন্ততা, সামৰিক নেতা, ৰাজনৈতিক দলসমূহ আৰু আমোলাতন্ত্র।
- ৰাজনৈতিক উন্নয়নৰ ধাৰণাটো এছিয়া আৰু আফ্রিকাৰ উন্নয়নশালী দেশবোৰৰ লগত জড়িত। এই দেশবোৰৰ লগত বেছিভাগেই দ্বিতীয় বিশ্বযুদ্ধৰ পিছত স্বাধীনতা লাভ কৰিছিল। এই দেশবোৰে একেসময়তে আমেৰিকাৰ বহুসংখ্যক ৰাজনীতি বিজ্ঞানীক আকর্ষিত কৰিছিল। এই ক্ষেত্রত লুচিয়ান পাই, মাইৰন ৱেইনাৰ, ডেভিদ আপেভ্ৰ, এফ ডব্লিউ ৰিগ্চ আদিৰ নাম উল্লেখ কৰিব পাৰি।
- আমেৰিকাৰ ৰাজনৈতিক বিজ্ঞানী যথাক্রমে গেব্রিয়েল আলমণ্ড আৰু জি বি পাৱেলে কৈছে যে ৰাজনৈতিক উন্নয়নে চাৰিটা সমস্যাক নিদের্শ কৰে— ৰাষ্ট্র নির্মাণ , জাতি নির্মাণ , ৰাজনৈতিক অংশ গ্রহণ আৰু কল্যাণকামী আঁচনিৰ সমবিতৰণ।
- লুচিয়ান ডব্লিউ পাইৰ মতে, ৰাজনৈতিক উন্নয়নৰ তিনিটা বিশেষত্ব আছে যেনে — সমতা,

পৃথকীকৰণ আৰু সামৰ্থ্য। যিকোনো দেশৰ উন্নয়নৰ পৰিমাণ এইকেইটা বিশেষত্বৰ জৰিয়তে নির্ণয় কৰিব পাৰি।

- প্রথম বিশেষত্বটো হৈছে সমতাৰ প্রতি থকা মনোভাৱ। ৰাজনৈতিক ব্যৱস্থাটোৱে ৰাজনৈতিক কার্যকলাপত নাগৰিকসকলৰব্যাপক অংশ গ্রহণ সুনিশ্চিত কৰে। এনে ধৰণৰ অংশ গ্রহণে গণতান্ত্রিক অথবা একনায়কত্ববাদী হ'ব পাৰে। সমতা মানে আইন সকলোৰে বাবে একে ৰূপত প্রযোজ্য আৰু কোনো ধৰণৰ বৈষম্য নথকাকৈ ৰূপায়িত হ'বই লাগিব। সেয়েহে একলিখিত আইনী ব্যৱস্থা থকা উচিত। ৰাজহুৱা কার্যালয়ত নিয়োগ মেধা আৰু যোগ্যতাৰ ভিত্তিত হোৱা উচিত।
- ৰাজনৈতিক ব্যৱস্থাত ভূমিকাৰ বিশেষীকৰণ আৰু গাঁথনি বিভক্তকৰণৰ ওপৰত পৃথকীকৰণৰ সৃষ্টি হয়।। উদাহৰণস্বৰূপে, ন্যায়িক নীতি-নিয়ম প্রক্রিয়াবোৰ ধর্মৰ পৰা আৰু প্রশাসনক ৰাজনীতিৰ পৰা পৃথক কৰা হয় । ৰাজনৈতিক ব্যৱস্থাত চৰম সংহতিবোধৰ আধাৰত বিশেষীকৃত ভূমিকাৰ বাবে বিশেষীকৃত গাঁথনি থাকে।
- ৰাজনৈতিক ব্যৱস্থাৰ সামৰ্থ্যই মানুহৰ আশা আৰু আকাংক্ষাক পৰিপূর্ণ কৰিবলৈ ফলপ্রসূ ভাৱে ৰাজহুৱা কাম-কাজ তদাৰক কৰে, বিবাদ নিয়ন্ত্রণ কৰে আৰু মানুহৰ নতুন দাবী পূৰণৰ প্রচেষ্টা কৰে আৰু অন্য প্রয়োজনীয়তাবোৰৰ কথা বিবেচনা কৰে।



১৪.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪)।*স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । যোৰহাটঃ ইউনিকা প্রকাশন।

৩) চক্রৱর্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্রকাশন।

৪) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.

৪) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.

১৪.৭ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ উপনিবেশিকতাবাদ আৰু আঢ্যৱন্ততা

২নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বজনীন

৪নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ

৫নং প্ৰশ্নৰ উত্তৰঃ (ক) সামৰিক নেতা ঃ কিছুমান নতুনকৈ স্বাধীনতা লাভ কৰা দেশত সামৰিক শাসক কিছুমানে ক্ষমতা লাভ কৰিবলৈ সক্ষম হৈছে। দেশখনৰ নিয়ন্ত্ৰণ হাতত অহাৰ পিছত এই নেতাসকলে আধুনিকীকৰণৰ কাম হাতত লয়। বিভাজনকামী আৰু ঐক্য বিনষ্টকাৰী শক্তিসমূহক সামৰিক শাসকসকলে কঠোৰ হাতেৰে দমন কৰে আৰু মানুহৰ মাজত একতা বৃদ্ধি কৰে। উদাহৰণস্বৰূপে, তুৰস্কত মুস্তাফা কামাল আতাতুৰ্কে ক্ষমতা দখল কৰি আধুনিকীকৰণ আৰু ৰাষ্ট্ৰীয় সংহতি ৰক্ষাৰ কামত ব্ৰতী হৈছিল।

(খ) ৰাজনৈতিক দল ঃ ৰাজনৈতিক দলসমূহেও ৰাজনৈতিক আধুনিকীকৰণৰ এটা প্ৰতিনিধি হিচাপে কাম কৰে, কাৰণ এই দলবোৰে ৰাষ্ট্ৰীয় আৰু স্থানীয় গুৰুত্বপূৰ্ণ বিভিন্ন সমস্যাৰ কথা উত্থাপন কৰে আৰু নাগৰিকসকলক ৰাজহুৱা বিতৰ্কত অংশগ্ৰহণ কৰাৰ বাবে সাজু কৰি তোলে। তেওঁলোকে দেশপ্ৰেম ৰাষ্ট্ৰীয়তাবাদৰ এটা মনোভাৰ জগাই তোলাৰ চেষ্টা কৰে। সেয়েহে, ৰাজনৈতিক দলবোৰে মানুহৰ মাজত ৰাজনৈতিক সজাগতাৰ সৃষ্টি কৰে আৰু শাসন তথা উন্নয়নৰ বিভিন্ন কথাক লৈ মানুহক সংগঠিত কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰ নিৰ্মাণ আৰু জাতি নিৰ্মাণ

৭নং প্ৰশ্নৰ উত্তৰ ঃ লুচিয়ান পাই।

৮নং প্ৰশ্নৰ উত্তৰ ঃ আলমণ্ড আৰু পাৱেলৰ মতে ৰাষ্ট্ৰ এখনৰ আধুনিক গঠন, প্ৰশাসনিক সৰঞ্জাম আৰু সংস্থা থাকিব লাগে। এই সংস্থাবোৰৰ কিছুমান বিশেষ ভূমিকা থাকে যাতে এখন দেশত সময়ে সময়ে উদ্ভৱ হোৱা বিভিন্ন সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সমস্যাসমূহৰ মোকাবিলা কৰিব পাৰে। আনুষ্ঠানিক গঠনত কাৰ্যপালিকা (শাসনাধিষ্ঠিত চৰকাৰ, আমোলা, পুলিচ) বিধানমণ্ডল আৰু ন্যায়পালিকা থাকে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল আৰ্থ সামাজিক উন্নয়নৰ বাবে কেন্দ্ৰীয় আমোলাতন্ত্ৰই এটা গুৰুত্বপূৰ্ণ ভূমিকা লয়।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক ব্যৱস্থাৰ সামৰ্থ্যই মানুহৰ আশা আৰু আকাংক্ষা পৰিপূৰ্ণ কৰাৰ লগতে ৰাজহুৱা কাম-কাজ, বিবাদ নিয়ন্ত্ৰণ আৰু মানুহৰ নতুন চাহিদা আৰু দাবীক সঁহাৰি

জনাই সূচাৰুৰূপে কার্য সম্পাদন কৰাটোত গুৰুত্ব দিয়ে। সেয়েহে 'সামর্থ্য' বুলিলে 'কার্যক্ষমতা' আৰু 'যোগ্যতা'ক কার্যৰূপায়ণৰ ক্ষেত্রত সূচিত কৰে।



১৪.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ৰাজনৈতিক আধুনিকীকৰণৰ চাৰিটা বাহকৰ নাম উল্লেখ কৰক।

প্রশ্ন ২ ঃ ১৬শ শতিকাত ৰাজনৈতিক আধুনিকীকৰণ ক'ত আৰম্ভ হৈছিল?

প্রশ্ন ৩ ঃ কোনে ৰাষ্ট্র নির্মাণ, জাতি নির্মাণ, ৰাজনৈতিক অংশগ্রহণ আৰু কল্যানকামী আঁচনিৰ সমবিতৰণৰ সমস্যাবোৰ ৰাজনৈতিক উন্নয়নৰ অংশ হিচাপে আলোচনা কৰিছিল?

প্রশ্ন ৪ ঃ লুচিয়ান পাইয়ে উল্লেখ কৰা ৰাজনৈতিক উন্নয়নৰ তিনিটা বিশেষত্ব কি কি?

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আলমণ্ড আৰু পাৱেলে ৰাজনৈতিক উন্নয়ন সম্পর্কত উল্লেখ কৰা ৪টা সমস্যাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ লুচিয়ান পাইয়ে উল্লেখ কৰা সমতা, পৃথকীকৰণ আৰু সামর্থ্য নামৰ বিশেষত্বকেইটাক ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ৰাজনৈতিক উন্নয়নৰ ধাৰণা সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ঃ ৰাজনৈতিক আধুনিকীকৰণৰ ধাৰণা সম্পর্কে আলোচনা কৰক।

*** ***** ***



প্রসংগ গ্রন্থসমূহ

ইংৰাজী কিতাপ

১) Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.

২) Asirvatham, Eddy & Misra, K.K.(2006). *Political Theory*. New Delhi: S. Chand and Company.

৩) Chakravarty, Anup (ed.) (2000-01). *An Introduction to Politics (19th edition)*.Calcutta: Modern Book Agency Pvt. Ltd.

৪) Gauba, O.P. (2007). *An Introduction to Political Theory (Fourth edition)*. New Delhi: Macmillan India Ltd.

৫) Heywood, Andrew (2002). *Politics.* New York: Palgrave Foundations.

৬) Heywood, Andrew (2004). *Political Theory- An Introduction (Third Edition)*. New York: Palgrave Macmillan.

৭) Kapur,A.C.(2006). *Principles of Political Science*. New Delhi: S. Chand and Company.

৮) Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.

৯) Varma, S.P. (2005). *Modern Political Theory*. New Delhi: Vikash Publishing House.

অসমীয়া কিতাপ

১) গগৈ, পুৰন্দৰ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*। গুৱাহাটীঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*। যোৰহাটঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰবৰ্তী, আদ্যনাথ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্ৰকাশন।

বিশ্বকোষ

১) *The New Encyclopedia Britannica (Vol.9)* (2005).Chicago: Encyclopedia Britannica Inc.

২) *International Encyclopedia of the Social Sciences (Vol.6)* (2008).New York: Macmillan Reference USA.